
উনবিংশ সংখ্যা
২০০৮ বৰ্ষ
বিহুৱান
ফাটবিহু উদ্‌যাপন সমিতিৰ
বছেৰেকীয়া প্ৰকাশ
সম্পাদক
মৌচুমী গগৈ হাতীবৰুৱা

# স্মৰণ



ঁসখিধৰ দত্ত

জন্ম- ১৯১৪ চন

মৃত্যু- ফেব্ৰুৱাৰী ১৯৮৩ চন

ফাটবিহুৰ বছৰেকীয়া মুখপত্ৰ

# বিহুৱান

উনবিংশ সংখ্যা ঃ ২০০৮



প্ৰয়াত সখিধৰ দত্ত দেৱৰ

সোঁৱৰণিত উৎসৰ্গিত

২৬, ২৭, ২৮ বহাগ ১৯৩০ শকাব্দ।

(ইং ৯, ১০, ১১ মে' ২০০৮ খ্ৰীষ্টাব্দ)

ফাটবিহু তলী

ঢকুৱাখনা

সম্পাদক

মৌচুমী গগৈ হাতীবৰুৱা

IHUWAN :
A Cultural and literary souvenir to Phato Bihu Festi-
al, Dhakuakhana, Published by Mr. Gubin Dutta and edited
y Moushumee Gogoi Hatibaruah.

| | | |
|---|---|---|
| নবিংশ প্ৰকাশ | : | ব'হাগ ১৯৩০ শকাব্দ (মে' ২০০৮ খ্ৰীষ্টাব্দ) |
| ৰকাশক | : | গোবিন দত্ত, বৰুৱাটিকা, ঢকুৱাখনা। |
| ম্পাদনা সমিতি | : | |
| উপদেষ্টা | : | শিৱ প্ৰসাদ গগৈ |
| সদস্যা | : | পদ্মা বড়া দাস |
| সদস্য | : | গোবিন দত্ত |
| সদস্য | : | প্ৰণৱ বৰুৱা |
| সদস্য | : | জিতু কুমাৰ চমুৱা |
| সদস্য | : | জিতেন দাস |
| সদস্য | : | বিনোদ ফুকন |
| সদস্য | : | ভূধৰ দাস |
| সদস্যা | : | গায়ত্ৰী দলে |
| সম্পাদক | : | মৌচুমী গগৈ হাতীবৰুৱা |
| বেটুপাত, স্কেচ্ | : | ইন্দিবৰ বুঢ়াগোঁহাঞি |
| অবিহণা | : | ১০.০০ (দহ) টকা। |
| ডি. টি. পি. এণ্ড ডিজাইনিং | : | নিতুল দত্ত, ভাস্কৰ দত্ত |
| মূদ্ৰক | : | এল্‌কম, ঢকুৱাখনা। |


DHAKUAKHANA COLLEGE
NO ........
DATE........
LIBRARY

আন্তৰিক প্ৰীতি আৰু শুভেচ্ছাৰে—

শ্ৰীযুত/শ্ৰীযুক্তা/ড° ...নন্দ চুতীয়া দেৱৰ...
...হাতত...

মৌচুমী গগৈ হাতীবৰুৱা
সম্পাদক, বিহুৱান
ফাটবিহু উদ্‌যাপন সমিতি,
ঢকুৱাখনা।

## প্ৰকাশকৰ কলম :



ফাটবিহু - ঢকুৱাখনাৰ লোকমনৰ সংস্কৃতিৰ বৰপেৰা। সাম্প্ৰতিক কালত ফাটবিহু তাহানিৰ ৰং ৰূপ হেৰাই গৈছে যদিও অতীতৰ ফাটবিহুৰ পৰম্পৰা আৰু ঐতিহ্য নিৰৱচ্ছিন্ন ৰূপে ধৰি ৰাখিবলৈ ঢকুৱাখনাৰ সকলো জনগোষ্ঠীৰ ৰাইজ আহি চাৰিকড়ীয়াতিৰ গাৰত আজিও মাৰ বান্ধে। অতীতৰ বঙালী বিহুৰ আঁত কিবি ফাটবিহু তলীত আজিও অসমৰ নানা ঠাইৰ কৌতুহলী সাংস্কৃতিবান সহস্ৰজনৰ সমাগম হয়। শেহতীয়াকৈ কেইদশকমানৰ পৰা বৰ অসমৰ সংস্কৃতিৰ ভেঁটিত স্বকীয় ৰূপই-[illegible] ফাটবিহু জাতিস্থাৰ হৈ উঠিছে। এনেহেন ঐতিহ্যময় ফাটবিহুৰ উৎসৱ উপলক্ষে ১৯৭৬ চনৰ পৰা নহেৰেকীয়া ৰূপত বিহুৱান খনি প্ৰকাশ হৈ আহিছে।

জনম অৱধি ঢকুৱাখনাৰ বৈচিত্ৰময় প্ৰাকৃতিক পৰিৱেশত ইয়াৰ স্বাস্থ্যৰ [illegible] চাৰিকড়ীয়াৰ পকা বালিত খেলা-ধূলা কৰি, বোৰ্দৈতী নৈৰ বুকুত সাঁতুৰি-নাদুৰি, [illegible] পাৰে কাটিয়াই অনা পললসত উৰ্বৰা হোৱা পথাৰৰ শইচ খাই লালিত পালিত হৈছো। ৰাইজৰ মাজৰে এজন হৈ, ৰাইজৰ চৰণ ধুই ফাটবিহু উদ্যাপনৰ [illegible] অকৃত্ৰিম ভাবে এই অভাজনে সেৱা আগবঢ়াই আহিছো। যোৱা ২০০৩ আৰু ২০০৪ চনত মোৰ দৰে অপাত্ৰ এজনক দুবাৰকৈ ফাটবিহু উদ্যাপন সমিতিৰ সভাপতিৰ গুৰু ভাৰ অৰ্পন কৰাত বাপতি সাহোন উৎসৱটি সাফল্য মণ্ডিত [illegible] এই ঢকুৱাখনাৰ ফাটবিহু প্ৰেমী ৰাইজৰ সহায় সহযোগত যৎপৰোনাস্তি চেষ্টা চলাইছিলো।

এইবাৰ ফাটবিহু সমিতিয়ে দয়া কৰি আমাক বিহুৱান খনিৰ প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ কৰাত আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা আমাৰ অনুৰাগৰ বাবে বিশেষকৈ সহধৰ্মিণী হেমপ্ৰভাৰ আগ্ৰহৰ বাবে প্ৰকাশকৰ দায়িত্ব আন্তৰিকতাৰে গ্ৰহণ কৰিলো।

আমাৰ পিতৃগুৰু স্বৰ্গীয় সখীধৰ দত্ত আৰু বাল্যকালতে স্বৰ্গগামী হোৱা চেনেহৰ আইমাতৃ স্বৰ্গীয়া লুথুৰী দত্তৰ পবিত্ৰ স্মৃতিত এই সংখ্যা বিহুৱান প্ৰকাশ কৰিবলৈ পাই আমাৰ পৰিয়ালৰ আটাইয়ে পৰম আহ্লাদিত হৈছো। এই আপাহতে আমাৰ শ্ৰদ্ধেয় ককা স্বৰ্গীয় মনাই দত্ত আৰু স্বৰ্গীয়া ককিলী দত্ত বুঢ়ী আইৰ প্ৰতিও আমাৰ সশ্ৰদ্ধ প্ৰণতি আগবঢ়াইছো। আমাৰ পিতৃদেৱ কেৱল ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা লাভ কৰা এজন সাধাৰণ কৃষক আছিল। লগতে তেখেতে গাৱঁৰ আৰু অঞ্চলৰ ধৰ্মীয় সমাজৰ পাঠক আৰু তেখেতে অঞ্চলটোৰ বৰসবাহ, বাৰেচহৰীয়া সবাহৰ নামতি আছিল। তেখেতে বন দৰবেৰে দৰিদ্ৰ ৰাইজৰ ৰোগ নিবাময়ৰ বাবে প্ৰাকৃতিক চিকিৎসা আগবঢ়াইছিল আৰু সমগ্ৰ ঢকুৱাখনা অঞ্চলত 'সখিধৰ বেজ' বুলিহে পৰিচিত আছিল। তেখেত কিন্তু যাদু-মন্ত্ৰ আদি বিধানত বিশ্বাসী নাছিল। গাৱঁৰ আৰু অঞ্চলৰ এজন লেখৰ বিহুৱা ৰূপেও আমাৰ পিতৃদেৱ জনাজাত আছিল। সাধাৰণ কৃষক পিতৃ-মাতৃৰ এজন পুত্ৰ আৰু মোৰ চাৰিগৰাকী বাই-ভনীৰে আন দহজনৰ লগত স্বচ্ছন্দে জীৱন-নিৰ্বাহ কৰিবলৈ পাই আমি পৰিয়ালৰ আটায়ে নিজকে ধন্য মানিছো। পিতৃ-মাতৃৰ ঋণৰ বোজা পাতলোৱাত আমাৰ এই প্ৰকাশকৰ কাম ফেৰাই আমাক বহু পৰিমাণে সকাহ দিলে বুলি অকপটে স্বীকাৰ কৰিলো।

পৰিশেষত এই সংখ্যাত প্ৰকাশিত প্ৰবন্ধ পাতি সমূহে পাঠকৰ সমাদৰ লাভ কৰিলে। প্ৰকাশক হিচাপে আমি নথৈ আনন্দিত আৰু গৌৰবান্বিত হ'ম। পুণৰ দোহাৰিছো— ফাটবিহু সমিতিয়ে আমাক প্ৰকাশকৰ দায়িত্ব বহন কৰিবলৈ দিয়া সুবিধাকণৰ বাবে ফাটবিহু সমিতি আৰু ফাটবিহু উদ্‌যাপন সমিতিৰ সকলো বিষয়-ববীয়া, সদস্য-সদস্যালৈ আমাৰ পৰিয়ালৰ আটাইৰে হৈ আন্তৰিক ধন্যবাদ যাচিছোঁ।

ফাটবিহু তলীৰ সদৌটিলৈ বিহুৰবীয়া শুভেচ্ছাৰে.....।

*গোবিন দত্ত*
*বৰবাটিকা, ঢকুৱাখনা।*

# সূচী-পত্ৰ


| | | |
|---|---|---|
| সম্পাদকীয় | | ১ |

## প্ৰবন্ধ

| | | |
|---|---|---|
| প্ৰসংগ ঃ ফাট আৰু ফাট-বিহু | ঃ জগদীশ গগৈ | ৯ |
| ফাটবিহুৰ বৈচিত্ৰ-বিচাৰ | ঃ ইছমাইল হোছেইন | ১৬ |
| ঢকুৱাখনা ঃ নামটো কিমান পুৰণি | ঃ শৈলেন বৰুৱা | ২৬ |
| ঢকুৱাখনাৰ ফাটবিহু | ঃ ড° নিৰ্মল কুমাৰ চৌধুৰী | ৩১ |
| ফাট বিহুক জীয়াই ৰাখো আহক | ঃ তীৰ্থ ফুকন | ৩৫ |
| বহাগ বিহুত ব্যৱহৃত উদ্ভিদৰ বৈজ্ঞানিক গুনাগুণ | ঃ ডঃ অন্নজ্যোতি গগৈ | ৩৮ |
| ওৰ নপৰা ৰঙালী বিহুৰ কথা | ঃ শিৱ প্ৰসাদ গগৈ | ৪৭ |
| ফাটবিহু সম্পৰ্কে | ঃ ড° বিশ্বজিৎ বৰুৱা | ৫৬ |
| বোৱালগুৰিৰ ৰাতিবিহু আৰু ইয়াৰ ঐতিহাসিক ৰূপৰেখা | ঃ ডিম্বেশ্বৰ গগৈ | ৫৮ |
| মনলৈ অহা ফাটবিহুৰ ছবিখন | ঃ বীৰেন বৰগোঁহাই | ৬৫ |
| এক ট্ৰেজিক নায়িকা | ঃ সৰ্বেশ্বৰ সুত বৰুৱা | ৬৯ |
| জানোচা পাহৰো- সাম্প্ৰতিক কালৰ প্ৰথমখন আনুষ্ঠানিক ফাটবিহুৰ সভাপতিঃ নৰ বৰগোঁহাই মানুহজন | ঃ ইন্দিবৰ বুঢ়াগোহাঞি | ৭৫ |
| দেউৰী মহিলাৰ পৰম্পৰাগত বয়ন শৈলী ঃ এটি চমু আলোচনা | ঃ ড° চন্দ্ৰ নাথ বৰুৱা | ৭৮ |
| হাৰ্হি দেৱালয়ৰ দূৰ্গা পূজা আৰু টিপচী ভোজ | ঃ মীনামনি দেবী | ৮২ |
| সংস্কৃতিৰ সমস্যা | ঃ হোমেন দাস | ৮৫ |
| বিহু আৰু বিহুতলীৰ বিচাৰক | ঃ নন্দ চুতীয়া | ৮৯ |
| মাঘ বিহু এটি সাংস্কৃতিক অনুভৱ | ঃ ধৰণীধৰ কলিতা | ৯৩ |
| মাজ-জালভাৰী গাৱঁৰ মহাপুৰুষীয়া নামঘৰৰ ভাওনা আৰু মুখা-শিল্প | ঃ বলিন কলিতা | ৯৬ |
| সোণোৱাল-কছাৰী সংস্কৃতি | ঃবিভাৱৰী হাজৰিকা সোণোৱাল | ৯৯ |
| বিহুগীতৰ ব্যঞ্জনা | ঃ ইন্দিৰা গগৈ | ১০৩ |
| মুটিপাতৰ ভুঁইকপে কঁপাই যোৱা ঢকুৱাখনাৰ হিলৈদাৰী গাওঁ | ঃ বিদ্যাৱতী গগৈ | ১০৭ |
| ফাটবিহুৰ ৰূপ বিশ্লেষণ | ঃ জগত ফুকন | ১১২ |
| মিচিং সকলৰ 'ঐচৰি-পদ' আৰু 'ৰইলা-গীত' | ঃ সৰ্বেশ্বৰী পেগু | ১১৫ |
| চাবিকড়ীয়া, ম'হঘুলি চাপৰি, ফাটবিহু আৰু মোৰ অনুভৱ | ঃ পদ্মা বড়া দাস | ১১৮ |
| ঢকুৱাখনা মহকুমাৰ গাঁৱৰ নাম-পৰিচিতি | ঃ ড° জিতৰাম কলিতা | ১২১ |
| ঢকুৱাখনাৰ ৰঙালী বিহু ঃ তেতিয়া আৰু এতিয়া | ঃ ভূধৰ দাস | ১২৫ |
| অসমৰ জনপ্ৰিয় লোকবাদ্য ঃ 'পেঁপা' | ঃ ৰুণু দত্ত দাস | ১২৯ |
| বসন্ত উৎসৱৰ ঐতিহ্য ঃ এটি অৱলোকন | ঃ ত্ৰৈলোক্য গগৈ | ১৩২ |
| মাঘী পূৰ্ণিমাৰ উত্তৰ পৰীয়া বাৰেচহৰীয়া সবাহ | ঃ পুষ্পা গগৈ | ১৩৪ |
| অবিভক্ত গোৱালপাৰা জিলাৰ অভয়াপুৰীত বিহু উদ্‌যাপনৰ প্ৰস্তুতি আৰু বৰ্তমান | ঃ প্ৰবীৰ কুমাৰ চক্ৰবৰ্তী | ১৩৬ |
| ফাটবিহুৰ বতৰত | ঃ হেমন্ত কুমাৰ গগৈ | ১৩৯ |
| কুন্দিধৰ্মৰ তাৎপৰ্য | ঃ ৰাণু প্ৰভা দেউৰী | ১৪১ |

*গল্প ঃ*

| | | |
|---|---|---|
| বৰটি ছিঙা ঢোলৰ ছেও | ঃ নিবেদিতা লাগাচু | ১৪৪ |

## কবিতা

| | | |
|---|---|---|
| বিহুৰ বতৰত কি দিম | ঃ সৌৰভ শইকীয়া | ১৫৩ |
| হিজল গছৰ ছাঁ | ঃ কুশল দত্ত | ১৫৪ |
| চেনাইলৈ | ঃ সবিতা কোঞৰ | ১৫৫ |
| মৰণা | ঃ হেমচন্দ্ৰ দত্ত | ১৫৬ |
| বাসন্তী পৰশ | ঃ ৰাজীৱ তামুলী | ১৫৮ |
| বহাগত সুগন্ধি হোৱা গাৱঁৰ কথাৰে... | ঃ জিতু কুমাৰ চমুৱা | ১৫৯ |
| শিবিৰ | ঃ জ্যোতিনীলিমা গগৈ | ১৬০ |
| উৎসৱৰ দিনবোৰ | ঃ অপূৰ্ব কুমাৰ বৰ্মন | ১৬১ |
| সপোন | ঃ জিতু দত্ত | ১৬২ |
| বহাগৰ মালিতা | ঃ ৰাজীৱ বৰুৱা | ১৬৩ |
| হেঁপাহ চিৰদিন | ঃ নাৰ্জিনা ইছলাম। | ১৬৪ |
| বসন্তৰ গান | ঃ সুৰভি কোঁৱৰ | ১৬৫ |
| সন্ধান-হৃদয়ৰ | ঃ বুবুল চমুৱা | ১৬৬ |

| | | |
|---|---|---|
| ফাটবিহু : অনুভৱৰ মালিতা | : বিনোদ ফুকন | ১৬৭ |
| উচৰৰ দিনত | : সুকন্ত কুমাৰ ভূএঞা | ১৬৮ |
| কবিতা | : গনেশ চমুৱা | ১৬৯ |
| তিনিটা বহাগৰ স্তবক | : ঐজ্যোতি চুতীয়া | ১৭০ |
| বহাগৰ কবিতা | : জুপিতৰা নাথ | ১৭১ |
| ফাট বিহুৰ সুৱৰি | : ঘৃতাচী দত্ত | ১৭২ |
| অনুভৱ | : অসমী কলিতা | ১৭৩ |
| বহাগ | : ময়ুৰকৃষ্ণা বৰা | ১৭৪ |
| বহাগৰ স্বপ্ন | : মিনতি বৰুৱা | ১৭৪ |
| অপেক্ষা | : গৌৰীমা গগৈ | ১৭৫ |
| ***সাক্ষাৎকাৰ ভিত্তিক মনৰ কথা :*** | | ১৭৬ |
| লোহিত ডেকা, আকাশবাণী ডিব্ৰুগড় | : সাক্ষাৎ গ্ৰহণ, জিতু কুমাৰ চমুৱা | |
| কণমইনা গগৈ, মীনা চেতিয়া, গুণ ফুকন, | | |
| পৰমা ফুকন- পুৰণি বিহুৱা-বিহুৱতী, ঢকুৱাখনা | : সাক্ষাৎ গ্ৰহণ, বিনোদ ফুকন | |
| ***˚সখিধৰ দত্তৰ সোঁৱৰণী পৃষ্ঠা :*** | | |
| ˚সখিধৰ দত্তৰ সোঁৱৰণত | : জগদীশ গগৈ | ১৮০ |
| মোৰ শহুৰ দেউতাৰ সান্নিধ্যৰ মধুৰ স্মৃতিৰে | : হেমপ্ৰভা দত্ত | ১৮২ |
| ***আলোক চিত্ৰ*** | | |
| ***প্ৰতিবেদন*** | | |
| ➡ ফাট বিহু সমিতিৰ সভাপতিৰ একাষাৰ | | ১৮৪ |
| ➡ ফাট বিহু সমিতিৰ সম্পাদকৰ মেজৰ পৰা | | ১৮৭ |
| ➡ ফাট বিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ | | ১৯৩ |
| ➡ ফাট বিহু উদ্‌যাপন সমিতিৰ সম্পাদকৰ একাষাৰ | | ১৯৬ |
| ➡ ফাট বিহু ২০০৭ বৰ্ষৰ হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ একাংশ | | ১৯৯ |
| ***তথ্যকোষ :*** | | |
| ➡ ২০০৭ বৰ্ষৰ ফাটবিহুৰ প্ৰতিযোগিতা সমূহৰ ফলাফল | | ২০২ |
| ➡ ফাট বিহু উদ্‌যাপন সমিতি'০৮ বৰ্ষ | | ২০৫ |
| ➡ ফাট বিহুৰ ২০০৮ বৰ্ষৰ কাৰ্য্যসূচী | | ২১২ |
| ➡ ফাটবিহুৰ চলন্ত বঁটা সমূহ | | ২১৪ |
| ➡ বিহুৱানৰ প্ৰাক্তন সম্পাদক সকল | | ২১৫ |
| ➡ লেখকৰ ঠিকনা | | ২১৬ |


## সম্পাদকীয় :

কৃষিজীৱি মাত্ৰেই মাটিৰ মানুহ। মাটিৰ আজন্ম সাধক; যাৰ নিপুণ হাতৰ পৰশত সোনকণা হয় মাটি। মাটি, কৃষকৰ প্ৰথম পৰিচয়; মাটিয়েই শেষ ঠিকনা। খেতি-খোলাই জীৱন। মনো মাটি-মুখী। মাটিক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠে জীৱনৰ সুখ-দুখ, স্বপ্ন-বিষাদৰ বুনীয়াদ। —'এইবেলি বাওধান পানীয়ে মাৰিলে/অহাবেলি বাওধান পাম' অথবা, 'নৈৰ কাষৰীয়া মাটি তাকৰীয়া/খাবলৈ নোজোৰে ভাত'— বুলি মাটি আৰু মানুহ (জীৱিকা আৰু জীৱন) একাকাৰ হৈ পৰাজন, স্বৰূপাৰ্থতেই মাটিৰ মানুহ! মাটিৰ আত্মজ মানুহ! মাটি সৰ্ব্বস্ব মানুহ!!

কৃষি-কৌশল আৱিষ্কাৰ মানৱ প্ৰতিভাৰ এক চমকপ্ৰদ সাফল্য। ই সভ্যতাৰ দিক্ নিৰ্ণায়ক। গ্ৰাম্য-গাঁঠনিৰ আধাৰ। 'খেতি ডৰা'ৰ চিন্তাই গ্ৰাম্য-চেতনাৰ কঠীয়াতলী; লোককৃষ্টিৰো মূলভেঁটি। কৃষি-ব্যৱস্থাৰ পাতনিৰে পৰা কৃষি -নিৰ্ভৰ মানুহে শস্যৰ শ্ৰীবৃদ্ধিৰ উদ্দেশ্য পালন কৰি আহিছে অনেক লোকাচাৰ। শস্যৰ প্ৰতিকূল শক্তিক নাশ কৰি মাটিৰ বুকুত আশাৰ কঠিয়া গজাবলৈ, ছথৰীয়া ডাঙৰিত বান্ধি সপোনৰ সোনগুটি এভাৰ কঢ়িয়াই আনিবলৈ; বছৰটোলৈ ভঁৰাল ভৰাই খাবলৈ সুখৰ ভাত— কৃষিজীৱি চহাই আশ্ৰয় লয় লৌকিক আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বন, বিশ্বাস-পৰম্পৰাৰ। সামূহীক জীৱনৰ এনে আনুষ্ঠানিকতাই 'কৃষি কেন্দ্ৰীক লোক-উৎসৱ'ৰ পৃষ্ঠভূমি। শস্য সিঁচা, শস্য-চপোৱাৰ মাঙ্গলিক আচাৰেৰে উৰ্ব্বৰা, ৰং উলাহেৰে ৰহঘৈয়া— এই উৎসৱ সমূহে শস্য-জীৱি মানুহক দান কৰি আহিছে অটুত প্ৰাণ-শক্তি আৰু অবুৰন্ত কৰ্ম্ম-প্ৰেৰণা।

কৃষি-কৰ্ম্মৰে জড়িত লোক উৎসৱ সমূহৰ অধিকাংশই বসন্ত-কালীন। বসন্ত কালত প্ৰকৃতিৰ উৎপাদিকা শক্তি বাঢ়ে। মুকলি পথাৰত পুৰুষ-নাৰীৰ মিলন আৰু আদি ৰসাত্মক নৃত্য-গীতে শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ আদিম বিশ্বাস পৃথিৱীৰ প্ৰায়বোৰ লোক সমাজতে আছে। আমাৰ অতিকৈ সাদৰৰ, অতিকৈ চেনেহৰ বহাগ-বিহুটি তেনে বিশ্বাসৰে পূৰ্ণ প্ৰতিফলন।

অনাদি কালৰে পৰা বৈ থকা কঢ়া, চাৰিকড়ীয়া, খেৰকটা-দাংধৰাৰ সুজলা পানীয়ে শইচ-সুফলা কৰা মাটিত সভ্যতাৰ পাতনি মেলা ঢকুৱাখনাৰ মৃন্ময়-মানুহেও ধান, মাহ, সৰিয়হৰ কুশল-প্ৰাৰ্থনাৰে পালন কৰি আহিছে

নানানটা কৃষি-উৎসৱ। আলি-আই-লৃগাং, বিচু, বিছু, বিহু, পৰাগ আদি উদ্‌যাপনৰ মূলতে শস্যৰ কুশল-মঙ্গল কামনা। চকুৰাখনাৰ সমাজ-জীৱন চহকীকৰি ৰখা এই আটাইবোৰ বাৰেবৰণীয়া উৎসৱৰ ভিতৰত বহাগ-বিহুটোকে সকলোৰে হাউচটো বেছি। কাৰণ বহাগেই যে বোকোচাত আনে চকুৰাখনীয়াৰ কলিজাৰ এখাল যেন ৰঙৰ উৎসৱ, প্ৰাণৰ উৎসৱ,- 'ফাটবিহুটিৰ খবৰ। হিয়া উজাৰি গাবলৈ, দেহাজলি নাচিবলৈ, মনৰ জোখাৰে ৰং-ৰহইচ কৰিবলৈ বছৰৰ বাৰেওটি কাল আঙুলিৰ পাৰতে গণি গণি চকুৰাখনীয়াই বাট-চায় বহাগলৈ।

শেষ ফাগুনৰ ভমকাফুলীয়া শিমলু, পলাশে চাৰিকড়ীয়াৰ দুপাৰৰ গাওঁবোৰক বহাগ অহাৰ জাননী দিয়ে। শীতৰ নঙলাখুলি ওলাই অহা কুঁহিপাতৰ সেউজীয়া সুহৰিত বুৰ যায় অৰণ্য। শিমলু ফুলৰ ৰঙীণ পিয়লাত মদিৰা খাই মাতাল হোৱা চৰাই জাকৰ দৰে সেঁনাম, কঁনেং ইঁতৰ মাতবোৰতো ৰাগি লাগে। পৰঃ-আপং এৰাতিৰ দৰে নিচা লগা ঐনিতমৰ সুৰবোৰ ওপঙি ফুৰে বতাহত। বতাহে ছিৰিলি ছিৰিলি কৰা কলপাতৰ চানেকী চাই কোনোৱা চেনায়ে চেনেহীলৈ বুলি গোপনে কাঁকৈ কাটে। ফাগুন মানেই উতলা দিন, উতলা বতৰ। হাঁচটিৰ থুৰীয়া তামোলতো মোহনী মায়া। থনীয়া তামোলৰ যাদুত মন অথিৰ-অৰিৰ। ফাগুনৰ বাউলি বতাহজাকে ন-খিপিনীৰ তাঁতশাল খনতো আউল লগায়। বৰঘৰৰ মূধত তৰি লোৱা বিহুৱান জুতিৰ লতা-ফুলৰ কাঁঠিটোতে থনাই কেণা লাগে। চকুৰে ঘনেপতি আলিবাট গৰকে। মনত গুণা-গঁঠা চলে। —'মনে পজা কথাষাৰ যদিহে ফলিয়ায়/ফুলৰ ফুল এপাহি দিম'— বুলি বাসুদেৱ থানলৈ চাই সইও শপত লয়। গোঁসানী ঘৰলৈ গোপনে ধূৰ-দোঁৱায়।

চ'তৰ দিন সোমোৱাৰে পৰা প্ৰস্তুতি চলে বহাগক আদৰাৰ। পথাৰত সূৰে পোখা মেলে। উদং পথাৰৰ দিগন্ত বিয়পা শূণ্যতাই মতাম'হ ৰখীয়াৰ খামিডাঠ অন্তৰো উকজা উকজা কৰে। সঙ্গীহীন হোৱাৰ দুখত কলীদৈ ম'হৰ শিঙে কান্দি উঠে। টিহিটি টলং .... । কৃষিজীৱি মানুহ পথাৰমুখী হয়। ফাগুনৰ উলাহী দিনতে ডেকা-গাভৰুৰ বুকুত বাহ বন্ধা অচিন ভৱটিয়ে মুকলি পথাৰত প্ৰকাশৰ বাট বিচাৰে। পথৰুৱা জীৱনৰ মুকলিমুৰীয়া পৰিৱেশে সুযোগ আনে কাষ চপাৰ। দলনিত ম'হ চৰাওঁতে; আহুধান বিচাওঁতে; চাপৰিত নদন-বদন হৈ বগুৱা বতালাও জোপাত মাটি চপাওঁতে; তিয়ঁহ-চিৰাল গছত জেং দিওঁতে অনেক মুকলি সময়। তেনেতে আহুধান নিৰাই থকা গৰাকীক 'ভাঙি কথাষাৰি কৰলৈ অনেক সুৰুঙা। "চকুৰে চকুৰে কি চাব তেনেকৈ/মই চালেতলেমূৰ কৰ' বুলি সিগৰাকীৰ 'চিতৰ কথা'ষাৰ সুধিবলৈয়ো সুযোগ ওলায়। মুঠ কথাত— চ'তৰ মুকলি বতৰ পাই তুলতুলীয়া হৈ পকি উঠে পিৰীতিৰ জেতুলিপকা।

চ'তুৱা চৰায়ে হাবি ভাঙি কান্দিবৰে পৰা 'বাইগাঠি', 'মনথিৰ' ইঁতৰ মনতো অচিন ভাবে ভাকুট-কুট খেলে। 'অতি চেনেহৰে ৰঙালী বিহুটি যে পালেহিয়েই! বিহুটিক আদৰিবলৈ উথপ্ থপ্ লাগে। পথৰুৱা সুৰৰ উত্তৰ-উত্তৰি বোৰে খোলা পাতে, —ৰাতিৰ বুকুত। ডেকা-গাভৰুৰ সুকীয়া সুকীয়া ৰাতিবিহুৰ খোলাবোৰ যেন যৌৱনৰ বৃন্দাৱন। 'পুৰাই য'ক কালিন্দী ৰাতি'— বুলি ডেকাবোৰৰ খোলাতেই ৰাতি-পুৱায়। ওৰে ৰাতি চলে ধৰিত্ৰিক উৰ্ব্বৰা কৰাৰ আখৰা। ঢোলৰ মাতত মেঘৰ গাজনি, গগণাত ভেকুলীৰ টোৰ্‌টোৰ্, পেঁপাৰ সুৰত বৰষুণ, নাচোনত ধুমুহাত হালি পৰা গছৰ অভিনয়েৰে ধৰালৈ বতাহ-বৰষুণক আমন্ত্ৰণ জনায়। কৃষিৰ অনুকূল পৰিৱেশ ৰচনাৰ আয়োজন চলে। আয়োজন চলে কৃষি-কুশল মানুহ শস্য সাধনাৰ। সৃষ্টিৰ আকুল বাসনাৰে।

বৃষ্টিৰ মাহ বহাগ। গোহালিৰ গৰু, পুখুৰীৰ মাছ, বাৰীৰ তামোল-পাণ আৰু ভঁৰালৰ লখিমীৰ কুশলাৰ্থে গঞাই চেলে দগৰে গৃহস্থৰ চোতাল গৰকে। সৃষ্টিৰ উন্মাদনাত বনৰ চৰায়ে যোৰা পাতে। হাবিৰ হুৰীয়ে ইনাই-বিনাই লগৰী মাতে। ন-পানীৰ গোন্ধ পাই জাকেৰে উজায় মাছ। বিহুৰ বনগন্ধী গীতৰ সুৰত বিৰিখে পাত মেলায়, লাগনি গছত গুটি লাগে, শস্যৰ টোমত ভুৰ্ ভুৰাই গজে শালিধানৰ কঠীয়া। সৃষ্টিৰ এই উচ্ছল ঋতুত মানুহৰ অন্তৰতো আদিম ভাৱনাই সঁজাল ধৰে। সৃজনৰ আবেগত যুৰীয়া জীৱনৰ সপোন ৰচে। হৃদয়ে হৃদয়ে জাগে প্ৰাপ্তিৰ হেঙুল হেঁপাহ!

বহাগৰ এই প্ৰাণসঞ্চাৰী উৎসৱত ভাগ লবলৈ, মাটিৰ আনন্দত একাত্ম হৈ মনৰ উল্লাস প্ৰকাশ কৰিবলৈ চাৰিকড়ীয়াৰ পানী-ফাটলৈ চৌদিশৰ পৰা ভাগি ভুঁহৰি আহে মানুহ। ভিন্ন গোষ্ঠী-সম্প্ৰদায়ৰ বিহুৰলীয়া ডেকা-গাভৰুৰ ভৰিৰ গিৰিপনিত তল-ওপৰ হয় 'পিথৱী'। ঢোল পেঁপাৰ সুৰে চৌচিৰা কৰে অৰণ্যৰ নিৰ্জনতা। চাৰিকড়ীয়াৰ পানী ফাটত দেও লাগে। সাত-দিন, সাত-ৰাতি বহে দেও লগা মানুহৰ দেওলগা উৎসৱ। এইবোৰ সৌ তাহানি আহোম ৰাজত্বৰ বেলি নুডুবা দিনৰে কথা। ৰংপুৰীয়া চ'ৰা নাও উজাই আহি

চাৰিকড়ীয়াৰ ঘাটত কৰ-কাটল তোলা দিনৰে কথা। সময়ৰ ভটিয়নী সোঁতত কিমান যুগ যে পাৰ হৈ গ'ল! কত সোণ-সেৰীয়া স্মৃতি সাধুকথা হ'ল! তাহানি ঘাটবিহুৰ চিংপখিলী নাচনি আইতাইঁতৰ, থাউকাল ঢোলিয়া-ডেকা ককাদেউতাইঁতৰ হাড়ত বন গজাৰো বহুকাল পাৰ হৈ গ'ল। বুকুৰ সেউজীয়া মাজুলীত বহা সেই দেও লগা উৎসৱৰ উত্থান-পতনৰ নিলিখা বুৰঞ্জী কঢ়িয়াই আজিও বৈ আছে চাৰিকড়ীয়াৰ নিছিগা ধাৰ। বাংঢালি আইতা, বিহুৱা ককাদেউতাইঁতৰ যৌৱনৰ স্মৃতিচাৰণেৰে নাতি-পুতি হঁতে আজিও পালন কৰে তিনিদিনীয়া আনুষ্ঠানিক ঘাটবিহু উৎসৱ। ঘাটবিহু বুলিলে চকুৰাখনীয়াৰ আজিও একেই উলাহ। একেই হেঁপাহ। বিৰ্ দি বাট নোপোৱা জনসমাগম। ভাতৃত্ববোধৰ আটকীয়া দিনতো ঘাটবিহু তলীত আগৰ দৰেই আছে সম্প্ৰীতিৰ অটুত-বন্ধন। এতিয়াও আছে মাটিৰ লগত সম্পৰ্ক ৰক্ষাৰ শুভ-প্ৰয়াস। কিন্তু তাৰ মাজতো পৰিৱৰ্তনৰ বা চাটিয়ে ঘাটবিহুক চুই যোৱা নাই বুলিলে নিশ্চয় অত্যুক্তিৰ দোষে চুব। কিন্তু এই পৰিৱৰ্তন বাহ্যিক দিশতহে; ই এতিয়াও ঘাটবিহুৰ অন্তৰাত্মাক স্পৰ্শ কৰিব পৰা নাই।

প্ৰতিযোগিতামুখী হবৰে পৰা বিহুৱে হেৰুৱাইছে ইয়াৰ মৌলিক চৰিত্ৰ। আত্মাৰ উত্তাপ। বাধাগ্ৰস্ত হৈ পৰিছে বিহুৰ স্বতঃপ্ৰণোদিত উৎসাহ-উদ্দীপনা। লোক সংস্কৃতিৰ বৰ ভঁৰাল উদং কৰি হেৰাই যাব লাগিছে বিহু-সংস্কৃতিৰে জড়িত অনেক সম্পদ। সলনি হৈছে বিহুৰ ছেও-চাপৰ, নৃত্য-ভঙ্গীমা, সুৰ-লয়। তাহানিখন বিহুত ঢোলৰ লহৰত মিলাই গোৱা ৰভীয়াল গ্ৰাম্য জীৱনৰ বাৰ্তাবাহী বহুবোৰ চহাগীত-পদ অপ্ৰচলনত হেৰাই যোৱাৰে উপক্ৰম হৈছে—

'খিতাক্ খিতাক্ তাক্ খিতাক্ কলি
দা হেৰুৱালো কেনে কৰি?
— পানীমলা গছতে মাৰিলো ঘাপ
সুলকি পৰিলে খঁৰা কপিদা।
জেতুকী পাখৰী ভাত-পানী খা
গধূলিকৈ আনি দিম খঁৰা কপিদা।।'

আকৌ,

'চতিয়নাৰ উপৰে ঐ
বেলি ধুৰে দুপৰে ঐ
তিতাবৰত গধূলি হ'ল।'





তিতাবৰৰ টেকেলা ঐ
মুখেখনি চকলা ঐ
মৰিয়নিত গধূলি হ'ল।।'

ইত্যাদি।

লোক-গীত, লোক জীৱনৰ দলিল। খাঁটি খোৱা মানুহৰ হৃদয় গাঁথা। অসমীয়া লোকগীতৰ সুৰদী সুৰীয়া ৰবনৈ খনিৰ এটি ভৰা সুঁতি 'বিহুগীত'বোৰ অসমীয়া চহা জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, প্ৰেম -বিৰহৰ এখনি জীৱন্ত ইতিহাস। প্ৰকৃতিৰ সৈতে অভিন্ন মানুহৰ স্বাধীন অনুভূতিৰ উপলা নৈ। বিহুগীতৰ দেহ গঠনতো আছে লোক-শিল্পীৰ চাতুৰ্য্য ভৰা আত্মপ্ৰকাশ। অসমীয়া চহাই কথাতে সাঁথৰ ৰাখি, কথাই কথাই ঘঁকৰা মাতি, যোজনা দি আওপকীয়াকৈ মনৰ ভাৱ প্ৰকাশ কৰিহে আত্মতুষ্টি লভে। চহা শিল্পীৰ এনে ভাষা কৌশল বিহু গীতৰ মাজত অতি স্পষ্ট। বিহুগীতত 'দুপৰৰ ভোক', 'তিঁয়হৰ জালি', 'বগী জামুক', 'ৰাঙলী মদাৰ'ৰ অৰ্থ সুকীয়া। বিহুগীতৰ তীৰ্য্যক প্ৰকাশভঙ্গী, আভিধানিক অৰ্থক চেৰাই যোৱা দ্যুতনা; আধুনিক কবিৰ কাব্য-কলায়ো চুকি নোপোৱা বস্তু। এই কৌশল কিন্তু চহা কবিৰ স্বভাৱজাত। —'মোৰে দুখৰ কথা কবলৈ ধৰিলো/শুকাই ৰবসুণত ধান' - বুলি কোৱাৰ পাচত দুখৰ বৰ্ণনা দিবলৈ আৰু একো বাকী নৰয়গৈ। আকৌ, 'জালিকটা বেৰেৰে জুমি পঠিয়ালি/হোৱা ভাতক কৰিলি চাউল' - বোলোতে অভিধা অৰ্থক অতিক্ৰমি ব্যঞ্জনাৰ্থৰ এখন থৌকি-বাথৌ সাগৰ।

এনে 'কালিকা-লগা গীত' আধুনিক যুগৰ নাগৰিক জীৱন-যাপন কৰা মানুহে ৰচনা কৰা উচিতনে? কৰিলেও তাত প্ৰাণৰ পৰশ থাকিবনে? কৰিলেই যেনিবা, লোকগীত আৰু আধুনিক গীতৰ সীমা ৰেখা ডাললো থাকিল ক'ত? তদুপৰি 'লোক সমাজতে সৃষ্টি হৈ জনজীৱনতে ব্যাপ্তি লাভ কৰা'- কথাষাৰ দেখুন আছেই? - প্ৰশ্নকেইটি এই বাবে উত্থাপন কৰা হৈছে যে আজি কিছু বছৰৰ পৰা আমি আগেয়ে নুশুনা 'ঘাটবিহু', ম'হঘূলি চাপৰি, কুঁৰাবাৰী দলনী, চিচু গছ, চাৰিকড়ীয়া নদী আদি শব্দৰ সংযোগত সৃষ্টি হোৱা 'এক শ্ৰেণী বিহুগীত' - কিতাপে-পত্ৰই ৰৰকৈ চকুত পৰিছে। এই গীত বোৰৰ মৌলিকতা সন্দৰ্ভত সন্দেহ ওপজে। এই সন্দেহ যে অমূলক নহয়, তাৰ প্ৰমাণো গীতবোৰৰ মাজতেই আছে। আনুষ্ঠানিক ঘাটবিহুৱে জনপ্ৰিয়তা অৰ্জন কৰাৰে পৰা এই শ্ৰেণী গীতৰ ৰচনা আৰু প্ৰচাৰ দ্ৰুতগামী হৈ উঠিছে। এইয়া ঘাটবিহুৰ প্ৰতি থকা আৱেগৰ

প্ৰাবল্য, অত্যুৎসাহ নে অন্য কিবা? মাত্ৰাধিক আবেগে আঘাত হানিব পাৰে হাটবিহুৰ ঐতিহ্যত। অথবা এই অৰ্বাচীন গীতসমূহৰ ৰচনাৰ অন্তৰালত অন্য কিবা স্বাৰ্থ জড়িত হৈ আছে নেকি ইও ভাবি চাব লগা কথা। ভাৰতবৰ্ষৰ বহু ঠাইত বিশেষকৈ দাক্ষিণাত্যৰ হালে আজি কালি এনেধৰণৰ লোক সম্পদ চিনেমা, কেছেত, কিতাপ অথবা অন্য কোনো প্ৰচাৰ মাধ্যমত ব্যৱহাৰ কৰিবলৈ হ'লে সংশ্লিষ্ট সমাজ, সমিতি আদিৰ পৰা অনুমোদন লব লাগে। হাটবিহুৰো এনে সংৰক্ষণ ব্যৱস্থা অতি প্ৰয়োজনীয় হৈ পৰিছে। অন্যথা, পৰজীৱি উদ্ভিদে কেতিয়াবা মূল গছ জোপাৰ অস্তিত্বকে সন্দিহান কৰি তোলাৰ দৰে হাটবিহুৰেও হেৰুৱাব পাৰে শিপাৰ সন্ধান। হাটবিহুৰ নাচনীজনীয়ে হাজাৰ টকীয়া হ'লেও আমদানিকৃত পোছাক নিপিন্ধে। ঘৰতে বৈ কাটি লোৱা বিহা-মেখেলা মেৰেহে হাটবিহুৰ নাচনীজনীৰ পৰিচয় দিয়ে। হাটবিহুটিৰ বেলিকাও একেই কথা। ই চকুৰাখনাৰ থলুৱা উৎসৱ। ইয়াৰ আত্মাতে লাগি আছে চকুৰাখনাৰ মাটিৰ ৰং, আমাৰ আইতা-ককাদেউতাহঁতৰ সঁচা হৃদয়ৰ ৰং। কৃত্ৰিম ৰঙৰ প্ৰলেপে ইয়াৰ স্বকীয় সৌন্দৰ্যক শ্ৰীহীন নকৰিবনে? স্বভাৱ সুন্দৰ শৰীৰত প্ৰসাধনৰ প্ৰয়োজনেই বা কি?

আমাৰ বাপতি সাহোন লোক-উৎসৱটিক ৰক্ষণা-বেক্ষণ দিয়াৰ দায়িত্ব আমাৰ সকলোৰে। আহক, আমি সকলোৱে এই দায়িত্ব কান্ধ পাতি লৈ হাটবিহুক সাজি দিওঁ সুৰক্ষাৰ ছিদ্ৰহীন মেৰঘৰ। যি উৎসৱে বহন কৰিছে আমাৰ পূৰ্বসূৰীৰ জীৱন-গাঁথা, যি উৎসৱৰ বুকুত লাগি আছে মাটিৰ মানুহৰ ঘামৰ গোন্ধ; কেঁচা কলিজাৰ কঁপনি— আমাৰ তেজত প্ৰবাহিত হওক সেই উৎসৱ! চিৰ দিন, চিৰকাল!!

বিহুৱানৰ এইবাৰৰ সংখ্যাটিত বিহু সম্পৰ্কীয় বিষয়ৰ লগতে চকুৰাখনাৰ সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰখনলৈও ভুমুকিয়াই চোৱাৰ প্ৰয়াস কৰা হৈছে। ইতিহাসৰ পোহৰ নপৰা আৰু গৱেষক সকলৰ দৃষ্টিয়েও চুই নোযোৱা ভালেমান দিশত আলোকপাত কৰিবলৈ কৰা প্ৰচেষ্টাৰ উমান পঢ়ুৱৈ বাইজে নিশ্চয় পাব। প্ৰবীৰ চক্ৰৱৰ্তীৰ লেখাটিয়ে নামনি অসমত যে বহু পলমকৈহে বিহু সংস্কৃতিয়ে জনপ্ৰিয়তা লাভ কৰিছে, সেই কথাৰ সম্ভেদ দিব।

বিহুৱান খনিৰ ঊনবিংশ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱাৰ খবৰ বাতৰি কাকত যোগে প্ৰচাৰ হোৱাৰ লগে লগে অসমৰ বিভিন্ন কোণৰ পৰা অসংখ্য মূল্যবান লেখা আমাৰ হাতলৈ আহিল। হাটবিহু নেদেখাকৈয়ে বহুজন





আগ্ৰহী লেখকে আমালৈ লেখা প্ৰেৰণ কৰিছে। সকলো লেখকলৈকে আমি লেখা-প্ৰাপ্তি স্বীকাৰ কৰি ধন্যবাদ জ্ঞাপন কৰিলো। স্থানাভাৱত আৰু পলমকৈ পোৱাৰ বাবে প্ৰকাশৰ উপযুক্ত বহুতো লেখা প্ৰকাশ কৰিব নোৱাৰি আমি দুঃখিত। আমাৰ সম্পাদনাৰ কালতেই বিহুৱানৰ সীমিত কলেৱৰত ঠাই দিব নোৱাৰা নিৰ্বাচিত লেখনি সমূহ সম্পাদনা সমিতিৰ সদস্য দুই সাহিত্যানুৰাগী যুৱক জিতু কুমাৰ চমুৱা আৰু বিনোদ বুকনৰ তত্বাৱধানত প্ৰাচীৰ পত্ৰিকা যোগে বিহুতলীত প্ৰচাৰ কৰাৰ দিহা কৰা হৈছে। এইয়া নিশ্চয় এক শুভ-সূচনা।

গ্ৰন্থখনি প্ৰকাশৰ গধুৰ দায়িত্ব কান্ধ পাতি লবলৈ আগবাঢ়ি অহা চকুৰাখনাৰ নেত্ৰীস্থানীয় ব্যক্তি তথা হাটবিহুৰ লগত ঘনিষ্ঠ ভাৱে জড়িত শ্ৰদ্ধেয় গোবিন দত্ত দেৱ আৰু পৰিয়াল বৰ্গলৈ এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। গুৱাহাটীস্থ লেখক সকলৰ লগত যোগাযোগ ৰক্ষা কৰাত সহায় আগবঢ়োৱা মৰমৰ ভাইটি ৰাজেন্দ্ৰ বৰুৱালৈ চেনেহ যাচিলোঁ। কলাত্মক ৰূপত গ্ৰন্থখনিৰ বেটুপাতটি অংকন কৰি দিয়াৰ বাবে শিল্পী ইন্দিবৰ বুঢ়াগোঁহাই দেৱক ধন্যবাদ জনালোঁ। সুন্দৰ ছপাৰে পুথিখনি যুগুতাই দিয়াৰ বাবে এলকম, টেকনকমাৰ্চিয়েল গ্ৰুপৰ শলাগ ললো।

এইবেলি বিহুৱান খনিৰ দায়িত্ব থুপৰি-শিপিনীৰ হাতত পৰিল। সূতা-কপাহ সকলো ৰাইজৰ। আমি মাত্ৰ বোৱনীহে। তাতেই অনেক কেঁঞা, শালিকী জুটীয়া। এইবেলি বিহুত ৰাইজক 'ৰূপালীকৈ বিহুৱান' উপহাৰ দিম বুলি ভৰা হেঁপাহকণ কিন্তু নিখুঁত। অনভিজ্ঞতাৰ দোষ খিনি ৰাইজে নিশ্চয় মৰিষণ কৰিব।

সদৌশেষত পঢ়ুৱৈ সমাজৰ পৰা আমাৰ জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটি সমূহৰ গঠনমূলক সমালোচনা আশা কৰিলো। বিহুৱানৰ এই সংখ্যাটিয়ে পাঠকৰ সমাদৰ লাভ কৰক - এয়ে আমাৰ কামনা।

**জয়তু হাটবিহু।**

তাং- ৬/৫/২০০৮

(মৌচুমী গগৈ হাতীবৰুৱা)
সম্পাদক, বিহুৱান/ ২০০৮

# প্ৰবন্ধ



# প্ৰসংগ ঃ ফাট আৰু ফাট-বিহু

জগদীশ গগৈ।

## (এক)

তেওজবেলি এগৰাকী শিক্ষিতা যুৱতী আহিছিল ফাট-বিহু চাবলৈ। ঘৰ বিহপুৰীয়াত। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰী। তেওঁ 'লোক-সংস্কৃতিত ফাটবিহু' বিষয়টোকে গৱেষণাৰ বিষয় হিচাবে লৈছে। ডঃ সত্যেন্দ্ৰনাথ গোস্বামীৰ তত্বাৱধানত তেওঁ গৱেষণা কাৰ্য চলাইছে। ফাট-বিহু তলীত মোক বিচাৰি নাপাই তেওঁ প্ৰায় তিনি বজাত আমাৰ ঘৰলৈ আহিল। তেতিয়া মই ঘৰতে আছিলো। তেওঁক বহিবলৈ দি অহাৰ কাৰণ সোধাত তেওঁ কওঁ-নকওঁকৈ কথাখিনি ক'লে এনেধৰণে,— বৰদেউতা, আমি তিনিটা বিহুৰ কথাহে পাইছোঁ, ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। ঢকুৱাখনাৰ মানুহে দেখোন চাৰিটা বিহু পাতে। ব'হাগতে পাতে দুটাবিহু ৰঙালী-বিহু আৰু ফাট-বিহু। অসমৰ কোনো ঠাইতে এনেকৈ দুটা বিহু নাপাতে। এই বিষয়ে আপোনাৰ কিছু কথা জানিবৰ কাৰণে আহিছোঁ। আমাৰ ঘৰৰ পৰা নাতিদূৰত তেতিয়া ফাট-বিহু চলিয়েই আছে। মোৰ হাতত সময় নিচেই কম, তথাপি তেওঁক চমুকৈ ফাট-বিহুৰ উৎপত্তিৰ সম্পৰ্কে জন-শ্ৰুতি আৰু ঐতিহাসিক দৃষ্টি কোণৰ পৰা কথাখিনি কলো, তেওঁ লগে লগে ডায়েৰীত অনুলিপি কৰিলে, ইংৰাজীত। তেওঁৰ গৱেষণা কাৰ্যৰ মাধ্যম ইংৰাজী। গতিকে মই অসমীয়া আৰু ইংৰাজী দুয়োটা মাধ্যমতে তেওঁক কবলগীয়া হৈছিল। কথাৰ শেষত তেওঁ মোক জনালে যে যিজন গৱেষক-পণ্ডিতৰ তত্বাৱধানত তেওঁ গৱেষণা-কাৰ্য চলাইছে, তেখেতৰ নিৰ্দেশনা মতে জন-শ্ৰুতিক গৱেষণা-কাৰ্যত বিশেষ গুৰুত্ব দিয়া নহয়। হয়, গৱেষণামূলক যিকোনো কাম নিৰ্ভৰযোগ্য তথ্য আৰু প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে অসমৰ বহুতো বুৰঞ্জী প্ৰসিদ্ধস্থান, মঠ-মন্দিৰ, শিল্প-ভাস্কৰ্যৰ সম্পৰ্কত কিম্বদন্তীমূলক বহুতো কথা শুনা যায়। সাধাৰণলোকে তাকে বিশ্বাস কৰি আহিছে; অৱশ্যে গৱেষণা কাৰ্যৰ জড়িয়তে সেইবিলাকৰ বহুখিনি পোহৰলৈ আহিছে। ফাট-বিহুৰ ক্ষেত্ৰতো সেই একে কথাকে খাটে। তেওঁক আৰু বেছি কথা নকৈ ঐতিহাসিক কথাৰ ওপৰত গুৰুত্ব দিবলৈ কলো। মোৰ ওচৰত থকা দুখনমান পুৰণি 'বিহুৱান'ও দিলো, পিছত তেওঁ ফোনেৰে যোগাযোগ কৰিম বুলি কৈ মোৰ পৰা বিদায় ললে। ফাট-বিহুৰ মুকলি সভাৰ দিনা পুনৰ তেওঁক লগপালো, তেওঁৰ মনত খোকোজা লাগি থকা কথাখিনি পুনৰ অৱতাৰণা কৰিলে। তেওঁৰ মনত সঘনে খুন্দিয়াই থকা কথাটো হ'ল— বিহু শব্দটোৰ আগত 'ফাট' শব্দটো কিয় যোৰা লগাই দিয়া হ'ল?

আৰু বেলি আহিছিল অধ্যাপক উমেশ ডেকা। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিজ্ঞানৰ মূৰব্বী অধ্যাপক আৰু কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ-আসনৰ প্ৰবক্তা। ফাট-বিহু উদ্‌যাপন সমিতিয়ে তেওঁক নিৰ্দিষ্ট বক্তা হিচাবে আমন্ত্ৰণ কৰিছিল। তেওঁ বোলে ফাট-বিহু চাবলৈ বহু দিনৰ পৰা হেঁপেহুৱাহৈ আছিল, আগৰে পৰা তেওঁ শুনি আহিছে ফাট-বিহুৰ কথা। তেওঁ ফাট-বিহুৰ দ্বিতীয় দিনা নৈশ বাহুত উঠি পুৱা ঢকুৱাখনা পালেহি। তেওঁৰ তত্বাৱধানত গৱেষণা চলোৱা ফাট-বিহু চাবলৈ আহিল। তেতিয়া মঞ্চত হুচৰি প্ৰতিযোগিতা চলি আছিল। সন্ধিয়া প্ৰায় ৬-৩০ বজাত 'মুন' (প্ৰথম বক্তা) ক লগতলৈ তেওঁ আমাৰ ঘৰলৈ আহিল। শাৰিৰীক অসুস্থতাৰ হেতু মই ফাট-বিহুলৈ যাব পৰা নাছিলো। তেওঁৰ লগত আগতে মোৰ চিনা-পৰিচয় নাছিল, 'মুনে' চিনাকি কৰি দিয়াত অতি ঘনিষ্ঠতাৰে তেওঁৰ লগত অন্তৰংগ আলাপ চলিল। প্ৰায় এক ঘন্টা ধৰি তেওঁ আৰু মোৰ মাজত ফাট-বিহুক কেন্দ্ৰ কৰি আলোচনা চলিল। যাইকে আলোচনাৰ বিষয় হ'ল,— ফাট-বিহুৰ নামকৰণ, কেতিয়াৰ পৰা এই বিহু প্ৰচলিত, ইয়াৰ বৈশিষ্ট্য কি কি (?), শিৱসাগৰ, চতিয়া, জামুগুৰি আদি ঠাইৰ বিহুৰ লগত ইয়াৰ সাদৃশ্য কিম্বা বৈসাদৃশ্য আছে নেকি, ফাট-বিহুক লোক-সংস্কৃতিৰ সম্পদ হিচাবে গন্য কৰিব পাৰিনে নোৱাৰি, ইয়াৰ ভৱিষ্যত ইত্যাদি। মোৰ ফালৰ পৰা তেওঁক জনোৱা হ'ল যে ফাট-বিহুৰ নামটোৰ সম্পৰ্কত পোন-ছাটে একো কব নোৱাৰি। বিভিন্নজনে ভিন-ভিন মত প্ৰকাশ কৰিছে, কাকতে-পত্ৰে আলোচনা-বিলোচনাও হৈছে। মই ফাট-বিহুৰ উৎপত্তিৰ সম্পৰ্ক ও জন-প্ৰবাদৰ কথাও কলো, মোৰ কথাশুনি তেওঁ তেতিয়া হাঁহিলে, তেওঁ মাথো এটা কথা কলে এই বুলি যে জন-প্ৰবাদ জন-প্ৰবাদেই, ইয়াক নিৰ্ভৰযোগ্য তথ্য হিচাবে গন্য কৰা নহয়, গৱেষণা-কাৰ্য্যত ইয়াক তথ্য হিচাবে দেখুৱালে ভুল হ'ব। তেওঁৰ কথাৰ ওপৰত ময়ো সজোৰে কলো যে শ শ বছৰ ধৰি মানুহৰ মুখে-মুখে চলি অহা কথাবিলাক সাউংকৈ উলাই কৰাটো নিশ্চয় ঠিক নহব, তাক বিচাৰ বিশ্লেষন কৰি চোৱা প্ৰয়োজন। তেওঁ মোৰ কথাটোত কিছুপৰিমানে হয়ভৰ দি এই বিষয়ে গভীৰভাৱে চিন্তা-চৰ্চা কৰাৰ কথা কলে। মই তেওঁক 'ফাট' শব্দটো কেনেধৰণে ব্যৱহাৰ কৰা হৈছে, সেই বিষয়ে কিছুকথা কলো। তেতিয়া, মই কোৱা কথাটোত তেওঁ বেছি গুৰুত্ব দিয়া যেন লাগিল। 'ফাট' শব্দটো আহোম ভাষাৰ শব্দ— 'ফাট' মানে হাট। আহোম স্বৰ্গদেউ সকলৰ শাসনকালত 'চকি হাট ঘাট ফাটৰ নিৰ্ব্বন্ধ' কৰা হৈছিল। উল্লেখ্য যে, বহাগৰ 'মানুহ বিহুৰ পিছদিনা তাহানিতে বিভিন্ন ঠাইত 'হাট-বিহু' প্ৰচলন আছিল। হাটত বিহু মৰা কাৰণে যেনেকৈ 'হাট-বিহু' বোলা হৈছিল, ঠিক তেনেকৈ ঢকুৱাখনাৰ ফাটত বিভিন্ন





গাঁৱৰ পৰা মানুহ আহি বিহু কৰা কাৰণেই ফাট-বিহু নামটো প্ৰচলিত হ'ল বুলি অনেকেই মত প্ৰকাশ কৰিছে। মোৰ কথা শুনি ডেকাই কিছু সময় তলকা মাৰি থাকি তেওঁৰ মতামত ব্যক্ত কৰিলে, মোৰ উক্ত কথাষাৰত কিছুপৰিমানে নিৰ্ভৰযোগ্য তথ্য নিহিত আছে, এই বিষয়ে নিৰৱচ্ছিন্নভাৱে গৱেষণা-কাৰ্য চলালে, এদিন নহয় এদিন ই পোহৰলৈ আহিব। আলোচনাৰ শেষত , মই তেওঁক ফাট-বিহুৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ কলো এনেধৰনে— 'বিহু এটা আনন্দদায়ক শব্দ, ল'ৰাৰ পৰা বুঢ়ালৈকে বিহুৰ সময়ত কেৱল আনন্দ উপভোগ কৰা, ওচৰ-চুবুৰীয়া আৰু আত্মীয় স্বজনৰ লগত মৰম-চেনেহৰ এনাজৰীৰে বান্ধ খাই থকা, ইত্যাদি কথা বিলাক বিহুৰ লগত বিশেষভাৱে জড়িত। ফাট-বিহুৰ ক্ষেত্ৰত এই কথাও কোৱা উচিত হ'ব যে পৰম্পৰাগত ভাৱে চলি অহা এই বিহুক কেন্দ্ৰ কৰি ঢকুৱাখনাৰ বিভিন্ন জন-গোষ্ঠী, সম্প্ৰদায়, বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে সকলোৰে মাজত ঐক্য-সম্প্ৰীতি আৰু সমন্বয় প্ৰতিষ্ঠাপিত হৈছে। ফাট-বিহুৰ ইও এক লক্ষণীয় বৈশিষ্ট্য। দীঘলীয়া আলোচনাৰ অন্তত তেওঁ মোৰ পৰা বিদায়লৈ যাবলৈ ওলাল, মই আথে বেথে বিদায়-সম্ভাষণ জনাই ফাট-বিহুৰ ওপৰত তেওঁক এটা প্ৰবন্ধ লিখিবলৈ অনুৰোধ কৰিলোঁ।

## (দুই)

'ফাট' শব্দটোৰ সম্পৰ্কে যৎকিঞ্চিত আলোচনা কৰি চোৱা যাওক। 'ফাট' মানে দুফাল হোৱা বা বিদীৰ্ণ হোৱা। যথা - ফাট দিয়া বসুমতী পাতালে লুকাওঁ; টনা-আজোঁৰা লাগোতে সিহঁত দুয়োটাৰে চোলা ফাটিল, ইত্যাদি। আনটো 'ফাট' শব্দৰ আভিধানিক অৰ্থ —'হেমকোষ'ৰ মতে 'ফাঁট',— নাৱেৰে বা বামেৰে বেহা কৰা বেপাৰী একত্ৰ হোৱা আৰু ৰাজহ দিয়া ঠাই— 'a place where traders assemble for trade and payment of duty.'[১] অন্য এখন নতুন অভিধানতো 'হেমকোষ'ৰ অৰ্থকে অলপ ইফাল-সিফাল কৰি উল্লেখ কৰা হৈছে। ফাট ঃ- বেপাৰ কৰিবলৈ গোটখোৱা আৰু কৰ দিয়া ঠাই 'a place where traders assemble for trade and payment of duty.''[২] স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই বাইহাটাৰ ভথৌ চৌধুৰীক ধৰ্মোত্তৰ কৰি দিয়া তামৰ ফলিত উল্লেখ আছে এনেধৰণে— 'পৌত্ৰাদিক্ৰমে পৰম সুখে উপভোগ্য কৰি থাকিব— ইহ মাটী বিলত কৰকাটিল, পদ-পঞ্চকেঠে বেগাৰ চোৰ চিনলা, ধুমুচি মাৰোচা জলকৰ জব ৰক্ষাৰ চকি ফাট হাট ঘাট দান খুত সৰ্ব্বসৰ্ব্বাৰ পৰিত্যাগ টইল (?) কোনোজনে অন্যথা নাচৰিব— ইতি শক ১৭৪৩ তাৰিখ ১০।"[৩] মহাৰাজ প্ৰতাপসিংহৰ ৰাজত্বকালত (১৬০৩-১৬৪১ খৃঃলৈ) 'মোমাই তামুলীৰ নিৰ্দ্দেশিত মৰোৱা গড়বোৰৰ

ঠায়ে-ঠায়ে একোটা কোঁঠ আছিল। কোঁঠবোৰত ৰণুৱা চিপাহী থাকিছিল, গড়ৰ কাষত থকা কোঁঠবোৰক ফাট বোলা হৈছিল।" 'বৌমাৰিয়ে বোলে,— 'চাৰিভাগৰ এভাগ যদি সেৱতালৈ দিয়ে কিনো দুখ বাজে পায়?' এইবুলি ৰজাক কলত ৰজা বোলে, ভালহে বুলিছ, এয়ে নিয়মকৈ দিবি। সেইবছৰতে নিয়ম কৰি হাটৰ-ঘাটৰ-ফাটৰ মুগাচোতাৰ বিকল দুখ নোপোৱা কৰ কাটল লগালে। তাৰে পৰাহে কাটল হ'ল। ৮৯১।" (স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্ব কালত)

'ৰেইল চাহাবৰ ভৌগলিক বিৱৰণ (A Geographical sketch of Assam) মতে সাম্ৰাজ্যত তলত নাম দিয়া হাট বিলাক আছিল বুলি পোৱা যায়— সুবনশ্ৰী-নদীৰ উত্তৰপাৰে লক্ষীমপুৰ মহকুমাত, কছাৰীহাট আৰু নগাফাট উপৰ বৈয়াহঢ়, কলংফাট কাজিৰঙাৰ উত্তৰে,খিটলুৰ ফাট আৰু কাকডোঙা নৈৰ পাৰত (য'ত বহু ৰ মানায় কৰা এটা ঘৰ আছিল), নাজিৰাহাট— নাজিৰাত আৰু হলাবফাট নিক্ষলু পাৰত আছিল। ফাট— ই এটা আহোম শব্দ। ফাট মানে হাট।"[৮]

বৃটিছ কোম্পানীৰ কৰ্তলীয়া আহোমৰ শেষ ৰজা পুৰন্দৰ সিংহৰ শাসন কাল (১৮৩৮ খৃঃ) লৈকে ঢকুৱাখনাত চাৰিকড়ীয়া নৈৰ পাৰত ইদানীন্তন থানা আৰু চাৰিআলিৰ সন্মুখভাগত ফাট আছিল বুলি অনুমান কৰা হয়। মিলচ্ চাহাবৰ ৰিপৰ্টত (১৮৫২-৫৩) ঢকুৱাখনাত এখন হাট থকাৰ কথা উল্লেখ আছে— There are markets established at the localities– Debrooghar, Luckimpoor, Dewkowakhanna, Saikhowah and Makoom."[৯] ফাট-বিহুৰ আঁতি গুৰিৰ পম খেদি গলে ফাট বা হাটৰ প্ৰাসংগিকতা একেবাৰে নুই কৰিব নোৱাৰি।

## (তিনি)

ফাট-বিহু নামটোকলৈ এতিয়ালৈকে তিনিটা মত পোৱা গৈছে, তাৰ ভিতৰত দুটা জন-প্ৰবাদ আৰু এটা ঐতিহাসিক দৃষ্টিৰে কৰা ব্যাখ্যা। সংস্কৃতি প্ৰেমী সচেতন ব্যক্তি আৰু লোক-সংস্কৃতিৰ ওপৰত চিন্তা চৰ্চা কৰা অধ্যয়নশীল লোকসকলে এই তিনিওটা মতকে পোন-ছাটে মানি ল'ব নোখোজে। সৰ্বজনে পতিয়ন যাব পৰাকৈ ফাট-বিহু উৎপত্তিৰ সম্পৰ্কত এক গ্ৰহণযোগ্য সূত্ৰ বা ব্যাখ্যা লোক-সংস্কৃতিৰ গৱেষক-পণ্ডিতসকলৰ পৰাই বিচৰা উচিৎ হ'ব। আমি মাথো এই প্ৰবন্ধত কিছু কথা বিচাৰ বিশ্লেষণ কৰি চোৱাৰ বাবে কৃতবিদ্য পণ্ডিত, বুৰঞ্জীবিদ আৰু বিহু-বিশেষজ্ঞ সকলৰ দৃষ্টিগোচৰলৈ অনাৰ প্ৰয়াস কৰিছোঁ।





১।(ক)ঃ- মহাৰাজ ৰুদ্ৰসিংহৰ দিনৰ পৰা পুৰন্দৰ সিংহৰ ৰাজত্বকাললৈকে ৰাজ পৃষ্ঠপোষকতাত ৰজা ঘৰৰ সন্মুখত অথবা ৰংঘৰৰ বাকৰিত সাতদিন ধৰি বিহু চলিছিল। উপন্যাস-সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে ৰংঘৰৰ প্ৰাংগনত হোৱা সাত-বিহুৰ কথা লিখিথৈ গৈছে। সাত-বিহুত যোগদান কৰা কোনো কোনো লোক কালক্ৰমত ঢকুৱাখনালৈ আহি থানিকা পাতি স্থায়ীভাবে বসবাস কৰিবলৈ ললে। বিহুৰ সময়ত যাতায়তৰ অসুচল বাবে তেওঁলোক ৰংপুৰলৈ যাব নোৱাৰি ঢকুৱাখনা চাৰিকড়ীয়া নৈৰ ঘাটৰ আশে-পাশে সাত-বিহুৰ অনুৰূপ বিহু মাৰিবলৈ ধৰিলে; তেওঁলোকক দেখি অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ৰ মানুহ ভাহি-ভুঁহৰি আহি ঢকুৱাখনাৰ পানী-ফাটত বিহু মৰা কাৰণে ইয়াক ফাট-বিহু বোলা হৈছিল। এই কথা জন-প্ৰবাদ বুলি ধৰা হয় যদিও কোনো কোনোৱে ফাট-বিহু নামটো এই কাৰণেই হৈছে বুলি ধাৰণা কৰে।

(ক) ২।ঃ- চাৰিকড়ীয়া নৈৰ পকা বালিত, ঝাউ বনৰ মাজে মাজে, আঁহত-বৰগছৰ তলে তলে একেৰাহে সাতদিন বিহু মাৰি থাকোতে ঢুলীয়াৰ ঢোল ফাটে, তালীয়াৰ তাল ফাটে, নাচোতে-নাচোতে নাচনিৰ কাপোৰ কানি ফাটে, কাৰোবাৰ ভৰিৰ গোৰোহা ফাটে, ইত্যাদি কাৰণেও ফাট-বিহু নামটো হ'ল বুলি বহুতে মত পোষন কৰে। এনেকথা আজিও বহু মানুহৰে মুখে মুখে চলি আছে। আগতে কৈ অহা হৈছে যে জন-প্ৰবাদ বিজ্ঞান-সন্মত কথা হব নোৱাৰে। বৈজ্ঞানিক দৃষ্টিত কিম্বদন্তীমূলক কথা বা কাহিনী বিশ্বাসযোগ্য বা যৌক্তিক নহয়। বস্তুনিষ্ঠভাবে বিচাৰ-বিশ্লেষণ কৰি প্ৰকৃত সত্য উদ্‌ঘাটন নোহোৱা পৰ্যন্ত জন-প্ৰবাদকে সাধাৰণ মানুহে সঁচা বুলি ধৰি লয়।

২। মই যিমানদূৰ জানোঁ, পোন-প্ৰথমে ঢকুৱাখনা কলেজৰ প্ৰবক্তা ডিম্বেশ্বৰ গগৈয়ে সংকলন কৰা 'দেহা গৰকিলে প্ৰেমে' নামৰ কিতাপৰ পাতনিত ফাটবিহুৰ নামটোৰ উৎপত্তিৰ সৰ্ম্পকে থকা জনশ্ৰুতি আৰু লগতে তেওঁ ঐতিহাসিক দৃষ্টিৰে নিজৰ মতামত প্ৰকাশ কৰিছে। আকৌ তেওঁ লিখিছে,— চাৰিকড়ীয়া নৈৰ উত্তৰ পাৰতেই আহোম ৰাজত্ব কালত স্থাপিত হৈছিল এটা ফাট। ফাট তাই আহোম ভাষাৰ শব্দ। সাধাৰাণতে নৈ আদিৰ দাঁতিত বেহা-বেপাৰৰ কৰ সংগ্ৰহ কৰা ঠাইক ফাট বোলে।"[৮] সেইকালত আজিৰ দৰে খেল-পথাৰ নাইবা ময়দান নাছিল; হাট-ঘাট-ফাট, খেতি-পথাৰ আদিবোৰকে ৰাজহুৱা স্থান হিচাবে গন্য কৰা হৈছিল। যিবিলাক গাৱঁত নামঘৰ স্থাপিত হৈছিল, গাঁৱৰ ৰাইজৰ বাবে নামঘৰেই আছিল ৰাজহুৱা অনুষ্ঠান। গৰুবিহুৰ পিছত দিনা সন্ধিয়া চাকি-বন্তি জ্বলোৱাৰ পিছত গাৱঁৰ ডেকা ল'ৰাই গোটপিত খাই জয়ে-জয়ে নামঘৰৰ সন্মুখত হুঁচৰি গাই বিহু কৰাটো পূৰ্বাপৰ নিয়ম। তাৰ

পিছুৱতহে গাঁৱৰ মুখিয়াল জনৰ ঘৰত উঁৰি গাই শেষ কৰিসে আনবোৰ মানুহৰ ঘৰত উঁৰি গাবলৈ যায়। মানুহ-বিহুৰ পিছদিনা দিনৰ ভাগত বিভিন্ন গাঁৱৰ মানুহে গোট খাই প্ৰান্তৰ বিহু মাৰেহি— সেয়ে হাট-বিহু। দূৰ অতীতত ঢকুৱাখনাৰ বিভিন্ন গাঁৱৰ পৰা মিচিং, আহোম-চুতীয়া, কোঁচ-কলিতা, সূত, কৈৱৰ্ত, দেউৰী-কছাৰী আদি সম্প্ৰদায়ৰ চকল ডেকা জুমে জুমে হিলদল ভাঙি আহি ফাটত সাতদিন সাতৰাতি বিহু মাৰিছিল। 'সেই সাতদিনৰ কাৰণে মুকলি আকাশেই হয় ঘৰৰ চাল আৰু চাৰিকড়ীয়া তৈল পকা বালিয়েই হয় বিছনা। উজ্জ্বল নীল আকাশৰ তলত চাৰিকড়ীয়াৰ পথাৰ বুকু সেউজীয়া অৰণ্যৰ মাজত সাতদিন সাতৰাতি ধৰি চলে এই উদ্দাম বসন্ত-উৎসৱ।'* আজিৰ দৰে তেতিয়া ইমান বেছি জনসংখ্যা নাছিল, তত্ৰাচ সাতদিন ধৰি ঢকুৱাখনাৰ ফাট জনাকীৰ্ণ হৈ পৰিছিল। বিহুৰ সময়তে আহোম ৰজাই উত্তৰ পাৰৰ মানুহৰ পৰা কণ-পঁচা সংগ্ৰহ কৰিবলৈ বিষয়া পঠাইছিল; বিষয়া সকলেও বিহুৰ ঠিক আগে আগে চাৰিকড়ীয়াৰ ফাটত নাও চপাই চপাইছিলহি। ৰাজ-বিষয়াক আদৰ-সম্ভাষণ জনাবলৈ বিভিন্ন গাঁৱৰ ৰাইজে দলে-দলে আহি ফাটত জুম বান্ধিছিল। ডেকাবিলাকে ভাগে ভাগে কৰিছিল বিহু; ফাটত বিহু কৰা কাৰণেই সেই বিহুক ফাট-বিহু বোলা হৈছিল বুলি বিজ্ঞলোকে মত প্ৰকাশ কৰিছে। শতাব্দী প্ৰাচীন ঢকুৱাখনাৰ ফাটবিহু লোক-উৎসৱ হিচাবে আজি কেৱল ঢকুৱাখনাতে সীমাৱদ্ধ হৈ থকা নাই; ই অসমৰ বিভিন্ন ঠাইৰ মানুহক আকৰ্ষিত কৰিছে। অসমৰ বাৰেৰহণীয়া লোক-সংস্কৃতিৰ ভঁৰালত ফাট-বিহুৱে সুকীয়া স্থান অধিকাৰ কৰিছে। ই ঢকুৱাখনাবাসীৰ কাৰণে গৌৰৱৰ বিষয়। ঢকুৱাখনাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত ফাট-বিহুক কেন্দ্ৰ কৰি যি ঐক্য-সংহতি আৰু সমন্বয় গঢ় লৈ উঠিছে, অসমৰ অন্য ঠাইত এনে উদাহৰণ বিৰল। ফাট-বিহু নেদেখা সকলে হয়তু বিশ্বাস নকৰিব পাৰে, ৰ'দ-বৰষুণ নেওচি বিহু কৰাই বিহু কৰে, হাজাৰ-হাজাৰ বিহুৱলীয়া দৰ্শকে বিহু চাই মনৰ হাবিয়াস পূৰায়, কাৰোৰে মনত ভেদভাব নাথাকে,মৰম-চেনেহৰ এনাজৰীৰে সকলো বান্ধ খাই থাকে চাৰিকড়ীয়াৰ বালিচৰত। ফাট-বিহুৰ তিনিটা দিনত বিহুতলী হৈ পৰে মহামিলনৰ থলী।❑






**উদ্ধৃতিবোৰ উৎস ঃ**

১। নতুন সংস্কৰণ হেমকোষ ঃ পৃঃ নং ৭২৫

২। আধুনিক অসমীয়া শব্দকোষ ঃ সুমন্ত চলিহা পৃঃ নং ৩৮৯

৩। পণ্ডিত গোস্বামী ৰচনাৱলী ঃ পৃঃ নং ২৯৫-৯৬

৪। বৰবৰুৱা মোমাই তামুলীঃদূৰবীন- ঃ বেণুধৰ শৰ্মা পৃঃ নং ১০

৫। ডঃ সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত সাতসৰী অসম বুৰঞ্জীৰ প্ৰথমখন ঃ পৃঃ নং ২৯

৬। ইতিহাসে সোঁৱৰা ছশটা বছৰ ঃ সৰ্বানন্দ ৰাজকুমাৰ পৃঃ নং ১৯৭

৭। REPORT ONTHE PROVINCE OF ASSAM- ঃ A.J.MOFFATT MILLS- P.No 658

৮। ঢকুৱাখনাৰ ফাট-বিহু ঃ ডিম্বেশ্বৰ গগৈ 'আমাৰ অসম'ৰ দেওবৰীয়া আলোচনী-'পূৰ্বাচল' ৯ ফ্ৰেব্ৰুৱাৰী -২০০৩।

৯। ঢকুৱাখনাৰ ফাট-বিহু ঃ হোমেন বৰগোহাঞি


"ফাট বিহুৰ বিষয়ে, ঢকুৱাখনাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ইয়াৰ সংস্কৃতিবান ৰাইজৰ বিষয়ে নানা কিতাপ পত্ৰ আৰু আলোচনীত পঢ়ি আহিছো। আজি নিজ চকুৰে ঢকুৱাখনাৰ ফাট বিহু দেখি, ইয়াৰ ৰাইজৰ স্বতঃস্ফূৰ্ত্ত সঁহাৰি দেখি, মুকলি পথাৰত গছৰ তলত বিহু নৃত্য দেখি সঁচাকৈ মই আপ্লুত হলো। ফাট বিহুৰ ভালদৰে প্ৰচাৰ হলে ভৱিষ্যতে এই বিহু পৰ্য্যটকৰ আৰ্কষণৰ কেন্দ্ৰ বিন্দু হ'ব।"

*য়েছে দৰজে ঠংচি*
সচিব, পৰ্য্যটন আৰু সাংস্কৃতিক
পৰিক্ৰমা বিভাগ, অৰুণাচল চৰকাৰ।

# ফাটবিহুৰ বৈচিত্ৰ-বিচাৰ

ইছমাইল হোছেইন

লক্ষীমপুৰ জিলাৰ ঢকুৱাখনাৰ নৈৰ ফাটত সোতৰ শতিকাৰে পৰা অনুষ্ঠিত হৈ অহা ঐতিহ্যময় ফাটবিহু কেবাটাও দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণ। ব'হাগ বিহুৰ প্ৰাচীন চৰিত্ৰ বহন কৰা ফাটবিহুৰ উৎপত্তি সম্পৰ্কে একাধিক মত প্ৰচলিত আছে যদিও এই বিহু ঢকুৱাখনাৰ দাঁতিয়েদি বৈ যোৱা চাৰিকড়ীয়া নৈৰ পাৰত আহোমৰ ফাটত অনুষ্ঠিত হৈছিল সেই বিষয়ে ফাটবিহুৰ সৈতে জড়িত বিজ্ঞ সমাজৰ মতবিৰোধ নাই।

সোতৰ শতিকাৰ মাজভাগৰে পৰা অনুষ্ঠিত হৈ অহা ফাটবিহু একাধিক বৈচিত্ৰ্যৰে ভৰা। বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা ব'হাগ বিহুতকৈ ঢকুৱাখনাৰ ফটবিহু কিবোইটা দিশত বৈচিত্ৰময় সেই দিশকেইটাৰ অন্যতম হ'ল ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, ঠাই-ঐতিহ্য, বৈশিষ্ট্যপূৰ্ণ বিহুনাচ, মন-পৰশা সুৰত বিহুনাম আৰু জাতনাম, হুঁচৰি, পোছাক-পৰিচ্ছদ, বিভিন্ন জনগোষ্ঠীৰ অংশ গ্ৰহণ আদি। আমাৰ এই লেখাৰ জড়িয়তে ফাটবিহুৰ বৈচিত্ৰময় দিশসমূহ পৰ্যালোচনা কৰাৰ চেষ্টা কৰিম।

(এক) ফাটবিহুৰ বৈচিত্ৰ প্ৰকাশ পাইছে ইয়াৰ নামটোৰ পৰা। তাই ভাষাৰ শব্দ 'ফাট'ৰ অৰ্থ হ'ল নৈ বা গভীৰ পানী থকা ঠাইৰ দাঁতিত বেহা-বেপাৰ, কৰ-কাটল সংগ্ৰহ আদি কামৰ বাবে সমবেত হোৱা ঠাই। 'Ahom Lexicons মতে 'ফাট'ৰ অৰ্থ হ'ল—" a place where traders assemble for trade and for payment of duty," এই ফাটক বহুতে ঘাট বা হাট ৰূপেও ব্যৱহাৰ কৰিছিল। ঢকুৱাখনাৰ ফাটৰ বাদে আহোম ৰাজাৰ দিনৰ আন কোনো ফাটতেই বিহু-উৎসৱ বা বিহু-মেলা অনুষ্ঠিত হোৱাৰ নজীৰ নাই।

(দুই) ফাটবিহু হ'ল সমন্বয়ৰ বিহু। এই বিহু আহোমৰ ফাটত সাতদিন সাতৰাতিলৈকে একেৰাহে চলিছিল আৰু দূৰ-দূৰণিৰ লোকে খোৱা বস্তুৰে সৈতে এই বিহুলৈ আহিছিল। এই বিহুত আহোম, চুতীয়া, কোঁচ, কলিতা, কৈৱৰ্ত,মিচিং, দেউৰী, সোণোৱাল কছাৰী আদি জনগোষ্ঠীৰ লোকে সমবেত হৈ সাতদিন সাতৰাতি একেলগে নাচ-গীতত অংশ গ্ৰহণ কৰিছিল। ফাটবিহুৰ বিহুনামত আছে—

"ম'হঘূলি চাপৰি আহিবা লাহৰী
ফাটবিহুৰ বতৰা পাই,
মিচিং আহিব দেউৰীও আহিব
আমাৰ বিহু ভাঙোতা নাই।"





"চাৰিকড়ীয়াত মাৰি যাওঁ চাৰিটাকৈ ভেকুলী
ফাটবিহুত মাৰি যাওঁ মাকোঁ,
মিচিং আহিছে দেউৰীও আহিছে
আমিনো ৰৈ কেনেকৈ থাকোঁ।"

(তিনি) সোতৰ শতিকাৰ মাজভাগৰ পৰা ফাটবিহু এক মনোৰম প্ৰাকৃতিক পৰিবেশত অনুষ্ঠিত হৈ আহিছে। আহোম ৰজাৰ ফাটৰ উপৰিও নৈৰ চাপৰি, হাবয়নিৰ দাঁতি, চোমনিবাৰী আদিত ফাটবিহু অনুষ্ঠিত হৈছে। কুৰি শতিকাৰ সত্তৰৰ দশকৰ পৰা ফাটবিহুৱে আনুষ্ঠানিক ৰূপ পোৱাৰ পিছতো ম'হঘূলি চাপৰিৰ দৃষ্টিনন্দন আৰু অৰ্থবহ পৰিবেশৰ মাজত তিনিদিনিয়াকৈ ফাটবিহু অনুষ্ঠিত হৈ আহিছে। একমাত্ৰ ঢকুৱাখনাৰ ফাটবিহুৱেই সুদীৰ্ঘ কাল ধৰি প্ৰাকৃতিক পৰিবেশত বিহুৰ ঐতিহ্যক জীয়াই ৰাখিবলৈ সক্ষম হৈছে।

(চাৰি) ফাটবিহুৱে ঠাই-ঐতিহ্যক চহকী কৰি আহিছে। ঢকুৱাখনাৰ উপৰিও ইয়াৰ চাৰিওফালৰ বিভিন্ন ঠাই, ম'হঘূলি চাপৰি, বাসুদেউ থান, বিভিন্ন নৈ, দলনি, জনগোষ্ঠীয় ঐতিহ্য আদিক ফাটবিহুৰ বিহুনামে সামৰি লৈছে. এই ঐতিহ্য ফাটবিহু কেন্দ্ৰিক অসমীয়া বিহুনাম, মিচিং অইনিঃতম্, দেউৰী জিম'ছায়া চাজেবা আদিত এনেদৰে প্ৰকাশ পাইছে ঃ

"ম'ঘূলিৰ বেত-গাজ সাপেখাতীৰ চেনীমাছ
বালিগাঁৱৰ ডাবৰি শাক,
ঔটেঙা ঐ টেঙেচি কিনো খাই যাবা ঐ
ক'লে ওৰ নপৰে তাক।"

"তিতিকি তিতাপাত মাজুলীৰ তুলাপাত
ঢকুৱাখনাৰ ফাটবিহুৰ চিঠি,
তোমাৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ
যাম লুইততে তিতি।"

"ৰংপুৰৰ বেপাৰী ঢকুৱাখনাৰ কটাৰী
নেকাটিলেও কাটো যেন কৰে,
চাৰিকড়ীয়াৰ পানী হাবুঙৰে নাচনী
নেনাচিলেও নাচো যেন কৰে।"

"কুঁৱাবাৰী দলনি চৰাই শুৱনি
চেনাইৰ মিঠালগা মাত,

ফাটবিহু আহিলে ৰ'বকে নোৱাৰোঁ
হবি কাটি ওলামে বাট।"

একেলৰে মিচিং অইনিংতমতো ঢকুৱাখনাৰ ওচৰৰ খেৰকটা নৈ আৰু সোৱণশিৰি (অৱনৰী) নৈৰ ঐতিহ্যৰ কথা প্ৰকাশ পাইছে। যথা ঃ

"কেৰকটা আনৌল কাম্‌পুনচুলি ইদুনৌ
থাজ্ঞী দক্কী মৌটনামৰৃ লুতুৰাৰী ইদুনৌ।"
(খেৰকটা নৈখন শুকান মৰুভূমি হ'ল,
সৰুকালৰ ভালপোৱা আঁতৰি গ'ল।)
"অৱনৰী অনৌল বাংকুলা আপ্পী মৌচুমা
থাজ্ঞী দক্কী মৌটনামৰৃ মিপ্পানাপী মৌচুমা।"
(সোৱণশিৰি নৈখন সাঁতুৰিব নোৱাৰোঁ
সৰুকালৰ ভালপোৱা পাহৰিব নোৱাৰোঁ।)

ফাটবিহু কেন্দ্ৰিক দেউৰী বিহুনামতো (জিম'ছয়া চাজেবা) ঠাই আৰু নদী-ঐতিহ্যৰ প্ৰকাশ পোৱা দেখা যায়। যেনে ঃ দিচাং নৈৰ পাৰৰ দেউৰীসকলে গেৰেক বৰে ঢকুৱাখনাৰ ওচৰৰ বালিদেউৰী গাঁৱৰ দেউৰী ডেকা-গাভৰুৱেও গায় ঃ

"চাৰিকড়ীয়া লেহেঙনা কেন দে বুজি পাই
বালিদেউৰী লেহেঙনা কেন,
য়য় বাবা লেহেৰণ গগই কাকাই লেহেৰণ
আনা যদি ছু মোজ্জা লেন।"

(চাৰিকড়ীয়া নৈ এৰি যাম, বালিদেউৰী এৰি যাম, এনেকি নিজৰআই-বোপাই, ভাই-ককাই সকলোকে এৰি যাম; যদিহে সঁচা কথা কোৱা।)

(পাঁচ) ফাটবিহুৰ আৰম্ভণিৰে পৰা ম'হঘূলি চাপৰি আৰু চাৰিকড়ীয়া নৈৰ ফাটত বিভিন্ন জনগোষ্ঠীৰ লোকে গোট খাই একেলগে বিহু মৰা বাবে ইটো জনগোষ্ঠীৰ বিহুনামৰ সৈতে সিটো জনগোষ্ঠীৰ বিহুনামৰ সুৰৰ সমন্বয় বিচাৰি পোৱা যায়। উদাহৰণ স্বৰূপে, ফাটবিহুৰ এটি প্ৰাচীন সুৰৰ বিহুনাম হ'ল—

"ম'হঘূলি চাপৰিত আবেলি ঐ আবেলি
ধানে নিৰাইছিলো চাপৰি ঐ চাপৰি
ব'হাগৰে দুপৰীয়া ঢোল-পেঁপাৰ ঐ গুমগুমনি
ঢপলিয়াই আহিলা মৰমৰে নাচনী;
হায়ে জোন এবেলি কিয় পোহৰ দিলি





মোৰেনো মন বলিয়া মোৰেনো মন বলিয়া কৰি।"

সুকীয়া সুৰৰ এই বিহুনামটিৰ সুৰত যিকোনো অইনিংতমৰ সুৰৰ পাৰ্থক্য নথকালৈ চাই বুজিব পাৰি যে ফাটবিহুতলীত গোট খাই একেলগে বিহুনাম অইনিংতম গাওঁতে ইটো জনগোষ্ঠীয়ে সিটো জনগোষ্ঠীৰ সুৰ অনুসৰণ কৰিছিল। একেদৰে। ফাটবিহু কেন্দ্ৰিক অনেক বিহুনাম আৰু জাত নাম তথা টকাবিহুৰ নামৰ সুৰতো মিচিং জনগোষ্ঠীৰ অইনিংতমৰ সুৰৰ প্ৰভাৱ পৰিছে। ফাটবিহুৰ বিহুনামৰ সুৰে দেউৰী জনগোষ্ঠীৰ বিহুনামকো (জিম'ছয়া চাজেবা) প্ৰভাৱিত কৰিছে। এনেদৰে বিভিন্ন জনগোষ্ঠীৰ বিহুকেন্দ্ৰিক সংস্কৃতিৰ সংমিশ্ৰণে ফাটবিহুক কেন্দ্ৰ কৰি ঢকুৱাখনাৰ চাৰিওপিনে সমন্বয়ৰ এখন বৃহৎ সমাজ গঢ়ি তুলিবলৈ সক্ষম হৈছে। এনে সমৃদ্ধ সমাজ অসমৰ অন্য ঠাইত কমেই দেখিবলৈ পোৱা যায়।

(ছয়) ফাটবিহুৰ বিহুনাম আৰু জাতনামৰ সুৰৰ এক বিশেষ বৈশিষ্ট্য আছে। বোৱাৰী আৰু গাভৰুসকলে গোৱা টকাবিহুৰ নিম্নোক্ত বিহুনামটি এক বিশেষ সুৰেৰে গঁথা। এই বিহুনামটি যেতিয়া ফাটবিহুতলীত গোৱা হয় তেতিয়া মহিলাৰ বা গাভৰুৰ জেংবিহুৰ সুৰতকৈ এক ভিন্ন সুৰৰ ধ্বনি লক্ষ্য কৰা যায়। বিহুনামটি (আচলতে জাতনাম) হ'ল ঃ

"অ' আইদেউ লচ্‌পচী
বিহা ল'লা কেঁচা বাছি
দৰা ল'লা মনে বাছি
আকৌ তোমাৰ বিহুলৈ
আকৌ তোমাৰ বিহুলৈ মন।"

বিহুনামৰ সৈতে গালে এই জাতনামটিৰ গাঁথনি এনে ধৰণৰ হয় ঃ

"বেঙেনা নামেৰে অ' আইদউ লচ্‌পচী
গুটি নপঁচাবা অ' আইদেউ লচ্‌পচী
পিৰালিত নিদিবা ঠায়ে আইদেউ লচ্‌পচী
বিহা ল'লা কেঁচ্ বাছি
দৰা ল'লা মনে বাছি
আকৌ তোমাৰ বিহুলৈ
আকৌ তোমাৰ বিহুলৈ মন।"

(সাত) বিহুনাম জাতনামৰ উপৰিও টকাবিহুৰ এক বিশেষ বৈশিষ্ট্য আছে।

টকাবিহুৰ নাচনীসকলে আগফালে হাউলি কঁকাল ভাঙি তালে তালে হাত দুখন পাছফালে নি কঁকালটো এবাৰ খামোচ মাৰি ধৰি আৰু এবাৰ এৰি দি নচাৰ ভঙ্গীৰ সুকীয়া বিশেষত্ব আছে। এনে নাচোন ফাতবিহু কেন্দ্ৰিক টকা বিহুৰ বাদে অসমৰ আন ঠাইৰ বিহুত দেখিবলৈ পোৱা নাযায়। উল্লেখ যে টকাবিহুৰ নাচনীসকলে কঁকালটো দুয়োকাষৰ পৰা সাধাৰণভাৱে খামোচ মাৰি নধৰি পাছফালৰ পৰাহে খামোচ মাৰি ধৰে।

ঢকুৱাখনাৰ ফাটবিহুত জীয়ৰীকালৰে পৰা নচা ১ নং হিলৈদাৰী গাঁৱৰ চেনীমালা বৰুৱা (৭৫), বিদ্যাৱতী গগৈ (৮০), সুমিত্ৰা গগৈ (৭০), জোলাদৈ গগৈ (৭০), মহেশ্বৰী গগৈ (৬৫), সুখেশ্বৰী গগৈ (৬০) আদি বয়সীয়াল মহিলা সকলে এবাৰ বিশেষ সুৰৰ বিহু নাম গাই এখন ভৰিৰ গোৰোহা আনখন ভৰিৰ গোৰোহাৰে স্পৰ্শ কৰি ওপৰি চোচৰাই চোচৰাই নাচি দেখুৱাইছিল। তেনে নাচ আমি অসমৰ আন ঠাইত দেখা নাই।

(আঠ) ফাটবিহুৰ হুঁচৰিত কেৱল ল'ৰাইহে নাচে ছোৱালীয়ে হুঁচৰীত অংশ গ্ৰহণ নকৰে। ফাটবিহুৰ প্ৰতিটো হুঁচৰি দলৰে নাচোনভঙ্গী পুৰণি ঢঙৰ। কিছুমান হুঁচৰি দলে বাহিৰে ওলমি পেঁপা বজোৱাৰ ভঙ্গী দেখুৱায়। বেছিভাগ হুঁচৰি দলে যুৰীয়া পেঁপা ব্যৱহাৰ কৰা দেখা যায়। বহুতে নাকেৰেও পেঁপা বজায়। সাজ-পোছাক আদিতো ফাটবিহুৰ হুঁচৰিয়ে শুদ্ধ পৰম্পৰা মানি চলে।

ফাটবিহুৰ প্ৰতিগৰাকী নাচনীয়ে ৰিহা-মেখেলা পিন্ধে। ফাটবিহুত মুগাৰ ফুলাম মেখেলা-চাদৰৰ ছেঁট পিন্ধি নচাৰ নিয়ম নাই। কোনোবাই নাচিলেও সেয়া ফাটবিহুৰ ঐতিহ্য আধাৰিত নহয়। ফাটবিহুৰে ঐতিহ্য বজাই ৰখা বাবেই ঢকুৱাখনাৰ প্ৰতি ঘৰৰে চোমনিবাৰি আছে। সেই চোমনিত উৎপাদিত মুগা সূতাৰ দ্বাৰা প্ৰতিঘৰৰ জীয়ৰী-বোৱাৰী সকলে নিজা তাঁতশালত ৰিহা-মেখেলা বৈ লয়। ফাটবিহুৰ নাচনীয়ে পৰিধান কৰা ৰিহাবোৰ কেঁচৰছা। মহিলাসকলে ব্যৱহাৰ কৰা মেখেলাবোৰ উকা; কিন্তু জীয়ৰী সকলে ব্যৱহাৰ কৰা মেখেলা ফুলবছা আৰু উকা— এই দুয়োধৰণৰ আছে।

(দহ) ফাটবিহু জীয়ৰী, বোৱাৰী, বৃদ্ধা, চেমনীয়া সমন্বিতে সৰ্ব-পৰ্যায়ৰ নাচনীসকলে খোপাত কোনো ধৰণৰ কৃত্ৰিম ফুল ব্যৱহাৰ নকৰে। নাচনী সকলে খোপাতে বহুতৰ কপৌফুল ব্যৱহাৰ কৰে। কপৌফুল নেপালে ইয়াৰ ঠাঁৰি, ভাটৌফুল,





তগৰফুল, চম্পাফুল আদি ব্যৱহাৰ কৰে।

(এঘাৰ) ফাটবিহু তলীৰ গাতে লাগি আছে চাৰিকড়ীয়া নৈ আৰু ম'হঘূলি চাপৰি। ফাটবিহুৰ অন্তিম দিনা গছৰ তলে তলে যেতিয়া মুকলি বিহু আৰম্ভ হয় তেতিয়া বিহুদল বোৰৰ মাজত জাকৈ, খালৈ, আচ্ৰা জাল, নাঙল, যুঁৱলী, কাঁচি খন্তি আদিৰে সৈতে কিছুমান ডেকাল'ৰা আৰু গাভৰু সোমাই বিহু নাচে। তেওঁলোকৰ গাত খেতি পথাৰত কাম কৰা বা পুখুৰী-নদীত মাছ ধৰিবলৈ যোৱা পোছাক থাকে। বহুতৰে গাত বোকা মাটিও লাগি থাকে। মিচিং গুমৰাগ চঃমানতো তেনে ডেকা-গাভৰুৰে নচা দেখা যায়। সম্ভৱত ম'হঘূলি চাপৰি আৰু চাৰিকড়ীয়া নৈক কেন্দ্ৰ কৰি যিবোৰ বিহুনাম আছে সেইবোৰত উল্লেখ থকাৰ দৰেই ডেকা-গাভৰু-সকলে ফাটবিহুতলীত নাচিবলৈ আহে। ঢোল-পেঁপাৰ গুমগুমনি শুনি খেতি পথাৰ আৰু নৈ বাকৰিৰ পৰা ঢপলিয়াই বিহুতলীলৈ অহা পৰম্পৰা এই আধুনিক যুগত সম্ভৱতঃ ফাটবিহুৰ বাদে আন ক'তো দেখিবলৈ পোৱা নেযায়।

(বাৰ) ঢকুৱাখনাৰ ফাটবিহুতলীৰ মূল বাকৰিত বিহু উদ্‌যাপনৰ কোনো সদস্য, বিষয়ববীয়া, অতিথি শিল্পী আদিয়ে ধুতী-পাঞ্জাৱী (পুৰুষ) আৰু মেখেলা-চাদৰ (মহিলা) নিপিন্ধাকৈ লংপেন্ট বা শাৰী-চেলুৱাৰ আদি পিন্ধি প্ৰৱেশ কৰিব নোৱাৰে। এই লেখকে ১৯৯১ চনত প্ৰথমবাৰ ফাটবিহুৰ অতিথি হিচাপে যাওঁতে উদ্‌যাপন সমিতিৰ এগৰাকী সদস্যৰ অনুৰোধত মূল বাকৰিৰ পৰা ওলাই আহিব লগা হৈছিল। পিছত যেনিবা ধুতী-পাঞ্জাৱী পিন্ধিহে অতিথিৰ আসন গ্ৰহণ কৰিব পৰা গৈছিল। জাতীয় সাজ-পোছাকৰ (জনজাতি আৰু অজনজাতি) এনে পৰম্পৰা অসমৰ অন্য ঠাই বিহুতলীত মানি চলিলেহে প্ৰকৃতাৰ্থ বিহুক মৰ্যদা সহকাৰে চোৱা হ'ব।

(তেৰ) ফাটবিহুৰ বিহু নামবোৰৰ সৈতে গোৱা জাত নামৰ বিশেষ সুৰীয়া বৈশিষ্ট্য আছে। ফাটবিহুত উপস্থিত থাকি নুশুনিলে তেনে জাত নামবোৰৰ সুৰ আয়ত্ব কৰাৰ সম্ভৱ নহয়। ফাটবিহুত প্ৰচলিত তেনে কেইটামান বৈশিষ্ট্য সম্পন্ন জাত নাম হ'ল—

(এক) "এ লিলিং লালাং কচুশাকত তেল নাই
ঢুলীয়া কাংকান ঐ নাচনী মাকন ধিদাং দাং নীলমণি দাং
লামডিং লপত ঐ মণিৰাম চপত ঐ

হাতীয়ে মাউতক পলুৱাই নিলেগৈ মহঘূলি চাপৰিলৈ,
সৰুটি ঐ সৰু সৰু বেঙেনাৰ পাত
লোণ মাৰো গাত চূণ মাৰো গাত
চাহবনী ছোৱালী বিহা নাই গাত
পানী আনি ভাত ৰান্ধি নোখোৱাৰ জাত
লৌ লৌ লৌগুটি চৌ চৌ চৌ গুটি
উঁয়ে খালে পোৰে খালে ঠাক ঠাক ঠাক।"

(দুই) "ম'হৰ নাকি ঘোঁৰাৰ লেকাম
দিচাং মুখত জাহাজ ৰখাম
চাৰিআলিত চাহৰ দোকান
বাটত পালে তোমাক জোকাম
নুশুবাদে নুশুবাদে
ৰাতিবিহু ৰাতিবিহু চাবলৈ যাম।"

(তিনি) "সৰু, বাৰীত চৰে গোহালি
গৰু লীলা বহিবলৈ নিদিলা
পীৰা লাটুম বুকু ফালি ছিটিকা
পতিয়ে জৰী য'তে মৰ ত'তে দিম হেৰ'
য'তে মৰ ত'তে দিম খৰি।"

(চাৰি) "অ' ভনী ৰহেদৈ
জাকৈ খালে আনাগৈ
মাছে মাৰো ব'লা গৈ
দলনিৰে পথাৰত
মাজৰ কাৰ ধনী
হঁৰা জানো লগৰী,
দিবা জানো মৰমৰ
দিবা জানো মৰমৰ মাত।"

(পাঁচ) "কে কে কেকলি
জাকেই কেকলি কে কে
বাগিছা মহৰী শলমাৰি





চেনাইটো গৈছে লৰমাৰি
গজে বোপাই
চিতে মনে নাই
দ'তি মেলালৈ যায় গোলাপী
নাচে গোলাপী
দ'তি মেললৈ দ'তি মেললৈ যায়।

(ছয়) "ল'ক' জালুগুটি বেঙেনা পাত
লাউ তলে চিকা যায়
বোন্দায় পৰি থাকে
ভেকুলীয়ে ভেকে ভেকে
চিপৌ চিপৌ চিপৌ
আভলুকা, ভলুকা ও ও ও।"

**(চৈধ্য)** ফাটবিহুৰ টকাবিহুৰ নাচোনভঙ্গীৰ উপৰিও বিহুদলৰ বিহুৱা বিহুৱতীসকলে নচা কেইটামান নাচোনভঙ্গী হ'ল ঃ

**বিহুৱতীৰ নাচোনভঙ্গী ঃ** (১) হাতৰ ঠাঁৰিবোৰ ম'হৰ শিঙৰ দৰে কৰি হাত মেলিনচাৰ উপৰিও কঁকাল ভঙা আৰু হাতৰ সৰু গাঁঠিত তলুৱা ভঙা। (২) হাত মেলি টাকুৰি ঘূৰাদি ঘূৰি ঘূৰি নচা। (৩) হাতৰ পিঠি কঁকালৰ পছফালে থৈ মুখখন সোঁবাহুৰ ফালে বা বাওঁহাতৰ ফালে ঘূৰাই কঁকাল ভাঙি আৰু বুকু উঠা-নমা কৰি নচা। (৪) কঁকালত হাত থৈ বতাহত গছ-গছনি হালি-জালি থকাৰ লেখিয়াকৈ কঁকালৰ পৰা দেহৰ ওপৰ অংশ চাৰিওফালে ঘূৰাই নচা। (৫) হাত দুখন বুকুৰ ফালে ঘোৰ খুৱাই সৰু গাঁঠি বুকুৰপিনে অৰ্ধমুঠি কৰি ভঙা আৰু বুকুৰ স্পৰ্শসূচক ভঙ্গী দেখুওৱা। (৬) এটা মুহূৰ্ত্তত এখন হাত খোপাত থৈ কঁকাল ভাঙি ভাঙি নচা (৭) দুহাত মেলি লাই হালে-জালেকৈ বা নৈৰ পানীৰ ঢৌৰ লেখীয়াকৈ নচা। এই নাচক 'পখিলা উৰাদি উৰা নাচ' বুলি কোৱা হয়।

**বিহুৱাৰ নাচোনভঙ্গী ঃ** (১) ম'হৰ শিঙৰ লেখিয়াকৈ হাত দুখন কঁপালৰ আগলৈকে মেলি দিয়াৰ পিছত হাতৰ সৰু গাঁঠিৰ তলুৱা ভাঙি কঁকাল ভাঙি ভাঙি নাচে। (২) দুয়োখন হাতৰ দুয়ো পিঠি পিঠিৰ ফলে কঁকালত থৈ মুখখন সোঁবাহু বা বাওঁবাহুৰ ফালে ঘূৰাই বাহু ভাঙি ভাঙি আৰু কঁকাল ভাঙি ভাঙি নাচে। (৩) ঢোলৰ

ছেৱৰ সৈতে মিলাই দুহাত আগলৈ সোঁৱে বাঁৱে কৰি কঁকাল ভাঙি নাচে।

ৰঙালী বিহুৰ ঐতিহ্য কঢ়িয়াই অনা এই কেইটা নাচোনভংগী ফাটবিহুত পৰিলক্ষিত হয় যদিও বোৱাৰী আৰু বৃদ্ধা সকলৰ নাচোনভঙ্গীৰ ভিন ভিন স্বকীয়তা আছে। জয় কান্ত গন্ধীয়া (৫০), প্ৰদীপ নেওগ, নৰহৰি চুতীয়া, পবিত্ৰ মোহন ফুকন, অমিয় সন্দিকৈ, মিনু বনিয়া আদি অভিজ্ঞ বিহু বিশেষজ্ঞৰ মত অনুসৰি উক্ত নাচোন ভঙ্গী কেইটাই বিহুৰ প্ৰকৃত নাচোন। সেয়ে ফাটবিহুত এইকেইটা নাচোনভঙ্গী যুগ যুগ ধৰি নাচোন প্ৰদৰ্শন কৰি ফাটবিহুৰ সৈতে জড়িত সকলে ৰঙালী বিহুৰ ঐতিহ্য আৰু মহত্ব সুৰক্ষিত কৰি আহিছে।

(**পোন্ধৰ**) ফাটবিহুৰ এক অৰ্থনৈতিক গুৰুত্ব আছে। অতীতত এই বিহুলৈ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ লোক আহি আহোম ৰজাৰ কৰ-কাটল দিয়াৰ উপৰিও বিভিন্ন সামগ্ৰী আদান-প্ৰদান কৰিছিল। অৰুণচলৰ ফালৰ পৰা মিৰি-মিচিমি, আবৰ-অঁকা আৰু ডফলাসকলেও ফাটবিহুলৈ আহি কৃষি সামগ্ৰী ক্ৰয়-বিক্ৰয় আৰু বিনিময় কৰিছিল। তেনে সামগ্ৰীসমূহ ভিতৰত জলকীয়া, আদা, কচু, আলু, পেনপেনী, শাকপাচলি আদি। ঢকুৱাখনা এৰী মুগাৰ বাবে বিখ্যাত ঠাই হোৱা হেতুকে চুবুৰীয়া ৰাজ্যৰ জনজাতিয় লোক সকলে সেইবোৰৰ পৰা নিৰ্মিত কাপোৰ-কানিও ক্ৰয় কৰিছিল। এনেকি নিমখ, তেল, কাহঁ-পিতলৰ সামগ্ৰী আদি ক্ৰয় কৰিছিল। সেই সূত্ৰে ১৭,১৮ শতিকাতেই ঢককুৱাখনা গঢ় লৈ উঠিছিল ব্যৱসায়-বাণিজ্য আৰু লেন-দেনৰ কেন্দ্ৰ হিচাবে। এই সকলোৰে যোগসূত্ৰ আছিল ফাটবিহু। মিচিং, দেউৰী, সোণোৱাল-কছাৰী সকলৰ বয়ন সামগ্ৰীয়েও তেতিয়াৰ দিনত ফাটবিহুত গুৰুত্ব পাইছিল।

অতীতৰ ফাটবিহু কেন্দ্ৰিক ব্যৱসায়-বাণিজ্য আৰু আদান-প্ৰদানৰ কথালৈ চায় আজিৰ আধুনিক যুগতো ফাটবিহু তলীত লোক সামগ্ৰী ক্ৰয়-বিক্ৰয়ৰ স্থল হিচাপে গঢ়ি তুলিব পাৰি। তেনে কৰিলে পৰ্যটকৰ বাবেও ফাটবিহু আকৰ্ষণৰ বিষয় হৈ পৰিব। ঢকুৱাখনাৰ মুগা শিল্প আৰু মিচিং, দেউৰী সকলৰ বয়ন-শিল্পৰ স্বকীয় বশিষ্ট্যক কেন্দ্ৰ কৰি ফাটবিহুৰ এক পৰিকল্পিত বজাৰ ব্যৱস্থাই গঢ়লৈ উঠিব পাৰে। লোকবাদ্য, লোকগহনা, ফাটবিহু কেন্দ্ৰিক অন্যান্য সামগ্ৰীও গুৰুত্বও পাব পাৰে এই পৰিকল্পিত বজাৰ ব্যৱস্থাত।





ঢকুৱাখনাৰ ফাটবিহুৱে এনেবোৰ বৈশিষ্ট্যৰ গুণেৰেই বিচিত্ৰতা লাভ কৰিবলৈ সক্ষম হৈছে। এই বিহুৱে কেৱল ওচৰ-পাজৰৰ লোক সমষ্টিকেই নহয়, সামগ্ৰিক ভাবে ফাটবিহুক পৰ্যবেক্ষন কৰা দূৰ দূৰণিৰ লোককো চহকী কৰিছে। তদুপৰি ফাটবিহু সবাতোকৈ মহৎ কৃতিত্ব হ'ল মানুহৰ মানসিকতাক সু-সংস্কৃতি সম্পন্নকৈ গঢ় দিয়া। বৃহত্তৰ ঢকুৱাখনা অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ যি সমাজ আৰু সাংস্কৃতি তাক চহকী কৰাত ফাটবিহুৰ ভূমিকাই মুখ্য। মাজুলীত যিদৰে সত্ৰ সংস্কৃতিয়ে আৰু জামুগুৰীহাটত যিদৰে বাৰে চহৰীয়া ভাওনাই সেই অঞ্চলৰ লোকৰ উচ্চ আৰু আদৰ্শনীয় মানসিকতা গঢ় দিয়াত সহায় কৰিছে তেনেদৰে ফাটবিহুত ইয়াৰ ওচৰ-পাজৰৰ শতাধিক গাঁৱৰ সমাজ, সংস্কৃতি আৰু লোক মানসিকতাক গঢ় দিয়াত অপৰিসীম অৰিহণা যোগাইছে। সেয়ে ঢকুৱাখনা অঞ্চলৰ প্ৰতিখন ঘৰেই সাতাম পুৰুষীয়া বাপতি সাহোন বিহু সংস্কৃতিৰ যাদু গৃহ সদৃশ। প্ৰতিঘৰ ঢকুৱাখনাবাসীৰ আচাৰ-অনুষ্ঠান, পিন্ধন-উৰণ, খাদ্যাভ্যাস, মাত-কথা, চিন্তা-চৰ্চা আদিত কম-বেছি পৰিমাণে যি বৈশিষ্ট্য লক্ষ কৰা যায় সেয়া নিশ্চিত ভাবে ফাটবিহুৰ জড়িয়তে যুগ যুগ ধৰি চলা আদান-প্ৰদানৰে ফল। ফাটবিহুৰ বিচিত্ৰতাও এইবোৰৰ মাজতেই নিহিত হৈ আছে।❑

* * *

(প্ৰবন্ধটিত ব্যৱহৃত তথ্য সমূহত সম্পাদনা সমিতিয়ে হাত দিয়া নাই। - **সম্পাদনা সমিতি**।)

(ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ উপৰিও নিম্নোক্ত গ্ৰন্থ সমূহৰ আধাৰত এই লেখাটো প্ৰস্তুত কৰা হৈছে—
(১) ফাটবিহুৰ মুখপত্ৰ বিহুৱানৰ বিভিন্ন সংখ্যা;
(২) 'ঢকুৱাখনাৰ ফাটবিহু'— সম্পাদনা শিৱ প্ৰসাদ গগৈ আৰু ইছমাইল হোছেইন। কেমব্ৰিজ ইণ্ডিয়া, কলকাতা। ২০০০;
(৩) 'ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্য'— ইছমাইল হোছেইন। জ্যোতি প্ৰকাশন। ২০০২; (৪) 'ৰঙালী বিহুৰ ঐতিহ্য বিচাৰ'— ইছমাইল হোছেইন। জ্যোতি প্ৰকাশন। ২০০৭; (৫) 'বিহুনামৰ জুকলি' — ইছমাইল হোছেইন। বনলতা ২০০৮)।

# ঢকুৱাখনা ঃ নামটো কিমান পুৰণি

শৈলেন বৰুৱা

*দিচাং নৈ পাৰ হৈ*
*লুইত পাৰ হ'লো*
*পাৰ হ'লো চাৰিকড়ীয়া*
*পালোহি ঠাইখন ঢকুৱা*
*তামোলৰ ঢকুৱা নৈ*
*জানটি খান্দিছিল*
*ৰাইজৰ মুখতহে শুনা।*

ঢকুৱাখনাৰ সন্দৰ্ভত ৰচনা কৰা এটি অনুপম গীতৰ আৰম্ভ হৈছে এনেদৰে। গীতটোৰ আৰম্ভণিয়ে স্পষ্ট কৰে ঢকুৱাখনা জানৰ নাম অনুসৰিয়েই ঠাইখনৰ নাম ঢকুৱাখনা হ'ল। ৰাইজৰ মুখ বাগৰি অহা কথাই কিংবদন্তি হয়।এনে জনশ্ৰুতিৰ আৰু বহু ইতিহাসৰ গৰ্ভত ডুব মাৰিব পাৰি। উদ্ধাৰ কৰিব পাৰি তথ্য-পাতিৰ সোণালী ভাণ্ডাৰ।

ঢকুৱাখনা নামটো কিমান পুৰণি? ঢকুৱাখনাবাসীয়ে ভাবে ঢকুৱাখনাৰ পুৰণি নাম হাবুং আছিল। এই কথা শুদ্ধনে? হাবুং এখন ৰাজ্যহে আছিল। এই ৰাজ্যৰ অধীন আছিল ঢকুৱাখনা। ঢকুৱাখনাইযে হাবুঙৰ ৰাজধানী অথবা কেন্দ্ৰ আছিল সেই কথা আজিও নিশ্চিত হোৱা নাই। আহোম ৰাজত্বকালৰ অসম বুৰঞ্জীত "ঢকুৱাখনা" সন্দৰ্ভত বিশেষ কথা নাই যদিও হাবুঙৰ অলেখ কাহিনী ইতিহাসৰ পাতে পাতে। একাধিক বুৰঞ্জী প্ৰণেতাই বুৰঞ্জী মানে ৰজাৰ গুণানুকীৰ্তন বুলি ভবাৰ ফলতে অসমৰ আঞ্চলিক ইতিহাস সময়ে সময়ে বঞ্চিত হৈ ৰ'ল। ইয়াৰ অন্যতম উদাহৰণ— ঢকুৱাখনা। আহোম ৰাজত্বৰ বেলি মাৰ যোৱাৰ পৰত বৃটিছে আহি এই অঞ্চলৰ সামগ্ৰিক ইতিহাস লিপিবদ্ধ কৰাৰ পিছত ঢকুৱাখনা সন্দৰ্ভত কেতবোৰ তথ্য পোহৰলৈ আহে।

হাবুং গুচি ঢকুৱাখনা হ'ল! কেতিয়া? ইয়াৰ নিৰ্ভৰযোগ্য তথ্য নাই। এ জে মফট মিলছে ১৮৫৩ চনৰ ৯ জুনত সমাপ্ত কৰা প্ৰতিবেদনত ঢকুৱাখনা নামটো Dhokowakhannah আৰু অৰুণোদয় পত্ৰিকাত ঢকুৱাখনা নামটো প্ৰথমবাৰৰ বাবে লিপিবদ্ধ ৰূপত পোৱা গৈছে।





এই সময়চোৱাৰ পৰা আৰু কিছু আগলৈ যোৱা যাওক। ১৭৮৭ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে হুগ বেইলী নামৰ এজন লোকক অসমত বাণিজ্য সম্প্ৰসাৰণৰ বাবে অধীক্ষক ৰূপে নিযুক্তি দিয়ে। তেওঁ গোৱালপাৰাত বহি লৈ অসম সম্পৰ্কে গৱৰ্ণৰ জেনেৰেললৈ কিছু চিঠি লিখে। কিন্তু ১৭৯০ চনত কোম্পানীয়ে ফেক্টৰী কাৰ্যালয় উঠাই লৈ যোৱাত বেইলীৰ লেখাত অসমৰ সামগ্ৰিক চিত্ৰপট খণ্ডিত হৈ ৰয়। ইয়াৰ পিছত ১৭৯২ চনত কোম্পানীয়ে অসমৰ দায়িত্ব দিয়ে কেপ্তেইন ৱেলচক। ৱেলচে লৰ্ড কৰ্ণৱালিছ আৰু জন শ্ব'ৰলৈ লেখা চিঠি সমূহত অসমৰ বিশদ বৰ্ণনা আছে। তদুপৰি ডঃ জে পি ৱেডে অসম ভ্ৰমন কৰি Account of Assam আৰু Geographical Sketch of Assam বুলি দুখন ক্ষুদ্ৰ প্ৰতিবেদন প্ৰস্তুত কৰে। ইয়াৰ পিছতে অসমলৈ আগমন ঘটে ফ্ৰান্সিছ হেমিল্টনৰ। হেমিল্টনে সমগ্ৰ অসম পৰিভ্ৰমণ নকৰিলেও তেওঁ সংগ্ৰহ কৰা তথ্য পাতি সমূহ ইমান নিখুঁত আছিল যে পিছৰ কালত তেওঁৰ প্ৰতিবেদনক বিজ্ঞানসন্মতভাবে শুদ্ধ বুলি বিবেচনা কৰা হয়। হেমিল্টনে লেখা প্ৰতিবেদন সমূহ একত্ৰ কৰি প্ৰণয়ন কৰা হয় An Account of Assam শীৰ্যক গ্ৰন্থ। ক্ষুদ্ৰ বুৰঞ্জী সদৃশ গ্ৰন্থখনিত ১৮০৭-১৮০৯ চনৰ অসমৰ দৃশ্যপট প্ৰতিফলিত হোৱাৰ লগতে এৰ'স্মিথ নামৰ এজন বৃটিছে আঁকা সেই সময়ৰ অসমৰ মানচিত্ৰ এখনো সন্নিবিষ্ট কৰা হয়।

কি আছে গ্ৰন্থখনিত? গ্ৰন্থখনত ঢকুৱাখনা নামটো উল্লেখ নাই। কিন্তু, টেকেলিফুটাৰ বিৱৰণ চমকপ্ৰদভাবে উল্লেখ কৰা আছে। বৃটিছে গৰকি নোযোৱা ঠাই নাছিল! এৰ'স্মিথ আৰু এজনে (এইজন মানুহৰ নাম নাই) প্ৰস্তুত কৰা মানচিত্ৰখনৰ বৰ্ণনা দি হেমিল্টনে কৈছে... "On the North side of the river (ব্ৰহ্মপুত্ৰ) from Tiklipotar Mukh (টিকলিপুটাৰ মুখ = টেকেলিফুটামুখ) where the Brahmaputra devides in to two branches, the Luhit, or Brahmaputra and the Dihing, this province and its dependent jurisdictions, extend to the mouth of Donsiri, about 130 miles above Goyalpara, now from Tiklipotar Mukh to Goyalpara is reckoned $18\frac{1}{4}$ days journey by land, of which $12\frac{3}{4}$ are between Goyalpara and the mouth

of the Dichoi river, which, according to Mr. Wood is placed in lat $26^0$ $48'$ N.and in long $94^0$ $6'$ E. from greenwich, and is therefore about 220 miles in a straight line from Goyalpara, giving about $17\frac{1}{4}$ miles direct for each day's (day's?) journey; so that Tiklipotar Mukh should be about 314 miles in a direct line from Goyalpara..." ওপৰৰ বৰ্ণনাই স্পষ্ট কৰে Tiklipotar Mukh খনেই আজিৰ টেকেলিফুটা। তদুপৰি এই ঠাইৰ অক্ষাংশ আৰ দ্ৰাঘিমাংশও উল্লেখ কৰা হৈছে। বৃটিছ অভিযানকাৰী আৰু লেখকে ইমান নিৰ্ভুলকৈ টেকেলিফুটাৰ বৰ্ণনা দিয়া স্বত্বেও এই লেখাত 'ঢকুৱাখনা' শব্দটো নাই ? তেন্তে ১৮০৭-০৯ চনত 'ঢকুৱাখনা' নামটোৰ চলতি নাছিল ? সেই সময়ত ঢকুৱাখনা 'প্ৰধান ঠাই' নাছিল নেকি ? যাৰ বাবে বৃটিছে 'ঢকুৱাখনা'ক উপেক্ষা কৰি গৈছিল। হেমিল্টনে বৰ্ণনা কৰা সকলো ঠাই নিজে পৰিদৰ্শন নকৰাকৈ তথ্য সংগ্ৰহ কৰিছিল বাবে তেওঁৰ লেখাত ঢকুৱাখনা বঞ্চিত হৈ ৰ'ব পাৰে। একেদৰে মফট মিলছেও সকলো জিলা ভ্ৰমণ নকৰাকৈ প্ৰতিবেদন প্ৰস্তুত কৰিছিল। লখিমপুৰ জিলাৰ কালেক্টৰ ই টি ডাল্টনৰ প্ৰতিবেদনৰ ভিত্তিতে মিলছে প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেই ফালৰ পৰা চালে দেখা যায় ১৮৫৩ চনৰ সময়ছোৱাত 'ঢকুৱাখনা' নামৰ প্ৰচলন হৈছিল। এইখন ঠাইতে ১৮৪২ চনত স্কুল থকা বুলি প্ৰমাণ হোৱাত 'ঢকুৱাখনা' নামটো ১৮৪২ চনৰ আগতেই উদ্ভৱ হৈ প্ৰচলন হৈছিল। কিন্তু ১৮০৭-০৯ চনৰ জৰীপৰ পিছত হেমিল্টনে লেখা Account of Assam গ্ৰন্থত 'ঢকুৱাখনা'ৰ নাম-গোন্ধ নাই। সেই সূত্ৰে ১৮০৭ চনৰ পূৰ্বে ঠাইখনৰ নাম 'ঢকুৱাখনা' বুলি পৰিচিত নাছিল বুলি ধৰিব পাৰি। এই দুই তথ্যৰ সৰল সমীকৰণ হ'ব— ১৮০৯ পৰা ১৮৪২ চনৰ ভিতৰত ঢকুৱাখনা নামটোৰ উদ্ভৱ হৈছিল। দ্বিতীয়তে ১৮০৯ পূৰ্বে যদি ঢকুৱাখনা নামটো আছিল তেন্তে অজ্ঞাত কাৰণত হেমিল্টনে নামটো উপেক্ষা কৰি গৈছিল। অসমৰ প্ৰায় প্ৰতিখন ঠাই চলাথ কৰা, সৰু-বৰ নদীত অভিযান চলাই তথ্য সংগ্ৰহ কৰা বৃটিছে ঢকুৱাখনাৰ দৰে ঠাইখনত ১৮০৭-০৯ চনৰ পূৰ্বে ভৰি দিয়া নাছিল বুলি মনে নধৰে। দুঃসাহসিক জাতিটোৰ বহু অভিযানৰ ৰোমাঞ্চকৰ





কাহিনীয়ে এই কথা প্ৰতিপন্ন কৰে যে — ঢকুৱাখনালৈ ১৮০৭ চনৰ আগেয়ে বৃটিছ অভিযানকাৰীআহিছিল। কিন্তু বুৰঞ্জী নিমাত। টেকেলিফুটাৰ বিৱৰণ দিয়া বৃটিছে ঢকুৱাখনা নামটোকে উল্লেখ নকৰা কাৰ্য আশ্চৰ্যজনক। ১৮২১-২৫ চনলৈ চলা 'মানৰ দিন'ৰ বাবেও অঞ্চলটোৰ বুৰঞ্জী ভালদৰে লেখা হৈ নুঠিল।

পূৰ্বে কৈ অহা হৈছে 'ঢকুৱাখনা' জানৰ পৰাই ঢকুৱাখনা নামটোৰ সৃষ্টি হৈছে। এই জান আহোম ৰাজত্বকালত খন্দা হৈছিল। আহোম ৰজাই জান খন্দাৰ ইতিহাস নাই। কমলেশ্বৰ সিংহৰ দিনত যোৰহাটত ভোগদৈ নৈ খন্দাৰ বাহিৰে আহোম ৰজা সকলে নৈ-জান খন্দাৰ কথা জনা নাযায়। অসম বুৰঞ্জীত পুখুৰী খন্দাৰ দেধাৰ উদাহৰণ আছে। সেইসূত্ৰে ঢকুৱাখনা জানটোক এটা দীঘল পুখুৰী বুলি ধৰিলে বুৰঞ্জীয়ে কিছু তথ্য সদৰী কৰে।

চুহুং মূং বা দিহিঙ্গীয়া ৰজাই "উত্তৰ কোলত ৪ মাহ থাকি পুখুৰি খান্দি আহিল" বুলি সাতসৰী অসম বুৰঞ্জীত এটা বাক্য (পৃষ্ঠা ১৩) আছে। আনহাতে সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীৰ ১১ পৃষ্ঠাত আছে "সিবোৰ গৈ কঢ়ামুখৰ দীৰ্ঘ পুখুৰীৰ কোযত ৰ'লগৈ"। এই দুটা বাক্যই ঢকুৱাখনা জানলৈ আঙুলি টোঁৱাইছে বুলিব পাৰি। ইয়াৰ বিপৰীতে ঢকুৱাখনা জানখন্দাৰ প্ৰামাণ্য তথ্য বুৰঞ্জীত দেখা নাই। জানটো গৌৰীনাথ সিংহৰ দিনত খন্দা বুলি এটা প্ৰবাদ আছে আৰু ঢকুৱাখনাৰ একাংশ লেখকে এই প্ৰবাদকে ভিত্তি কৰি লেখা-মেলা কৰি আহিছে। কিন্তু, ওপৰৰ দুয়োটা বাক্যই চুহুংমুঙৰ দিনত ঢকুৱাখনাত এটা পুখুৰী খন্দা আৰু অৱস্থিতিৰ কথা কৈছে। দীৰ্ঘ পুখুৰী বুলি উল্লেখ কৰালৈ চাই ঢকুৱাখনা জানটোৱেই এই দীৰ্ঘ পুখুৰী হ'ব। কঢ়ামুখৰ দীৰ্ঘ পুখুৰী বুলি সম্ভৱত ঢকুৱাখনা জানটোকে চিহ্নিত কৰা হৈছিল। ৪ মাহ ধৰি খন্দা পুখুৰী এটা কিমান ডাঙৰ হ'ব ? এনে বৃহৎ পুখুৰী ঢকুৱাখনাত নাই। কাজেই ঢকুৱাখনা জানৰ দৈৰ্ঘই কয় — এই জান বা পুখুৰী খান্দিবলৈ ৪ মাহ সময় লাগিব নিশ্চয়।

সেই সময়ত হাবুঙৰ থকা ভূঞা আৰু চুতীয়াসকলক দমন কৰিবলৈ আহোম ৰজাই বহু যুদ্ধ কৰিব লগা হৈছিল। ইয়াৰে কিছুমানক যুদ্ধ বুলিব পাৰি যদিও কিছুমান ভীতি প্ৰদৰ্শন জাতীয় অথবা দমনমূলক ব্যৱস্থা আছিল। দীৰ্ঘ পুখুৰীটো কিয় খন্দা হৈছিল সেই কথা বুৰঞ্জীত বিচাৰি পাবলৈ নাই।

অঞ্চল তুলিবলৈ ঢকুৱাখনা জান খন্দা বুলি ঠাৱৰ কৰা হয়। পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ মাজভাগলৈকে আজিৰ চাৰিকড়ীয়াখন ব্ৰহ্মপুত্ৰ নৈৰ এখন সুঁতি আছিল। অৱশ্যে ইয়াৰ গতিপথ বৰ্তমানৰ গতিপথতকৈ উত্তৰে আছিল। সেই সুঁতি যিহেতু ব্ৰহ্মপুত্ৰ সংলগ্ন আছিল সেইসূত্ৰে দক্ষিণপাৰত থকা অঞ্চলটো চাৰিকড়ীয়াইদি আহি ঢকুৱাখনা পাইছিল। চাৰিকড়ীয়াৰ পৰা কড়া সংযোগ কৰি পুখুৰীটো খন্দাৰ পিছত জলপৰিবহনৰ বাবে সুবিধা হৈছিল। এই সুবিধা যুদ্ধৰ সময়ত তুলিবলৈ বা যুদ্ধৰ যাতায়তৰ বাবে কৰি লোৱা হৈছিল।

১৫০২ চনত হাবুং ৰাজ্য আহোম ৰজাৰ অধীনলৈ যায়। ১৫ শতিকাৰে খন্দা জানটো ১৮ শতিকা পৰ্যন্ত কি নামেৰে বিভূষিত আছিল সেই কথা কালৰ বুকুত লীন গ'ল। ১৮৩৯ চনৰ পৰা ১৮৪২ চনৰ ভিতৰত হঠাতে এই দীৰ্ঘ পুখুৰীটোৰ বেৰা বান্ধিয়েই অঞ্চলটোৰ নাম 'ঢকুৱাখনা' হ'ল। এই কথা বিশ্বাস যোগ্যনে? দীৰ্ঘ পুখুৰীটো পিছৰ কালত ঢকুৱাখনা জান বুলি পৰিচিত হোৱাটো ডাঙৰ কথা নহয়; কিন্তু তিনিটা শতিকাৰ পূৰ্বে খন্দা পুখুৰী এটাৰ নাম অনুসৰি ১৮ শতিকাত নতুনকৈ 'ঢকুৱাখনা' নাম উদ্ভৱ হোৱাটো আশ্চৰ্যজনক কথা। ইয়াৰ বিপৰীতে ঢকুৱাখনা নামৰ আন উৎস কিবা থাকিব পাৰে নেকি? অনুসন্ধানত সহায় হ'ব পৰা সূক্ষ্মাতোন বুৰঞ্জীয়ে এৰি যোৱা নাই।□

(টোকা ঃ- গীতটোৰ ৰচক নগাঁৱৰ ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ইন্দ্ৰ ৰবা। 'মোৰ গীত' শীৰ্ষক গীতটো ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুখপত্ৰ বিকাশ'ৰ চতুৰ্দশ-পঞ্চদশ সংখ্যাত (১৯৭৬-৭৯ চন) প্ৰকাশ পাইছিল।)



# ঢকুৱাখনাৰ ফাটবিহু

ড° নিৰ্মল কুমাৰ চৌধুৰী

নামনি অসমৰ লোক হিচাপে আমি সৰুৰে পৰা বহাগ-দোমাহী পালন কৰি আহিছো। উজনিৰ ৰঙালী বিহু কিন্তু সৰুতে দেখা নাছিলো, বিহুগীত আৰু বিহু নাচৰ বিষয়ে কিতাপতহে পঢ়িছিলো। এতিয়া অসমৰ প্ৰায় সকলো ঠাইতে হোৱা ৰঙালী বিহু উৎসৱৰ মঞ্চবিহু প্ৰথমতে অনুষ্ঠিত হৈছিল ১৯৫২ চনত গুৱাহাটীৰ লতাশিলত। সেইবছৰতে প্ৰথমবাৰৰ বাবে বিহুগীত আৰু বিহু নাচৰ পৰিৱেশন দেখা পাইছিলো। তেতিয়াৰ পৰা আজিলৈকে গুৱাহাটী আৰু আন আন ঠাইৰ বিভিন্ন মঞ্চত বিহুগীত-নাচ বহুতো দেখিলো। মুকলি বিহু ও দুই এঠাইত দেখা পালো। কিন্তু! সেইবোৰ যে পুৰণি কালৰে পৰা উজনি অসমত পৰম্পাগতভাৱে পালন কৰা পথাৰ-চাপৰিৰ নিভাঁজ বিহু নহয় সেইকথা নাজানিছিলো। মঞ্চবিহু আচল বিহুতকৈ কিমান বেলেগ সেইটো গম পালো ঢকুৱাখনাৰ ফাটবিহু চাইহে।

**ফাটবিহু চাই মুগ্ধ হ'লো ঃ**

ঢকুৱাখনাৰ ফাটবিহুৰ বিষয়ে জনাৰ পাছৰে পৰা সেই বিহু চোৱাৰ হেঁপাহ জন্মিছিল। কিন্তু তালৈ যোৱাৰ আৰু তাত থকা-মেলাৰ অসুবিধাৰ কথা ভাবি ফাটবিহু চোৱাৰ আশা বাদেই দিছিলো। কিন্তু যোৱাবাৰ ফাটবিহুৰ আগে আগে অপ্ৰত্যাশিতভাৱে সুবিধা এটা ওলাল। মোৰ বৰ্তমানৰ প্ৰতিবেশী তৰুণ সাংবাদিক ৰাজেন্দ্ৰ বৰুৱাই মোক ২০০৭ বৰ্ষৰ ফাটবিহুলৈ যাবলৈ অনুৰুধ জনোৱাৰ দুদিনমানৰ পাছতে ফাটবিহু সমিতিৰ সম্পাদক লালিত্য দাস আৰু উদ্‌যাপন সমিতিৰ সভাপতি ধীৰেণ দত্ত প্ৰমুখ্যে ঢকুৱাখনাৰ সন্মানীয় ব্যক্তি কেইগৰাকীমান আহি মোক নিমন্ত্ৰণ জনাই গ'ল। এজন বিশিষ্ট অতিথি হিচাপে। ৰাজেন্দ্ৰই মে' মাহৰ পাঁচ তাৰিখে শীত-তাপ নিয়ন্ত্ৰিত ডাঙৰ গাড়ী এখনেৰে বাটত প্ৰয়োজনীয় সকলো যতন লৈ মোক আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধনৰ বাবে নিমন্ত্ৰিত চেতনা দাসক ঢকুৱাখনালৈ লৈ গ'ল।

মুকলি সভাৰ উদ্বোধক হিচাপে গৈছিল য়েছে দৰ্জে ঠংচি আৰু মুখ্য অতিথি আছিল সাংস্কৃতিক মন্ত্ৰী গৌতম বৰা। ঠংচিক মই আগতে লগ পোৱা নাছিলো। সভাৰ আগতে বেছ কিছু সময় তেওঁৰ লগত কটালো। মানুহজনৰ ব্যক্তিত্বই মোক মোহিত কৰিলে। আৰু তেওঁৰ উদ্বোধনি ভাষণ শুনি ভাল লাগিল। চেতনা দাসৰ লগত মোৰ ব্যক্তিগত পৰিচয় আগৰে পৰা আছিল যদিও সেইবাৰহে তিনিদিন একেলগে ভ্ৰমন কৰি তেওঁক ভালদৰে জনাৰ সুবিধা পালো। তেওঁৰ নিচিনা খ্যাতনামা আৰু সৰু-বৰ সকলোৰে মন মুহি থকা শিল্পী এগৰাকী যে ইমান বিনয়ী আৰু সাদৰী

হ'ব পাৰে ভাবিব পৰা নাছিলো। ঢকুৱাখনালৈ নোযোৱা বহুতেই তাৰ চাবিকড়ীয়া নৈৰ ম'হঘুলি চাপৰিৰ কথা জানে, হোমেন বৰগোহাঞিৰ কিতাপ পঢ়ি। নৈখন আচলতে লুইতৰ এটা সুঁতিহে। আগৰ দিনত সেইখন পাৰ হ'বলৈ নাঁৱৰীয়াক চাৰিটাকৈ কড়ি দিব লাগিছিল কাৰণেই নাম চাবিকড়ীয়া। এখন একড়ীয়া নৈও আছিল হেনো। ভুইকঁপত মাৰ যোৱা বুলি জানিব পাৰিলো। ফাটবিহু হয় ম'হঘুলি চাপৰিৰ গছৰ তলত। বিহুগীতত থকা চোমনি কিন্তু তাত নেদেখিলো। এতিয়া আন গছহে আছে, গছবোৰ ধনুৱা জাতৰ নহয়। চোমগছ দেখা হ'লে বেছি ভাল লাগিলহেঁতেন। এতিয়াও চোমনি কৰিব পৰা বহু ঠাই চাপৰিটোত আছে। ফাটবিহু হৈছিল মে' মাহৰ ৪,৫ আৰু ৬ তাৰিখে। ৫ তাৰিখে ৰাতি ৯ মান বজাত গৈ পাই দেখিলো বিহুৰ গীত-নাচ চলিয়েই আছে। পুৱাৰে পৰা দলে দলে লোক আহি চলাই থকা বুলি ক'লে। মিচিং লোকৰ দলো আছিল। পাছদিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰাত সকলো বয়সৰ হেজাৰ হেজাৰ মানুহে চালে চকুৰোৱা সাজপাৰ পিন্ধি অংশগ্ৰহণ কৰা দেখা পালো। তাৰপাছতে আৰম্ভ হ'ল মুকলি বিহু প্ৰতিযোগিতা, য'ত বহুতো দলে চাপৰিৰ বেলেগবেলেগ ঠাইত একে সময়তে অংশগ্ৰহণ কৰিছিল। মুকলি সভা আবেলি আৰম্ভহৈ শেষ হৈছিল বহু পলমকৈ। ওখকৈ বন্ধা চাৰিওফালে খোলা প্ৰকাণ্ড স্থায়ী মঞ্চত মুকলি সভা হৈছিল। মঞ্চৰ সন্মুখৰ খোলা সভাঘৰৰ উপৰিও প্ৰায় গোটেই চাপৰিখন মানুহেৰে ভৰি পৰিছিল। চাপৰিটো গুৱাহাটীৰ লতাশিল খেলপথাৰৰ দহগুণমান হ'ব।

ফাটবিহুলৈ প্ৰতিবছৰে ঢকুৱাখনা আৰু তাৰ ওচৰৰ বিভিন্ন স্থানৰ পৰা অজস্ৰ লোক আহে গোটেই দিনটো বিহু মাৰিবলৈ। বিহুৱা-বিহুৱতীসকলৰ বাহিৰেও আন বয়স্ক মানুহৰ প্ৰায় সকলোৱে চুৰিয়া-চোলা ৰিহা মেখেলা পিন্ধে, বেছিভাগেই মুগাৰ চোলা বা ৰিহা পিন্ধা নিয়ম। নিমন্ত্ৰিতসকলৰ বাবে তাৰ ব্যৱস্থা উদ্যোক্তাসকলে কৰি থয়। এনে সুন্দৰ পৰম্পৰা ৰক্ষা কৰাটো সঁচাকৈয়ে অতি প্ৰশংসনীয় কাম. ইমানদিনে দেখি অহা মঞ্চবিহুত বিহুনাচৰ প্ৰদৰ্শনহে হয়, দৰ্শকৰ মনোৰঞ্জনৰ বাবে আৰু ধনৰ বিনিময়ত। ফাটবিহুত কিন্তু বিহুৱা-বিহুৱতীসকলে অংশ লয় নিজৰ আনন্দৰ বাবে। লগতে আনকো আনন্দ দিয়ে। ঢকুৱাখনাৰ ফাটবিহু চাই মুগ্ধ হৈ আহিলো।

**ফাটবিহুৰ পৰা শিকিবলগীয়া আছে ঃ**

ঢকুৱাখনাবাসীৰ হিয়াৰ আমঠু ফাটবিহুৰ পৰা অসমবাসীয়ে শিকবলগা বহু দিশ আছে। ঢকুৱাখনীয়া ৰাইজৰ আতিথ্য সঁচাই প্ৰশংসনীয়। পৰম্পৰাগত ৰূপত ফাটবিহুৰ মাধুৰ্য উপভোগ কৰি আৰু তাত সকলোৰে পৰা আদৰ-চেনেহ পাই বিশেষকৈ গোবিন দত্তৰ ঘৰত আলহী হৈ তেওঁৰ পৰিয়ালৰ যতন লাভ কৰি মই আজিও অভিভূত হৈ আছো।





মই আগদিনা গধূলি গৈ পোৱাৰ পিছতে জানিব পাৰিলো যে সকলোৰে চুৰিয়া-চোলা পিন্ধি মুকলি সভাত যোগদান কৰিব লাগিব আৰু মোৰ বাবে তেনে কাপোৰ এযোৰ যোগাৰ কৰি থোৱা হৈছে। নিমন্ত্ৰিত আন পুৰুষ অতিথিৰ বাবেও চুৰিয়া-চোলাৰ ব্যৱস্থা কৰি থৈছিল। মই লগত চুৰিয়া-চোলা নিনিয়াৰ বাবে লজ্জিত হ'লেও তাৰ এনে সুন্দৰ পৰম্পৰা দেখি পুলকিত হ'লো। ফাটবিহুৰ সময়ত ঢকুৱাখনাবাসীয়ে তেওঁলোকৰ মাজৰ সকলো দ্বন্দ্ব-খৰিয়াল পাহৰি একগোট হৈ পৰে। ওচৰ-চুবুৰীয়া দুঘৰৰ মাজত গোটেই বছৰজুৰি মাটিৰ সীমা লৈ নাইবা আন কথাত দূৰ্বদিল কাজিয়া লাগি থাকিলেও ফাটবিহুৰ সময়ত দুয়োঘৰে এনে আচৰণ কৰে যেন তেওঁলোকৰ মাজত বহুদিনীয়া সদ্ভাৱ আছে। ফাটবিহু সমিতি আৰু ফাটবিহুৰ উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদক আদি পদৰ বাছনিত সফল হ'বনোৱাৰা ব্যক্তিৰ মনতো কোনো বিৰূপ ভাব থাকি নাযায় আৰু তেনে ব্যক্তিয়ে মুকলি মনেৰে সহযোগিতা কৰে। বিহু সমিতিৰ সম্পাদক এজনৰ পৰা জানিব পৰা মতে তেওঁৰ প্ৰতিদ্বন্দ্বীয়ে এক লাখতকৈও অধিক ধন সংগ্ৰহ কৰি দিছিল।

ধন সংগ্ৰহৰ ক্ষেত্ৰত অসমৰ বাকী ঠাইৰ মানুহে ঢকুৱাখনাবাসীৰ পৰা শিকিব লগীয়া আছে। আজিকালি অসমৰ প্ৰায় সকলো ঠাইতে বিহুৰ চান্দা তোলোতে কম-বেছি পৰিমানে অপ্ৰিয় পৰিস্থিতিৰ সৃষ্টি হোৱাটো সঘনাই দেখা যায়। অধিক ধনৰ বাবে হেঁচা দিয়া জোৰ-জুলুম কৰা, আনকি বাটত গাড়ী ৰখাই জবৰদস্তি চান্দা আদায় কৰা, এনেবোৰ অশোভনীয় ঘটনা সাধাৰণ কথা যেন হৈ পৰিছে। ঢকুৱাখনাৰ ফাটবিহুৰ বাবে ধন সংগ্ৰহ কিন্তু এনেদৰে কৰা নহয় বুলি জানিব পাৰিলো। ঘৰে ঘৰে গৈ হুঁচৰি গাই ধন গোটোৱা হয়। বয়সীয়াল মানুহেও ধন তোলাৰ বাবে হুঁচৰি গাবলৈ যায়। এনে প্ৰথা প্ৰশংসনীয় আৰু আনৰ বাবে অনুকৰণীয়।

**ফাটবিহুৰ স্থলী কেনে হ'ব লাগে ঃ**

ঢকুৱাখনাৰ ফাটবিহু বৰ্তমান অসমৰ উল্লেখনীয় বছৰেকীয়া উৎসৱত পৰিণত হৈছে। প্ৰতিবছৰে বিভিন্ন ঠাইৰ মানুহ ইয়াৰ আকৰ্ষণত অসুচল যাতায়ত ব্যৱস্থাকো নেওচি তালৈ যায়, দূৰদূৰণিৰ পৰাও। বৈশিষ্টপূৰ্ণ ধৰণে পতা ফাটবিহু এবাৰ চাই আহিলে পুনৰ যাবৰ মন যায়। বহুতে যায়ও, দুই এজনে প্ৰতিবছৰে। এই উৎসৱ বহাগ বিহুৰ সময়ত নহয়, বহাগ মাহৰ শেষৰ পিনেহে হয়। ফাটবিহুৰ কেইদিন সেই অঞ্চলৰ নানান জনগোষ্ঠীৰ লোক দলে দলে আহি ফাটবিহুত অংশগ্ৰহণ কৰে। বিহু চাবলৈ অগণন লোকৰ সমাগম হয়। সৰু-বৰ সকলো বয়সৰ মানুহেৰে চাপৰিটো ভৰি পৰে। চালে চকুৰোৱা সাজ-পাৰ পিন্ধা অলেখ মানুহৰ সমাগমত চাপৰিটো

বৰ্ণময় হৈ পৰে। মুকলি বিহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বিহুদল সমূহে চাপৰি গছ থকা ঠাইবোৰত একে সময়তে বিহু মৰাৰ দৃশ্য অপূৰ্ব। একেলগে বাজি উঠা শতাধিক ঢোলৰ শব্দত গোটেই চাপৰিটোৰ আকাশ-বতাহ মুখৰিত হৈ পৰে প্ৰতিযোগিতাৰ উপৰিও তেওঁলোকে প্ৰদৰ্শন কৰে পথাৰৰ বিহুৰ পুৰণি আৰ্হি।

বিহুগীত বহুতো আঁহত গছৰ উল্লেখ আছে। আঁহত গছ ডাঙৰ হ'লে বহুখিনি ঠাইত ছাঁ পেলায়। চ'ত-বহাগৰ দুপৰীয়া ৰ'দত বিহু-গীত গাই, বিহু-নাচি ৰেচি ভাগৰি নপৰিবলৈ ডেকা-গাভৰুৱে আঁহতৰ ছাঁৰ আশ্ৰয় লোৱাটো স্বাভাৱিক কথা। বিহুগীতত চোমনিবো উল্লেখ আছে। ম'ইঘূলি চাপৰিত আঁহত আৰু চোমগছ আছেনে নাই মন কৰা নহ'ল। গছ কিন্তু বেছি নাই। বেছিভাগেই থলুৱা জাতৰ নহয়।

যোৱা বছৰ ফাটবিহু উপলক্ষে পতা মুকলি সভাত অংশগ্ৰহণ কৰি অসম চৰকাৰৰ সংস্কৃতি বিভাগৰ মন্ত্ৰী, কলা-কৃষ্টিৰ অনুৰাগী গৌতম বৰাই আশ্বাস দিছিল চাপৰিটো আটক ধুনীয়া কৰি তোলাত সহায় কৰিব বুলি। সেইটো অতি প্ৰশংসনীয় কাম হ'ব। কিন্তু! কি ধৰণে চাপৰিটো সজাই তোলা হ'ব সেই বিষয়ে ভালদৰে চিন্তা কৰি পৰিকল্পনা এটা প্ৰস্তুত কৰা উচিত হ'ব। প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক বজাই ৰাখিয়েই অসমৰ বিহু-সংস্কৃতি গঢ়ি উঠিছে আৰু বিহুগীতবোৰো প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত। ফাটবিহুত এতিয়াও সেই সম্পৰ্ক দেখা যায়। ফাটবিহুৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি থাকিব পাৰিলেহে ইয়াৰ সমাদৰ বৰ্ত্তি থাকিব। এতিয়াৰ মঞ্চ বিহুৰ সুবিধা বাদী আধুনিকীকৰণ যাতে নঘটে তাৰ প্ৰতি সচেতন থকাটো উচিত হ'ব। চাপৰিত সৰহকৈ গছ-গছনি ৰুই এটা প্ৰকৃতিক পৰিবেশৰ সৃষ্টি কৰিব পাৰিলেহে ফাটবিহুৰ মৰ্যদা অক্ষুন্ন থাকিব। পৰিবেশ বিনষ্ট কৰিব পৰা কোনো ধৰণৰ নিৰ্মাণ নেলোৱাহে ভাল হ'ব। গছ-গছনিবোৰ থলুৱা জাতৰ হ'ব লাগে। চাপৰিৰ সীমাত কিছু বাঁহগছ থাকিলেও ভাল লাগিব। ৰুব পৰা গছৰ নাম কীৰ্ত্তণ-ঘোষাৰ হৰমোহন অধ্যায় পঢ়িলেই পোৱা যায়—

*'শিৰীষ সেউতী তমাল মালতী*
*লবঙ্গ বাগী গুলাল।*
*কৰবীৰ বক কাঞ্চন চম্পক*
*ফুল-ভৰে ভাঙ্গে ডাল।।'*

তাৰে বিবিলাক গছ-গছনি ঢকুৱাখনা অঞ্চলত আছে সেই বিলাক তাৰ উপৰিও সেই অঞ্চলৰ আন গছ ৰুই চাপৰিটো সজাই তুলিলে হ'ব ফাটবিহুৰ অন্যতম আকৰ্ষণ।□



# ফাট বিহুক জীয়াই ৰাখো আহক

*তীৰ্থ ফুকন*

এই বেলিও ঢকুৱাখনাৰ ৰাইজে উলহ-মালহেৰে ফাটবিহু পাতিছে। দৰাচলতে, কিছুবছৰৰ পৰা ঢকুৱাখনা আৰু ফাটবিহু অভিন্ন হৈ পৰিছে। ধাৰণা হয় ঢকুৱাখনা মানেই ফাটবিহু আৰু ফাটবিহুলৈ মনত পৰিলেই ঢকুৱাখনাও মনলৈ আহিবই।

মোৰ আকৌ, ঢকুৱাখনা বুলিলে বৰ্তমান হোমেন বৰগোহাঞিৰ মুখখন যেন চকুৰ আগত ভাঁহি উঠে। লগে লগে যেন কাণত ভাঁহি আহে গামখাৰু ঠেকা খালে হোৱা শব্দ, চকুত ভাঁহি উঠে বিলত ফুলি থকা পদুমনি ডৰা। কাৰণ এই খাৰু আৰু পদুমনিৰ লগত জড়িত হৈ আছে ক্ৰমে পানীন্দ্ৰ নাথ গগৈ আৰু গনেশ গগৈ। মনত পৰে দেৱকান্ত বৰুৱাই ঘৰুৱা কথা-বতৰাত কোৱা কথা এষাৰলৈ "বুইছা নাই, আচলতে আমি পানীন্দ্ৰ নাথ গগৈয়ে শিকাই যোৱা অসমীয়াহে কৈ আছো।" আৰু "বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ" কোনে গায় মৌসনা সুমধুৰ গান?— গনেশ গগৈৰ এই কবিতা নপঢ়া পঞ্চাশ-ষাঠিৰ উদ্ধৰ অসমীয়া মানুহ অসমত আছেনে? তদুপৰি, শৰৎ চন্দ্ৰ গোস্বামীৰ সেই চাৰ্টিফিকেট ঢকুৱাখনা ভদ্ৰলোকৰ বাসস্থান। এইবোৰৰ লগত নতুনকৈ সংযোজন হ'ল এটা নাম "মৎস্যগন্ধা"। —এই সকলো খিনিয়েই বৰ্তমানৰ ঢকুৱাখনা।

কিন্তু কেৱল এয়াইতো সকলো নহয়। ঢকুৱাখনাৰ আছে এক গৌৰৱময় অতীত। চাৰিকড়ীয়া নৈৰ পাৰৰ এই উৰ্বৰ ভূখণ্ডৰ নাম অতীতত আছিল হাবুং। চাওলুং চুকাফাই অসম জয় কৰি ইয়াতে পাতিব খুজিছিল ৰাজধানী। বানপানীয়ে অসুবিধা নকৰা হ'লে হাবুঙেই হ'ল হেঁতেন চুকাফা ৰাজ্যৰ দ্বিতীয় ৰাজধানী। ইওটো ঢকুৱাখনাৰ এই গৌৰৱময় অধ্যায়। বুৰঞ্জীয়ে কয় "কাটিকুছিৰ দক্ষিনে নৰোৱা আৰু সোৱনশিৰিৰ পূবে লুইতৰ উত্তৰে থকা ভূখণ্ডকে হাবুং বোলা হৈছিল। অতীতৰ পৰাই এই ঠাই দ। স্বৰ্গদেউ চুকাফাই (১২২৮-৬৮ খৃ) বানপানী উঠাৰ বাবে হাবুং ত্যাগ কৰিছিল। ১৫৬২ খৃঃত স্বৰ্গদেউ খোৰাৰজাই হাবুঙৰ মানুহক লগুন পিন্ধাইছিল।' (ইতিহাসে সোঁৱৰা ছশটা বছৰ)

কিন্তু এইখিনি কথাৰ বাবেই হাবুং অসম বুৰঞ্জীত হয়তো গুৰুত্বপূৰ্ণ হৈ নাথাকিল হেতেন। গুৰুত্বপূৰ্ণ নহ'লহেতেন যদি হাবুঙীয়া বামুন এজনৰ ঘৰত

ঘটনাক্ৰমে চুকাফাৰ বংসৰ এজন স্বৰ্গদেউৰ জন্ম নহ'লহেতেন। যদি সেইজনা স্বৰ্গদে বুৰঞ্জীত "বামুনী কোঁৱৰ" নামেৰে পৰিচিত নহ'লহেতেন। যদি সেইজনা স্বৰ্গদে দিনতে চাওলুং চুকাফাৰ বংশৰ ৰজাৰ কাৰেঙত লক্ষীনাৰায়নৰ পূজা আৰ নহ'লহেতেন। এইয়া ১৪১৬ খৃষ্টাব্দৰ কথা। কব পাৰি, চুকাফাই লগত অনা মংগোলী সংস্কৃতি আৰু আৰ্য্য তথা ব্ৰাহ্মণ্য সংস্কৃতিৰ সংযোগ ঘটাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বৰঙ যোগায় হাবুঙেই। পদ্মেশ্বৰ নাওবৈছা ফুকনৰ "অসম বুৰঞ্জীত" পোৱা যায়—"সে হাবুঙীয়া বামুনৰ ঘৰত লক্ষীনাৰায়ন শালগ্ৰাম এখনি আছিল। সেই শালগ্ৰাম দেৱতা ৰজাঘৰৰ ভিতৰত পূজা কৰোৱাবলৈ ৰাখি নিত্য অৰ্থাৎ দিনৌ দিনৌ নিতি নিৱে পৰে আলিয়ে পূজাৰ দ্ৰব্য যোগান দিওয়াই পূজা চলোৱালে।" উল্লেখযোগ্য, বামু কোঁৱৰক লালন-পালন কৰি ডাঙৰ-দীঘল কৰা বামুনঘৰৰ ল'ৰা -ছোৱালী সকলোৱে কোঁৱৰৰ ইচ্ছামতে ৰাজধানীলৈ লৈ অনা হৈছিল আৰু পিছত তেওঁলোকক "দিহি কোশৰত এশ পুৰা মাটিৰ খাত কৰি দিওয়াই মটক মৰানৰ মানুহ কুৰিঘৰ বহতিয় কৰি দিলে।"

এইবোৰ অতীতৰ কথা-এইয়া এতিয়া ইতিহাস। তথাপি ধাৰণা হয় কিছুমা ঠাইৰ মাটিৰ এক বিশেষ কালিকা থাকে। অতীতৰ হাবুং এতিয়াৰ ঢকুৱাখনাও যে তেনে এডোখৰ কালিকালগা নাম। নহ'লে, আজিও ফাটবিহুত চাৰিকড়ীয়া নৈ পাৰৰ নানা জনগোষ্ঠীৰ লোক-শিল্পী সকলে আপোন পাহৰা হৈ একেলগে নাচিব কিয় এনেকুৱা বিভিন্ন জনগোষ্ঠীৰ নৃত্যনাট একেলগে অসমৰ ক'ৰবাত হয় বুলি জ নাযায়। এয়া প্ৰকৃতাৰ্থতেই সাংস্কৃতিক সন্মিলনৰ জীৱন্ত নিদৰ্শন।

ফাট মান হাট-বেহা বেপাৰৰ কেন্দ্ৰ আহোম ৰজাৰ দিনত কৰ-কাটল সংগ্ৰহ কেন্দ্ৰ। এইবোৰ কথা এতিয়া সংস্কৃতি অনুৰাগী সকলো মানুহেই জনা হৈছে। ৰজা দিনত এই ফাটতে বছৰেকৰ বিহুত বিহুৱা সকল গোট খাই বিহু মাৰিছিল বুলি আজিকালি মানুহে জনা হৈছে। সেইবাবেই —ফাটবিহু সেয়া আজি সকলোৱে জানে।

এই ক্ষেত্ৰত ফাটবিহুৰ আয়োজক তথা ধাৰক বাহকসকলে অধিক সতৰ্ক হোৱাৰ সময় উপস্থিত হৈছে বুলি অনুভৱ হৈছে। কাৰণ, সংস্কৃতিৰ ৰূপান্তৰ হয় এই কথাৰ গইনা লৈয়ে বহুতে সংস্কৃতি বিকৃত কৰণত নামিবলৈ ধৰিছে। মনত ৰখা ভাল, ৰূপান্তৰ ডাল পাতৰহে, গা গছৰ বা শিপাৰ ৰূপান্তৰ কৰা মানেই গছজোপাৰে অপমৃত্যু। তদুপৰি, বিশ্বায়ন বোলা দৈত্য এটাই সৰু সৰু জাতিবোৰৰ সৰু সৰু সংস্কৃতিক গিলিবলৈ আৰম্ভ কৰিছে। অতি সাম্প্ৰতিক কালত সৰু সৰু জাতি জনগোষ্ঠীবোৰৰ ভাষা-সংস্কৃতিৰ সন্মুখত ভয়ানক বিপদ উপস্থিত হৈছেহি। আনহে নালাগে অসমীয়া





ভাষাটোৱেই আৰু কিমান দিন থাকিব তাক লৈও বহু বিজ্ঞলোক উদ্বিগ্ন হৈছে।

এই পৰিপ্ৰেক্ষিতত, ঢকুৱাখনা বাসীৰ বাপতি সাহোন ফাটবিহুক নিজৰ মহিমা বৈশিষ্টৰে স্ব-ৰূপত ৰাখিবলৈ সদৌ অসমৰ সংস্কতিসেৱী ৰাইজেও চিন্তা কৰা উচিত। ইচ্ছা কৰিলেও কোটি কোটি টকা খৰছ কৰিও আন এক ঠাইত ফাটবিহু গঢ়ি লব পৰা নাযায়। মনত ৰাখিব লাগিব লোক সংস্কৃতিৰ পুণৰ নিৰ্মাণ নহয়। সেইবাবে সংৰক্ষণৰ বাহিৰে জাতীয় ঐতিহ্যবাহী লোক-সংস্কৃতি ৰক্ষাৰ আন উপায় নাই। আৰু মনত ৰাখিব লাগিব লোক সংস্কৃতি সদায় আঞ্চলিক। আঞ্চলিকতাই লোক-সংস্কৃতিৰ বৈশিষ্ট্য। এটা অঞ্চলৰ লোক-সংস্কৃতি আন এটা অঞ্চললৈ নি ৰুব নোৱাৰি। সেই ঠাইৰ মাটি-পানী বায়ুৱে নুশুজিব।

ঢকুৱাখনাৰ ফাটবিহু দেখাৰ সৌভাগ্য বছৰদিয়েকৰ আগতে এই লেখকৰো হৈছিল। সেয়া আছিল এক স্মৰণীয় অভিজ্ঞতা। সঁচাকৈ দেখা পাইছিলো এক বিৰল আপুৰুগীয়া সংস্কৃতিৰ সম্পদ। চকুৰে দেখা অভিজ্ঞতাৰ পৰা অনুভৱ হৈছিল গোটেই অনুষ্ঠানটো আৰু অলপ প্ৰকৃতিৰ ওচৰ চপা কৰিব নোৱাৰিনে? প্ৰতিযোগিতামূলক মনোভাৱৰ সলনি স্বতঃস্ফুত বিহুমেলা কৰিব নোৱাৰিনে? কোৱা বাহুল্য যে এই প্ৰতিযোগিতা বোৰৰ বিহু কুঁৱৰী বিহু ৰাণী, হুচৰি আদি প্ৰতিযোগিতাবোৰে কিন্তু আমাৰ লোক নৃত্য-গীতক যথেষ্ট ক্ষতি কৰিছে। ক'ৰবাতনো কেতিয়াবা কুঁৱৰীৰাণীয়ে বিহু নাচিছিল নে? উপযুক্ত প্ৰচাৰৰ ব্যৱস্থা কৰিব পাৰিলে ফাটবিহুৱে আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিব পাৰিব। পশ্চিমৰ কোনো কোনো দেশত চবকাৰৰ কেৱল সংস্কৃতি গৱেষণাৰে একোটা বিভাগ আছে বুলি জনা যায়। ফাটবিহুৰ কৰ্ম-কৰ্তাসকলে এই বিষয়ে খা-খবৰ লব লাগে।

ফাটবিহুক নিজৰ কালিকাৰে জীয়াই ৰখাটো সকলো অসমীয়াৰে দায়িত্ব। এপদ এপদকৈ আমাৰ বাপতিসাহোন সম্পদবোৰ হেৰাই গৈছে চকুৰ আগতে। সেয়েহে, নিজৰ মহিমাৰে ফাটবিহুক জীয়াই ৰাখিবই লাগিব।❑

# বহাগ বিহুত ব্যৱহৃত উদ্ভিদৰ বৈজ্ঞানিক গুণাগুণ

ডঃ অম্ৰজ্যোতি

বিহু অসম তথা অসমীয়া জাতিৰ বাপতি সাহোন কৃষি উৎসৱ। বছৰ
উদ্‌যাপিত তিনিটা বিহুৰ ভিতৰত বহাগ বিহুত ৰং ৰহইচ তথা উৎসাহ উদ্দীপ
অধিক। এই বহুলী বিহুটিৰ লগত গছ গছনিৰ সমন্ধ অতি নিবিড়ভাৱে জড়িত
আছে। বিহুত ব্যৱহৃত গছ গছনিসমূহৰ অসমীয়া জাতিৰ লোকবিশ্বাসৰ লগ
ওতঃপ্ৰোত সম্বন্ধ বিৰাজমান। সেইদৰে এই গছ লতিকাবোৰৰ ঔষধি গুণাগু
লেখতলবলগীয়া। বহাগ বিহুত যিমানবোৰ গছ গছনি ব্যৱহৃত হয় অন্য কো
উৎসৱতেই সিমানবোৰ গছ ব্যৱহাৰ হোৱা দেখা নাযায়।

অৱশ্যে ঠাইবিশেষে আৰু মানুহ তথা জনগোষ্ঠীভেদে বহাগ বিহুত ব্যৱহ
উদ্ভিদৰাজিৰ তাৰতম্য নথকা নহয়। কিছুমান লোকে বিহুৰ সাত দিনত সাত শা
তুলি খায়। বহুতে গৰুবিহুৰ দিনাহে এশ এবিধ শাক একেলগ কৰি ভাজি খা
কোনোৱে বহাগ বিহুত নিম, বাহক, ভেকুৰী, তিতাকেৰেলা, তিতাফুল, হেলৌ
ভেদাইতিতা-এনেদৰে সাতবিধ তিতা খায়। বহাগ বিহুত ব্যৱহৃত উদ্ভিদসমূহ ব্যৱহা
ক্ষেত্ৰত সেই ঠাইবিশেষত পোৱা উদ্ভিদৰ পৰিমাণ তথা প্ৰাচুৰ্যতাৰ দিশটোও জড়ি
হৈ আছে। এশ এবিধ বনশাক গোটাব নোৱাৰিলেও যিয়ে যিমানলৈকে পাৰে গোটা
ভাজি বা তৰকাৰী ৰান্ধি খোৱা হয়। গৰু বিহুৰ দিনা যিকোনো ভক্ষ্য বনশাক একেলা
মিহলি কৰি খালেও বিহজনিত ক্ৰিয়া নেদেখুৱায় বুলি মানুহৰ বিশ্বাস জড়িত আছে
যিকোনো ঘৰচীয়া বা বনৰীয়া ভক্ষ্য শাকৰ একোটাকৈ অংশ গোটাই আনি খা
বেমাৰ আজাৰৰ পৰা হাত সাৰি থাকি শৰীৰ আৰু মনৰ কৰ্মপ্ৰেৰণা জাগে বুলি
জনবিশ্বাস প্ৰচলিত আছে। এশ এবিধ বনৌষধি গোটাওঁতে কিছুমানৰ পাত, কিছুমা
আগ, আন কিছুমানৰ আলু, ফুল বা কুমলীয়া গা-গছ লোৱা হয়।

বহাগ বিহুত ব্যৱহৃত প্ৰতিবিধ উদ্ভিদৰে ঔষধি গুণাগুণ বিদ্যমান। তল
কেইবিধমান উদ্ভিদৰ চমু পৰিচয় আৰু ঔষধি গুণাগুণ উনুকিওৱা হৈছে (লো
সংস্কৃতিৰ লগত জড়িত উদ্ভিদ)।

(১) **জেতুকা** :- বহাগ বিহু বুলিলেই জেতুকাৰ কথা মনলৈ আহে। জোপো
উদ্ভিদ। বৈজ্ঞানিক নাম Lawsonia inermis গোত্ৰ Lyrthaceae. পাত
কমলা বঙুৱা বৰণৰ Lawsine নামৰ পদাৰ্থ থকাৰ বাবে মহিলাই বিশেষকৈ পা





গাভৰু আৰু গাভৰু ছোৱালীয়ে নখ, ভৰিৰ গোৰোহা, হাতৰ তলুৱাত ৰঙচুৱাকৈ বোলাই আনন্দ পায়।

**ঔষধি গুণাগুণ** :- জেতুকাৰ ৰস চৰ্মৰোগৰ প্ৰতিষেধক। ভৰিৰ নখচুকীয়া, পানীয়ে খোৱা ৰোগত জেতুকাৰ ৰসে মহৌষধিৰ কাম কৰে। চুলিৰ বাবেও জেতুকাৰ ৰস উপকাৰী। বহাগ বিহুত জেতুকাৰ ৰস উপকাৰী। বহাগ বিহুত জেতুকাৰ ৰং লগালে বছৰটোৰ বাবেই সৰ্প দংশনৰ ভয় নাথাকে বুলি অসমীয়া সমাজত লোকবিশ্বাস জড়িত আছে।

(২) **শিয়ালনেজীয়া কপৌ** :- বহাগ বিহুৰ ১৫-২০ দিনৰ আগৰ পৰাই দীঘলীয়া পুষ্পদণ্ডত ফুলসমূহ ফুলি তললৈ হালি জালি থকা এই বৃক্ষবাসী অৰ্কিড জোপা নহলে নাচনিৰ খোপাই শোভা নাপায়। এই অৰ্কিডৰ বৈজ্ঞানিক নাম Rhynchostylis retusa গোত্ৰ Orchidaceae.

**ঔষধি গুণাগুণ** :- পাতৰ ৰস কাণৰ বিষত প্ৰয়োগ কৰিলে বিষৰ উপশম হয়।

(৩) **মাখিয়তী** :- সৰু জোপোহা আকাৰৰ এই উদ্ভিদৰ ফুল মাঘ মাহৰ পৰাই ফুলিবলৈ ধৰে। ফুলধাৰণ কৰা পাতযুক্ত ঠাৰি ডালেৰে গৰুক গা ধোৱাবলৈ নিওঁতে গৰুৰ পিঠিত কোবোৱা হয়। গৰুবিহুৰ দিনা গৰুক এচাৰিৰে কোবাব নেপায় বুলি লোক বিশ্বাস প্ৰচলিত আছে। এই উদ্ভিদৰ বৈজ্ঞানিক নাম Flemingia strobilifera গোত্ৰ — Fabaceae.

**ঔষধি গুণাগুণ** :- পাতৰ ৰসে ছালৰ বেমাৰ ভাল কৰে।

(৪) **দীঘলতি** :- দীঘলতিৰ দীঘলীয়া পাতৰ ঠাৰিৰেও গৰুক খেদা হয়। এই উদ্ভিদৰ বৈজ্ঞানিক নাম Litsaea salicifolia গোত্ৰ Lauraceae গৰুক খেদি যাওঁতে এইদৰে গায় —

'দীঘলতিৰ দীঘল পাত
মাখি মাৰো জাত জাত
মাৰে সৰু বাপেৰে সৰু
তই হবি বৰ গৰু'

**ঔষধি গুণাগুণ** :- পাতৰ ৰসে ছালৰ বেমাৰ ভাল কৰে।

(৫) **বৰ্হমথুৰি** :- এই উদ্ভিদ বৰ্ত্তমান লুপ্তপ্ৰায়। ক'ৰবাত ছেগা ছোৰোকাকৈহে দেখা পোৱা যায়। উদ্ভিদজোপাৰ কুমলীয়া থুৰিৰে এসময়ত অসমৰ গাভৰু ছোৱালীয়ে ওঁঠ ক'লা কৰিবলৈ (আজিকালিৰ লিপষ্টিকৰ পৰিবৰ্তে) ব্যৱহাৰ কৰিছিল। উজনি অসমৰ বহুতো মহিলাই আকৌ দাঁতত বৰ্হমথুৰিৰ ৰস ঘঁহি কলা কৰি লৈছিল।

বৈজ্ঞানিক নাম Talauma hodgsonii
গোত্ৰ Magnoliaceae.

**ঔষধি গুণাগুণ ঃ-** পাত চৰ্ম ৰোগৰ ঔষধ।

**(৬) ওডাল ঃ-** বৃক্ষ প্ৰকৃতিৰ এই উদ্ভিদৰ বাকলিৰ পৰা ৰছী উলিয়াই গৰুক বান্ধিবলৈ পঘা প্ৰস্তুত কৰা হয়। গৰু বিহুৰ দিনা নতুন পঘাৰে বন্ধাৰ নিয়ম। বৈজ্ঞানিক নাম Sterculia villosa গোত্ৰ Sterculiacae. অৱশ্যে আজিকালি বহুতো লোকে গৰুক প্লাষ্টিকৰ ৰছীৰে বান্ধে।

**(৭) তৰা ঃ-** ঠাই বিশেষে এই উদ্ভিদৰ পাতৰ ঠাৰিৰ পৰাও ৰছী প্ৰস্তুত কৰি গৰুক বান্ধিবলৈ ব্যৱহাৰ কৰা হয়। প্ৰকৃত কাণ্ড আদাৰ দৰে মাটিৰ তলত থাকে। বৈজ্ঞানিক নাম Alpinia nigra গোত্ৰ Zingiberaceae.

**ঔষধি গুণাগুণ ঃ-** আলুৰ ৰসে কৃমি নাশ কৰে।

**(৮) বচ ঃ-** একবীজপত্ৰী, জেঁকা বা পানী ধৰি ৰখা মাটিত সহজে বৃদ্ধি হোৱা উদ্ভিদ। ৰাইজম্ বিশেষ গোন্ধযুক্ত। বৈজ্ঞানিক নাম Acorus calamus গোত্ৰ Araceae এই উদ্ভিদৰ ৰাইজম্ খুন্দি তাৰ ৰসসিনি পিঠা খুন্দিলে বৈ যোৱা খুদ চাউলৰ লগত মিহলাই পানীৰে চপ্‌চপীয়া কৰি (বাটি এটাত ল'ব লাগে), সেইখিনি বিচনী এখনেৰে গোটেই ঘৰৰ চুকে কোণে ছটিওৱা হয়। এনে কৰি ম'হ, মাখি, ডাঁহ আদি খেদা হয় আৰু সেইদিনাৰ পৰাহে (গৰু বিহুৰ দিনা) বিচনী ব্যৱহাৰ কৰাৰ নিয়ম।

**ঔষধি গুণাগুণ ঃ-** শিশুৰ কাঁহ, পানী লগা জ্বৰত ৰাইজমৰ মালা গাঁথি শিশুৰ ডিঙিত পিন্ধাব লাগে।

**(৯) বগৰী ঃ-** সৰু, কাইটীয়া, বৃক্ষজাতীয় উদ্ভিদ। নৈৰ কাষ, ৰাস্তাৰ দাঁতি তথা পতিত মাটিত প্ৰাকৃতিকভাৱে গজা এবিধ সাধাৰণ উদ্ভিদ। ফল পকিলে তেনেকৈয়ে বা আচাৰ প্ৰস্তুত কৰি খোৱা হয়। বৈজ্ঞানিক নাম Ziziphus jujuba গোত্ৰ Rhamnaceae. বগৰীৰ ডাল কাটি দুৱাৰমুখ ওপৰত পথালিকৈ আঁৰি থোৱা হয়। এনে কৰিলে অশৰীৰী বস্তু ঘৰৰ ভিতৰত প্ৰবেশ কৰিব নোৱাৰে বুলি বিশ্বাস কৰা হয়।

**ঔষধি গুণাগুণ ঃ-** পাত চৰ্মৰোগৰ ঔষধ।

সেইদৰে কেএঞা কঠাল, টিকনিবৰুৱা, ভাং গছ, ধানৰ তুঁহ আদিও ঠাইবিশেষে বহাগ বিহুত প্ৰয়োগ হয়।

সেইদৰে খাবৰ বাবে ব্যৱহৃত কেতবোৰ উদ্ভিদৰ পৰিচয় আৰু ঔষধি গুণাগুণ





তলত উল্লেখ কৰা হৈছে।

**(১) কেঁহৰাজঃ-** সৰু শাকবন জাতীয় উদ্ভিদ। কাণ্ড আৰু পাত খহটা। পাত বিপৰীতমূখী আৰু দুয়োমূৰে ঠেক, মাজ অংশ বহল। ফুলৰ থোপা বগা বৰণৰ। বৈজ্ঞানি নাম Eclipta prostrata গোত্ৰ Compositae (Asteraceae)

**ঔষধি গুণাগুণ ঃ-** পাতৰ ৰস কটা ছিঙা, জ্বলা পোৰা কৰা, জুইয়ে পোৰাত উপকাৰী। ৰসে চুলি সৰা বন্ধ কৰে।

**(২) লাচকচি বা পকমৌ ঃ-** সৰু জোপোহা বা শাকবনজাতীয় উদ্ভিদ। এই উদ্ভিদৰ দুবিধ প্ৰকাৰ আছে। এবিধৰ পাত বগা আৰু আনবিধৰ কজলা বৰণৰ। বৈজ্ঞানিক নাম Solanum nigrum গোত্ৰ Solanaceae.

**ঔষধি গুণাগুণ ঃ-** পাতৰ ৰস গাঁওঠিৰ বিষত হিতকাৰক।

**(৩) বৰ মানিমুনি ঃ-** সৰু উদ্ভিদ। পাত গোলাকাৰ ঠাৰিৰ ফালে ভিতৰলৈ সোমোৱা। পাতৰ কাষ মিহিকৈ টৌ খেলোৱা থাকে। ঠাৰি দীঘল। বৈজ্ঞানিক নাম Centella wiatica গোত্ৰ Umbelliferae (Apiaceae)

**(৪) সৰু মানিমুনি ঃ-** পাত বৰমানিমুনিতকৈ সৰু আৰু অধিক মিহিকৈ খণ্ডযুক্ত। দুয়োপিঠি মিহি। বৈজ্ঞানিক নাম Hhydrocotyle rotundifolia গোত্ৰ Umbelliferae (Apiaceae)

**ঔষধি গুণাগুণ ঃ-** পাত স্মৃতি শক্তি বৰ্ধক আৰু ডয়েৰিয়া বেমাৰ নাশকাৰক।

**(৫) মছন্দৰী ঃ-** সৰু উদ্ভিদ। পাতৰ বৈশিষ্ট্যপূৰ্ণ গোন্ধ বিৰজমান। পাতৰ শিৰাত বেঙুনীয়া ৰঙ স্পষ্ট। পাত কলিজাকৃতিৰ। বৈজ্ঞানিক নাম Houttuynia cordata গোত্ৰ Saururaceae.

**ঔষধি গুণাগুণ ঃ-** পেটৰ যিকোনো ধৰণৰ অসুখৰ উত্তম ঔষধ।

**(৬) মালকাঠি ঃ-** সৰু উদ্ভিদ। ইয়াৰ দুবিধ আছে। এবিধ বনৰীয়া; আনবিধ জাতি মালকাঠি। খাবৰ বাবে সাধাৰণতে জাতি মালকাঠিৰ পাতহে ব্যৱহাৰ হয়। দুয়োবিধৰে পাত আৰু ফুলৰ (পুষ্পবিন্যাস) মৃদু জ্বলা ভাৱ থাকে। ফুলৰ বৰণ হালধীয়া। বৈজ্ঞানিক নাম Spilanthes paniculata গোত্ৰ Compositae (Asteraceae)

**ঔষধি গুণাগুণ ঃ-** পাত আৰু পষ্পবিন্যাসৰ ৰসে মুখ আৰু জিভাৰ ঘা আঁতৰ কৰে।

**(৭) নেফাফু ঃ-** সৰু জোপোহা উদ্ভিদ। পাত ডাঙৰ, কলিজাকৃতিৰ। পাতৰ বিশেষ গোন্ধ বিৰাজমান। ফুলৰ বৰণ বগা। বৈজ্ঞানিক নাম Clerodendrum colebrookianum গোত্ৰ Verbenaceae.

**ঔষধি গুণাগুণ ঃ-** উচ্চ ৰক্ত চাপৰ ঔষধ।

**(৮) ঢেঁকীয়া ঃ**- ঢেকীয়া অপুষ্পক উদ্ভিদ। অসমৰ পৰিবেশত অতি সহজলভ্য। কোমল কুণ্ডলিত পাত (cireinate leaf) খোৱা হয়। বৈজ্ঞানিক নাম Diplazium esculentum. ঢেঁকীয়াই যৌনশক্তি বৃদ্ধি কৰে।

**(৯) দোৰোন বন ঃ**- সৰু শাকবনজাতীয় উদ্ভিদ। কাণ্ড চাৰিকোণীয়া। পাত, ফুল আৰু কাণ্ডৰ বিশেষ গোন্ধ থাকে। ফুলৰ বৰণ বগা। বৈজ্ঞানিক নাম Leucas linifolia গোত্ৰ Labiatae (Lamiaceae).

**ঔষধি গুণাগুণ ঃ**- অৰুচি দূৰ কৰে, ভোক লগায়। চাইনাছৰ বাবেও হিতকৰ।

**(১০) শুকলতি ঃ**- জোপোহা উদ্ভিদ। পাত বিপৰীতমুখী; ডিম্বাকৃতিৰ আৰু কাষ খাজকটা। বিশেষ গোন্ধযুক্ত। কাণ্ড ৰঙচুৱা।

**ঔষধি গুণাগুণ ঃ**- তিৰোতাৰ প্ৰসৱৰ পিছত ঘা শুকুৱায়।

**(১১) লাইজাবৰী ঃ**- সৰু বন। পাত গোলাকৃতিৰ। নিমজ। বৈজ্ঞানিক নাম Drymaria cordata গোত্ৰ Caryophyllaceae.

**ঔষধি গুণাগুণ ঃ**- পাত কটা ছিঙা আৰু মূৰ কামোৰণীত উপকাৰী।

**(১২) মৰলীয়া ঃ**- সৰু উদ্ভিদ। চেঁচুকীয়া ঠাইত এই উদ্ভিদৰ বিস্তৃতি অধিক হয়। বৰণ বগা। বৈজ্ঞানিক নাম Stellaria media গোত্ৰ Caryophyllaceae.

**ঔষধি গুণাগুণ ঃ**- হজমকাৰক ৰূপে ক্ৰিয়া কৰে। আঙুলিত হোৱা 'পৰা'ৰ বিষত উপকাৰী।

**(১৩) ল বৰুৱা ঃ**- শাকবনজাতীয় উদ্ভিদ। পাত দীঘলীয়া। সেউজীয়া বৰণৰ ফুলসমূহ উদ্ভিদ জোপাৰ শীৰ্ষ অংশত ফুলে। বৈজ্ঞানিক নাম Rumex maritmus গোত্ৰ polygonaceae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস খৰ-খজুৱতিত হিতকাৰক।

**(১৪) সৰু টেঙেচি ঃ**- সৰু টেঙাস্বাদৰ উদ্ভিদ। পাত তিনিপতীয়া আৰু ঠাৰি দীঘল। ফুল হালধীয়া বৰণৰ। বৈজ্ঞানিক নাম Oxalis corniculata গোত্ৰ Oxalidaceae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস পেটৰ অসুখত উপকাৰী।

**(১৫) বৰ টেঙেচি ঃ**- সৰু টেঙেচিতকৈ পাত ডাঙৰ। কাণ্ড মৃদগজ। ফুলৰ বৰণ বেঙুনীয়া আৰু দেখাত চকুত লগা। বৈজ্ঞানিক নাম Oxalis corymbose. গোত্ৰ Oxalidacae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস বায়ু পিত্ত ৰোগত হিতকাৰক।

**(১৬) নৰ সিংহ ঃ**- জোপোহাজাতীয় উদ্ভিদ। বিশেষ গোন্ধ থাকে। পাত যৌগিক।





বৈজ্ঞানিক নাম Murraya koenigii গোত্ৰ Rutaceae.

**ঔষধি গুণাগুণ ঃ**- পাত পেট কামোৰণী আৰু পেটৰ অসুখত উপকাৰী।

**(১৭) কচু ঃ**- বহুবৰ্ষজীৱী উদ্ভিদ। কাণ্ড (আলু) মাটিৰ তলত থাকে যদিও বায়ব অংশ খৰালি মৰি যায়। পুনৰ বাৰিষাৰ আগমনৰ আগে আগে নকৈ পাত ওলায়। অৱশ্যে কিছুমান প্ৰজাতিৰ কচুৰ পাত বছৰৰ সকলো সময়তে থাকে। বৈজ্ঞানিক নাম Colocasia esculenta গোত্ৰ Araceae.

**ঔষধি গুণাগুণ ঃ**- কচুৰ ঠাৰি টনছিলৰ প্ৰতিষেধক আৰু ৰক্তবৰ্ধক।

**(১৮) মাটিকাঁদুৰী ঃ**- মাটিত হাউলি পৰা সৰু দুৰ্বল উদ্ভিদ। ফুল পাতৰ কক্ষত থোপাবান্ধি ফুলে। ফুল সৰু আৰু বগা বৰণৰ। বৈজ্ঞানিক নাম Alternanthera ressilis গোত্ৰ Amaranthaceae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস মাতৃ দুগ্ধবৰ্ধক।

**(১৯) কলমৌ ঃ**- পানী বা সেমেকা মাটিত বগাই যোৱা উদ্ভিদ। ফুলৰ বৰণ বেঙুনীয়া-গুলপীয়া-বগা মিশ্ৰণৰ হয়। বৈজ্ঞানিক নাম Ipomoea aquatica গোত্ৰ Convolvulaceae.

**ঔষধি গুণাগুণ ঃ**- পাত শক্তিবৰ্ধকৰপে ক্ৰিয়া কৰে।

**(২০) জাতি খুতৰা ঃ**- সৰু কোমল উদ্ভিদ। উদ্ভিদ জোপাৰ মূল কাণ্ড বা শাখাৰ আগঅংশত অস্পষ্ট ফুলবোৰ থোপাবান্ধি ফুলে। বৈজ্ঞানিক নাম Amaranthus viridis গোত্ৰ Amaranthaceae.

**ঔষধি গুণাগুণ ঃ**- অৰুচি নাশ কৰে।

**(২১) হাতী খুতৰা ঃ**- জাতি খুতৰাৰ দৰেই; অৱশ্যে পাতৰ কক্ষত কাঁইট থাকে। বৈজ্ঞানিক নাম Amaranthus spinosus গোত্ৰ Amaranthaceae.

**ঔষধি গুণাগুণ ঃ**- পেটৰ বিষ উপশম কৰে।

**(২২) ভেদাইলতা ঃ**- দুৰ্গন্ধযুক্ত লতাজাতীয় উদ্ভিদ। পাত বিপৰীতমুখী। বৈজ্ঞানিক নাম Paederia foetida গোত্ৰ Rubiaceae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস বলকাৰক। বাতবিষকে ধৰি যিকোনো ধৰণৰ শৰীৰৰ বিষত হিতকাৰক। প্ৰসুতি মাতৃৰ বাবে সুপথ্যস্বৰূপ।

**(২৩) মধুসোলেং ঃ**- কোমল সৰু উদ্ভিদ। স্বাদ টেঙা। বৈজ্ঞানিক নাম Polygonum chinense গোত্ৰ polygonaceae.

**ঔষধি গুণাগুণ ঃ**- পাতৰ ৰস ডায়েৰিয়া ৰোগত হিতকাৰক।

**(২৪) নলটেঙা ঃ**- লতাজাতীয় উদ্ভিদ। কাণ্ড ৰঙচুৱা বৰণৰ। গাঁঠিৰ পৰা তিনিখিলাকৈ

পাত ওলায়। পাত চনকা বৰণৰ, দাঁতি খাজকটা, দুয়োপিঠি মিহি, বৈজ্ঞানিক
Polygonum bractiata গোত্ৰ polygonaceae.

**ঔষধি গুণাগুণ ঃ-** পেটৰ অসুখত উপকাৰী। অৰুচি দূৰ কৰে।

**(২৫) অগৰা ঃ-** সৰু জোপোহা জাতীয় গছ। শাক হিচাপে কুমলীয়া অৱস্থা খোৱা হয়। বৈজ্ঞানিক নাম Xanthium strumarium গোত্ৰ Composita (Asteraceae)

**ঔষধি গুণাগুণ ঃ-** হজম বৃদ্ধিত সহায় কৰে।

**(২৬) কল পচলা ঃ-** সাধাৰণতে ভীমকলৰ (Musa bulbisiana) পচলা (কলৰ সৰু পুলি) খাবৰ বাবে ব্যৱহাৰ হয়।

**ঔষধি গুণাগুণ ঃ-** পচলা আঁহজাতীয় খাদ্যদ্ৰব্য বাবে কোষ্ঠকাঠিন্য আঁতৰ কৰা সহায় কৰে। তেজ বৃদ্ধি কাৰক।

**(২৭) কলডিল ঃ-** ভীমকলৰ ডিল খাবৰ বাবে উত্তম। অৱশ্যে পাহাৰীয়া ঠাইত পোৱা বনৰীয়া কলৰ কলডিল খাবলৈও ৰুচিকৰ।

**ঔষধি গুণাগুণ ঃ-** কলডিল আইৰণৰ সুউৎস। বলকাৰক ৰূপে ক্ৰিয়া কৰে।

**(২৮) তিতা ভেকুৰী ঃ-** জোপোহাজাতীয় উদ্ভিদ। তিতাভেকুৰীৰ এবিধৰ গাত কাঁইট থাকে। আনবিধ সম্পূৰ্ণ কাঁইটবিহীন। ফুল বেঙুনীয়া বৰণৰ। বৈজ্ঞানিক নাম Solanum indicum গোত্ৰ Solanaceae.

**ঔষধি গুণাগুণ ঃ-** ফল কৃমিনাশক তথা অৰুচিনাশক।

**(২৯) হাতীভেঁকুৰী ঃ-** ফল তিতাভেকুৰীতকৈ ডাঙৰ। ফুলৰ বৰণ বগা। সেৰেঙাৰে কাঁইটযুক্ত। বৈজ্ঞনিক নাম Solanum torvum গোত্ৰ Solanaceae.

**(৩০) বাৰীসুন্দৰী ঃ-** জোপোহাজাতীয় গছ। পাতৰ উপবিভাগ মিহি, চিকচিকিয়া। বৈজ্ঞানিক নাম Sauropus androgyus গোত্ৰ Euphorbiaceae.

**ঔষধি গুণাগুণ ঃ-** ভিটামিনৰ উৎসস্বৰূপ।

**(৩১) তিতাফুল ঃ-** জোপোহা উদ্ভিদ। ঠাৰিহীন ফুলবোৰ শীৰ্ষ অংশত ফুলে। ফুলৰ বৰণ ৰঙা। ফুল আৰু কোমল পাত খোৱা হয়। বৈজ্ঞানিক নাম Phlogacanthus tubiflorus গোত্ৰ Acanthaceae.

**ঔষধি গুণাগুণ ঃ-** পাত আৰু ফুল কাঁহ আৰু কৃমিৰ ঔষধ।

**(৩২) জিলমিল ঃ-** সৰু উদ্ভিদ। পাত আৰু কাণ্ড হাতেৰে চুলে বালিয়া ধৰণৰ লাগে। পাত পানীত নিতিতে। ফুল সেউজীয়া বৰণৰ আৰু অস্পষ্ট। শীৰ্ষ অংশত ফুলে। বৈজ্ঞানিক নাম Chenopodium album গোত্ৰ





Chenopodiaceae.

**ঔষধি গুণাগুণ ঃ-** পাত কাঁহৰ সুপথ্য। মহিলাৰ বগাস্ৰাৱ অসুখতো হিতকাৰক।

**(৩৩) শেৱালি ঃ-** সৰু বৃক্ষ। পাত আৰু কাণ্ডৰ উপবিভাগ খহটা। নিশা ফুলা ফুলবোৰ পিছদিনা পুৱাই মাটিত সৰি পৰে। ফুল আৰু পাতৰ স্বাদ তিতা। বৈজ্ঞানিক নাম Nyctanthes arbortis গোত্ৰ Oleaceae.

**ঔষধি গুণাগুণ ঃ-** পাত ডাঠ আৰু ফুল কাঁহ আৰু জ্বৰৰ ঔষধ।

**(৩৪) দুপৰটেঙা ঃ-** পাত ডাঠ আৰু চনকা ধৰণৰ। দুপৰীয়া টেঙা স্বাদৰ হয় যদিও অন্য সময়ত কেঁহা হয়। বৈজ্ঞানিক নাম Bryophyllum pinnatum গোত্ৰ Crassulaceae.

**ঔষধি গুণাগুণ ঃ-** পাতৰ ৰস পাথৰজনিত ৰোগ উপশমৰ সহায়ক।

**(৩৫) টিকনি বৰুৱা ঃ-** লতাজাতীয় উদ্ভিদ। কাণ্ড কন্টকযুক্ত। পাতৰ কক্ষত দুডাল টিকনি (আকৰ্ষ) উৎপন্ন হয়। স্বাদ মৃদু তিতা। বৈজ্ঞানিক নাম Smilax glabra গোত্ৰ Smilacaceae.

**ঔষধি গুণাগুণ ঃ-** পাত কৃমিনাশক তথা বলকাৰক ৰূপে ক্ৰিয়া কৰে।

**(৩৬) আকলবিহ ঃ-** জোপোহা আকাৰৰ উদ্ভিদ। পাত ডাঙৰ। ফুলৰ বৰণ ৰঙচুৱা। বৈজ্ঞানিক নাম Clerodendron indicum গোত্ৰ Verbenaceae.

**ঔষধি গুণাগুণ ঃ-** কুমলীয়া আগ হজমকাৰী তথা কাঁহৰ ঔষধৰূপে প্ৰয়োগ হয়।

**(৩৭) চেংমৰা ঃ-** সৰু, কাঁইটীয়া কচু গোত্ৰৰ উদ্ভিদ। পাত তিনিকোণীয় আৰু ঠাৰি সোপোকা। বৈজ্ঞানিক নাম Lasia spinosa গোত্ৰ Araceae.

**ঔষধি গুণাগুণ ঃ-** প্ৰসাৱ গণ্ডগোলৰ ঔষধ।

**(৩৮) টেঙামৰা ঃ-** টেঙা স্বাদৰ সৰু জোপোহা উদ্ভিদ। পাত বিজলুৱা। বৈজ্ঞানিক নাম Hibicus subdarita গোত্ৰ Malvaceae.

**ঔষধি গুণাগুণ ঃ-** পাত পেটৰ অসুখত হিতকাৰক।

**(৩৯) মালভোগ খুতৰা ঃ-** সৰু দুৰ্বল উদ্ভিদ। কাণ্ড আৰু পাত ৰঙচুৱা। পাত ডাঠ। বৈজ্ঞানিক নাম Portulaca oleracea গোত্ৰ Portulaceae.

**ঔষধি গুণাগুণ ঃ-** পাতৰ ৰস কাণৰ বিষ উপষমত সহায়ক।

**(৪০) মেচাকি ঃ-** জোপোহা বা সৰু বৃক্ষজাতীয় উদ্ভিদ। পাতৰ অঙ্কীয় পিঠি বগা। চানেকীয়া আৰু শিৰা-উপশিৰাবোৰ স্পষ্ট। বৈজ্ঞানিক নাম Sarcochlamys pulcherrima গোত্ৰ Urticaceae.

**ঔষধি গুণাগুণ ঃ-** উচ্চ ৰক্ত চাপ নিয়ন্ত্ৰনত সহায়কাৰী উদ্ভিদ।

আৰু বহুতো বনৌষধি উদ্ভিদ আছে। যিবোৰ সততে বহাগ বিহুত ব্যৱ… হয়। সকলোখিনি এই প্ৰবন্ধত সাঙুৰি ললে অত্যাধিক দীঘল হোৱাৰ ভয়ত উ… কৰাৰ পৰা বিৰত থাকিলো।

বহাগ বিহুত বনশাক ব্যৱহাৰত এক ইতিবাচক দিশো জড়িত হৈ আ… সেয়া হ'ল বহাগ বিহুৰ প্ৰয়োজনৰ স্বাৰ্থতে আমি গছ-বন বোৰক ৰক্ষনাবেক্ষণ দি… কথা ভাবিব লাগিব। উক্ত গছ-বন সমূহ নাথাকিলে ৰঙালী বিহুৰ দৰে জাতীয় উৎ… এটা পৰম্পৰাগতভাৱে পালন কৰি অহা প্ৰক্ৰিটোত কেৰোণ লাগিব। একে আষাৰে… কৰলৈ গলে গছ-বনৰ অভাৱে আমাৰ চিৰাচৰিত সাংস্কৃতিক পৰম্পৰা বিলোপ সা… হোৱাত ইন্ধন যোগাব। গছ-বন থাকিলেহে ৰঙালী বিহুটোৱে প্ৰাণ পাই হাঁহি… আৰু এই বিহুৰ জৰিয়তেহে গছ-লতিকাবোৰ সুব্যৱহৃত হ'ব। ❑

**উজনিৰ ঢোলৰ বোল্ -**

"থিন্ থিত্ দাও
দাও থিন্ থিত্ তাখেন্ - এই বোল্ কেইটা বাঢ়ি
গৈ - চলনা, বুলনি, চুচনি, নাচনী-ছেওঁ, পানী তোলা
ছেওঁ আদি হয়গৈ।

**পানী তোলা চাপৰৰ বোল্-**

তাও খিতি খেনি তাখি
তাও খিতি খেনি তাখি
তাও খিতি খেনি তাখি
তি খেতি খেনি তাখি দাও
খেন খিতি খেন দাও
খিতা খিতা খিখেন দাও খেন খিত।





# ওৰ নপৰা ৰঙালী বিহুৰ কথা

শিৱ প্ৰসাদ গগৈ

(এক)

বিহু বৰ অসমৰ উমৈহতীয়া লোক উৎসৱ।।

বিহু সংস্কৃতিৰ বিষয়ে থাউকতে দিহা লগাই ক'বলৈ আমি মোহনী (গ্লেমাৰ) থকা আঢ্যৱন্ত লেখকৰ শাৰীৰ নহয়। কথাষাৰ তেৰেছীয়াকৈয়ো কোৱা নাই। আমি আচলতে দুৱলীয়া জাতৰ লেখকহে। আমাৰ কথাবোৰ সেয়ে সৰ্বগ্ৰাহ্য নোহোৱাই স্বাভাৱিক। বিহু লুইতপৰীয়া সংস্কৃতি বুলি ক'লেহে খাপ খায়। লুইতপৰীয়া সংস্কৃতিৰ বৰ হাউলিত - বিহু তামুলী চ'ৰা। তামুলী চ'ৰা আঢ্যৱন্ত লোকৰ মান-মৰ্যদা আৰু ঐতিহ্যৰ পৰিচায়ক। তেনেকৈ বিহু সংস্কৃতি অসমৰ জাতীয় মান-মৰ্যদা আৰু জাতীয় ঐতিহ্যৰ প্ৰধান বাহক। অসমৰ লোক-সংস্কৃতি বুলিলে আটায়ে পোনছাটে বিহু সংস্কৃতিলৈকে আঙুলিয়ায়। সঁচাকৈয়ে বিহুৰ নিচিনা লোক সংস্কৃতি এটা নথকা হেঁতেন অসমৰ লোক-কলা আৰু লোক-গীতমাতৰ স্বকীয় বৰ্ণময় ঐতিহ্য বুলি কিব থাকিলহেঁতেননে বাৰু? অতীত অসমৰ (কামৰূপ, প্ৰাগজ্যোতিষ) লোক কলাৰ বিষয়ে লোক-সংস্কৃতিৰ ৰসজ্ঞ বৌদ্ধিক সমাজ এহেজাৰমান বছৰতে থমকি ৰ'ব লগীয়া হয়। তাৰো আগৰ লোক-কলাৰ বিষয়ে বিশেষ নিদৰ্শন বৰ দুৰূহ। লুইতৰ দুয়োপাৰে গঢ়লৈ উঠা অসমৰ জাতীয় সমাজ-জীৱন বহু নৃগোষ্ঠীৰ সমন্বয়ৰ ফল। ভাষাবিদ সকলে অসমীয়া ভাষাৰ উৎস আৰু ইতিহাসৰ বিষয়ে বিশ্লেষণ কৰোঁতে প্ৰাগ ঐতিহাসিক কালৰে পৰা বসবাস কৰি অহা নৃগোষ্ঠী সমূহৰ বিষয়ে একমত হৈ কৈছে— শ্যান জাতিৰ টাই আহোম সকল অহাৰ পূৰ্বে অষ্ট্ৰিক, নিগ্ৰো-কিৰাট, তিব্বত বৰ্মীয়, ভূত-চীন, দ্ৰাবিড়, মঙ্গোলীয় আৰু আৰ্য সকলেহে এই ভূ ভাগত বসতি কৰিছিল। সূৰ্যকুমাৰ ভূঞাই অসম পুৰাতত্ব আৰু অনুসন্ধান বিভাগৰ দ্বিতীয়খন বুলেটিনত উল্লেখ কৰিছিল— "অসমৰ কথিত ভাষা প্ৰায় এশ বিশটা মান। অষ্ট্ৰিক, ভোট-চীন, দ্ৰাবিড় আৰু আৰ্য শাখাৰ ভাষা সমূহ। প্ৰত্যেকটো ভাষাই জীৱন্ত। বিজয়ী আৰু বিজিত সকলৰ সংস্কৃতি পৰস্পৰ প্ৰভাৱলৈ আহিছিল; ইয়াক আৰ্যৰক্ষণশীলতা আৰু অনাৰ্য্য অগোড়ামীৰ মিশ্ৰন বুলিও ক'ব পাৰি। সেয়ে এই ঠাইখনিত নতুন স্মৃতিবিধিৰ উৎপত্তি হৈছিল, নতুন জ্যোতিৰ্বিদ্যা আৰু বিজ্ঞান, নতুন ধৰ্ম-সাহিত্যৰ সৃষ্টি হৈছিল. বৌদ্ধ ধৰ্মও অন্তঃস্থলত বৈ আছিল।"

মন কৰিব লগীয়া যে লুইতৰ দুয়োপাৰ আৰু পাহাৰ-ভৈয়ামলৈ প্ৰব্ৰজন হোৱা নৃ-গোষ্ঠীসমূহৰ সংমিশ্ৰিত সমন্বয় ফলতহে বৰ অসমৰ বৰ্ণময় লোক-কলা সংস্কৃতিৰ জন্ম আৰু বিকাশ ঘটিছিল। পশ্চিম দিশৰ পৰা মগধ, গৌড়, মিথিলা কনৌজৰ পৰা ব্ৰাহ্মণ- বৈষ্ণৱ পন্থী, কাশ্মীৰ-দাক্ষিণাত্যৰ পৰা বৌদ্ধ শ্ৰৱণ, তান্ত্ৰিক কাপালিক, সহজীয়া, নাথ সম্প্ৰদায়ৰ উপৰিও উত্তৰ পূব দিশৰ পৰা তিব্বত চীন, টাই-মঙ্গোলীয় আদি বিভিন্ন শাখা বা পন্থৰ লোক-কলা-সংস্কৃতিৰ লুইতৰ দুয়োপাৰত সমাহাৰ ঘটিছিল। ইয়াৰ উপৰি শিল্পী-ভাস্কৰ-চিত্ৰকৰ, গায়ক-বাদক, ব্ৰাহ্মণ-বৈষ্ণৱ পণ্ডিত সকল আহি উত্তৰ পূব ভাৰতৰ লুইতৰ পাৰ বাৰে ৰহনীয়া কলা-সংস্কৃতিৰে চহকী কৰি তুলিছিল। শেহতীয়াকৈ বৰ অসমৰ সংস্কৃতিত লীন হৈছেহি চাহ বাগানীয়া নানা সম্প্ৰদায় তথা পূৰ্ব-বঙ্গৰ ভাটী দেশৰ প্ৰব্ৰজিত নৱ-জনগোষ্ঠী সমূহৰ কলা-সংস্কৃতি। এই সকলো জনগোষ্ঠীয়েই আজি অসমৰ সংস্কৃতিক, বিশেষকৈ বিহুক অতিকৈ আপোন সংস্কৃতি ৰূপে গ্ৰহণ কৰি লৈছে। অতীজতে লুইতৰ উজনিতহে ৰং ৰহইচকৈ বিহু পালন কৰা হৈছিল। গৌৰৱৰ কথা যে সাম্প্ৰতিক কালত উজনিৰ শদিয়াৰ (সদিয়া?) পৰা ভাটীৰ গোৱালপাৰা-ধুবুৰীলৈকে আনকি পাহাৰীয়া কেইবাঠাইতো সকলো জনগোষ্ঠীৰ মাজত সৰ্বত্ৰে উলহ-মালহেৰে বিহু পালন কৰিবলৈ লোৱা হৈছে। আচলতে কবলৈ হ'লে বিহু লোক-সংস্কৃতিয়েহে আজি বৰ অসমত বসবাস কৰা সকলো জনগোষ্ঠীকে এক মায়াৰে পকোৱা এনাজৰীৰে এক মুঠকৈ বান্ধি ৰাখিছে। ততোধিক এনেকৈয়ো ক'ব পাৰি যে— বিহু সংস্কৃতিয়েহে বৰ অসম গঢ়াত প্ৰধান ভূমিকা লৈ আহিছে। কাৰণ বিহু কোনো কালে ধৰ্মীয় উৎসৱ নাছিল আৰু নহয়। বিহু, সেয়েহে আজি বৰ অসমৰ উমৈহতীয়া লোক উৎসৱ।

## (দুই)

অসমৰ লোক কলা সংস্কৃতিৰ গূঢ়াৰ্থ আৰু তাৎপৰ্য্য উপলব্ধি কৰিবলৈ হ'লে পাহাৰ-ভৈয়ামে বসবাস কৰা সকলো জনগোষ্ঠীৰ অন্তঃস্থিত মৰ্মও উপলব্ধি কৰিবলৈ চেষ্টা কৰিব লাগিব। লোকমনৰ সন্ধান অবিহনে লোক-কলা সংস্কৃতিৰ বিশ্লেষণ সম্পূৰ্ণ নহয়। লুইতৰ দুয়োপাৰত থকা পাহাৰ-ভৈয়াম সৰ্বত্ৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ। কৃষিয়েই এই ভূখণ্ডৰ জীৱন নিৰ্ব্বাহৰ একমাত্ৰ আধাৰ। সেয়েহে এই ভূখণ্ডত বসবাস কৰা লোক মনৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ বিশাল আৰু বিস্তৃত। প্ৰকৃতিৰ চিৰসেউজ নান্দনিক সৌন্দৰ্য্যৰ মৌকোঁহ অসমৰ লোককলা সংস্কৃতিত চিৰ





বিদ্যমান। এই ভূখণ্ডৰ উৎসৱ সমূহৰ উৎসও প্ৰকৃতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। বিহু কৃষি উৎসৱ। আন কথাত ৰঙালী বিহু প্ৰকৃতি উৎসৱ বুলিলেও অধিক কোৱা নহয়। কাৰণ বসন্ত কালত অসমৰ ধৰিত্ৰী-আকাশ-বতাহ বসন্ত-বাহাৰত নকৈ উদ্ভাষিত হৈ জাতিস্কাৰ হৈ উঠে। সেয়ে লোকমনবোৰো সুখানন্দত উৰুলীকৃত হৈ পৰে। বিহু আদিতে কৃষি উৎসৱ যদিও সামাজিক মনোজগতৰ পৰিবৰ্ত্তনৰ ফলত পৰবৰ্তী কালত দেখ্ দেখকৈ ধৰ্মীয় বা আধ্যাত্মিক আদি ভাৱনাৰ প্ৰভাৱ পৰিবলৈ ধৰিলে।

আদিকালৰ বিহুৰ পদ-ঘোষা-নাম-বনঘোষাবোৰৰ পটভূমি আছিল প্ৰকৃতিৰ নান্দনিক সোন্দৰ্য। লোকমনৰ এফাল দখল কৰি আছিল প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ৰসে। সেইয়ে বিহুনাম বোৰৰ ভাৱ-অনুভূতি প্ৰকাশত প্ৰকৃতিৰ প্ৰভাৱ আছিল অপৰিসীম আৰু বিশাল। আদিকালত বিহুৰ পদ-ঘোষা-নামৰ কেইটামান নিদৰ্শন—

'হুঁচৰি এ চ'ত/আমি বিহু মাৰো য'ত/দেহিঐ ডুবৰি নগজে ত'ত',
'হুৰাই লৈ সৰগৰ তৰা/চাই থাক ঐ নিলগৰ পৰা',
'হুৰাই লৈ ধানখেৰৰ ছাঁই/অতি চেনেহৰ বহাগৰ বিহুটি
দেহি ঐ হাততে মলঙি যায়',
'বিহুৰে বিৰিণা পাত/বিহু থাকে মানে/বিহুকে বিনাবি/বিহু গ'লে বিনাবি কাক',
'লুইতৰ পাৰৰে/বৰ্হমথুৰি এজুপি/আমি খৰি লুৰা ঠাই,
'ব্ৰহ্মপুত্ৰ দেৱতা/উটুৱাই নিনিবা/তামোল দি মাতোতা নাই',
'জাঁজী নৈ এখনি/চোৱা মনে কৰি/কি দৰে মৰহি যায়/
তোমাৰ আমাৰ জীৱনটি/চোৱা মনে কৰি/কিদৰে মৰহি যায।'
'বিহুৱতী চৰায়ে/কৰে বিহু বিহু/আমাৰ বিহু কাপোৰ নাই'। ইত্যাদি।

পৰৱৰ্তী কালৰ বিহুৰ পদ ঘোষা — নাম-ঘোষা আদিত ধৰ্মীয়, সামাজিক আৰ্থিক আদি বিভিন্ন দিশৰ প্ৰভাৱ পৰিল। যেনে ঃ-

'কৃষ্ণৰ মূৰতে/বকুল ফুল এপাহি/নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম,'
'গোবিন গোবিন গোবিনহে/ৰাম কৃষ্ণ হৰি হে/ৰাম কৃষ্ণ হৰি জয়।'
'চ'ততে চকৰী/বহাগত বগৰী/জেঠতে অমনা ধান,'
'গৰু বিহুৰ দিনাখন/গুৰু সেৱা কৰিবা/তেনে পাবা বৈকুণ্ঠত স্থান।'
'নৈত গুম্-গুমালে/কোম্পানীৰ জাহাজে/ল'লৈহি অচমৰ দেশ,'
'তোমাকে লাহৰী/নেপাব লাগিলে/ধৰিমগৈ ফকিৰৰ বেশ।'

'আছে যদি কপালত/পঢ়িমগে কলেজত/হাতত ঘড়ী ফাউণ্টেন্ লৈ,
নাই যদি কপালত/হালে বাম পথাৰত/মূৰত ভগা জাপি লৈ।'
'উকিয়াই উকিয়াই/ৰেল গাড়ী চলিলে/মেজেঙাত গধূলি হ'ল,
তোমাক আনিম বুলি/বৰ ঘৰ সাজিলো/গৰু বন্ধা গোহালি হ'ল।'

মাধ্যযুগৰ পৰা অসমৰ সমাজ ব্যৱস্থাত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ, ঊনৈশ শতিকা পৰা কোম্পানীৰ আগমন, ঊনৈশ শতিকাৰ শেষ দশকত ৰেলগাড়ীৰ আগমন— কুৰি শতিকাত সমাজত পৰা অৰ্থনৈতিক, শৈক্ষিক প্ৰভাৱ আদি বিহু নামবোৰত সোমাবলৈ ধৰিলে।

## (তিনি)

## ফাটবিহুৰ ওৰ

ইতিহাস আৰু জনশ্ৰুতিয়ে কয়— মধ্যযুগৰ ফালে ৰঙালী বিহুৰ ঘাগি ঠাইবোৰৰ ভিতৰত উজনিৰ ৰংপুৰ আছিল অন্যতম। তেনেকৈ তাহানি কালৰ হবুং নামৰ সৰু ৰাজ্য খনৰ ভিতৰুৱা চাৰিকড়ীয়াৰ ফাটবিহু তলীকে উত্তৰ পাৰৰ উজনিত ৰঙালী বিহুৰ ঘাগি আছিল বুলিব পাৰি। কথাষাৰ শুনিবলৈ অতিৰঞ্জন যেন লাগিলেও— ফাটবিহুৰ ঐতিহ্য আৰু পৰম্পৰাৰ বিষয়ে এতিয়ালৈকে প্ৰকাশ পোৱা বহু চৰ্চিত বিভিন্ন বিজ্ঞ জনৰ প্ৰবন্ধ পাতিবোৰে ইয়াৰ সাক্ষ্য দিয়ে। কৃষিজীৱি কেইবাটাও নৃ-গোষ্ঠীয় জাতি-জনজাতিৰে ভৰা চাৰিকড়ীয়া নৈৰ দুয়োপাৰৰ লোক-সংস্কৃতিৰ ঐতিহ্য বাহক— ফাটবিহু। ধাৰ কৰা কথা এটিৰ আধাৰত ক'ব পাৰি— ফাটবিহুত যি নাই, উত্তৰ পাৰতে সি নাই; ফাটবিহুত যি আছে উত্তৰ পাৰত সেই সকলোবোৰ আছে। কালৰ নিষ্ঠুৰতাই ফাটবিহুৰ গৰিমা বহুখিনি ম্লান কৰিলে সঁচা; কিন্তু ফাটবিহুৰ পৰম্পৰা আৰু ঐতিহ্য আজিও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। এই আপাহতে সংস্কৃতি-সাধক হেমাঙ্গ বিশ্বাসৰ অভিমত এটিৰ উদ্ধৃতি দিওঁ—"অসমৰ ৰজাসকলৰ সুদীৰ্ঘ ইতিহাস লিপিবদ্ধ হৈ আছে বুৰঞ্জী সাহিত্যত। অসমৰ গ্ৰাম্যজীৱন আৰু কৃষিজীৱি সমাজৰ অবিছিন্ন অলিখিত ইতিহাস বিজড়িত হৈ আছে বিহু-সাহিত্যত।"

সম্ভৱতঃ অতীজৰ ৰজাঘৰীয়া পোষকতাত ৰংপুৰৰ বাকৰিত অনুষ্ঠিত হোৱা বিহু-ৰংৰহইচৰ আৰ্হি লৈ, ৰাজবিষয়াই কৰ-পচাঁ তোলা মেলামুখী চাৰিকড়ীয়া নৈৰ ফাটত ঝাও-ইকৰানিৰ মাজে মাজে থকা পকাবালিত থলুৱা জনগোষ্ঠীৰ বিহুৱা-বিহুৱতীসকল গোট হৈ নিজা সুৰ-বাদ্য-শৈলীৰ বৈচিত্ৰময় বিহু মাৰি চাৰিকড়ীয়াৰ





দুয়োপাৰে উখলমাখল লগাইছিল। ৰাজবিষয়াৰ অনুগ্ৰহ সমাদৰৰ লগতে থলুৱা ৰাইজৰ মেলামুখী আনন্দ উলাহৰ কিৰিলিত নৈ-ফাটৰ বিহুৱে চৌদিশ ৰজনজনাইছিল কালক্ৰমত ইয়ে পৰিণত হৈছিল ফাট-বিহুৰ পৰম্পৰালৈ। ফাটবিহুৰ ঐতিহ্যলৈ। ইতিমধ্যে ফাটবিহুৰ বিষয়ে বহুজন প্ৰতিষ্ঠিত লেখকে নিজা নিজা মন্তব্য আৰু পৰামৰ্শ আগবঢ়াইছে। তাৰে ভিতৰত দুই এজনৰ লেখনিত থকা কিছু কথাইহে আমাক শংকিত কৰে। তেখেতসকলে ফাটবিহুৰ তলী নগৰকাকৈয়ে অথবা ফাটবিহুৰ বিষয়ে বিশ্লেষণাত্মক চিন্তা-চৰ্চ্চা নকৰাকৈ ওপৰ চকুৱা হৈ ঠেকছিগা ধৰণৰ অভিমত গুৰু-গম্ভীৰ ভাষাত আগবঢ়োৱা পৰিলক্ষিত হৈছে।

বিহু বিশেষজ্ঞ বুঢ়াগোহাঁইয়ে তেখেতৰ "বিহু আকৌ যাবগৈ" নামৰ গ্ৰন্থত— ফাটবিহু শিতানৰ প্ৰবন্ধ এটাত "ফাটবিহু" যুৰীয়া শব্দটিৰ বুৎপত্তি সন্দৰ্ভত উল্লেখ কৰিছে ঃ

(১) বিহুৱা-বিহুৱতীয়ে যুৰীয়া জীৱনৰ পাতনি মেলিবলৈ পাই পলাই ফাট মাৰি গৈছিল।

(২) বিহুৱা-বিহুৱতী দলে ভাগ ভাগ হৈ বা ফাটি গৈ বিহু মাৰিছিল।

(৩) বিহুতলীৰ আনন্দৰ মাজত কেতিয়াবা হঠাৎ হৈ চৈ লাগি পৰস্পৰৰ কাজিয়া লাগি বাকী দৰ্শক সকলে আত্মৰক্ষাৰ বাবে পলাই ফাট মাৰে, তেনে কাৰণটো ফাট-বিহু হ'ব পাৰে।

(৪) চাওফা ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫১-৬০) এই ফাটৰ আৰম্ভণি হৈছিল।

উক্ত অভিমত কেইটা যুক্তিসংগত আৰু গ্ৰহণযোগ্য নহয়। শেষৰটো অভিমত একে আষাৰে নিশ্চিতকৈ নকৈ অনুমানিক বুলি কোৱা হেতেনহে গ্ৰহণযোগ্য হ'লহেতেন।

শেহতীয়াকৈ দুই এগৰাকী বিহু বিশেজ্ঞই ফাটবিহুৰ বিহু নাম বুলি এথোপা অবচীন বিহুনাম সংগ্ৰহ কৰি প্ৰচাৰ আৰু প্ৰকাশ কৰিছে। ফাটবিহুৰ বিহুনাম বুলি সংগ্ৰাহকক বিপথে পৰিচালিত কৰিছে নেকি- নাজানো। কিন্তু এই বিহুনামবোৰৰ নিজস্ব শব্দশৈলী অথবা সুৰীয়া মৌলিকতাৰ নাম গোন্ধ নাই। বিহুনামবোৰৰ নিজস্ব শব্দশৈলী বা শব্দবিন্যাসৰ এটা সুকীয়া সুৰীয়া বৈশিষ্ট্য আছে। এনে অৰ্বাচিনী বিহুনামবোৰত তাক পাবলৈ নাই; কাৰণ এইবোৰ কৃত্ৰিম আৰু ঠেকহীন। দুটামান উদাহৰণ দিওঁ।

'চাৰিকড়ীয়াত মাৰি যাও/চাৰিটাকৈ ভেকুলী/ফাটবিহুত মাৰি যাওঁ মাকো,
মিচিং আহিছে/দেউৰী আহিছে/মইনো বৈ কেনেকৈ থাকো।'
আচলতে ভেকুলী খাল ডোং আদিত থাকে আৰু চুক্ ভেকুলী ঘৰৰ চুকতহে থ
নৈত বা বোৱঁতী পানীত নাথাকে। সম্ভৱত ঃ ঘাই নামষাৰ আছিল এনেকুৱা ঃ
'চুকতে মাৰি যাওঁ/চুকৰে ভেকুলী/তাঁততে মাৰি যাওঁ মাকো;
লগৰ সমনীয়া/বিহুলৈ ওলাইছে/ঘৰত মই কেনেকৈ থাকো।'
আন এটি উদাহৰণ ঃ
'চাৰিকড়ীয়াৰ পাৰৰে/কহুঁৱা শুৱনি/চোমৰে চিৰিলি পাত,
বিহুৰ কথা ভাবি/তোমাকো নেদেখি/চেতনা নাইকীয়া গাত।'
ঘাই বিহুনামটি এনেকুৱা আছিল যেন পাওঁ ঃ
'নৈৰে কাষতে/কহুঁৱা এজুপি/চিৰিলি চিৰিলি পাত;
আজি ওৰে ৰাতি/তোলৈ মোৰ চিতনি/কাছুটি নাইকীয়া গাত।'

ম'হঘূলি চাপৰিত অতীজতে ফাটবিহু মৰা নাছিল; ফাটবিহু মাৰি
চাৰিকড়ীয়াৰ পাৰে পাৰে নৈৰ ফাটতহে। অৱশ্যে তাহানিৰ চাৰিকড়ীয়াৰ ধাৰ এ
দ'ৰে বৈ থকাও নাই। ম'হঘূলি চাপৰিৰ উল্লেখ থকা বিহুনামটি অৰ্বাচীন বোল
ইয়ো এটা কাৰণ।

'ম'হঘূলি চাপৰি/আহিবা লগৰী/ফাটবিহুৰ বতৰা পাই,
মিচিং আহিব/দেউৰীও আহিব/আমাৰ বিহু ভাঙোতা নাই।'
এই বিহুনামটিৰ মিহিকৈ পম এডাল তলত বিহুনামটিত থকা যেন পাওঁ।
'এপৰ দুপৰ কৰি/ৰাতি পাৰ হ'ব/আমাৰ বিহুত আমনি নাই,
ৰাতি পৰে পৰে/ফেঁচাই কুৰুলিয়াই/আমাৰ বিহু ভাঙোতা নাই।'

"বিহুৰ ৰূপ-ৰস আৰু তত্ত্ব" নামৰ অচ্যুত চন্দ্ৰশৰ্মা সম্পাদিত গ্ৰন্থ এখনত "ফাটবি
শীৰ্ষক প্ৰবন্ধ এটাত পূৰ্ণানন্দ শইকীয়াই ফাটবিহুৰ বিষয়ে কেইটামান বিতৰ্কিত ক
লিখিছে। ......."বিহুৰে এক বিলুপ্ত আঞ্চলিক ৰূপ ঢকুৱাখনাৰ ফাটবিহু কিন্তু ফাটবি
বিহুৰ বিলুপ্ত আঞ্চলিক ৰূপ জানো? ফাটবিহু বিলুপ্ত হোৱা নাই। বিহুৰ আগৰ গু
গৰিমা হেৰাবলৈ লৈছে হয়, কিন্তু বিলুপ্ত নিশ্চয় হোৱা নাই। তাৰ পাছতে উ
বাক্যটিৰ সম্পূৰ্ণ বিপৰীত ধৰ্মী তেখেতৰে ফাটবিহুৰ বিষয়ে মন্তব্যটি এনেধৰণৰ ......
"আহোম আমোলতে 'ফাটবিহুৰ' উৎপত্তি হোৱা বুলি অনুমান হয়। মানৱ দিন প





হৈ গ'ল। বগা বঙালে দেশ ল'লেহি। ফাটবিহু তথাপি নমৰিল।"

আৰু লিখিছে—'মিচিমি আহিব বৰ বিহু আনিব, তাকে খাই পাহৰিম তোক'— পাহাৰীয়া লোকসকল ভৈয়ামলৈ বাণিজ্যিক উদ্দেশ্যেৰে অহাৰ কথা বিহু নামষাৰে সমৰ্থন কৰে। কিন্তু সেই সকলৰ সৈতে স্থানীয়লোকে ফাট পাতিছিল তাৰ উল্লেখ কোনো বুৰঞ্জীত আমি পোৱা নাই। অন্য ঠাইত বহা ফাটৰ কথা বুৰঞ্জীত আছে আৰু ঢকুৱাখনাত ফাটবিহু উদযাপিত হৈছিল। সেই কাৰণেই ইয়াতো ফাট বহিছিল বুলি অনুমানহে কৰিব পাৰি তাক বিজ্ঞানসন্মত ঐতিহাসিক সত্য বুলি মনা টান।"

বুৰঞ্জীত উল্লেখ নাই বুলিয়ে ঢকুৱাখনাত (চাৰিকড়ীয়াৰ পাৰত) ফাট বহিছিল ই ঐতিহাসিক সত্য নহয় বুলি পোনছাটে উৰাই দিয়া যুক্তিসংগত অভিমত হৈছেনে? লুইতৰ দক্ষিণ পাৰৰ ৰজাঘৰীয়া সম্পৰ্কীয় বহু অলাগতিয়াল কথাও বুৰঞ্জীত আছে কিন্তু উত্তৰ পাৰৰ বহু উল্লেখযোগ্য ঘটনা পৰিঘটনাৰ কথাও বুৰঞ্জীত নাই বুলি কোৱা কথাষাৰ অলপ অধিক হ'ল নেকি! শইকীয়াই সঁচাকৈয়ে আটাইবোৰ বুৰঞ্জী পঢ়িলে নেকি? বুৰঞ্জীত পোৱা নাই মানে কোন বোৰ বুৰঞ্জীৰ কথা শইকীয়াই কৈছে? যদি অসমৰ বুৰঞ্জীৰ কথা কৈছে তেন্তে অসমীয়া ভাষাত থকা; ইংৰাজী অনুবাদ; টাইভাষাত থকা আটাইবোৰ বুৰঞ্জী শইকীয়াই পঢ়ি ঢকুৱাখনাৰ ফাটবিহুৰ বিষয়ে পোৱা নাই। নহয়জানো? বহু বুৰঞ্জীযে এতিয়াও প্ৰকাশ নোহোৱাকৈ আছে, বহু বুৰঞ্জীযে হেৰাল বা লুপ্ত হ'ল সেই কথাও শইকীয়াই - নিশ্চয় নজনা নহয়। তেন্তে শইকীয়াৰ বুৰঞ্জীত নাই বোলা কথাষাৰ আমি কি বুলি গ্ৰহণ কৰিম? সকলো কথাযে বুৰঞ্জীত থাকিলেহে সত্য অথবা বাস্তৱ হ'ব এনে কথাও আমি শুনা নাই। "ফাট বহিছিল বুলি অনুমানহে কৰিব পাৰি" বুলি শইকীয়াই কোৱা কথাষাৰত কওঁ শইকীয়াৰ অনুমানটিও অনুমানৰ ওপৰত ভেটি কৰি পোৱা অনুমানহে-। সেয়ে অসম্ভৱ বুলি নিশ্চিত হৈ কৰা অনুমানহে, সম্ভাৱনাৰ ওপৰত কৰা অনুমান নহয়। অৰ্থাৎ চাৰিকড়ীয়াৰ পাৰত (ফাটত) নাৱেৰে আহি বেহাবেপাৰ চলিছিল বা কৰিছিল, কৰ পচা ৰাজহ আদি দিয়া হৈছিল এনে সম্ভাৱনা শইকীয়াই নুই কৰিছে। কিন্তু ঢকুৱাখনাৰ জনজীৱনত দেখ দেখকৈ অতীতৰ পৰা সাম্প্ৰতিক সময়লৈকে বানে গৰকা অঞ্চল কাৰণে আজিও বহুসময়ত নাৱেৰে বেপাৰ-বাণিজ্য চলে। এনে কি যাতায়তো চলি আছে। শইকীয়াৰ অনুমানটোত ঈৰ্ষণীয় মানসিকতাই ক্ৰিয়া (ক্ৰীড়া?) কৰা নাই নিশ্চয়।

"সৰুতে ককা আৰু সমনীয়া সকলৰ মুখত শুনা এষাৰ কথা— আনন্দ অধীৰ হৈ কিৰিলি পাৰি জঁপিয়াই ফুৰা ল'ৰা ছোৱালী দেখিলে তেওঁলোকে শাস সুৰত প্ৰশ্ন কৰে—"গাত ফাটবিহু লাগিছে নেকি ?" তেতিয়া ফাটবিহু সম্পৰ্কীয় কো কৌতুহল বা অনুসন্ধিৎসা মনলৈ অহা নাছিল। এতিয়া ৰ'দো গ'ল বেলিও গ'ল পিছে এটা কথা নহয়, "ৰ'দ গ'ল" হয় কিন্তু অতীত ইতিহাস, ঐতিহ্য-পৰম্প হেৰাই বিলুপ্ত হোৱা হেঁতেন— "অতীত ভাৰতৰ বুৰঞ্জী সম্বল" জাতীয় পাঠ এ ভাৰত বুৰঞ্জীৰ আদি চোৰাত গাঁঠি নিদিলেহেঁতেন। আকৌ ঐতিহ্য পৰম্পৰা কেৱ বুৰঞ্জীৰ পাতত পোৱা বিষয় নহয়।

প্ৰবন্ধটোৰ শেষত উল্লেখ থকা এটি মন্তব্য আৰু এঢাপ আপত্তিজনক— "যোৱা দশকৰ পৰা স্থানীয় যুৱক সকলে পুনৰ 'ফাট বিহু' নাম দি ঢকুৱাখনা আঞ্চলিক বিহু সন্মিলন পাতিবলৈ ধৰিছে। কিন্তু আধুনিকতাৰ বতাহে কোনো নগৰমুখী মঞ্চ নিৰ্ভৰ বিহুত আগৰ প্ৰাকৃতিক পৰিবেশ আৰু স্বতঃস্ফূৰ্ত্ত প্ৰাণোল্লা অনুপস্থিত।"

যোৱা দশকমানে সম্ভৱতঃ প্ৰবন্ধকাৰে (গ্ৰন্থ প্ৰকাশ ১৯৯১) নব্বৈ দশক কথা কৈছে। পিছে তথ্যটি শুদ্ধ নহয়। আৰু স্থানীয় যুৱক সকলে পুনৰ "ফাটবিহু' নাম দি আঞ্চলিক বিহু পাতিবলৈ ধৰিছে "বোলা কথাষাৰত বক্ৰোক্তি এটা থক যেনহে লাগিল। কেৱল যুৱক সকলে নহয়— ঢকুৱাখনা তথা ঢকুৱাখনাৰ বাহিৰ অনেক ৰসজ্ঞ আৰু সাংস্কৃতিক মনৰ লোকৰ সৌজন্যত ঢকুৱাখনাৰ ডেকা-গাভৰু বুঢ়া-থেৰা আৰু সকলো জনগোষ্ঠীৰ লোকৰ সহায়-সহযোগত ঢকুৱাখনাত ফাটবিহু আগতকৈ দুগুন উৎসাহ উদ্দীপনাৰে ঐতিহ্যময় ৰূপত অনুষ্ঠিত হৈ আহিছে। 'ফাটবিহু' আঞ্চলিক বিহু সন্মিলন যে নহয়েইনে ইয়াত আধুনিকতাৰ এছাটি বতাহো নলগাকৈ অতীত ঐতিহ্য পৰম্পৰা ৰক্ষাৰ সংকল্পৰে পালন কৰাৰ বাবে ঢকুৱাখনীয়া ৰাইজ মাৰ বান্ধি লাগিছে। "বিহু সন্মিলন" আৰু "ফাটবিহু" সমাৰ্থক বুলি ভবাৰ স্থল হ'লে আমি দেখা নাই। ফাটবিহুৰ স্বকীয় ঐতিহ্য আৰু বৈশিষ্ট্যৰ ওপৰত ইতিমধ্যে বে কিছু চিন্তা চৰ্চা হৈছে। অতীতক যথাযথ ভাবে কোনেও ধৰি ৰাখিব নোৱাৰে। অৱশে শইকীয়াই এঠাইত কৈছে "ফাটবিহু ঢকুৱাখনাৰ সাংস্কৃতিক ঐতিহ্য।" তেন্তে ফাটবিহু শইকীয়াই নিজেই কোৱাৰ দৰেই -"আঞ্চলিক বিহু সন্মিলন নহয়।" ❑



# ফাটবিহু সম্পৰ্কে

ড° বিশ্বজিৎ বৰুৱা

আজিৰ পৰা কিছুবছৰৰ আগলৈকে ঢকুৱাখনাৰ ফাটবিহুৰ সম্পৰ্কে আমাৰ কোনো বিশেষ জ্ঞান নাছিল। বিশেষ কাৰণত লখিমপুৰলৈ যাওঁতে এই বিষয়ে কিছু পৰিমাণে অৱগত হৈছিলো যদিও ইয়াৰ গুৰুত্ব উপলব্ধি কৰাটো আমাৰ দ্বাৰা সম্ভৱ হোৱা নাছিল। কিন্তু বিগত বছৰ কেইটাত ঢকুৱাখনাৰ ফাটবিহুৰ সম্পৰ্কে বিভিন্ন কাকত-আলোচনীত ইমান আলোচনা বিলোচনা হৈছে যে ইয়াৰ বিষয়ে এতিয়া প্ৰতিজন অসমীয়া সংস্কৃতি প্ৰেমী লোকেই অৱগত বুলি মই ক'ব পাঁৰো। তদুপৰি চলিত শিক্ষাবৰ্ষতে ঢকুৱাখনাৰ এজন ছাত্ৰই ডিব্ৰুগড় বিশ্ববিদ্যালযত অধিনত মোৰ তত্বাবধানতে উক্ত বিষয়টোতে গৱেষনা চলাই আছে। গতিকে ঢকুৱাখনাৰ ফাটবিহু আৰু মোৰ মাজত এতিয়া কিমান ওচৰ সম্পৰ্ক সেয়া নিশ্চয় সহজেই অনুমেয়। যদিও মই প্ৰত্যক্ষভাৱে ফাটবিহু এতিয়ালৈকে উপভোগ কৰা নাই।

স্বকীয় বৈশিষ্ট তথা সংস্কৃতিৰে সমৃদ্ধ প্ৰত্যেক ব্যক্তি বা ঠাইৰ একোটা পৰিচয় থাকে। ঢকুৱাখনাৰ ফাটবিহু হৈছে ঢকুৱাখনাৰ সুকীয়া পৰিচয়। আহোম যুগৰে পৰা প্ৰচলিত ঢকুৱাখনাৰ ঐতিহ্যবহনকাৰী এই লোক উৎসৱটোৰ পৰম্পৰা আজিলৈ ৰক্ষা কৰি থকাৰ বাবে সদৌ ঢকুৱাখনাবাসী ধন্যবাদৰ পাত্ৰ। পুৰণি হাবুঙীয়া বাসীৰ দৰে বৰ্ত্তমানৰ ঢকুৱাখনা বাসী ফাটবিহুৰ জৰিয়তে সমগ্ৰ অসম তথা ভাৰতবৰ্ষত জিলিকি উঠক এই মুহূৰ্ত্তত এয়াই মোৰ একান্ত কামনা।

হাবুং অৰ্থাৎ বৰ্ত্তমানৰ ঢকুৱাখনা এক উল্লেখযোগ্য ঠাই হিচাপে বিবেচিত হৈ আহিছে। এই অঞ্চলতেই ভূঞা আৰু চুতীয়া সকলে নিজৰ নিজৰ ৰাজ্য স্থাপন কৰি প্ৰৱল প্ৰতাপেৰে শাসন চলাই আছিল। আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা চুকাফাই ১২৪০ খৃঃত ৰাজধানী স্থাপনৰ বাবে সুবিধাজনক ঠাই বিচাৰি হাবুঙলৈ আহে আৰু তিনিবছৰ দিন ইয়াত আছিল বুলি বুৰঞ্জীত উল্লেখ আছে। বুৰঞ্জীবিদ এড্ৱাৰ্ড গেইটৰ মতে আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত আহোম সকলে ১৫১২ খৃঃত চুতীয়া সকলক পৰাস্ত কৰি এই গোটেই অঞ্চলটো নিজৰ দখললৈ আনে। বুৰঞ্জীৰ অন্যান্য কিছুমান সমলৰ পৰা জনা যায় যে এই হাবুঙতেই আহোমসকলৰ কেইবাখনো

গুৰুত্বপূৰ্ণ যুদ্ধ সংঘটিত হৈছিল। মানৰ বিৰুদ্ধে আহোমসকলৰ এখন ডাঙৰ যুদ্ধ এই অঞ্চলৰ 'ঘিলামৰাত' সংঘটিত হোৱাৰ কথা আজিও মানুহৰ মুখে মুখে শুনা যায়। এনে এখন ইতিহস প্ৰসিদ্ধ অঞ্চলৰ মানুহে অতীতৰ পৰা বৰ্ত্তমানলৈকে সন্মুখীন হোৱা ডাঙৰ সমস্যাটো হৈছে বানপানী সমস্য। বুৰঞ্জীৰ সমল সমূহৰ মতে স্বৰ্গদেউ চুকাফাই এই বানপানীৰ সমস্যাৰ বাবেই হাবুঙত স্থায়ী ৰাজধানী স্থাপন কৰিব পৰা নাছিল। কিন্তু অতি পৰিতাপৰ কথা যে বৰ্ত্তমান সময়তো চৰকাৰৰ উপযুক্ত কাৰ্যকৰী ব্যৱস্থাৰ অভাৱত বানপানী সমস্যাটোৱে ঢকুৱাখনাবাসী ৰাইজক জুৰুলা কৰিয়েই আছে। সেয়েহে অসমৰ অন্যান্য অঞ্চলৰ তুলনাত ঢকুৱাখনা অঞ্চলৰ লোকসকলৰ উন্নয়নৰ হাৰ মন্থৰ।

অৱশ্যে অৰ্থনৈতিক ভাৱে পিছপৰা হ'লেও ফাটবিহুৰ পৰম্পৰা ৰক্ষাৰ জৰিয়তে সাংস্কৃতিক ভাৱে ঢকুৱাখনা বাসীয়ে এতিয়াও পুৰণি ঐতিহ্য ৰক্ষা কৰি আহিছে। ঢকুৱাখনা অঞ্চলত বাস কৰা বিভিন্ন জাতিগোষ্ঠী যেনে আহোম, চুতীয়া, কছাৰী, দেউৰী, মিচিং, কোঁচ, কলিতা আদি সম্প্ৰদায়ৰ নিজ নিজ কৃষ্টি সংস্কৃতি এতিয়াও জীয়াই ৰাখিছে আৰু এইবোৰ প্ৰতিফলিত হয় চাৰিকড়ীয়া নদীৰ পাৰৰ ফাটবিহু তলীত। ফাটবিহুৱে কেৱল যে সাংস্কৃতিক বৈচিত্ৰতাকে প্ৰতিফলিত কৰিছে বা পুৰণি ঐতিহ্যকে সংৰক্ষণ কৰিছে এনে নহয়— ই অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটিৰ নিজস্বতা আৰু বিশুদ্ধতাও ৰক্ষা কৰিছে। বৰ্ত্তমান সময়ত আমাৰ চেনেহৰ ৰঙালী বিহুটিয়ে বিভিন্ন সময়ৰ মাজেৰে পাৰ হৈ আহি বিভিন্নজনৰ সংস্পৰ্শত পৰি কি ৰূপ গ্ৰহন কৰিছে সেয়া আমি নকলেও সকলোৱে জ্ঞাত। কিন্তু ফাটবিহু এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যতিক্ৰমী।

ঢকুৱাখনাৰ ফাটবিহুৰ আন এটা দিশে মোক বিশেষভাৱে আকৰ্ষিত কৰিছে, সেয়া হৈছে— ঐক্য সংহতি ৰক্ষাৰ ক্ষেত্ৰত ফাটবিহুৰ ভূমিকা। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে ঐক্য সম্প্ৰীতি ৰক্ষাৰ প্ৰত্যেক উৎসৱ অনুষ্ঠানৰেই বৰঙনি থাকে। কিন্তু ফাটবিহুৰ ক্ষেত্ৰত এই অৱদান বা প্ৰভাৱ অলপ বেলেগ ধৰণৰ। ঢকুৱাখনাৰ ফাটবিহু কোনো এটা জাতি বা সম্প্ৰদায়ৰ অনুষ্ঠান নহয়. ই ঢকুৱাখনাৰ সমূহ জাতি, গোষ্ঠী সম্প্ৰদায়ৰ উমৈহতীয়া অনুষ্ঠান। ইয়াত সকলোৱে মুক্তমনে অংশ গ্ৰহণ কৰিব পাৰে, ভাৱৰ আদান-প্ৰদান কৰিব পাৰে। ফাটবিহু তলীৰ এই সম্প্ৰীতিয়ে বছৰটোৰ





বাকী সময়ছোৱাতো ঢকুৱাখনাবাসীক গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে। সেয়েহে অসমৰ বিভিন্ন অঞ্চলত গোষ্ঠী সংঘৰ্ষ হ'লেও ঢকুৱাখনাত তাৰ উদাহৰণ দেখিবলৈ পোৱা নাযায়।

পৰিৱৰ্তন এটা স্বাভাৱিক প্ৰক্ৰিয়া। সময়ৰ লগে লগে সকলো বস্তু বা প্ৰক্ৰিয়ালৈ পৰিৱৰ্তন অহাতো স্বাভাৱিক আৰু অৱশ্যম্ভাবী। এই নীতি অনুসৰি ঢকুৱাখনাৰ ফাটবিহুতো কিছু পৰিৱৰ্তনে দেখা দিছে। উল্লেখযোগ্য যে ১৯১৮ চনতে ফাটবিহুৰ প্ৰকৃত পুৰণি ৰূপটোৰ অন্ত পৰে। ইয়াৰ প্ৰধান কাৰণ আছিল ১৯১৮ চনত সংঘটিত হোৱা 'লুটপাত'ৰ ঘটনা। এই ঘটনাৰ পাছৰ পৰা ঢকুৱাখনাত কিছুবছৰলৈ 'ফাটবিহ' উদ্‌যাপনেই কৰা হোৱা নাছিল। পৰৱৰ্তী সময়ছোৱাত ১৯২৪, ১৯৪৮, ১৯৫৮ আৰু ১৯৬৫ চনত ফাটবিহুক পুণৰ নতুন ৰূপেৰে আনুষ্ঠানিকভাৱে পালন কৰিবলৈ চেষ্টা চলোৱা হয় যদিও ই ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাছিল। ১৯৭৬ চনৰ পৰাহে ফাটবিহুক আনুষ্ঠানিক ৰূপত ধাৰাবাহিক ভাৱে পালন কৰি অহা হৈছে। এইটো কথা স্বীকাৰ কৰিবই লাগিব যে ইমানবোৰ পৰিৱৰ্তনৰ মাজেদি অহাৰ পাছতো ফাটবিহুৱে যথেষ্ট পৰিমানে ইয়াৰ নিজস্ব বৈশিষ্ট কিছুমান ধৰি ৰাখিব পাৰিছে। আমি ইয়াক আৰু অধিক নিজৰ ৰূপত সজায় তুলিবলৈ যত্ন কৰিব লাগিব। কাৰণ ইয়াৰ স্বকীয়তাই হৈছে ইয়াৰ পৰিচয়। সময়ৰ লগে লগে আগবাঢ়ি যাবৰ বাবে কিছুমান পৰিৱৰ্তনক আমি আদৰণি জনাবই লাগিব। ই নিঃসন্দেহে সত্য। কিন্তু পৰিৱৰ্তনৰ নামত আমি ইয়াৰ স্বকীয়তাক কেতিয়াও এৰি পেলাব নোৱাৰো। অন্যথাই অসমৰ বাকী আধুনিক বিহু উৎসৱ সমূহৰ লগত ইয়াৰ কোনো পাৰ্থক্য নাথাকিব।

সামৰণিত মই এটা কথা অৱগত কৰিব বিছাৰিছো যে ফাটবিহুৰ ক্ষেত্ৰত পৰ্যটনৰ সম্ভাৱনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে ইয়াৰ বাবে সুচিন্তিত পৰিকল্পনা আৰু স্থানীয় ৰাইজ তথা চৰকাৰে সহায় সহযোগিতাৰ একান্তই প্ৰয়োজনীয়তা আছে। যদি পৰ্যটনৰ ক্ষেত্ৰত ফাটবিহুৱে আগবাঢ়ি যাব পাৰে, তেন্তে স্থানীয় কিছুসংখ্যক যুৱক-যুৱতীৰ লগতে অঞ্চলটোৰ সামগ্ৰীক উন্নয়নত ই যথেষ্ট সহায়ক হ'ব।❑

# বোৱালগুৰিৰ ৰাতিবিহু

## আৰু ইয়াৰ ঐতিহাসিক ৰূপৰেখা

ডিম্বেশ্বৰ গগৈ

আমাৰ জন্মৰ বহু আগতেই ৰাতিবিহু লুপ্ত হ'ল। দেখাৰ সৌভাগ্য নহ'ল। সেই কৰণে দূৰ অতীতত অসমৰ গাঁৱে-ভূঁয়ে প্ৰাণৱন্ত হৈ থকা ৰাতি বিহু শব্দটোত এটা মিঠা ব্যঞ্জনা লুকাই আছে যেন অনুভৱ কৰো। ৰাতিবিহু বুলিলে মন ৰোমাঞ্চিত হৈ উঠে। কেনেকুৱা বা আছিল ৰাতিবিহুৰ স্বৰূপটো? বেছি দূৰলৈ খেপিয়াব নেলাগেই। 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' আমাৰ জয় জননী জন্ম ঠাই ঢকুৱাখনাৰখ দীঘলা গাঁৱতো উপৰি পুৰুষ তাহানিৰ ডেকা-গাভৰু সকলে মৰম-বেথা, প্ৰেম-পিৰীতিৰ এনাজৰীৰে বান্ধ খাই সমাজ বন্ধনীয়াকৈ ৰাতিবিহু পাতি দেহ-মন সজীৱ কৰি জীৱনৰ জয় গান গাই কাললৈ খ্যাতি ৰাখি থৈ গৈছে। সেই মন পৰশা সেউজীয়া উন্মাদনাৰ কথাবোৰ বিয়াই-সবাহে সকামে-নিকামে, তিথি-ভাওনাই ৰাজহুৱা কামত লাগি থাকোঁতে বুঢ়া-মেথা, আই-বাই সকলে সোঁৱৰণ কৰা মধুৰ আলাপ সৰুৰে পৰা আমাৰ কাণত পৰিছিল। সিবোৰ আছিল কথকৰ উচ্ছ্বাস ভৰা অতীতৰ মুকুতামণি যেন স্থানীয় বুৰঞ্জী। তাকে তুলি-পাৰি ৰেহা লগাই লিপিবদ্ধ কৰি ৰাখিবলৈ তেতিয়া আমাৰ দৰে মুৰুখমতীৰ জ্ঞান বুদ্ধিও থোপ খোৱা নাছিল। কেতিয়াবা আকৌ বুঢ়া-বুঢ়ী বোৰে কিনো পুৰণি কথাবোৰকে পেঘেনীয়াই থাকে। সেইভাৱত নুশুনা দূৰত্বলৈ আঁতৰি যাওঁ। যেতিয়া অলপ জনা বুজা হ'লো— ফটা কথাঁতহে দেখোন সোণ আছে! বোলে— 'আগে নাজানিলো এবেসে নাজনিলো, তেন্তে তুমি ছিৰিৰাম।' জীৱন্ত বুৰঞ্জী স্বৰূপ বুঢ়া-বুঢ়ীবোৰচোন মৰি সাজিয়েই শেষ হবৰ হ'ল। যি দুই-চাৰি গৰাকী মৃত্যু পথৰ যাত্ৰী হ'বলৈ সংসাৰৰ বেহানি সামৰি বাটচাই আছিল তেওঁলোককে কুটুৰিবলৈ ধৰিলো— দীঘলা গাঁৱঁৰ ৰাতিবিহুনো কেনেকুৱা আছিল। চিৰ প্ৰবাহমান সময়ৰ পকনীয়াত পৰি অতীতৰ সমাজ ব্যৱস্থাৰ, জীৱন-জীৱিকাৰ প্ৰণালী, ভৌগলিক পটভূমিৰ ৰং দ্ৰুত গতিৰে সলনি হৈছে। আধুনিকতাৰ চাক-চিক্যত এৰি অহা দিনৰ কথা সোঁৱৰণ কৰিবলৈ লৈ সেইসকলো বিপাঙত পৰিছে। তথ্যৰ পেটাৰি পাহৰণি ৰাক্ষসিনীয়ে গ্ৰাস কৰিবলৈ ধৰিল। কেতিয়াবা লগ সমনীয়াৰ নামো পাহৰি থাকে, দুকুৰি আঢ়ৈকুৰি বছৰ সংসাৰ ঘোচামৰ জৰীৰে বান্ধখাই থকা পাটীৰ তিৰোতাগৰাকীৰ নামো 'ডাঙৰ আইটিৰ মাক' হৈ থাকে — ঘাই নামটো নাহেহে নাহে। বোলে—





'আমাৰ শতৰুতু মৰাত ৰাতিবিহু নকৰিলে।' শতুৰুটোনো তেওঁৰ লগত কি সম্বন্ধ? চনটোবা কি? তাহানিৰ নামে-গুণে গাওঁখন জিনি থকা বুঢ়ী বিহুৱতী গৰাকীয়ে নামত কেঁৰা লাগিলে নাতি-পৰিনাতি সম ক্ষেত্ৰঅধ্যয়নকাৰী এই নিঃকিনটো বা লেখকৰ নিশকতীয়া বাহুমূলত ধৰি পৰম দুখেৰে গাইছিল—

*"নামৰো আছিলো ঘাই ঐ মইনা*
*পদৰো আছিলো ঘাই;*
*নামো পাহৰিলো পদো পাহৰিলো*
*শহুৰৰ বৰেঘৰ পাই।"*

সেয়া অন্তৰতম প্ৰদেশৰ পৰা ভাঁহি অহা বিষাদৰ হুমুনিয়াহ।

নিজৰ কথা ৰাজহুৱাভাবে জাহিৰ কৰাটো শোভনীয় নহয় বুলি জানিও তথ্য আহৰণৰ খাতিৰত এই ফেদেলী-পুৰাণ মেলিব লগা হ'ল। তাৰ বাবে পঢ়ুৱৈ ৰাইজে দোষী সাব্যস্ত কৰিলে মোৰ প্ৰতি অন্যায় কৰা হ'ব।

ঢকুৱাখনা অঞ্চলৰ এখন পুৰণি ৰাতিবিহু খোলাৰ বিষয়ে জনাব খুজিছো। সেইখন হ'ল— দীঘলা গাঁৱৰ বোৱালগুৰিৰ ৰাতিবিহু। এই বিষয়ে আজিলৈকে কোনেও ক'তো লিখা নাই। বিহুতলীখনৰ বিষয়ে আঁতিগুৰি জনাবলৈ হ'লে দুটামান ঐতিহাসিক কথাৰো জেৰ টানিব লগীয়া হয়। বিংশ শতিকাৰ দ্বিতীয়-তৃতীয় দশক মানলৈকে এই বিহুতলীখন সজীৱ হৈ আছিল। আজিকালি বিহুতলীখন যে নায়েই বোৱাল গছৰ নাতি-পুতিৰো চিন চাব নাই। সেইবোৰ গাঁৱৰ মানুহৰ চোমনি আৰু শালিতলীলৈ পৰ্যবসিত হ'ল। এতিয়া গাঁৱৰ দুগৰাকীমান অশীতিপৰ বৃদ্ধ-বৃদ্ধাৰ বাহিৰে সেই ঠাইখনত এসময়ত গাঁৱৰ মূল বিহুতলীখন আছে বুলি ক'লে মিছা কথাৰো এটা সীমা আছে— এনে মন্তব্য দিব। তথাপিও কোনোবাই সঠিক অৱস্থান জানিবলৈ বিচাৰিলে কওঁ— ওখ চানেকীয়া সেই ঐতিহাসিক বিহুতলীখনৰ ওচৰতে দীঘলা গাঁৱৰ বাসিন্দা শ্ৰী হৰেণ গোঁহাইৰ চোমনি এডৰা আছে।

বুৰঞ্জীপ্ৰসিদ্ধ দিলিহিয়াল ফৈদৰ ৰাজমন্ত্ৰী দীঘলা বুঢ়াগোহাঞিৰ বংশধৰ সকলৰ এভাগে মানৰ আক্ৰমনত জুৰুলা হৈ দক্ষিণপাৰৰ পৰা উঠি আহি উত্তৰ পাৰৰ হাবুঙত আহি খাত-পাম খাইছিল। তেওঁলোকে পোনতে ব্ৰহ্মপুত্ৰৰ পাৰৰ দীঘলগড়তে থাকি উত্তৰলৈ উজাই আছে। তেওঁলোকৰ পুৰণি ঘৰবাৰী থকা গাওঁখনৰ নাম গোঁহাইবাৰী হ'ল। খাত-পামখিনিক দীঘলা চাপৰি। বংশ বৃদ্ধি হৈ উত্তৰপাৰত বুঢ়াগোঁহাই সকলৰ কেইবাখনো গাওঁ হ'ল। দীঘলা চাপৰিত বসবাস কৰাসকলৰ

গাওঁখনৰ নাম— দীঘলা গাওঁ হ'ল। দীঘলা গাঁৱৰ পৰা ডিব্ৰুগড়লৈ গৈ নতুনকৈ গাওঁ পতা সকলেও তেওঁলোকৰ পুৰণি নামটোকে অনুসৰণ কৰি দীঘলা গাওঁ না দিলেগৈ। ঢকুৱাখনাৰ এই দীঘলা চাপৰিৰে একাংশত সেইসময়ত কিছুসংখ্যক গৰীয়া লোকে বাস কৰিছিল। তেওঁলোক যুদ্ধবন্দী মোগল নে সামাজিক কাৰণত গৰীয়া পেলাই থোৱা আৰু পিছলৈ ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা স্থানীয় লোক জ নাযায়। তেওঁলোকৰ ধৰ্মবিচৰণ খিনিক বাদ দি বাকী কাম-কাজবোৰ সম্পূৰ্ণ থলুৱা মানুহৰ লগত মিল থকা। তেওঁলোকে চুৰিয়া পিন্ধিছিল, আসন পাতি আই সকা কৰিছিল বুলি শুনা যায়। অধ্যাপিকা শ্ৰীমতী জয়শ্ৰী বুঢ়াগোহাঞে— গৰীয়া কেইঘ বুঢ়াগোহাঞিৰ বিলাতৰ বন্দী পাইকহে আছিল বুলি এঠাইত উল্লেখ কৰিছে। উপৰ্য্যুপৰি মানৰ আক্ৰমনত আহোম ৰজাদিনীয়া বিষয়া বৰ্গৰো সাফি লৰিছিল। ইয়াণ্ডাবু সন্ধিপত্ৰ অনুসৰি বৃটিছে অসম দেশ অধিকাৰ কৰাৰ লগে লগে তেওঁলোকৰ ঘৰত গা-খাটি শ্ৰম দান কৰা পাইকসকলো মুকলি হ'ল। বুঢ়াগোহাঞিঃ সকলৰ খাত দীঘলা চাপৰিৰ অন্তৰ্গত গৰখীয়াসকলে বসবাস কৰা ঠাইখনকেই গৰীয়া চালাং বোলে। তেওঁলোকে হাবি কাটি মুকলি কৰা ঠাইক গৰীয়া কাটনি, গৰীয়া পথাৰ; কাযেদি বৈ যোৱা জানটোক গৰীয়াজান বোলা হৈছিল। চালাং মানে কি বুজায় সঠিককৈ ক'ব নোৱাৰি। অভিধানতো সন্নিবিষ্ট হোৱা নাই। কাছৰ পিঠিৰ ওখ কঠিন আবৰণখনক চলং বোলে। কাছ পিঠিৰ ওখ আহলবহল ভূমিখণ্ডকো চলং বুলিব পায়। ভাষাৰ স্বাভাৱিক সৰলীকৰণ পদ্ধতিত স্বৰাগম হৈ চলং>চালাং হ'ল। এই দীঘলা চাপৰি-গৰীয়া চালাঙৰ মাজেদি এটা সামন্ত যুগীয়া আলিবাট আছিল। তাৰ নাম হাঁহ খোৱা আলি। বুৰঞ্জীৰ তথ্যমতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত উমা ডেকা বৰবৰুৱাই শিৱসাগৰ পুখুৰীৰ উত্তৰ পাৰৰ পৰা দিচাংমুখ হৈ উত্তৰ পাৰলৈ এটা আলিবাট নিৰ্মাণ কৰিছিল; যিটোক ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে আজিও বৰবৰুৱা আলি নামেৰে জনাজাত। উত্তৰ পাৰত টেকেলিফুটাৰ পৰা ঢকুৱাখনা—দীঘলা চাপৰি-বাঘেচপলীয়াল-ঘিলামৰ-মণিপুৰী থান হৈ বৰদলনিৰ ৰাজগড়লৈকে এই আলিটো সম্প্ৰসাৰিত। ইয়াত বৰবৰুৱা আলি নহৈ হাঁহ খোৱা আলিহে হ'ল। বোধকৰো দক্ষিণ পাৰৰ দৰে জনবসতি স্থায়ী নোহোৱাৰ বাবে নাইবা মাটিৰ গঠন উপযোগী নোহোৱাৰ বাবে উত্তৰ পাৰৰ আলিটো দক্ষিণপাৰৰ দৰে মজবুত নহ'ল। দীঘলা চাপৰিৰ গৰীয়া চালাঙতে এটা তিনি আলি সৃষ্টি হৈছিল। এটা চাউৰকীয়া গাঁৱৰ ফালৰ পৰা অহা, আনটো পানীভগা মুখ—বান্তৌ—জালভাৰী





ফালৰ পৰা অহা আলিবাট তাতেই সংযোগ হৈছিল। এই অঞ্চলৰ হাঁহখোৱা আলিৰ সন্নিহিত গোঁহাইবাৰী, সতিনী পুখুৰী (বিল) বান্তৌ পুখুৰী, বৰপুখুৰী, পদুমণি পুখুৰী, যোগীটিকা, কেমেৰা পুখুৰী আদি মানৱসৃষ্ট ৰীতি চিহ্নৰ পৰা অনুমান কৰিব পৰি যে এই অঞ্চলবোৰত মানুহে ঘৰবাৰী পাতি বসবাস কৰি আহিছিল। নানা ৰাজনৈতিক ঘমঘন্ট, প্ৰাকৃতিক দুৰ্য্যোগ, হাইজা-বৰআইৰ নিচিনা ভয়াবহ ৰোগব্যাধি আদিয়ে ৰাইজক জোলোকা-জোলোকে পানী খুৱাইছিল। ফলত মানুহৰ হ্ৰাস-বৃদ্ধি হৈ আহিছিল। বৃটিছসকল অহাৰ লগে লগে বুঢ়াগোহাঞি ফৈদৰ কেইটামান পৰিয়ালৰ লগতে বৰপাত্ৰ গোহাঞি, ডিবৰুৱাল, দিহিঙীয়া, লুখুৰাখন, বাপু বৰুৱাৰ বংশ আৰু বিভিন্ন ফৈদৰ গগৈদেউসকল আহি দীঘলা গাঁৱত বসতি বিস্তাৰ কৰিলেহি। গৰীয়া সকলৰো এটা দুটাকৈ পৰিয়াল লখিমপুৰৰ ফালে উঠি গ'ল। একেবাৰে শেষত উঠি যোৱা ভাই-ককাই হালৰ নাম চিকৌ আৰু জিকৌ গৰীয়া। গৰীয়া চালাঙৰ তিনি আলিটোৰ সমীপতেই এজোপা বোৱালগছ আছিল। তাতেই আমাৰ আলোচ্য ৰাতিবিহুখনৰ বিহুখোলা আছিল।

বোৱালগুৰি তিনি আলিৰ ঠাইকন ৰাতিবিহুৰ বাবে সুবিধাজনক আছিল। আলিটোৰ দুয়োপাৰে কিছু আঁতৰে আঁতৰে মানুহৰ ঘৰবাৰীবোৰ। গাৱঁৰ ওচৰে-পাঁজৰে পাতলীয়া হাবি। তাৰ পৰা দক্ষিণ- পশ্চিম ফালে অগাইধনি হাবি। বাঘ-ভালুকো ওলায়। মাছ-পহুৰ আকাল নাছিল। কাৰোবাৰ দিন-দশা বেয়া হ'লে ম'হ যখে পায়। কথাবতৰা নকয়, মানুহলৈ বৰকৈ নাচায়, চালে গোণাম'হে চোৱাদি চায়। পিলাই চমকি উঠে। গুণাম'হ হেৰালে দুজনমানে লগ হৈ হাবিলৈ সোমায়। লগত ম'হৰ শিঙৰ পেঁপা এটা নিয়ে। পেঁপাৰ মাত নুশুনিলে বা অহা পলম হ'লে বাকীবোৰে পথাৰৰ সীমনাত গৈ ৰিঙিয়াই ৰিঙিয়াই মাতে। গভীৰ অৰণ্যত বাট হেৰুৱাই ম'হ গোৱালে বনৰীয়া নাম গায়—

*"হাবিলৈ সোমালো মতা ম'হ বিচাৰি*
*ভালুকে ভাঙিলে ডাল;*
*ঘৰলৈ এচিন্তা পৰলৈ এচিন্তা*
*পালেহি মৰণৰ কাল।"*

এইখিনি মাথোন সেই কালৰ জীৱন-যাত্ৰাৰ এচকল বৰ্ণনাহে।

চ'ত মাহ সোমোৱাৰ লগে লগে ডেকা-গাভৰু সকলে ৰাতিবিহু পাতিবলৈ

গাৱঁৰ মুখীয়াল সকলৰ অনুমতি লব লাগে। শুনিবলৈ পাইছিলো যে কোনোবা ব
ৰাতিবিহু নপতাকৈয়ে পাৰ হৈছিল। কাৰণ, বসন্ত বা হাইজাৰ নিচিনা মাৰাত্মক ৰো
বহু মানুহৰ প্ৰাণ লৈছিল। চ'ত বহাগ মাহত বসন্ত ৰোগে প্ৰায়ে দেখা দিয়ে। 
হানি-বিঘিনী হ'লে বুঢ়া-মেথা সকলে অনুমতি নিদিছিল। কেতিয়াবা চ'তৰ বি
আগে আগে যদি গাৱঁৰ কোনোবা উঠন ডেকা-গাভৰুৰ অকাল মৃত্যু হয়— সেইবে
ৰাতিবিহুৰ ৰং ৰহইছ বৰকৈ নকৰে। সমাজৰ বান্ধোন বৰ দৃঢ় আছিল। মানুহৰ মাজ
বৰ আন্তৰিক চেনেহ আছিল। সম্বন্ধ নধৰাকৈ নামাতিছিল— কোনেও কাকো। অনু
পোৱাৰ পিছত হাঁহখোৱা আলি দাঁতিৰ বোৱালগুৰিত গোট খায়। বোৱালগগুৰি
পৰা উত্তৰলৈ আঁতৰত আন এখন বিহুতলী— সেইখন ডেকাল'ৰা বিলাকৰ। ক
পাতিলে নামবোৰ ধৰিব পাৰি। ডেকাবোৰে ঢোল-তাল-পেঁপা-গগনা আদি বজা
ৰজনজনাই থাকে। গাভৰুৰ বিহুতলীত তেওঁলোক সোমাব নোৱাৰিছিল। সামাজি
নীতি-বান্ধোন কট্‌কটীয়া। উলঙ্ঘা কৰিবৰ কাৰো সাহস নাই। অ' কবা
পাহৰিছিলোৱেই— সামাজিক অনুমতিৰ বাহিৰেও গাভৰু ছোৱালী থকা কিঘৰ
মুখীয়ালজনৰ পৰা মৌখিক সন্মতিৰ প্ৰয়োজন বুলি গণ্য কৰা হৈছিল। গাভ
ছোৱালীৰ মাক-বাপেক হ'ব পৰাটো অলপ বাহাদুৰিৰে কথা— কিয়নো, জীয়েক
দিবলৈ হ'লেও তেতিয়াৰ কালত ভাবী জোঁৱায়েকবোৰে লাঙণি-পাঁচনি কৰি সক্ষমতা
প্ৰমাণ দিয়া দস্তুৰ আছিল। কাঠি-কামি চাঁচি থাকোতে, নাঙলৰ ফাল কাটোতে, চাং
ঘৰত বহি আৰামেৰে কাণি পাণ কৰোঁতে ঘৰৰ মুখীয়াল জনৰ পৰা এযাৰি সন্মতিয়ে
যথেষ্ট। "হেৰ' আইহঁত— তইঁতক লাগে কি— জাকে-জুমে যে আহিছ— মো
গুৰিলৈ? আমিনো কি কব লাগিছে দদাই (এটা সম্বোধন বাচক শব্দ), তইনো কি
নেজান, সমাজৰ নিয়ম-কণআইটিক ৰাতিবিহুলৈ মাগিবলৈ আহিছোঁ-আমাক ভৰস
দিব লাগে। হে'ৰ উঠন ছোৱালী, সঞ্জাত নাই- সিহঁত পাখি লগা চৰাই। মুকলি বনত
এৰি দিলে কোন তলকত ভুকুংকৰি উৰা মাৰিব - পাৰিবি জানো ধৰি ৰাখিব। চিন্ত
নকৰিবি দদাই, তোক অনাথ নকৰো - উৰি গ'লে মাটিৰে হ'লেও এজনী সাজি দিম
নিব চলাব পাৰ যদি য'ক— পিছত কিবাভোৰ ওলালে মোৰ একহি পুৰুষৰ মান
যাব— পিছত নুদুষিবি।" তেতিয়াৰ দিনত ছোৱালী জপাৰ বৰকাপোৰ । সেইযাৰ
পূৰ্বাপৰ সুধি অহাৰ নিয়ম। মন পিছলিলে হাতীৰ শিকলিয়েও বান্ধি ৰাখিব নোৱাৰি।
মনে চিতে মিলিলে হেজাৰ দা-বাখৰ দিলেও পলাই গুচি যায়।





দিনৰ ভাগত ঘৰুৱা বন-বাৰী, আহুধানৰ পথাৰত ধান নিৰোৱা— এই বিলাক কাম কৰি অঁতাই সন্ধিয়াৰ পিছত বোৱালগুৰিৰ টিঙটোত গাভৰুহঁত গোট খায়। ওচৰতে কেইবাজোপাও জোপোহা গছ। তাৰে কোনোবা এজোপা গুটি লগা গছৰ তলত বিহু খোলা পাতে। গুটিলগা গছ সম্ভাৱনাৰ প্ৰতীক। লঠঙা গছৰ তলত বিহু খোলা পাতিব নাপায়। গাভৰু ছোৱালীহঁতে হাতে হাতে টকা, গগনা, সুতুলি আদি লৈ ইজনীয়ে সিজনীক ৰিঙিয়াই মাতি যায়। গাওঁখন সৰৱ হৈ পৰে। সাজপাৰৰ ক্ষেত্ৰত আজিকালিৰ দৰে ভমকাফুলীয়া দামী ৰিহা-মেখেলা নিপিন্ধিছিল। ঘৰত পিন্ধা কপাহী আৰু মুগাৰ সাধাৰণ ৰিহা-মেখেলাকে পিন্ধিছিল। 'সামৰণ কাপোৰ' বিয়া-সবাহতহে জপাৰ পৰা উলিয়াই পিন্ধিছিল।

উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আগছোৱাৰ কেইগৰাকীমান বিহুৱতীৰ নাম সুধি-পুচি জানিব পৰা গৈছে। তেওঁলোকৰ নামবোৰেও ঐতিহাসিক সমাজ-ব্যৱস্থাৰ কথা মনত পেলায়। তেওঁলোক হ'ল— বগী, লভিতা, ৰূপাদৈ, হুইচাং, ডুমুনী, গেৰেলী, বিচিত্ৰা, ফেদেলী, সোলেঙি, হৰকান্তি, জেতুকী, চন্দুকী, ৰহিমলা, লুথুপী, কণমলা- ইত্যাদি। সেই দিনত মাইকী মানুহৰ নামৰ ভাল-বেয়া, বাচ-বিচাৰ নাছিল। নামে নাতাৰে; গুণেহে সংসাৰ তাৰে। কামে-কাজে ঘৰ ধৰিব পৰা হ'লেই হ'ল। তদুপৰি যমে আসৈ পায় বুলি নাম বোৰ শুনিবলৈ বেয়াকৈ দিয়ে। ডুমুনী বোলা গৰাকী আহোমনীহে আছিল। তেওঁৰ আগৰ দুটা কাল হোৱাত মাক-বাপেক হালে এজন কৈৱৰ্ত সম্প্ৰদায়ৰ লোকক একঅনাত বেচিছিল— মোৰ নহয় লোকৰ বুলি দেখুৱাবলৈ (যমক আভুৱা ভাবিবলৈ)। আগত উল্লেখ কৰা এগৰাকীৰ নামটো ৰাজহুৱা নকৰো— নাতি-পুতিয়ে মনত দুখ পাব। সতিনী বিলত মাছ মাৰি থাকোঁতে অইন গাৱঁৰ এজনে বলেৰে ডাংকোলাকৈ ধৰি নিছিল। ছমাহ মান সংসাৰ কৰিলে। ভাল নালাগিল। পিছত অইন এজনৰ লগত যুৰীয়া জীৱন ৰচিলে।দুয়ো বুঢ়া-বুঢ়ী হৈ মৰিল। ৰূপাদৈ বোলা গৰাকী নিজ চকুৰে দেখিছিলো। দোলা দাপোণ যেন মুখ। সৰু সৰু ঠেৰেজুকলীয়া দাঁত। জীয়ৰী কালতেই দাঁতত কাজিলা ঘঁহা। ৯০/৯২ বছৰত মৃত্যু হৈছিল। চুলি এক তৃতীয়াংশ পকিছিল যদিও দাঁত এটাও নসৰিল। চিতালৈ সম্পূৰ্ণ দাঁত দুপাৰি নিব নাপায় হেনো। নশ্বৰ দেহ সংকাৰ কৰিবলৈ যোৱা এজনে কথাটো টং কৰি লগত নিয়া খামতি দা খনৰ গাদীৰে কোবাই এটামান সৰুৱাইহে মৃতকক শুচি কৰিলে।

গোটেইজাক ছোৱালী গোট খোৱাৰ পিছতে ঘোষা-পদ লহৰীৰে বিহু আৰ
কৰে। টকাৰ লগে লগে হাত চাপৰি বজায়। লহৰী গীতবোৰত কোনো এটা পূৰ্ণা
কাহিনী নাই, খণ্ডচিত্ৰহে আছে। ছন্দৰ মিলৰ খাতিৰত কিছুমান ৰূপবস্তু সংযোগ কৰ
হয়। ঘূৰি ঘূৰি মৃদু লয়ত নাচে।

তাৰ পিছত পয্যায়ক্ৰমে গীতবোৰ সজায়। আই সৰেচতী, ত্ৰিদশৰ দেৱত
আদিক উদ্দেশ্য কৰি গায়। যেনে—

*"আই সৰেচতী লংফুল মালতী*
*তোমালৈ বান্ধি যাওঁ চাউল;*
*পাহৰা নামকে সোঁৱৰাই দি যাবা*
*নামৰ ভাণ্ডি যাবা আউল।"*

কোনোবাই যদি জোপোহাৰ আঁৰত জোপ লৈ বিহু চাই আছে তেওঁকো নামেৰে
আঁতৰাই পঠিয়ায়—

*"আউনি পাণৰে সিয়া সমনীয়া*
*আউনি পাণৰে সিয়া;*
*আমাৰ নাচনীয়ে নাচিবলৈ ধৰিছে*
*ভাই ককাই আঁতৰি দিয়া।"*

ইয়াৰ পিছতহে হিয়াৰ পুঙৰ পৰা ওলাই অহা মন পৰশা গীতবোৰ ওলাবলৈ ধৰে,
শুনি থাকে জোন-তৰা আৰু সগৰ্ভা পৃথিৱীয়ে।❑



# মনলৈ অহা ফাটবিহুৰ ছবিখন

***বীৰেন বৰগোঁহাই***

প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰে এইয়া বহাগ। চিৰাল ফটা দিয়া পথাৰ খন দুই এজাক আগ বৰষুণত কোমল হোৱা কেঁচা মাটিৰ গোন্ধ নাকত লাগে। ন-কুঁহিপাতেৰে চৌদিশে লহপহীয়া সেউজ। দিক্‌বলয়ে চন্দ্ৰতাপ লগোৱা পৰ্ব্বতটো দেখা নাপায়, দিগন্তত ৰেখা আঁকি যোৱা অৰুনাচলৰ পাহাৰবোৰ গাঢ়-নীলা, অস্পষ্ট। চেকুঁৰা পতা মেঘৰ মাজে মাজে লুকাভাকু খেলা সুৰুজে বতৰটো ডকা-ডমকা কৰে। প্ৰকৃতিৰ এইয়া এক সুন্দৰ আৰেস্তনী। নীলা আকাশৰ তলত, মুকলী পথাৰৰ মাজত যেন এক বিশাল মুকলি মঞ্চ। পলাশ, এজাৰ, শিমলু, নাহৰ আদি গছবোৰৰ তলত বিভিন্ন জনগোষ্ঠীৰ লোক সকলে বিহুগোৱা এইয়া ঢকুৱাখনাৰ— ম'হঘুলি চাপৰি। চাৰিকড়ীয়া নৈৰ পাৰৰ প্ৰসিদ্ধ ফাটবিহুৰ স্থান। জাক পাতি উৰি যোৱা বগলী আৰু পানীকাউৰীৰে গঢ়ি তোলা এটা নিষ্কলুষ গাঁৱলীয়া পৰিবেশ। আকৌ এই গছবোৰৰ পাতত লুকাই ভ'হি অহা কুলি-কেতেকী চৰাইৰ সুৰদী মাত আৰু বতাহত ভাঁহি অহা নাহৰ, তগৰ কেতেকী ফুলৰ আমোলমোলোৱা সুবাসৰ লগতে ফুলে ফুলে মৌচুহি টোকাৰী বজাই গুণ্ গুণুৱা ভোমোৱা আৰু মৌ-মাখিৰ গুঞ্জনত মন ৰাইজাই কৰে। এইয়া প্ৰকৃতিৰ আঙ্গনত চাৰিকড়ীয়াৰ সুন্দৰ আৰেস্তনী।

বহাগৰ এনে সময়তে ঢোলৰ চাপৰত গম্-গমাই উঠে ম'হঘুলি চাপৰিৰ চৌদিশ। খঁৰা, বুৰা, মিচিং, কছাৰী আদি বিভিন্ন চাপৰ। গুটিয়া, জুৰিয়া ম'হৰশিঙৰ পেঁপাৰ দীঘলীয়া সুমধুৰ তান। টকা, সুতুলী আৰু লাহৰী গগনাৰ ছেৱত ডেকা-গাভৰু উন্মাদ হৈ নাচে। হাত মেলি মেলি, কঁকাল ভাণ্ডি ভাণ্ডি, ঘুৰি ঘুৰি বিভিন্ন ভঙ্গিমাত নচা এই নাচ। যোজনা দিয়ে, নাম ধৰে। নামৰ মাধ্যমেৰেই প্ৰাণৰ কথাবোৰ ব্যক্ত কৰে। মনে মিলা জনলৈ প্ৰেম যাচে, মৰমে মৰমক বিচাৰি পায়, বিচাৰি পায় জীৱন সঙ্গিনী।

কেৱল ডেকা-গাভৰুৱেই নহয়, বিহুত সকলোৱে ভাগ লৈছিল, সমবয়সীয়া বন্ধুৰ লগতহে বিহু 'জমে'। সেয়ে ল'ৰা-ছোৱালী, চেঙেলীয়া, ডেকা-গাভৰু, বোৱাৰী আদিয়ে মনে মিলা সমনীয়াৰে গঢ়ি তোলে নিজ নিজ বিহু দল। আনকি আদহীয়া আৰু বুঢ়া সকলো বাদ নপৰিছিল।

এই বিহু দিনকিটাত কাৰো গাত তৰণি নাথাকে। সেয়ে খোৱা-বোৱা বাদ্দি গোটেই দিনটোৰ কাৰণেই বিহু চাবলৈ সকলো ওলাই আহিছিল। ডেকা-গাভৰুৰ মনত আৱশ্যে অন্য এটা গুপুত উদ্দেশ্যও আছিল। সেইয়া হৈছে কৃষিজীৱী সমাজখনত ডেকা-গাভৰুৱে মনে-ৰচা, মনে- বচা জীৱন সঙ্গিনী বিচাৰি পোৱাৰ, ঘৰখন পাতি স্বাৱলম্বী হোৱাৰ। এই পৰবেই দিয়ে সেই সোণালী সুযোগ। এই মনৰ বাসনা প্ৰকাশ পাইছিল হৃদয়ৰ পৰা স্বতঃস্ফূৰ্ত্ত ভাবে ওলোৱা বিহু নামবোৰত। জাত-কুল বিচৰা সমাজখনতো প্ৰেমেই প্ৰাধান্য লাভ কৰিছিল। নামযাৰ গহিছিল... "তোমালৈ চাওঁতে জপনা দেওঁতে ফুটিলে অঘৈয়া হুলে/ তোমাৰ মনে গলে, আমাৰ মনে গলে, কি কৰিব জাতি কুলে"...। মাৰবন্ধা সমাজত পলাই গৈয়ো ঘৰ পাতিছিল। নিদিওঁ-নথওঁ কৰা সমাজে সৰ্ব্বশেষত আঁকোৱালি লৈছিল আৰু গঢ়ি উঠিছিল সম্প্ৰীতিৰ বাতাবৰণ। এয়েই আছিল সৰল চহাজীৱনৰ মাদকতা।

আকৌ সেই টোপোলাত কঢ়িয়াই অনা লোভলগা সুস্বাদু, খোৱাৰ উপাদেয় আছিল এনেধৰনৰ; — কৌপাতৰ টোপোলাত বান্ধি অনা 'পোৰাং আপিন', টেকেলীত অনা 'ছাঁই মদ', কুকুৰা-গাহৰী আদিৰ মাংস। আক' বৰাভাত, চিৰা, কোমল চাউল, সান্দহ আদিৰ লগতে গুৰ, নিমখ, আদা, জলকীয়া আদি ডিঙিত পানী ওলোৱা বিবিধ খোৱা সামগ্ৰী।

খোৱাৰ পাছত যে মুহুদি তামোল-পাণৰ লগত বান্ধি অনা চূণ, পিপলী-বহঁতৰ চালি আৰু লালিসনা চুঙাৰ মানধপাতৰ সোৱাদ নোখোৱা জনে অনুভৱ কৰিব নোৱাৰিব। হাঁচটিত ৰখা টেমি ডাব কটাৰী খনো হেনো ঢোলৰ চাপৰত বাজি উঠে। এই শিতানত মনলৈ আহে সেই বিহু নামযাৰ ..... "হাবিলৈ গৈছিলো কটাৰীখন নিনিলো লতাই বেৰি বেৰি ধৰে, গাঁৱলৈ গৈছিলো হাঁচটি খন নিনিলো, গঁএৰাই বেৰি বেৰি ধৰে....।"

অতীজতে ম'হঘুলি চাপৰীত এই বিহু দিনে নিশাই ছলিচিল। ৰ'দ, বতাহ, কিন্-কিন্ বৰষুণেও টলাব নোৱাৰা সকলোৰে মনৰ উৎসাহ; টকা, সুতুলী, গগনা আদি লৈ নাম গাইছিল জীয়ৰী-বোৱাৰীয়ে। তেওঁলোকৰ ঢুলীয়া হেনো ধাৰ কৰা। নামৰ মাজেৰে নিগৰি ওলাইছিল ভৰ যৌৱনৰ মনৰ বতৰা। এই মৰম আৰু প্ৰেম-পিৰিতিৰ সংবাদ ফুটি উঠিছিল সজল দুচকুত। নাচনীৰ নাচৰ ভংগীমাত। ঢোলৰ বিভিন্ন গা উঠা চাপৰত, পেঁপাৰ লহৰত নাচনীৰ হাতৰ গামখাৰুও হেনো বাজি উঠিছিল। নামত গোৱা সেই ... "তামোলৰ ঢকুৱা নাচনী পৰুৱা"... হৈ তাই নাচিছিল। এইয়াই প্ৰেম আৰু আনন্দত সকলো আত্মহাৰা হোৱা মুকলি বিহুতলীৰ খবৰ।





এই কথা ভাবিলেই মনলৈ ভাঁহি আহে অতীতৰ এখন হেৰোৱা ছবি। এই চাপৰিৰ আশে-পাশে থকা ম'হ চৰা দলনীবোৰ মাছ-পুঠিৰ অক্ষয় ভাণ্ডাৰ। আকৌ এই দলনীতে পিঠিত উঠি ম'হ চৰাই থকা চেনায়ে পেঁপাটোত তিনিটি আঙুলিৰে যেন ৰিঙিয়াই সংকেত দিয়ে— 'চেনেহিক'—। বিহুতলীত লগ হ'বলৈ চেনেহীৰ মন উতলা হয়। খদম্ দম লাগে। তাই নামযাৰেৰেই মনৰ কথা জনাই এইদৰে— "দলনীতে দলে খচি জকাই বাম/ঘৰত আইতাক শুধি চাম/যদি ঘৰত দিয়ে অ' জান, তোমাৰ লগত বিহুলৈ যাম .....।"

সঠিক হ'ব নোৱাৰা চেনায়ে তাইক বুদ্ধি দি গাইছিল এনেদৰে — "পাহাৰ বগাই বগাই কপৌফুল আনিলো/অ' সৰুমাই - খোপাতে, খোপাতে পিন্ধামে বুলি। মাৰক ফাঁকি দি বিহুলৈ আহিবা / এ সৰুমাই চেৰেকি, চেৰেকি আনোগৈ বুলি..."। বিহুলৈ যোৱাৰ পথত চাৰি আলিৰ চক'ত ৰৈ থকা ধিটিঙা ল'ৰাবোৰে তাইক জোকাইছিল এনেদৰে..... "এ দেহমাই বিহুৰে তলিলৈ /এ দেহমাই অকলে নাযাবা/ ডেকা ল'ৰাই পাতিচে বিহু দেহমাই নচুৱাই ঐ ভাঙিব, নচুৱাই ঐ ভাঙিব কঁকাল.....।" বিহুলৈ যোৱাৰ পথত এইয়া গাভৰু লৈ সকীয়নী। গাল ৰঙা চঙা পৰা গাভৰুৱে গা এৰা দি তলমুৰ কৰি বিহুতলীলৈ আগ বাঢ়িছিল।

আকৌ "ঐয়া....কাংকান" বুলি দীঘলীয়া সুৰেৰে মিচিং ডেকাটোৱে তাৰ মনৰ কথা বুজাই প্ৰেয়সীক ইঙ্গিত দিছিল। চুতীয়া সকলৰ দেৱীক পুজা পাঠ কৰা পুৰোহিত দেউৰী আৰু সোণোৱাল কছাৰী সকলৰ তিৰোতাই ফুটুকি মেখেলাৰে মেঠনী মাৰি বিহু গোৱা দৃশ্যও অতি সুন্দৰ।

সুখ-দুখ, বিৰহ-বেদনাই এই জীৱন। প্ৰেমৰ ব্যথতাই দুখ দিয়ে। বুকু ভাগি যায় ম'হঘূলিত গোৱা ডেকাটিৰ এই নামযাৰে মনত দুখ দিয়ে । "...মতাম'হৰ বেজাৰত মাইকি ম'হ বেচিলো কঢ়িয়া তুলিলো চাঙত /তোমাৰে বেজাৰত ঘৰ-বাৰী এৰিলো সোমালো কোম্পানীৰ কামত...।"

নাকি সুৰুত দীঘলীয়াকৈ টানি গোৱা নামযাৰত ভাঁহি আহে কাৰুণ্য আৰু অন্তৰত বেদনাৰ চাপ। এইয়া কৈ শেষ কৰিব নোৱাৰা বিহুৰ বতৰা।

এতিয়া এই বিহুৰ নামকৰণ সমন্ধে ইতিমধ্যে বহুজনেই লিখিছে। এটা কথা ঠিক যে, আপোনজনক পৃথক কৰা—মাজৰ বৰলুইত খন আৰু সুচল স্থল পথৰ অভাৱতেই জল পথেই আছিল সহজ গতি। নদীৰ ফাঁট্ সেয়ে স্বাভাৱিকতেই হৈ পৰিছিল বেহা-বেপাৰ আৰু আদান-প্ৰদানৰ স্থল। এই ঠাইতেই বস্তু সলনা-সলনিকৈও চলিছিল বেহা। এই ঠাইতেই আনকি ৰজাঘৰীয়া কৰ -কাটল আদিও

তোলা হৈছিল। ফাঁটৰ আশে পাশেই আৰম্ভ হৈছিল বিভিন্ন জনগোষ্ঠীৰ এই ফাটি
সকলোকে জুতি এক বৃহত্তৰ অসমীয়া জাতি আৰু সোণৰ অসমৰ ভেঁটি স্থাপন
আহোম সকলৰ পৃষ্ঠপোষকতাতেই কোনোবা অতীতত গঢ়ি উঠা এই ফাট বিহু,
বিশেষ কৃষ্টি সংস্কৃতি আৰু ভাতৃত্বৰ নিদৰ্শন। আকৌ বৰ্ত্তমান ঢকুৱাখনা মহকুম
জন্ম বৃত্তান্ত ও আমোদজনক। জলপথ আৰু বাণিজ্যিক সুবিধাৰ্থে 'চাৰিকড়ী
আৰু 'কঁঢ়া' নৈক সংযোগ কৰিবলৈ খন্দা মাটি কঢ়িয়াই পাৰলৈ নিবলৈ ব্যৱ
কৰা সহজলভ্য তামুলৰ ঢকুৱাৰ আলমতে হেনো এই নামকৰণ। জান খান্দি সংযো
কৰা এই ঠাইয়েই ঢকুৱাখনা। সঁচাই নামকৰণৰ সুন্দৰ যুক্তি।

এই ঢকুৱাখনা মুগাপাটৰ বাবে বিখ্যাত। চৌদিশে চোমনী। অতিজৰ পৰ
ঘৰে ঘৰে চলি অহা মুগা পোঁহা ইয়াৰ পৰম্পৰা। সেয়ে এই বিষয়ে উল্লেখ নকৰি
কলা-কৃষ্টি, সংস্কৃতিৰ বিষয়ে লিখনী আধৰুৱা হৈ ৰ'ব। সু-নিপুণ শিপিনীয়ে নিজহা
বোৱা কেঁচ্‌বচা মুগাৰিহা, চাদৰ আৰু খমখমীয়া মেখেলাৰে পাটগাভৰু নাচনীজ
সঁচাই প্ৰাণ মনহৰা হৈ পৰে। তাইৰ কাপোৰযোৰত হাজাৰ স্বপ্নৰ বুটা বচা। তা
এটি ঝলক দেখা পোৱা যায় ফাট বিহুৰ উদ্দ্যানত। কেৱল পিন্ধা কাপোৰেই নহ
আনকি জাৰত গাত লোৱা ডাঙৰ বৰকাপোৰবোৰো ঘৰতে বৈ লোৱা উৎকৃষ্ট এরি
মুগাৰ। এই সংক্ৰান্তত হুঁচৰিত গোৱা নামযাৰ মনত পৰিছে। "......মুগাসূতাৰ চেলেংখ
বৈ দিয়া সৰুভনী বিহু মাৰিবলৈ যাওঁ ঐ গবিন্দাই ৰাম.....।" ফেশ্বন পেৰেডৰ ৰেম্পতে
আজি-কালি দেখো সুন্দৰী মডেলে পৰিধান কৰা ভূৱন মোহিনী অসমীয়া মুগ
কাপোৰৰ ডিজাইন। মন পুলকিত হৈ উঠে।

আজি বিশ্ব বজাৰত মুগা সূতাৰ চাহিদা অনেক বৃদ্ধি পাইছে। মুগা খেতি
কৰি সৰবৰাহ কৰাটো ঢকুৱাখনাৰ ডাঙৰ অৰ্থনৈতিক উন্নতিৰ পথ হ'ব। সেয়ে
নৱপ্ৰজন্মই এই দিশত পৰিকল্পিত ভাবে আগবাঢ়ি যোৱাটো অতি বাঞ্চনীয়।

আজিৰ সংঘাত পূৰ্ণ সামাজিক জীৱনত ফাটবিহুৰ বৈশিষ্ট্য অনুকৰণীয়।
সেয়ে সোৱণশিৰি হৈ বৰ লুইতলৈ বৈ যোৱা চাৰিকড়ীয়াৰ পানীয়ে বিভিন্ন গোষ্ঠীৰ
মাজত গঢ়িউঠা ঐক্য আৰু সম্প্ৰীতিৰ বতৰা কঢ়িয়াই নিয়ক। আমাৰ কৃষ্টি শিল্প
সংস্কৃতিৰ লগত জড়িত মুগা সূতাডালে বিশ্ববজাৰত যোগ্যতা লাভ কৰক — এই
কামনাৰেই সকলো ৰাইজলৈ বিহুৱবীয়া ওলগ আৰু নমস্কাৰ জনালোঁ।❑





# এক ট্ৰেজিক নায়িকা

সৰ্বেশ্বৰ সুত বৰুৱা।

ৰহাগ মাহ। ঢোল পেঁপা গগনাৰ উচুপনি। ঢকুৱাখনা থানা মুখত এটি হুঁচৰি দল। মনুহৰ মুখে মুখে কোৱা-কুই মুছলমান মানুহজনীয়ে ইমান ধুনীয়াকৈ নাচিব আৰু বিহুগীত গাব পাৰিছে, — আচৰিত লাগে। গমপোৱা গ'ল যে সেই সাতবৰণীয়া আদহীয়া মানুহজনীৰ নাম— ফুলেশ্বৰী।

এই প্ৰতিবেদকৰ বয়স তেতিয়া দহ বছৰমান। এদিন দেউতাৰ লগত বৰতলৰ শুক্ৰবৰীয়া বজাৰলৈ যাঁওতে দেউতাই এজনী মহিলাৰ লগত আলাপ-আলোচনা কৰা দেখিলো। অনুসন্ধিৎসু মনেৰে মানুহ গৰাকীৰ পৰিচয় বুজ লোৱাত গম পালো যে তেওঁক বোলে দেউতাই ৰাতিৰ বিহু নচুৱাইছিল। লগতে এইকথাও কৈছিল যে, ঢোলৰ চাপৰত তেওঁক গোটেই ৰাতি নচুৱাই ভাগৰুৱাব পৰা নাছিল। শুনি আচৰিত লাগে।

ঢকুৱাখনা ফাটবিহুৰ পৰবৰ্ত্তী বিহু পয্যায়টো ৰাতিবিহু। বহাগ বিহুৰ ১০/১৫ দিন মানৰ আগৰ পৰাই গাঁৱৰ গাভৰু বিলাকে একোটা নিৰ্দিষ্ট স্থানত (স'ৰা, জামু, জৰি আদি গছৰ তলত ) ৰাতি বিহুৰ খোলা পাতে। অৱশ্যে এই ৰাতিবিহু কেৱল ঢকুৱাখনাতেই যে অনুষ্ঠিত এনে নহয়। সাংস্কৃতিক ইতিহাসত অসমৰ বিভিন্ন ঠাইত এনে বিহু অনুষ্ঠিত হোৱা নজিৰ আছে। যি নহওঁক আমাৰ গাঁৱৰ গাভৰুহঁতে ঘৰৰ কাম-বন কৰি নদী, বিল, পুখুৰীৰ পৰা কাযত কলহ লৈ পানী কঢ়িয়াই। পেটত এমুঠি পেলাই বিহু খোলালৈ ঢাপলি মেলে। ৰাতি ন-দহমান বজালৈকে বিহুমাৰি ঘৰাঘৰী হয়। আজিৰ বিহুমঞ্চত প্ৰাইজমনি বুটলিবলৈ বৰ বিহুৱতী, বিহুকুঁৱৰী সজোৱাৰ লগতে বিচাৰকক মেনেজ কৰাৰ পৰিকল্পনা কৰা দেখা যায়। কিন্তু ৰাতিবিহুত নাচনী বিহুৱতীৰ নিজ প্ৰতিভা বিকশিত কৰাই আছিল স্বতঃফূৰ্ত্ত শৈলী। কাৰো প্ৰৰোচনাত বিহু মাৰিবলৈ নাযায় বা সন্মান বোটলাৰ কথাও নাভাবে। নিজস্ব ক'লা-শৈলীৰ ওপৰতে আস্থাৱান।

ডেকা-গাভৰু গাঁৱৰ পৰা একেলগে ওলাই গলেও বিহু পৃথকে পৃথকে মাৰে। ডেকাই গাভৰু বিহু লুকাই চুৰ কৰি জুমি জুমিহে উপভোগ কৰিছিল। দৰাচলতে বিহুৰ জুমত বাই-ভনী থকা কাৰণে এখন গাঁৱৰ ডেকাই অন্য এখন গাঁৱতহে ৰাতি বিহু উপভোগ কৰিছিলগৈ। শেষৰ ফালে বিহু খোলাবিলাকত প্ৰতিযোগিতা হ'বলৈ ধৰিলে। ফলস্বৰূপে গাঁৱৰ পাকৈত ঢুলীয়াই নাচনী নচুৱাৰ কুজ-কাৱাজ চলায়। পাকৈত

ঢুলীয়াৰ ছেঁৱত পাকৈত নাচনীক নচুৱাৰ এটা পৰম্পৰা আছিল। ঢুলীয়া
নাচনীৰ মাজত কেতিয়াবা ঈৰ্ষাভাৱ ওপজে। কোনে কাক নিজৰ পাৰদৰ্শি
ভাগৰুৱাব পাৰে। (ঢুলীয়াই নাচনীক আৰু নাচনীয়ে ঢুলীয়াক) এক অঘো
প্ৰতিযোগিতাৰ ৰায়দান চলে। উদাহৰণ দাঙি ধৰিব পৰা যায় — হুজ গাঁৱৰ বিহুতলী
গুণাসিং গেৰেলাই ঘাঁহী গাঁৱৰ ঘিঁউক নিমন্ত্ৰণ কৰি পকী, ককিলী আৰু ফুলেশ্ব
বিহু নচুৱাই ভাগৰুৱাববৈলে, হুজগাঁৱৰ পৰা গুণাসিঙক কচুগাঁৱৰ বকুলী, পে
বামুনীহঁতক নচুৱাবলৈ নিমন্ত্ৰণ জনাইছিল।

ঢকুৱাখনাৰ সকলো গাঁৱতে ৰাতিবিহুৰ খোলাবিলাক বিচাৰি পোৱা নাঘ
এই ক্ষেত্ৰত কৈৱৰ্ত আৰু আহোম সম্প্ৰদায়ৰ মাজত ৰাতিবিহু বেছি জনপ্ৰিয় আছি
কেইখনমান ৰাতিবিহু খোলালৈ ভুমুকি মাৰো আহককচোন। ওপৰত উল্লেখকৰা
হুজগাঁৱৰ নাচনী আৰু বিহুৱতী - ৰঙিলী, পকী, ককিলী আৰু ফুলেশ্বৰীহঁতক ট
বজাই নাচি বাগি সহায় কৰি দিছিল সেই গাঁৱৰে— লাভৈ, লাভতি, ৰহেশ্বৰী, কেতে
আইতা, জাৱন্তি, মামিতি, কান্দুৰী (বমুনী), বঙ্গালী, গোলাপী, মানিকী (জীৱি
আদিয়ে। শ্ৰীযুত চন্দ্ৰৰাম দাসে আমাক ৰাতিবিহুৰ এটা কাহিনী কৈ শুনাইছিল। এ
ৰাতি বিহু মাৰি আহোঁতে বাটতে বতাহ ধুমুহাই পোৱাত এটা পৰিত্যক্ত ঘৰত সম
ডেকা-গাভৰু গোটেই ৰাতি উজাগৰে কটাব লগা হৈছিল। তেখেতে আৰু ক
গাঁৱৰ কেইজনমান ডেকাৰ ওপৰত গাভৰু সকলৰ মাক-দেউতাকৰ অগাধ বিশ্ব
আছিল। সেই কাৰণেই পিচদিনা হয়তো কোনো গাভৰুৰ পিঠিত ঔ-কীল প
নাছিল।

গুণাসিংহঁতৰ ঢোলে কথা কয়। ফুলেশ্বৰীহঁতৰ নাচনত ছয়-মাহলৈ
খোলাত বন গজিব পৰা নাছিল। ৰাতিবিহুৰ পিচত বিহুৰ সাদিনলৈ হুঁচৰি মাৰি
ঢুলীয়া-নাচনী ভাগৰি পৰা নাছিল। এই স্পীৰিট্ জানো আজি নাতি-পুতিহঁতৰ গা
আছে? তৎস্বত্তেও বংশধৰ সকলৰ তেজৰ ধমনীত কিছু হলেও প্ৰৱাহিত হৈ আছে
নহলেনো বাৰু আপোনাৰ দুবছৰীয়া ছোৱালীজনীয়ে ঢোলৰ মাত শুনিলেই নাচিবলৈ
আৰম্ভ কৰেনে?

কচুগাঁৱৰ বিহু খোলালৈ যাওঁ বলককচোন। কচুগাঁৱৰ নামঘৰটোৰ উত্ত
দিশেথকা এজোপা সঁৰাগছৰ তলত ৰাতিবিহুৰ খোলাখন অনুষ্ঠিত হৈছিল। (এতিয়াও
সঁৰাগছৰ মূঢ়াটো দেখা পোৱা যায়)। মুহী দাস আৰু ঘিঁউ সুতে কুণ্ডা চাপৰি
গাঁৱত ঢোলৰ খোলা কুণ্ডত দি হেঙুল-হাইতাল লগাই বনোৱা ঢোলেৰে মঙ্গলসিং
, ডেৰদোনহঁতে পকী (কচুগাওঁ), বকুলী ১ম, ২য়, পেচন, ৰক্ষামতী, বামুনীহঁতৰ





বিহুখোলালৈ বিঙিয়াইছিল। শেষৰ ফালে — সৰুমলা, মেমেৰী, খাঁৰী, জাপৰী আৰু গান্দুলীহঁতৰ বিহু চোৱা জীৱিত লোক কেইবাজনো লগ পাইছো।

দীঘলা হিলৈদাৰীৰ ৰাতিবিহুৰ খোলাখন উল্লেখযোগ্য। ভম গগৈ, পৰশু গোঁহাই, দামোদৰ গগৈ, পদ্ম গগৈ আদি বিখ্যাত ঢুলীয়া কেইজনৰ নাচনী আৰু নামতিৰ লিষ্টত ফেডেলী গগৈ, তুবুকী গোঁহাই, কনডিলা গোঁহাই,বিহুতি গগৈ, শুকু গোঁহাই, কেঁহুমলা গগৈ, মোলোকী গগৈ (জীৱিত) আদিৰ নাম উল্লেখ কৰিব পাৰা যায়। সিদিনা জোলাদৈ গগৈ আই গৰাকীয়ে ৰাতি বিহুৰ এই কেইআষাৰ মাৰ্জিত বিহুনাম সুৰ লগাই গাই শুনাইছিল।

১। আই সৰস্বতী ৰংপুৰৰ মালতী
তোমালৈ বান্ধি যাওঁ চাউল।
পাহৰা নামকে সোঁৱৰাই দিবাহি
নামৰ ভাঙি যাওঁ আউল।

২। আই সৰস্বতী ৰংপুৰৰ মালতী
গাই যাওঁ ঈশ্বৰৰ লীলা।
বিহুগীত বুলি নিন্দা নকৰিবা
কাণত নেমাৰিবা ঠিলা।

৩। ঢাপে ঢাপে চৰিলে ঢাপলিকা চৰাইটি
বাঘলৈ নকৰে ভয়।
ডিবুৰু জিলাতে সুলাঙি গাভৰু
চাহাবলৈ নকৰে ভয়।

৪। হাততো জেতুকা ভৰিতো জেতুকা
কোনেদিলে জেতুকা তোক
ৰংপুৰ নগৰৰ নামতি সিজনী
সেয়ে দিলে জেতুকা মোক।

৫। দল চেলাই পুছিমাছ ধৰো ঐ লাহৰী
দল চেলাই পুঠিমাছ ধৰো
দাই দোষ নধৰিবা মোৰে সমনীয়া
দুখত আমি আনন্দ কৰো।

সতিনীবিলৰ[২] পৰা পানী কটিয়াই আবেলি এমুঠি ধৰি বিহুতলিলৈ দৌৰি নাচনত বোকাকৰা বিহুতলি খনত যেন এতিয়াও দৈমলা, তিলেশ্বৰী, মাকনো,

গোলাপী, বিমলাইঁতৰ ভৰিৰ গিৰিপনিৰ চিন পোৱা যায়। সেয়ে ঢুলীয়া মানিকা (যাৰ নাম অনুসৰি মানিকাচুক হৈছে), বেজবুঢ়া, মতবৰ, মনিৰাম, কলিবৰ বুদ্ধ বিহুচোৱা উপভোক্তাই আজিও পাহৰিব পৰা নাই।

ঢুলীয়া নাচনীৰ বাদেও বিহুতলীত অন্য কেইটিমান আকৰ্ষণীয় মনকৰীবলগীয়া। বিশেষকৈ পেঁপা বাদক আৰু পুৰুষ নাচনি। হুজ গাঁৱৰ কুল (তিলেশ্বৰ) আৰু কচুগাঁৱৰ সৰুমন বিখ্যাত পেঁপা বাদক। প্ৰবাদ আছে কচুগাঁ তিনিআলিত যেতিয়া সৰুমনে পেঁপাটি লৈ বজাবলৈ ধৰে ককায়েক তাৰিক সৰ্থেবাৰীৰ পৰা অনা চেনেহী তালযোৰ বজাই তেতিয়া বোলে গাঁৱৰ গাভৰুহঁতে সদলবলে পেঁপাৰ ছেৱত নাচন মাৰেহি। নাচনিৰ ভিতৰত কচুগাঁৱৰ দলসিং, সুতুলী ঘাঁহীগাঁৱৰ নকুল, মহেশ্বৰ; মানিকা চুকৰ বনগুটি বিখ্যাত আছিল।

হুজ গাঁৱৰ আৰু কচুগাঁৱৰ ঢুলীয়া কেইজনৰ গুৰু বোলে ঘাঁহীগাঁৱৰ ঘিঁউ সুত। তেওঁ ৯টা চাপৰ আৰু সুন্দৰ ঢোলৰ কুৰুলী দিব পাৰিছিল। তেওঁৰ ঢোল চাপৰত মুগ্ধ হৈ মিচিং মানুহ কেইজন মানে বোলে চাপৰ বিলাক কাগজত লিখি লৈ আওঁৰাইছিল। সেই কাৰণে ঘিঁউ সুতক জনসাধাৰনে মঘাই ওজা নাম দিছিল।

মঙ্গল সিঙে এটা চিতল মাছেৰে ঘিঁউ সূতক গুৰু মাননি দিয়াৰ নজিৰ আছে। বালি গাঁৱতো তেখেতৰ সম সাময়িক ঢুলীয়া — অসতি, ত্ৰাহিৰাম, মানিক, ৰত্ন, চেলেং, দীঘলা, গজেন, নিৰন, লক্ষ পাঠক, পদ্ম, মেযাই আদিৰ নাম উল্লেখ কৰিব পাৰি।

বিহুৰ অন্য এক বৈশিষ্টপূৰ্ণ কথা অৱতাৰণা কৰিব বিছৰা হৈছে। চাৰিটি পৰিয়ালেৰে সংগঠিত মৰীয়া গাঁৱৰ (মানিকপুৰ) মুছলমান মানুহখিনি হাড়ে-হিমজুৱে অসমীয়া সংস্কৃতিৰ লগত জড়িত। কোবাদ, আমিৰৎ, নুৰ আলি, আব্দুল, চিকিৰ (তেওঁলোকে কেইবাগৰাকী হিন্দু ছোৱালী বিয়া কৰায়) আদিয়ে নিজাকৈ বিহু মৰাৰ কথা চুবুৰীয়া গাওঁবিলাকৰ পৰা শুনা যায়।

এইখিনিতে সেই সময়ৰ বিহুৰ সাজ-পোচাকৰ বিষয়ে কিছু আলোকপাত কৰিব বিচাৰিছো। ঢুলীয়াই বহল পাৰিৰ "কপাহ ঢুলীয়া" ধুতীখন দুইফালে নেংটি মাৰি নাইবা তলপোনৰ ওপৰত মেৰিয়াই লৈছিল। বিহু তলীলৈ যাঁওতে চান ফ্ৰাইজ বা পপ্লিন কাপোৰৰ কামিজ (বৰদৈবামৰ বেপাৰীয়ে বৰতলৰ বজাৰত বেচা) পৰিধান কৰিছিল। অৱশ্যে ঢোল বজাওঁতে গেঞ্জি ব্যৱহাৰেই কৰিছিল। গাভৰু সকলে মুগা-মেখেলা, মুগা-ৰিহা পৰিধান কৰিছিল। মূৰত তগৰ, কপৌফুল পিন্ধিছিল। হাতদীঘল ৰঙা ৰঙৰ জাকিট চোলা (বুকুত চেইন লগোৱা) পিন্ধিছিল। কপাহী চুৰিয়াৰ দাম





ডেৰ টকা আছিল। অৱশ্যে দামি চিম্‌লাই ধুতী (আঢ়ৈ টকা) সম্ভ্ৰান্ত মানুহ বিলাকেহে পিন্ধিছিল।

বাপেক-ককায়েকহঁত শিক্ষিত হোৱাৰ পিছত তেওঁলোকৰ জী বা ভনীহঁতে ৰাতি বিহু মৰাটো পচন্দ নকৰা হ'ল।

ৰাতিবিহু অৱনমিত হোৱাৰ ই এটা অন্যতম কাৰণ। তৎস্বত্বেও প্ৰায় ষাঠি দশক মানলৈ বহু গাঁৱৰ পথাৰত যুৱতী সকলে টকা বজাই দিনবিহু পতা উদাহৰণ আছিল। পিছে পঞ্চাশ দশকৰ মঞ্চ বিহুৰ প্ৰাদুৰ্ভাৱে এই ফেৰা বিহু তলীৰ ও যৱনিকা পেলায়।

জনসাধাৰণৰ মাজত এটা গুজৱৰ শুনা যায় যে ৰাতিবিহু মৰাৰ পৰিণামত বিহু তলীৰ পৰা ছোৱালী (বিহুৱতী) পলুৱাই নিয়ে। 'তোৰো মনে গলে মোৰো মনে গলে কি কৰিব অজাতি কুলে।' সিও ৰাতিবিহু ম্লানপৰাৰ অন্য এক কাৰণ বুলি বিবেচনা হয়। কিন্তু ৰাতিবিহু শেষ হোৱাৰ পিচত জানো এই ফেৰা কৰ্ম ঘটা নাই? বৰ্ত্তমান বিজ্ঞান আৰু কম্পিউতাৰ যুগত এই মনে-মিলা প্ৰেমিক-প্ৰেমিকাৰ মাজত জানো বিবাহ হোৱা নাই? আগৰ কালত বিহুতলী আৰু নদীৰ ঘাট আদিত প্ৰেম-পিৰিতি চলাইছিল। আজি এই কাৰ্য্যৰ মাধ্যম হ'ল ম'বাইল ফোন। গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰ পাৰৰ পাৰ্ক, শংকৰদেৱ ক'লাক্ষেত্ৰ আৰু চিৰিয়াখানা আদি ঠাইত যোৰ যোৰ প্ৰেমিক-প্ৰেমিকাই অতীতৰ স্বতঃফূৰ্ত্তভাৱে ভালপাই হোৱা বিৱাহক ভেঙুচালি কৰা নাই জানা? লুইতক ভেটিব কোনে?পৰিয়াল বৰ্গৰ সাক্ষাততে হেল্ল' কৰি প্ৰেম নিৱেদন কৰাৰ কথা কাৰো অবিদিত নহয়।

বিহুতলীৰ বিহুৱতী বা নাচনীৰ জীৱন বৃত্তন্ত বিচিত্ৰময়। কোনো গৰকীৰ হয়তো নীতিগতভাৱে বিয়াবাৰু হৈছে। কাৰোবাক হয়তো ঢুলীয়া, নাচনি, পেঁপাবাদক আদি বিহুতলীৰ নায়কৰ লগত বিয়া হৈছে। এনে ইতিহাস বহুতো পোৱা যায়।

হুজগাঁৱৰ ৰাতিবিহুৰ এগৰাকী পাকৈত নাচনী তথা নামতি আছিল ফুলেশ্বৰী। পেঁপাবাদক কুলাইক (তিলেশ্বৰ) ফুলেশ্বৰীয়ে প্ৰাণভৰি ভাল পাইছিল। বিহুতলিৰ পৰাই এদিন পলাই যায়। সুখৰ সংসাৰ খনত তেওঁলোকে তিনিপুত্ৰ আৰু দুগৰাকী ছোৱালীৰ পিতৃ-মাতৃৰ গৌৰৱ অৰ্জন কৰে। কালৰ কুটিল গতি এদিন ফুলেশ্বৰীৰ বুকুৰ পৰা কুলাই চিৰদিনলৈ আঁতৰি গ'ল।

ফুলেশ্বৰীৰ জীৱনলৈ এজাক ধুমুহা আহিল। এদিন তৈবৎ আলিয়ে ফুলেশ্বৰীক ফুচুলাই উত্তৰ লখিমপুৰত টকি চাবলৈ লৈ গ'ল। টকি চাই আহি এজন মুছলমান মানুহৰ ঘৰত ৰাতিটো কটাই পুৱা তৈবৎ চম্পত। ফুলেশ্বৰী গৃহাভিমুখী

হ'ব খুজোতে গৃহস্থজনে বাধা প্ৰদান কৰি কলে যে তৈবতে তাইক পয়ত্ৰিশটা টকাত বিক্ৰী কৰি গৈছে। কিংকৰ্ত্তব্য বিমূঢ়হৈ ফুলেশ্বৰীয়ে মানুহজনৰ লগত গৃহ সংসাৰ কৰিব লগা হ'ল। এই নামী নামতি আৰু নাচনি গৰাকীৰ জীৱনলৈ এনেকৈয়ে ট্ৰেজেডি নামি আহিল।

প্ৰায় ডেৰ বছৰ মানৰ পিছত তাইৰ একমাত্ৰ আশ্ৰয়ৰ স্থল ৰিক্সাচালক মানুহ জনৰ মৃত্যু হয়। উপায়ন্তৰ হৈ তাই পুনৰ মাঝি গাঁৱৰ পুতেকহঁতৰ ঘৰলৈ ঘূৰি আহে যদিও সমাজত তাই স্থান নাপালে। মানুহৰ দুৱাৰে দুৱাৰে ভিক্ষা মাগিবলৈ ধৰিলে। কটকটীয়া সমাজ বন্ধনৰ কাৰনে পুতেকহঁতে তাইক চুৰা-পাতনিত আশ্ৰয় দিলে। অনাদৃতা হৈ সৌ ৯৮ চনৰ ডাঙৰ বানপানীৰ আগ বছৰ কোনো বেমাৰ আজাৰ ভোগ নকৰাকৈ হঠাৎ এদিন আবেলি বেলিকা তেওঁৰ মৃত্যু হয়।

প্ৰশ্ন হ'ল তেওঁক হিন্দু বা মুছলমান কোন নীতিৰে সমাধিস্থ কৰা হ'ব? সমাজলৈ আওকান কৰি পুত্ৰদ্বয়ে মোমায়েক হঁতৰ সহায়লৈ চাৰিকড়ীয়া নদীৰ দক্ষিনপাৰে হিন্দুধৰ্ম মতে খৰি পানী দিয়ে। দুবৰী-দলিচাৰ শীতল কোলাত এই অনামি শিল্পীৰ সৌধ প্ৰত্যক্ষ কৰি আমাৰ মনলৈ ভাব হয় যেন কোনোবা সাংস্কৃতিক অনুষ্ঠানে তাতে এপিটাফ লিখিব—"নাচনী ফুলেশ্বৰীৰ সমাধিস্থল"।

১। কুণ্ডাচাপৰি ঃ- নৰ্মাল স্কুলৰ বিপৰীত ফালে চাৰিকড়িয়া নদীৰ দক্ষিণ পাৰত এখন বাঁহনি বৰ্ত্তমান দেখা যায়। সেই ঠায়েই অতীতৰ কুণ্ডা চাপৰি গাওঁ। এই গাৱঁতে পোন প্ৰথম মুহিদাসে ঘিঁউ সূতৰ লগত লগ লাগি হেঙুল হাঁইতালেৰে কঠালৰ খোলা কুণ্ডত দি তৈয়াৰ কৰিছিল।

২। সতীনী বিল ঃ- দীঘলা গাঁৱৰ পশ্চিম ফালে পথাৰৰ মাজত এই বিলখন অৱস্থিত। এই বিলৰ বহুতো কিংবদন্তি শুনা যায়। মাঘৰ উৰুকাৰ দিনা এই বিলৰ পাৰত চাকি দি বহুতো নিঃসন্তান মাতৃ উপকৃত হৈছিল। এই বিলত সাধাৰণতে বোলে তিৰোতা মানুহে মাছ মাৰে। ইত্যাদি।□

তথ্য সংগ্ৰহত সহায়কঃ

১। শ্ৰীযুত মিহিৰ চন্দ্ৰ দাস ঃ হুজগাওঁ।
২। শ্ৰীযুত নবীন চন্দ্ৰ দাস ঃ হুজগাওঁ।
৩। শ্ৰীযুত সোনেশ্বৰ দাস ঃ কচুগাওঁ।
৪। শ্ৰীযুত গজেন্দ্ৰ নাথ গগৈ ঃ দীঘলা গাওঁ।



*জানোচা পাহৰো -*

## সাম্প্ৰতিক কালৰ প্ৰথমখন আনুষ্ঠানিক ফাটবিহুৰ সভাপতিঃ নৱ বৰগোঁহাই মানুহজন

*ইন্দিবৰ বুঢ়াগোহাঞি*

ঢকুৱাখনাৰ সংস্কৃতিৰ পথাৰখনৰ দীঘলীয়া ইতিহাসৰ বহুকথা ক্ষণ প্ৰবাহৰ বুকুত হেৰাই থাকিল। বৰ দুখ লগাকৈ হেৰাই থাকিল— আমাৰ বহুতো সোণসেৰীয়া কৃষ্টি। হেৰাই থাকিল — থলুৱা ৰহণেৰে ৰঞ্জিত আমাৰ বহুতো আচাৰ-অনুষ্ঠান। হেৰাই থাকিল বহুতো অখ্যাত লোকৰ প্ৰখ্যাত প্ৰতিভা। এসময়ত উজনি অসমজুৰি একাংক নাটকৰ অভিনয়, নাটৰচনা পৰিচালনা আৰু প্ৰযোজনাৰে তোলপাৰ লগোৱা ঢকুৱাখনাৰ নাট্য ইতিহাসক তেনেকৈয়ে শেলুৱৈ আৰু মচ বৰ্গৰ উদ্ভিদে সাৱটি ধৰিলে। বাঁহ আৰু কাপোৰৰ শিল্পকৰ্মৰ স্ৰষ্টা মনিকান্ত, কনেকেশ্বৰ তেনেকৈয়ে হেৰাল। সুবীয়া বিয়ানাম, আইনাম হেৰাল। জীৱিত অৱস্থাত যোগ্যজনক স্বীকৃতি নিদি, সন্মান প্ৰদৰ্শন নকৰা আৰু সৃষ্টিসমূহৰ মূল্যায়ন নকৰাটো অসমীয়া মানুহৰ এটা স্বভাৱ হৈ পৰিছে। বহুক্ষেত্ৰতে আমি কৃপণালি কৰো। অৱহেলা কৰো। ইয়াক আমি সংস্কৃতিৰ সংকট বুলি গন্য কৰিলে বোধকৰো অত্যুক্তি কৰা ন'হ'ব।

এসময়ত প্ৰচুৰ শস্য উপচা ঢকুৱাখনাৰ কৃষিজীৱি লোকৰ সহজ-সৰল আৰু মুক্ত জীৱনৰ বুকুৰ উমত সাৰ পাই উঠা ফাটবিহুৰ দীঘলীয়া ইতিহাসৰ শেহতীয়া অধ্যায়টো হ'ল— সাম্প্ৰতিক কাল। ফাটবিহুৰ সাম্প্ৰতিক কাল আৰম্ভ হয় ১৯৭৬ চনৰ পৰা। কেইবাগৰাকীমান সংস্কৃতিবান লোকৰ অপ্ৰাণ চেষ্টাত কালৰ সোঁতত হেৰাই যাব খোজা ফাটবিহুক পুনৰ আনুষ্ঠানিক ৰূপ দিয়া হ'ল। বত্ৰিছ বছৰৰ আগৰ সেইসকল বিহু সংগঠকৰ দূৰদৰ্শিতা আৰু আশেষ কষ্টৰ ফলত ফাটবিহু আজি অসমৰ চুকে কোণে জনাজাত আৰু সমাদৃত। ফাটবিহু চাবলৈ অসমৰ বিভিন্ন প্ৰান্তৰ লোক হিলদল ভাঙি আহে। ইলেকট্ৰনিক প্ৰচাৰ মাধ্যমৰ জৰিয়তে ফাটবিহু দেশৰ বাহিৰতো চোৰাৰ সুবিধা হৈছে । যিকোনো কাৰণতে এই বিহু সংগঠক সকলক, বিহুৱা-বিহুৱতী সকলক আমি পাহৰা উচিত নহ'ব। ইয়াৰে ভালেকেইগৰাকী লোকে

আমাৰ মাজৰ পৰা বিদায় লৈছে। সেই সকলৰ মাজৰ নৱ বৰগোঁহাইও এজন। ন বৰগোঁহাই আছিল সাম্প্ৰতিক কালৰ প্ৰথমখন আনুষ্ঠানিক ফাটবিহুৰ সভাপতি।

সেই বিহুখন অনুষ্ঠিত হৈছিল ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ খে পথাৰত। সভাপতিৰ আসন শুৱনি কৰা বৰগোঁহাই আছিল বৃত্তিত এগৰাকী অভিযন্তা। ছাত্ৰ অৱস্থাৰ পৰাই গল্প লিখি ভাল পোৱা বৰগোঁহাইয়ে কাৰিকৰী ব্যস্ততাৰ মাজতে সাহিত্যচৰ্চা কৰিছিল। সংখ্যাত তাকৰ হলেও নৱ বৰগোঁহাইয়ে উচ্চমানৰ গল্প ৰচনা কৰি গৈছে। সন্দেহ নাই— তেখেতে ধাৰাবাহিকভাবে এই কামত ব্ৰতী হোৱা হলে অসমীয়া সাহিত্যলৈ বহু অৱদান দিব পাৰিলেহেতেন। 'মেঘমল্লাৰ' তেখেতৰ একমাত্ৰ গল্প সংকলন। ইয়াত সন্নিবিষ্ট গল্পকেইটাই পাঠকৰ মনক দোলা দি যায়। 'মন্টু, ক... আৰু বৰচাপৰিৰ ভূত' নামৰ শিশু উপন্যাসত ভূতক অশৰীৰি ৰূপত নেদেখুৱাই ভয়ো যে ভূত তাক ধুনীয়াকৈ উপস্থাপন কৰাত বৰগোঁহাই সফল হৈছে। এই দুখন গ্ৰন্থৰ ওপৰিও তেখেতে 'সপোন দেশত ৰুণজুন' আৰু 'পিংকু' নামৰ অইন দুখন শিশু উপন্যাস ৰচনা কৰিছিল। 'আমেৰিকা ফুৰি আহিলো' তেখেতৰ ভ্ৰমন কাহিনীৰ গ্ৰন্থ।

অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ সহকাৰী অভিযন্তা হৈ থকা কালতে তেখেতে চাৰিকড়ীয়া নদীৰ ওপৰত পকী দলং আৰু ঢকুৱাখনা ৰাজহুৱা ভৱন নিৰ্মাণ কৰাত আগভাগ লৈছিল। ঢকুৱাখনাৰ সন্তান হিচাবে তেখেতৰ এই কৰ্মসমূহৰ মাজত সামাজ হিতৈষিতা প্ৰকাশ পায়। তেখেতে নুমলীগড় তেল শোধনাগাৰত কাম কৰি থকা অৱস্থাতো নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সভাপতি আছিল। চাকৰিৰ দায়ত তেখেতে অসমৰ বিভিন্ন ঠাইলৈ যাব লগীয়া হৈছিল। য'লৈকে গৈছিল তাতেই সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। সকলোকে আপোন কৰি লব পৰা স্বভাৱৰ আৰু নগৰীয়া আধুনিকতাৰ সমাহাৰ তেখেতৰ ব্যক্তিত্বৰ অন্য আকৰ্ষণীয় দিশ। ঢকুৱাখনাৰ বিশিষ্ট শিক্ষাবিদ আৰু স্বাধীনতা আন্দোলনৰ যুঁজাৰু গণনাথ বৰগোঁহাইৰ পুত্ৰ নৱ বৰগোঁহাইয়ে ১৯৪৪ চনৰ ৩১ আগষ্টত জন্ম গ্ৰহণ কৰে। ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি ১৯৫৭ চনত এই





বিদ্যালয়ৰ শেষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পাচত ১৯৬৪ চনত উঃ লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ জালুকবাৰীত থকা অসম ইঞ্জিনিয়াৰিং কলেজত নাম লগায়। ১৯৬৯ চনত এই শিক্ষানুষ্ঠানৰ পৰা সুখ্যাতিৰে চিভিল ইঞ্জিনিয়াৰিং বিষয়ত উত্তীৰ্ণ হয়।

কেন্দ্ৰীয় চৰকাৰৰ গড়কাপ্তানি বিভাগত সহ-অভিযন্তা হিচাবে তেখেতে চাকৰি জীৱন আৰম্ভ কৰি ক্ৰমে মাৰ্ঘেৰিটা, অসম চৰকাৰৰ গড়কাপ্তানি (পথ) বিভাগত লক্ষীমপুৰ, ঘিলামৰা, এচ.ডি. অ'. হিচাবে নামৰূপ থাৰ্মেল পাৱাৰ ষ্টেচনত, ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ গুৱাহাটীত অধীক্ষক অভিযন্তা আৰু শেষত নুমলীগড় তেল শোধনাগাড়ত কাম কৰি থাকোতেই তেখেতে ২০০৬ চনৰ ৯ আগষ্টত মৃত্যু বৰণ কৰে। ভ্ৰমন কৰি ভালপোৱা নৱ বৰগোঁহাইয়ে মৃত্যুৰ আগতে 'আমেৰিকা ফুৰি আহিলো' নামৰ গ্ৰন্থখন লিখি উলিয়াইছিল। অৱশ্যে তেখেতৰ মৃত্যুৰ পাচতহে এই গ্ৰন্থখনে প্ৰকাশৰ মুখ দেখে।

ফাটবিহুক আনুষ্ঠানিক ৰূপ দিয়া সকলৰ মাজৰ এজন দক্ষ সাংগঠক, সাংস্কৃতিক কৰ্মী হিচাবে নৱ বৰগোঁহাই আমাৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। ফাটবিহুৰ প্ৰথমখন বছেৰেকীয়া মুখপত্ৰ 'বিহুৱান'ত তেখেতে লিখা 'উৎসৱলৈ যাওঁতে' নামৰ গল্পটোৰ শিৰোনামাটোৰ দৰেই উৎসৱলৈ যাওঁতেই তেখেতলৈ মনত পৰিব।❑

> "মাটিৰ পৰা বুটলি অনা সুৰ আৰু নাচেৰে বিহু হয়। ফাট বিহুৰ মুকলি বিহুত তেনে এক আহ্বান দেখা পালো। মানুহ নিজক উজাৰি দিবৰ বাবে ইয়ালৈ প্ৰচণ্ড ৰ'দকো নেওচি আহিছে। এই আহ্বান জীয়াই ৰখাৰ দায়িত্ব সকলোৰে।"
>
> সপোন জ্যোতি ঠাকুৰ
> নাট্যকাৰ

# দেউৰী মহিলাৰ পৰম্পৰাগত বয়ন শৈলী ঃ এটি চমু আলোচ

ড° চন্দ্ৰ নাথ বৰ

সংহত মানৱীয় জ্ঞান ৰাজি বাস্তৱত ৰূপায়িত হ'লেহে কলা-সংস্কৃ
সৃষ্টি হয়। শিল্প-সংস্কৃতিত মানৱীয় নৈপুণ্য বা দক্ষতাৰ প্ৰতিফলন ঘটে। ক
সংস্কৃতিয়ে যুগ যুগ ধৰি সমাজৰ ক্ৰমবিকাশত নিৰ্ণায়ক ভূমিকা পালন কৰি আহি
প্ৰতিটো মানৱ সমাজৰে স্বকীয় সাংস্কৃতিক উপাদান আছে। সেয়েহে কলা আ
সংস্কৃতি এই দুই অৱধাৰণা সুকীয়া যেন লাগিলেও পৰস্পৰৰ পৰিপূৰক। তেনেহ
মানৱীয় চাতুৰ্য বা দক্ষতাক কলা-সংস্কৃতি বুলি গ্ৰহণ কৰিব পাৰি।

আনহাতেদি 'পৰম্পৰা' বুলিলে মানৱ সমাজৰ কোনোবা এটা গোট, জা
অথবা গোষ্ঠীয়ে পুৰুষানুক্ৰমে অনুশীলন কৰি অহা সামাজিক অভ্যাসকে বুজো
হয়। সাম্প্ৰতিক বিশ্বায়নৰ যুগত বিভিন্ন জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্যৰ প্ৰতি থ
আৱেগ-অনুভূতি আৰু সন্মান লোপ হ'ব বুলি আশংকা কৰা হৈছে যদিও ইয়াৰ গ
দ্ৰুতগামী হোৱা যেন অনুমান হয়। আমাৰ ৰাজ্যখনৰ যোৱা দুটামান দশকৰ আ
সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি লক্ষ্য কৰিলে এই বিষয়টো সহজে উপল
হব। কাৰ্বি, বড়ো, ডিমাচা, আহোম, চুতীয়া, কোঁচ, কলিতা, ৰাভা, তিৱা, মিচিং
মৰাণ, চিংফৌ, আইতন, খামতি সকলৰ দৰে ভৈয়াম জনজাতি দেউৰী সকলে
পৰম্পৰা আৰু স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি ভিন্নতাৰ মাজত অভিন্ন অসমীয়া সমাজ
গঠন প্ৰক্ৰিয়াত অশেষ বৰঙণি দি আহিছে।

## (দুই)

ওপৰত উল্লেখ কৰা হৈছে যে, দেউৰী সকল অসমৰ বাৰেবৰণীয়া
জনসমষ্টিৰ অন্যতম ভৈয়াম জনজাতীয় লোক। এওঁলোকৰ নিজস্ব ভাষা, কৃষ্টি-
সংস্কৃতি, ধৰ্মীয় আচাৰ-নীতি আছে। পুৰুষ-মহিলা উভয়ে এই নিজস্বতা ৰক্ষা কৰিবলৈ
অন্তঃকৰণে আগ্ৰহ প্ৰকাশ কৰি আহিছে। তিৰ্বত-বৰ্মীয় ভাষিক-ঠালৰ এই সকল
ইন্দো-মঙ্গোলীয় থুপৰ লোকে চাৰিটা প্ৰধান ফৈদ বা পৰিচয়ে (দিবঙীয়া, বৰগঞা,
টেঙাপনীয়া আৰু পাটৰগঞা) ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গুৱাহাটী, শোণিতপুৰ,
লখিমপুৰ, ধেমাজি, শদিয়া পৰ্যন্ত বিস্তাৰিত হৈ আছে। ১৫২২ খৃঃত কোনো কোনোৰ
মতে ১৫২৩ খৃঃত চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পিছতো দেউৰী





সকল শদিয়াতে বাস কৰি আছিল। সেয়েহে এডৱাৰ্ড গেইট চাহবে দেউৰী-চুতীয়া পৰিচয় সম্পৰ্কে উল্লেখ কৰিছে। দেউৰী সকলৰ আদিভূমী শদিয়া আছিল বুলি জনা যায়। তেওঁলোকৰ বিহু গীতত ইয়াৰ বৰ্ণনা পোৱা যায়—

"শুৱাই ঐ কলিয়াবৰ
ফিৰিঙি ঐ শদিয়া আমাৰ নগৰ।"

উল্লেখযোগ্য যে, আহোম ৰজা গৌৰী নাথ সিংহই (খৃঃ ১৭৮০-১৭৯৫) ভালেসংখ্যক দেউৰী লোকক মিচিমি, খামটি, চিংফৌ জনগোষ্ঠীয় লোকৰ সঘন আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ মাজুলীলৈ স্থানান্তৰিত কৰিছিল। ১৯৯১ চনৰ লোকপিয়ল অনুযায়ী অসমৰ বিভিন্ন জিলাৰ দেউৰী লোকৰ সংখ্যা মুঠ ৩৫,৮৪৯ জন। আনহাতেদি সদৌ দেউৰী ছাত্ৰ সন্থা (সঃ দেঃ ছাঃ সঃ) ই মুঠ ১৯৭ খন গাঁও সামৰি দেউৰী লোকৰ সংখ্যা ৯১,০০০ বুলি নিশ্চিত কৰিছে। আকৌ আন এটা তথ্য উৎসৰ মতে ১৩৩ খন কেডেষ্ট্ৰেল গাঁৱৰ সৈতে বৰ্তমান দেউৰী লোকৰ সংখ্যা ২,১৪,০৬৩ জন। পুৰুষতকৈ মহিলাৰ সংখ্যা বেছি। দেউৰী সকলে নিজকে 'জিমচায়া' বুলি কয়। যেনেকৈ মিচিঙে মিৰি বুলি কয়। দেউৰী সকল স্বাভাৱিকতে সহজ-সৰল আৰু অতিথি পৰায়ণ। শেহতীয়া ৰাজনৈতিক সংঘাত আৰু দেউৰী-চুতীয়া ভাষাৰ দৰে কাচ সদৃশ ইছুক কেন্দ্ৰ কৰি দুই এটা বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাহিৰে দেউৰী সমাজ খনত শান্তি আৰু ভাতৃত্ববোধৰ খহনীয়া প্ৰত্যক্ষ কৰিব পৰা নাযায়। দেউৰী সকলে সমাজ জীৱনত গোপনীয়তা ৰক্ষা কৰিব পাৰে।

দেউৰী জাতিটোক পৃথক জাতি হিচাপে উপৰিষ্ট কৰাত পুৰুষৰ লগতে মহিলাৰ বৰঙণি কোনো গুণেই কম নহয়। মহিলা সকল আত্ম-নিৰ্ভৰশীল। পৰম্পৰাগত দেউৰী সমাজখনত তিৰোতাই আৰ্থিক ক্ষেত্ৰত স্বামী, পিতৃ অথবা ককাই-ভাইৰ ওচৰত নিৰ্ভৰশীল নহয়। ইয়াৰ গুৰিতে কৃষি কাৰ্যত সক্ৰিয়ভাৱে ভাগ লোৱা, পশু-পক্ষী পোহি অৰ্থ উপাৰ্জন কৰাৰ উপৰিও আৱশ্যকীয় পৰম্পৰাগত সাজ-পোছাক নিজে বৈ কাটি আত্মনিৰ্ভৰশীল হ'ব বিচাৰে। দেউৰী মহিলা সকল পৰম্পৰাগত বয়ন শিল্প কৰ্মত নিঃসন্দেহে নিপুণ। সি যি নহওক, উক্ত লিখনিত পৰম্পৰাগত সাজ-পোছাক বা আভৰণ নৈপুণ্যভাৱে প্ৰস্তুত কৰি দেউৰী মহিলাসকল কেনেকৈ বৰুৱা আৰ্থিক অৱস্থা টনকীয়াল কৰি জাতিটোৰ স্বকীয়তা আৰু মান ৰক্ষা কৰিছে তাক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

দেউৰী জনসংখ্যাৰ গৰিষ্ঠ অংশ মহিলা সকল বাস্তৱতে বৰ পৰিশ্ৰ… দেউৰী মহিলাই পৰিয়ালৰ অৰ্থনৈতিক বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দেউ… গাভৰু-বোৱাৰীয়ে তাঁত শালত (তেওঁলোকৰ ভাষাত জীমা-পোমা) সকলো… প্ৰয়োজনীয় বস্ত্ৰ তৈয়াৰ কৰি লয়। এই বয়ন শিল্প সাধাৰণতে খেতি-বাতি নথ… সময়ত সম্পন্ন কৰে। দেউৰী মহিলাই প্ৰস্তুত কৰা নানা বিধ বস্ত্ৰৰ ভিতৰত "চুতীয়া… জিমা" বা চুতীয়া "চলা"। এইপদ বস্তু শুদ্ধ কপাহৰ পৰা প্ৰস্তুত কৰে। খাদ্য শস্য… উপৰিও কপাহ খেতি কৰা তেওঁলোকৰ এটা কৃষি সংস্কৃতি। চুতীয়া চোলা দোভ… কৰি চিলোৱা হয়। তিৰুতা সকলে এই বিধ চোলা পৰম্পৰাগত আৰ্হিত কৃষ… গিৰীয়েকক বৈ দিয়ে। আমোদজনক কথাটো হৈছে এই ধৰণৰ চোলা এনেকুৱা… কিটিপত হাতেৰে চিলোৱা হয় যাতে চিলোৱা সূতাডাল ঢাক খাই থাকে। এই ক্ষেত্ৰ… দেউৰী মহিলাৰ অতুলনীয় নৈপুণ্যতাৰ উমান পোৱা যায়। এইবিধ চোলাৰ বোটা… বাঁহ অথবা ম'হৰ শিঙৰ পৰা প্ৰস্তুত কৰা হয়। আজিৰ দিনত এইবিধ চোলা দুষ্প্ৰাপ্য… বস্তুলৈ পৰিণত হৈছে। কৰ্ম ব্যস্ত দেউৰী মহিলাৰ এই বিশেষ ধৰণৰ চোলা বৈ… দিবলৈ আহৰি নাই। বৰ কাপোৰ বা "বকাপো" দেউৰী সকলৰ বৰ জনপ্ৰিয় বস্ত্ৰ… সামগ্ৰী। অৱশ্যে অসমৰ আৰু কেইটামান জনগোষ্ঠীয় লোকৰ মাজত এইবিধ কাপোৰ… দোহোৰীয়া কাপোৰ বুলি এতিয়াও ব্যৱহাৰ হৈ আছে। দেউৰী গাভৰু সকলে বিয়াৰ… আগতে ভাবী গিৰীয়েকৰ উদ্দেশ্যে বৰকাপোৰ বৈ আছুতীয়াকৈ চেনেহৰ প্ৰতীক… হিচাপে সাঁচি ৰাখে। এইটো তেওঁলোকৰ সামাজিক পৰম্পৰা। যিবোৰ ছোৱালী… সামাজিক ভাৱে বিয়া নহৈ পলাই যায় তেনে পৰিস্থিতিত ছোৱালীৰ মাক-বাপেকে… জীয়েকলৈ কপোৰখন পঠাই দিয়া সামাজিক নিয়ম আছে। তেতিয়াহে পলাই যোৱা… ছোৱালীজনীৰ সামাজিক মৰ্য্যদা ৰক্ষা পৰে। "চেলেভ" বা এড়িয়া চেলেং কাপোৰ… দেউৰী মহিলাই পুৰুষৰ বাবে প্ৰস্তুত কৰা আন এবিধ বিশেষ আৱৰণ। বিশুদ্ধ কপাহ… ব্যৱহাৰ কৰি এইবিধ বস্ত্ৰ বোৱা হয়। অৱশ্যে কোনো কোনোৱে মিলত তৈয়াৰী সুতা… ব্যৱহাৰ কৰি বয়। কুৰি শতিকাৰ ষাঠি-সত্তৰ দশকমান লৈকে আনকি স্কুলীয়া ছাত্ৰইও… মাক-বায়েকে বৈ দিয়া ধুতী পিন্ধি স্কুললৈ গৈছিল। দেউৰী পুৰুষ সকলে "চিম্‌লিধুতী" বা কলত তৈয়াৰী ধুতী কাচিৎহে কিনি ব্যৱহাৰ কৰিছিল। 'লুগুচা পনুবাচি' (সাধাৰণতে বিয়াৰ উপলক্ষে মূৰত পাগুৰি হিচাপে ব্যৱহাৰ কৰা এবিধ চেলেং কাপোৰ)। 'বচে' (গামোচা) 'ভভা', 'তেপে' আদি বস্ত্ৰ সামগ্ৰী মহিলাই তাঁতশালত





বৰ আকৰ্ষণীয় কৈ বব পাৰে।

ইয়াৰ বাদেও 'জকা চিক্কা' (মহিলাই বুকুত মেৰিয়াই পিন্ধা এবিধ বস্ত্ৰ) নিজৰ বাবে বৈ লয়। ইয়াৰ বাবে বগা পাত সূতা প্ৰয়োজন হয়। 'ইগু' বা মেখেলা দেউৰী মহিলাই দৈনন্দদিন ব্যৱহাৰ কৰা আন এবিধ আভৰণ। এড়ি, কপাহ বা মুগাৰ পৰা এই বস্ত্ৰ প্ৰস্তুত কৰা হয়। আজিকালি দেউৰী শিপিনীয়ে 'টেপ' বা বিলাসী বিচনা চাদৰ পৰ্যন্ত বৈ লৈছে। দেউৰী পূজাৰীয়ে ব্যৱহাৰ কৰা 'লুগুৰু পুৰু ইচ্চা' নামৰ বস্ত্ৰও দেউৰী শিপিনীয়ে বোৱা আন এবিধ বস্ত্ৰ। অসমৰ আন কিছুমান জনগোষ্ঠীয় লোকৰ নিচিনাকৈ দেউৰী সমাজতো মুগা কাপোৰৰ আদৰ আজিও জীৱন্ত হৈ আছে। দেউৰী সকলে মুগা কাপোৰক 'মুগা-বচা-ইচ্চা' বুলি কয়। উল্লেখযোগ্য যে, এই বিধ কাপোৰ ১৮ পৰ্যন্ত দীঘল। 'ইগুৰু ইচ্চা', দেউৰী সকলৰ নিজস্ব বৈশিষ্ট্য বহন কৰি থকা আন এবিধ পৰম্পৰাগত বস্ত্ৰ। 'গুৰু-গবা' বা ওৰণি তেওঁলোকৰ বৰ আদৰৰ। সেইদৰে 'বানচি' বা পাগুৰি 'বাইগাও' (কন্যাকালৰ পিছত ব্যৱহাৰ কৰে) দেউৰী মহিলাৰ উৎকৃষ্ট বয়ন শিল্পৰ নিদৰ্শন। দেউৰী মহিলা শিপিনীয়ে পবিত্ৰ দিনৰ উপলক্ষত পৰিধান কৰা 'ইচ মাগৰু' ও বৈ লব জানে।

এতেকে এই অলোচনাত পৰিস্কাৰ হৈ পৰিছে যে, দেউৰী মহিলাসকলৰ বয়ন শৈলী উচ্চ মানৰ। দেউৰী মহিলা সকলে বিধ বিধ সাজ কাপোৰ বা আভৰণ তাঁতশালত বৈ 'কাপোৰত সৰগৰ সপোন ৰচি' সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। কৃষি, পশু পালন আৰু দৈনন্দিন ঘৰুৱা কামত ব্যস্ত হৈও বয়ন শিল্পত অতুলনীয় দক্ষতা প্ৰদৰ্শন কৰি প্ৰথমে নিজৰ আৰু পিচত পৰিয়ালৰ আৰ্থিক দিশটো সৱল কৰি তুলিছে। এইয়া তেওঁলোকৰ পৰম্পৰা। আৰ্থ সামাজিক মৰ্যদা নিৰ্বিশেষে, দেউৰী মাতৃ সকলে নিজৰ ছোৱালীক বোৱা-কটা শিক্ষা দিয়াটো পৰম্পৰা। আধুনিক যুগৰ বজাৰ ব্যৱস্থাতো দেউৰী সকলে কেৱল পুৰুষৰ বাবে লংপেন্ট আৰু ছোৱালীৰ বাবে চুৰিদাহে কিনি পিন্ধে। দেউৰী মহিলাই বয়ন শিল্পত অসামান্য দক্ষতা আৰু পৰম্পৰা ৰক্ষা কৰি কুটিৰ শিল্পৰ সন্মুখত দেখা দিয়া প্ৰত্যাহবানকো বাধা দিব পাৰিছে। দেউৰী সকলৰ আৰ্থ সামাজিক আৰু সাধাৰণ উন্নয়নৰ বাবে গঠন হোৱা দেউৰী স্বায়ত্ব শাসনে উন্নয়নৰ অন্যান্য দিশত গুৰুত্ব দিয়াৰ উপৰিও বয়ন শিল্প বিকাশতো যদি মনোযোগ দিয়ে, উত্তৰসুৰি দেউৰী মহিলা সমাজে পৰম্পৰাগত বয়ন সংস্কৃতিক আৰু সমৃদ্ধ কৰিব পাৰিব বুলি আমি বিশ্বাস কৰো।❑

# হাৰ্হি দেৱালয়ৰ দূৰ্গা পূজা আৰু টিপচী ভোজ

*মীনামনি দেৱী*

ধেমাজি জিলাৰ পশ্চিম সীমা মাছখোৱা মৌজাৰ ঢকুৱাখনা জানৰ কাষত ঐতিহ্য মণ্ডিত হাৰ্হি দেৱালয় অৱস্থিত। এই দেৱালয় কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল তাৰ নিৰ্ভৰযোগ্য তথ্য এতিয়ালৈকে পোৱা নাই যদিও ১৭২২ চনত এই দেৱালয়ৰ নামত ৩২৭ বিঘা দেবোত্তৰ মাটি দান দি স্বৰ্গদেউ শিৱ সিংহই স্থাপিত কৰিছিল বুলি শুনা যায়। মাটি দান দিয়া তামৰ ফলিখন মানৰ আক্ৰমনত হেৰায় যোৱা বুলি শুনা যায়। জন প্ৰবাদমতে শদিয়াৰ তাম্ৰেশ্বৰী কেঁচাই খাতী গোসাঁনী কিবা পূজা সেৱাত বিতুষ্ট হৈ ব্ৰহ্মপুত্ৰই দি ভটিয়াই আহি লাইপুলীয়া নৈয়েদি হাৰ্হি জানত সোমায়। দেৱী আহোঁতে এডাল বৃহৎ সৰল কাঠত এজোৰ ফেটী সাপ আহে আৰু অঞ্চলৰ দেউৰী পূজাৰীক সপোনত দেখা দি থিতাপি লব লৈ ঠাই বিচাৰে। সেই অঞ্চল তেতিয়া দেউৰী, চুতীয়া সকলৰ বসতি আছিল। এই দেউৰী, চুতীয়া সকল দেৱীৰ উপাসক আছিল। পোনপ্ৰথমে সেই সকল বাসিন্দাই বৰ্ত্তমানৰ গোৱাল গাঁৱতে দেৱালয় সাজি দেৱীৰ পূজা অৰ্চ্চনা কৰে। বহুবছৰ তাত থকাৰ পাছত মানৰ তৃতীয় আক্ৰমনত মান সেনাই দেৱালয়ত গো বধ কৰি অপবিত্ৰ কৰে। দেৱীৰ (দশভূজা মূৰ্ত্তি) চকুযোৰ হেনো হীৰাৰ আছিল। মান সেনাই কাঁড় মাৰি এটা চকু নষ্ট কৰে। বৰ্তমান সেই দশভূজা দূৰ্গাৰ মূৰ্ত্তিকে বৰ্ত্তমান পূজা সেৱা কৰি থকা হৈছে। মান সেনাই অপবিত্ৰ কৰাৰ পাছত পুনৰ ঠাই সলনি কৰি দেৱলীয়া গাঁৱৰ মাজত দেৱালয় স্থাপন কৰে। তাতো কিবা কাৰণত নাথাকি বৰ্ত্তমানৰ ঠাইলৈ অৰ্থাৎ ঢকুৱাখনা জানৰ সমীপলৈ দেৱালৱ খন তুলি আনে।

যদিও ৰজাই (শিৱ সিংহ) ৩২৭ বিঘা মাটি দান দিছিল বৰ্ত্তমান মাত্ৰ চাৰে তিনি বিঘা মাটিত স্থায়ী বেৰা দিয়া আছে। জনবিশ্বাস অনুসৰি এই অঞ্চলৰ মানুহে এই দেৱালয়ত শদিয়াৰ কেঁচাইখাতী গোসাঁনীয়ে থিতাপি লোৱা বুলি বিশ্বাস কৰিছিল। আৰু বৰ্ত্তমানেও এই বিশ্বাস অটুত আছে। আহোম স্বৰ্গদেউ সকলে এই অঞ্চল ৰাজত্ব কৰাৰ আগলৈকে এই দেৱালয়ত নৰবলি হৈছিল বুলি জনা যায়। ১৬ শ শতিকাত আহোম স্বৰ্গদেউৰ শাসনাধীন হোৱাৰ পাছত এই থানত নৰবলি প্ৰথা বন্ধ কৰা হয়। আনবোৰ প্ৰথা যেনে— হাঁহ, ছাগলী, ম'হ আদি বলিদিয়াৰ নিয়ম বৰ্ত্তমানেও চলি আছে। জাতি, বৰ্ণ ধৰ্ম নিৰ্বিশেষে বৰ্ত্তমানেও বহুতো সেৱকীয়ে এই দেৱালয়লৈ মনোবাঞ্চা পূৰণৰ বাবে পূজা অৰ্চ্চনা আগবঢ়ায়.





এই শক্তি পীঠৰ উল্লেখনীয় পূজা হ'ল শাৰদীয় দূৰ্গা পূজা। অসমত এই শাক্তি পূজাৰ অনুষ্ঠানৰ ঐতিহ্য বিষয়ে অনেক পুথি সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছে। কালিকা পুৰাণ, হৰগৌৰী সংবাদ, যোগিনী তন্ত্ৰ, কামাখ্যা তন্ত্ৰ আদি শাক্ত ধৰ্মৰ ক্ৰিয়া পদ্ধতি সম্পৰ্কীয় অনেক পুথি সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছে। দেৱীৰ সন্মুখত শাক্ত ভক্তৰ প্ৰাৰ্থনা হ'ল—

"ৰূপং দেহি, জয়ং দেহি, যশো দেহি, দ্বিযো জহি"
দূৰ্গাং শিবাং ক্ষমাধাত্ৰী সদাস্বাহা নমোহস্তোতে"

এই শাৰদীয় দূৰ্গা পূজা সাধাৰণতে আহিনমাহতে হয়, অৱশ্যে কেতিয়াবা কাতি মাহৰ পহিলা সপ্তাহৰ পৰা দেখা যায়। আহিনমাহৰ শুক্লা ষষ্ঠ তিথিৰ পৰা দশমী তিথিলৈকে এই পূজাৰ ক্ৰিয়া কাণ্ড চলে।

ষষ্ঠী পূজাৰ দিনা দেৱীৰ আবাহন আৰু কল্পাৰম্ভ হয়। অধিবাস কৰি পূজা অৰ্চ্চনাৰে দেৱীক আমন্ত্ৰণ কৰে। সেইদিনা ছাগলী, হাঁহ, জৰা, কুঁহিয়াৰ, কোমোৰা ইত্যাদি বলি হয়। সপ্তমী পূজা আৰম্ভতে নৱপত্ৰিকা প্ৰতিষ্ঠা কৰিবৰ কাৰণে মালভোগ কলৰ পুলি, ধানগছ, মানকচু, হালধি, শ্যামাকচু, ডালিম, অশোক ফুলৰ ডাল, অপৰাজিতা ফুলৰ ডাল, যুগ্ম বেল সহিত ডালেৰে কল পুলিত এগৰাকী নাৰী প্ৰতিচ্ছবি তৈয়াৰ কৰি বিহিত পূজা কৰে। সেই দিনাও বলি-বিধানৰ ব্যৱস্থা আছে।

মহাঅষ্টমীৰ দিনা দেৱীৰ দশভূজা মূৰ্তিক আসনৰ পৰা নমাই এটা তামৰ ডাঙৰ পাত্ৰত স্নান কৰোৱা হয়। মহাস্নানৰ বাবে বহুতো দ্ৰব্যৰ প্ৰয়োজন হয়। তাৰ ভিতৰত— অগৰু, তিলতেল, জবাকুসুম, মাহ-হালধী, নেমু, চকলা, মৌচুমী টেঙা, যৱ ধান, বগা সৰিয়হ, অপৰাজিতা ফুল, (নীলা) নীলপদ্ম, ঘিঁউ, মৌ, চেনি, পঞ্চদৰা, গৰু মৃত, গোবৰ, কেঁকোৰা গাঁতৰ পানী নিয়ৰৰ পানী নঙলাকেপৰ পানী, গাহৰী দাঁতৰ আগৰ মাটি, ভটৰা গৰুৰ শিঙৰ মাটি, উইহাঁফলুৰ মাটি, তুলসী গুৰিৰ মাটি ইত্যাদি ইত্যাদিৰ প্ৰয়োজন। দেৱীৰ সাজৰ বাবে বস্ত্ৰ (দেৱীৰ শাৰী বা কোঁচঘুৰী) সিন্দুৰ, কুমকুম, অগৰু, আৰ্চি-ফনি, আদিও পূজাৰ প্ৰয়োজনীয় নৈবেদ্য। সেই দিনাও প্ৰথম জৰা; কোমোৰা, কুঁহিয়াৰ, হাঁহ, ছাগলী ইত্যাদি বলি হয়। যদিও মহিষাসুৰৰ প্ৰতীক ম'হ বলি (বৰবলি) হয়। দিনৰ পূজাৰ দোষ ত্ৰুতি আৰু অসুৰ নিধন কৰি মৰ্ত্যত শান্তি স্থাপনৰ বাবে সন্ধি পূজা কৰা হয়। সেই ৰাতি ১০৮ গছ প্ৰদীপ জ্বলাই দেৱীক আৰাধানা কৰি পূজাৰ সামৰণি মাৰে।

নৱমীৰ দিনা মূল পূজা হয় দূৰ্গাৰ আন এক ৰূপ চণ্ডী দেৱীৰ সেই বা
নৱমীৰ দিনা চণ্ডী পাঠ হয় আৰু হোমৰ অগ্নিত দেৱীক পূৰ্ণাহুতি দিয়া হয়। সে
দিনা ন-খন অস্ত্ৰেৰে নটা খিপত পূজা কৰি বলি কটা হয়।

পূজাৰ অন্তত চিপচী ভোজ খোৱা হয়। এই ভোজৰ আগতে ৫ গৰাকী
৭ গৰাকী কুমাৰী ছোৱালীক চৰণ ধোৱাই পূজাৰীয়ে তিলক পিন্ধাই দিয়ে। লো
বিশ্বাস অনুযায়ী কুমাৰী ছোৱালী হ'ল দেৱীৰ প্ৰতীক। পূজাৰ শেষত টিপচী ভো
খোৱাৰ তাৎপৰ্য হ'ল মহিষাসুৰৰ লগত দেৱীৰ যুদ্ধ হওঁতে স্বৰ্গ-মত্য-পাতাল শা
স্থাপন কৰিছিল। সেই যুদ্ধত দেৱীৰ বলবীৰ্য হেৰাইছিল। পুণৰ বলবীৰ্য্য পাবৰ কাৰণে
টিপচী মাৰি ভোজ খাইছিল। বিশ্বাস অনুসৰি টিপচী চৰাইৰ মাংসত বলবীৰ্য্য শক্তি
নিহিত থকা বুলি ভবা হয়। আজি চাৰি দশক মানৰ আগতে এই দেৱালয়ৰ খাটনিয়াল
ডিবুৱাল নামৰ এজন বৃদ্ধই টিপচীৰ পোৱালি পুঁহি ৰাখি ভোজত লগাইছিল বুলি
আমাক এই দেৱালয়ৰ বৰ্ত্তমানৰ কেইবাজনো কৰ্ম কৰ্তাই কৈছিল। সেয়েহে সেই
দিনাৰ পূজাৰ অন্তত সকলো কৰ্মকৰ্তা, পূজাৰী, কুমাৰী তথা পৰিচাৰক সকলোৱে
আনন্দৰে ভোজ-ভাত খাই দেৱীক বিসৰ্জ্জন দিয়ে। দেৱী আহোঁতে নৈয়েদি অহাৰ
কাৰণেই নেকি নৈতে বিসৰ্জ্জন দিয়াৰ নিয়ম। মৰ্ত্ত্যত শান্তি স্থাপন কৰি সকলোৱে
পৰা দেৱীয়ে বিদায় লৈ স্ব-স্থান অৰ্থাৎ কৈলাসলৈ গমন কৰে।❑

"ওঁ সৰ্ব্বমঙ্গল্যে শিবে সৰ্ব্বথসাধিকে।
শৰণ্যে ত্ৰ্যম্বকে গৌৰী নাৰায়নী নামোহস্তুতে।।"

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। অসমৰ সংস্কৃতি ঃ লীলা গগৈ।
২। অসমৰ লোক সংস্কৃতি ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা
৩। চাৰিকড়ীয়াৰ পাৰে পাৰে সভ্যতা সংস্কৃতিৰ বিবৰ্ত্তন ঃ ড° জিতৰাম কলিতা
৪। দেৱালয়ৰ পূজাৰী, কৰ্মকৰ্ত্তা সকলৰ মুখৰ পৰা লোৱা তথ্য।




# সংস্কৃতিৰ সমস্যা

*হোমেন দাস*

জ্ঞান বুদ্ধিৰে পৰিপুষ্ট মানুহ নিঃসন্দেহে জীৱ-শ্ৰেষ্ঠ আৰু ভগৱানৰ অতুলনীয় সৃষ্টি। ফলত পাখি নাথাকিলেও আজিৰ মানুহে আকাশত বিচৰণ কৰিব পাৰে। তৃণ ভোজী হ'লেও আমিষ আহাৰৰ সোৱাদ লোৱাত বাধা নাই। ক্ষুদ্ৰ প্ৰানী হ'লেও আমাৰ জলে -স্থলে অবাধ গতি। সেইদৰে একালৰ প্ৰায় অসম্ভৱ বুলি ভবা কথাবোৰ আমাৰ আজি সুলভ-বাস্তৱ। কিন্তু এইয়া সম্ভৱ হ'লেও জীৱ জগতৰ এক প্ৰজাতি হিচাপে আমি প্ৰকৃতিৰ উৰ্ধত যাব নোৱাৰো। আমি প্ৰকৃতিৰ নিয়মৰে অধীন মাত্ৰ। সমস্যাটো ইয়াতেই দেখা দিলে।

প্ৰকৃতিৰ জীৱ, উদ্ভিদ সকলোৱেই স্বভাৱ সুলভ ভাবেই প্ৰকৃতিৰ সকলো নিয়ম নীতি মানি চলে। বিপৰীতে মানুহে নিজ খেয়াল খুচিমতে চলি তাক উপেক্ষা কৰি চলিব বিচাৰে। ফলত আমাৰ দেহ, মন, সমাজ, কৰ্ম , সকলোতে আউল লাগিবলৈ ধৰে। এনে এক ধ্বংসমুখী প্ৰক্ৰিয়া ৰোধ কৰিবলৈকে মনীষী সকলে কাল ভেদে সংস্কাৰ তথা অনুষ্ঠানৰ যোগেদি আমাৰ অপৰিহাৰ্য দিশবোৰ দেখুৱাই দি আহিছে। আৰু সকলো স্তৰতে সংস্কাৰৰ অভিযান অব্যাহত ৰাখিছে। এনে কল্যাণ কামী চিৰন্তন নীতি-নিৰ্দ্দেশনা তথা সংস্কাৰ সমূহৰ সমষ্টিয়েই সংস্কৃতি। ই কেৱল মানৱ সমাজৰে কল্যান সাধন নকৰে, চৰাচৰ বিশ্বৰ সকলোৰে বাবে আমি সংস্কৃতি মানি চলাটো অপৰিহাৰ্য। কাৰণ প্ৰত্যক্ষ ভাবে কেৱল মানৱ সমাজেহে সকলো স্তৰৰ কল্যাণ সাধন কৰাৰ ক্ষমতা লাভ কৰিছে। সংস্কৃতি এক পুৰণি পৰম্পৰা অথবা বেয়া হৈ যাব পৰা ফলৰ ৰস নহয়। ই ইমানেই স্বতন্ত্ৰ আৰু গতিশীল যে ইয়াৰ অৱস্থান বুজাবলৈ ভাষা বিদ সকলে 'অপ' 'লোক' আদিৰ দৰে শব্দৰ সহায় লয়।যেনে— অপ-সংস্কৃতি, লোক সংস্কৃতি ইত্যাদি। সংস্কৃতিক উপেক্ষা কৰা মানে প্ৰকৃতিৰ নিয়মক উপেক্ষা কৰাটো বুজায়। ইয়াৰ স্খলনে আমাৰ সকলো দিশতে কেৱল অন্ধকাৰেই মাতি আনিব। ইংৰাজী "CULTURE" শব্দটো আমাৰ সংস্কৃতি শব্দটোৰ পৰিপূৰক নহয়। সেয়েহে বোধ হয় ই. এম. ফষ্টাৰে কেৱল কিতাপ, ছবি, সংগীত আদিকে সংস্কৃতি

বুলি কোৱাৰ প্ৰয়াস কৰিছিল। জীৱই হওক বা জড়ই হওক তাৰ সংস্কৃতিৰ দিশ
উপেক্ষা কৰি চলিলে আমি সফলতা লাভ কৰিব নোৱাৰিম। প্ৰকাৰান্তৰে আমি যা
সততে সংস্কৃতিবান হৈ থাকো তাৰ বাবেই কিতাপ, ছবি, সংগীতৰ দৰে কিছুম
অনুষ্ঠানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰো ধ্বংসাত্মক আৰু ঋণাত্মক দিশ সমূহ সংস্কৃতি
দ্বাৰা সংস্কাৰ হোৱা প্ৰয়োজন। অন্যথাই হিতে বিপৰীত হোৱাটো স্বাভাৱিক।

ই.ম. ফষ্টাৰৰ মতে— "সমাজৰ কেইজনমান সংস্কৃতিবান মানুহ এ
সাগৰত এটোপাল চিয়াঁহীৰ দৰে।" সাগৰৰ পানীৰ লগত চিয়াঁহীৰ টোপাল মিহ
হৈ যোৱাৰ দৰে অতি সহজ ভাৱে আনন্দ মনে সংস্কৃতিবান মানুহ অন্য মানুহৰ লগ
মিলি যায়। এক বিংশ শতিকাত হঠাৎ অতি দ্ৰুত গতিৰে পৃথিৱীখন পৰিৱৰ্তন হৈ
পুৰণি চাম মানুহৰ জীৱন দৰ্শন, চিন্তা চৰ্চাৰ লগত নতুন যুৱ চামৰ জীৱন দৰ্শন চি
চৰ্চা সম্পূৰ্ণ বেলেগ হৈ পৰিছে। টি. ভি, মোবাইল ফোন, ইন্টাৰনেট, কম্পিউটা
আৰু যাতায়তৰ উন্নতিয়ে সাগৰ মহাসাগৰৰ সিপাৰত হোৱা পৰিবৰ্তনৰ ঢৌ, কেইটাম
মুহূৰ্ত্তৰ ভিতৰত সমগ্ৰ পৃথিৱীতে বিয়পাই দিছে। এখন ঠাইৰ সাজ-পোছাক, কথোপ
কথন, সংগীত বা সামগ্ৰীক ভাৱে সংস্কৃতিৰ ওপৰত এনে প্ৰভাৱে প্ৰতিক্ৰিয়াৰ সৃ
কৰি একোখন সমাজৰ পুৰণি গাঁঠনিৰ ওপৰতে আঘাত হানিছে। সমাজখনক বা
ৰখা সংস্কৃতিবান মানুহৰ সংখ্যা ক্ৰমান্বয়ে কম হৈ আহিছে। কাৰণ সংস্কৃতিবান মানু
কেৱল সংস্কৃতিবান মানুহৰ লগতহে বন্ধুত্ব গঢ়ি তোলাৰ ধাৰণাৰে সমৃদ্ধ তাহানি
সেই দিনবোৰ আৰু নাই। নিজৰ লগত মত নিমিলা অন্য এজন ব্যক্তিৰ উপস্থিতি
মুখ বন্ধ কৰা বা ভয়-বিহ্বল হোৱাৰ দিন উকলি গৈছে। এতিয়া সংস্কৃতি কেৱ
সমাজৰ উচ্চ শ্ৰেণীৰ একচেটিয়া সম্পত্তি হৈ থকা নাই। ৰীতি-নীতি বা শ্ৰদ্ধা সংস্কৃতি
উপাদান হিচাপে ক্ৰমান্বয়ে গঢ় লৈ উঠিছে। সংস্কৃতিবান পুৰণি দিনৰ মানুহবোৰ এ
পৰিবৰ্তনত এখন মহাসাগৰত এটি পানীৰ টোপাল মাত্ৰ। এই গুৰুত্বহীন মানুহবোৰৰ
বিশেষ সমস্যা আৰু দুখ-বেদনা আছে। এওঁলোকৰ কথা কোনোৱেই শুনিব নোখোজে
সংস্কৃতিৰ এটা টোপোলা কান্ধত লৈ পৃথিৱীৰ এটি কোণত বহি পুৰণি দিনৰ মানুহবোৰে
গুণ্-গুণাই আছে। নতুন যুৱক চামৰ চিএৰ-বাখৰবোৰ এই সংস্কৃতিবান পুৰণি
মানুহবোৰৰ গুণ্-গুণনি বোৰতকৈ বেছি ডাঙৰ আৰু তীব্ৰ।

আজিকালিৰ মানুহ বহু আগবঢ়া। কিন্তু পুৰণি চাম মানুহৰ শুদ্ধ সং চিন্তাৰ





তেওঁলোক অধিকাৰী হব পৰা নাই। আজিৰ মানুহে যিটো নিবিচাৰে তাৰ বাবে অবাবত টকাও খৰচ নকৰে। নিজকে উচ্চ বুলি ধাৰণা কৰা আধুনিক মানুহৰ চিএৰ-বাখৰবোৰ শুনি এই কথা কব পাৰি যে কিতাপ, ছবি, সংগীতৰ সুৰ, কলা-সংস্কৃতি, সাহিত্য আদি যিবোৰ বস্তু পুৰণি দিনৰ মানুহে ভাল বুলি ভাবে তেওঁলোকক সেইবোৰ নালাগে। গতিকে পুৰণি দিনৰ মানুহবোৰে যেতিয়া নিজৰ জীৱনটো নিজৰ অভিৰুচি অনুসৰিয়েই যাপন কৰিব বিচাৰিছে তেনে ক্ষেত্ৰত পুৰণি চামে নিজৰ আত্মীয় বুলিয়েই কান্ধত লৈ ফুৰা সংস্কৃতিৰ টোপোলাটো তেওঁলোকক দিলেই তেওঁলোকে লবলৈ ইচ্ছা নকৰিব। কাৰণ সংস্কৃতিৰ টোপোলাটো তেওঁলোকৰ বাবে গধুৰ।

সংস্কৃতিৰ টোপোলাটো যদি আধুনিক মানুহে নলয় তেন্তে লব কোনে? সংস্কৃতি গ্ৰহণ কৰিবলৈ কাকো বাধ্য কৰিব নোৱাৰি। এইটোৱেই হৈছে পুৰণি দিনৰ সংস্কৃতিবান মানুহৰ সমস্যা। সমস্যাটো হ'ল এইযে কেইজনমান পুৰণি দিনৰ মানুহে যেতিয়া সংস্কৃতিৰ সমস্যা লৈ ব্যস্ত, তেতিয়া নতুন চাম ব্যস্ত অসৎ উপায়েৰে ধন-সম্পত্তি উৰ্পাজনৰ পথ বিচৰাত। সংস্কৃতি তেওঁলোকক নালাগে আৰু তাৰ বাবে তেওঁলোকৰ ভ্ৰূক্ষেপো নাই। কলা, সংস্কৃতি, সাহিত্য প্ৰচাৰৰ বাবে বিষ্ণু ৰাভা, জ্যোতি প্ৰসাদ আগৰৱালা আদিৰ যি ব্যগ্ৰতা আছিল সেয়া আজি মৃত্যু শয্যাত।

পুৰণি দিনৰ সংস্কৃতিবান মানুহবোৰে এদিন পৃথিৱীৰ পৰা বিদায় ল'ব। গতিকে অতি বিচক্ষণতাৰে কাৰোবাক পতিয়ন নিয়াই সংস্কৃতিৰ টোপোলাটো দিবই লাগিব। নতুন চাম মানুহ হ'ল অতীত আৰু বৰ্তমানৰ দামোজাৰ মাজত প্ৰতিপালিত আধুনিক ব্যক্তি। আজি কালিৰ মানুহ অতীতৰ সুন্দৰ বস্তু বিলাকৰ প্ৰতি অনুৰাগী নহয়। নতুবা তেওঁলোকৰ এই নন্দন তত্বৰ বিষয়ে ধাৰণা খুউব কম। এই বাবেই সুন্দৰ সৃষ্টি বিলাকৰ প্ৰতি তেওঁলোক সন্দিহান। কিন্তু সুখৰ কথা যে বনুৱা শ্ৰেণীৰ কিছু মানুহে এই সংস্কৃতিৰ এতিয়াও বাহক বা ধাৰক হৈ আছে আৰু তেওঁলোকৰ জীৱন সেই সৌন্দৰ্যৰে সমৃদ্ধ। তেওঁলোকক আধুনিক ৰংচঙীয়া সংস্কৃতিৰে বিৰক্ত কৰিব নালাগে জানোচা দোমোজাৰ মাজত তেওঁলোক হেৰাই যায়। গতিকে কি কৰা উচিত।

কোনো সংস্কৃতি ভাল বুলি কাকো দিব নোৱাৰি। ভৱিষ্যতত হয়তো এইবোৰ একোৱেই নাথাকিব। আমাৰ উত্তৰ পুৰুষে এনে কিবা এটা উদ্ভাৱন কৰি ল'ব যে

তাৰ কথা আমি এতিয়া বুজিব পাৰিম বুলি আশাই কৰিব নালাগে। পুৰণি চাৰে সংস্কৃতিৰ টোপোলাটো কাৰোবাক দিবলৈ উচপিচাই থকাতকৈ নিজৰ লগতহে ৰখা ভাল। এনেকুৱা মনোভাৱে মৰ্যদা লাভ কৰে আৰু গ্ৰহণীয় হৈ উঠে। আধুনিক মনোভাৱাপন্ন সকলৰ লগত তেতিয়াহে দুই এটা আদান প্ৰদানো কৰিব পৰা যাব। সংস্কৃতিক বৰং ধৰ্মৰ লগতহে তুলনা কৰিব পাৰি। বিলাই নিদিলে ধৰ্মৰ দৰেই সংস্কৃতিকো উপভোগ কৰিব নোৱাৰি। সেইবাবে নিজৰ ভাল লগা কিতাপ এখন হাতত লৈ অকলে বহি থকাটো বা সংস্কৃতিবান কোনো বন্ধুৰ সৈতে কোঠাত আবদ্ধ হৈ বাহিৰত কি ঘটিছে পৰীক্ষা নকৰাকৈ থকাটো এটি ভুল ধাৰণা। সহনশীলতা হে সন্তোষজনক ভাৱে কাম কৰাৰ প্ৰকৃত আৰু শুদ্ধ শক্তি নিহিত থকা পথ। প্ৰয়োজনীয় কথাটো হ'ল যে সংস্কৃতিবান মানুহে নিজৰ জেউতি বা পোহৰ চাৰিও ফালে বিয়পিবলৈ দিব লাগে, যাতে মানুহৰ অনুসন্ধিৎসা জাগি উঠে। আধুনিক মানুহে আনন্দৰ উৎস এদিন নিশ্চয় বিচাৰিব আৰু প্ৰশ্ন কৰিব। কীৰ্ত্তন, দশম, ভাগৱত আদি মহৎ গ্ৰন্থ বিলাক পঢ়ি কিয় ইমান আনন্দ পোৱা যায় বা বিহু জাতীয় উৎসৱবিলাকে মানুহক ভাতৃত্বৰ বান্ধোনেৰে বান্ধি মানৱতাৰ জয় গান গাবলৈ প্ৰেৰণা দিয়ে।

এই বিলাক গা-বেজবেজোৱা কথা হ'লেও বৰ্তমান সময়ত প্ৰয়োজনীয় আৰু চিন্তা কৰিব লগা কথা।

সংস্কৃতিৰ দৰে মহান প্ৰক্ৰিয়াটো এদিনতে আৰম্ভ হোৱা নাই আৰু শেষ বুলি কোনো যৱনিকাও নাই। সংস্কৃতিয়ে আমাক শতবছৰ পৰম আয়ুস নিদিলেও, কিছুদিন বেছিকৈ জীয়াই থকাৰ সুবিধা নিশ্চয় দিছে। বৈকুণ্ঠৰ দৰে নহ'লেও ই এখন সুস্থ সমাজ আমাক দিছে। কিন্তু এইটোও ঠিক যে সংস্কৃতিৰ দৰে মহান ফলদাতা প্ৰক্ৰিয়াটোৰ প্ৰকৃত মূল্যাংকনৰ অভাৱত অমৃতত বিহৰ সমাবেশ ঘটিছে আৰু আমি এক ধ্বংসমুখী পৰিণতিৰ ফালে গতি কৰিব লাগিছো। তথাপি সংস্কৃতি স্যামন্তক মণি সদৃশ। এই মহাৰত্ন যাৰ হাতত নাথাকক কিয় সি তাৰ সুফল বিলাক প্ৰদান কৰি থাকিব।❑



# ।। বিহু আৰু বিহুতলীৰ বিচাৰক ।।

*নন্দ চুতীয়া*

সময়ৰ বিবৰ্ত্তনত গাঁৱৰ চোতালৰ বিহুখন গৈ নগৰৰ মঞ্চত উঠিল। নগৰীয়া মঞ্চ বিহুৱে বিপুল জনপ্ৰিয়তা পালে। ফলত খুব দ্ৰুত গতিত পিছলৈ অসমৰ প্ৰতিখন নগৰলৈ আনকি গাঁৱলৈকো মঞ্চ বিহুৰ সম্প্ৰসাৰণ হ'ল। বিহু সন্মিলন, বহাগীমেলা, বহাগী বিদায় এনেকুৱা নামকৰণ কৰি বিহুক মঞ্চত উঠাই সমূহীয়াকৈ বিহু উপভোগ কৰিবলৈ ল'লৈ। মঞ্চ বিহুৱে সুকীয়া মাত্ৰাৰে আনন্দ দান কৰিলে। আজিকালি সকলোফালে প্ৰতিযোগিতাৰ যুগ। বিহুকো পিছপেলাই নথলে। বিহুকো ন উদ্যমেৰে প্ৰতিযোগিতাৰ শাৰীলৈ টানি অনা হ'ল। হুঁচৰি বিহু প্ৰতিযোগিতা, মহিলাৰ ঢকা বিহু বা জেং বিহু প্ৰতিযোগিতা— এইবোৰ দলীয় বিহু প্ৰতিযোগিতাৰ লগতে 'বিহুৰাণী', 'বিহু সম্ৰাজ্ঞী' সামন্তযুগীয়া এনেবোৰ উপাধিৰে বিভূষিত কৰি শকত ধনৰ টোপোলা, ৰঙীন টি. ভি., মুগাৰ চেট পাটৰ চেট, সোণৰ গহনা আৰু বিভিন্ন ৰকমৰ লোভনীয় পুৰস্কাৰৰ টোপ দেখুৱাই এককভাৱে গাভৰু ছোৱালী বিহু নচুৱাই প্ৰতিযোগিতা পাতিবলৈ ল'লে (যদিও বিহু অকলে নেনাচে, দলতহে নাচে)। মঞ্চ বিহুৰ জনপ্ৰিয়তা আৰু প্ৰসাৰ বৃদ্ধি হৈ গৈ থকাৰ ফলত সম্প্ৰতি বিহু নাচৰ ওপৰত পণ্ডিতালি দেখুৱা পণ্ডিতৰ সংখ্যাও বানপানীৰ হাৰত বৃদ্ধি পালে। নাচনী জনীৰ গাৰ অলংকাৰবোৰ তেনেকুৱা হ'ব লাগে, নাচোনৰ ভংগি এনেধৰণৰ হ'ব লাগে, ইত্যাদি ৰকম ৰকম মন্তব্য। ব্লাউজ চোলাৰ হাতটো চুটি হ'ব লাগে, চোলাটো পিঠি ঢকা নহ'লেও হয় ইত্যাদি অনেক মতামত। ছোৱালীজনীৰ ওঁঠত ইমান ছেন্টিমিটাৰ হাঁহিৰ ৰেখা থাকিব লাগে, নাচোতে খোপাত এহাতথৈ ইখন হাত কঁকালত থৈ নাচিব লাগে, সময় অনুসৰি দুয়োখনহাত পিছফালে নি তপিনাত থৈ নাচিব লাগে, পেঁপা বজালে পেঁপুৱৈৰ সন্মুখত আঠুকাঢ়ি মূৰটো এবাৰ তললৈ এবাৰ ওপৰলৈ কৰি; পেঁপাৰ তালে তালে দুয়োখন হাতৰ সৰু গাঁঠি কেৰা মাৰি ধৰি ৰাখি পখিলাই পাখি মেলি উৰাৰ ভংগি দিব লাগে ইত্যাদি অনেক মন্তব্য। কিন্তু বিহুৰ উৎপত্তিৰ সম্পৰ্কে, এইবিধ লোক নাচ, লোকগীত, লোকবাদ্য আৰু সাজ-পাৰৰ সম্পৰ্কে যাৰ গভীৰ অধ্যয়ন নাই, জ্ঞান সীমিত তেনে লোকৰ ক্ষেত্ৰত বিচাৰক হৈ প্ৰতিযোগিতাৰ মানদণ্ড নিৰূপন কৰোতে অনেক

বিসংগতিয়েহে দেখা দিয়ে। ভালকৈ জুমি-চোৱা উচিত বিহুৰ উৎপত্তি হৈছিল তাহানিখন অসমীয়া অনাক্ষৰী কৃষি জীৱি মানুহৰ হাতত। বিহু কৃষিৰ লগত ওতঃপ্ৰোত সম্বন্ধ থকা উৎসৱ। নিৰক্ষৰ অসমীয়া খেতিয়ক মানুহ মখাই প্ৰকৃতিৰ পৰা পোৱা সমল বুটলি প্ৰকৃতিৰ লগত ৰজিতা খোৱাকৈ বিভিন্ন লোকবাদ্য সাজি বজাই নাচি বাগি গাই ফূৰ্ত্তি কৰিছিল। বিহু অসমীয়াৰ লোক উৎসৱ। এই লোকগীত আৰু নাচত অসমীয়া কৃষিজীৱি ৰাইজে ব্যৱহাৰিক জীৱনত যিবোৰ বস্তু ব্যৱহাৰ কৰিছিল, দেখিছিল পাইছিল অথবা জীৱনত ঘটিছিল সেইবোৰক সম্বল কৰি, সেই কথাকে বিহু নামত ঠাই দি, বিহুনাম গাইছিল। বিহু নামত বিভিন্ন প্ৰজাতিৰ মাছ কাছ, চৰাই চিৰিকতি, পশু পক্ষী, নৈ বিল, পৰ্বত পাহাৰ, হাবি বন, গছ-গছনি, প্ৰাকৃতিক দুযোগ এইবোৰক লৈ সুন্দৰ উপমাৰে বিহু নাম গাইছিল। বতাহৰ বা লাগি নল বিৰিণা যেনেকৈ হালে জালে, উঘা চেৰেকী যেনেকৈ ঘূৰে, চৰাই পখিলাই ডেউকা মেলি যেনেকৈ উৰে এইবোৰকে চাই তাৰেই ভঙ্গী দি বিহু নাচ নাচিছিল। সময়ৰ সোঁতত যন্ত্ৰ যুগত ঢোলৰ ছেও চাপৰ গীতৰ কথা নাচৰ ঠেও বদলি হ'ল। ঢোলৰ ছেও চাপৰ চুটি হ'ল। ইয়াৰ কাৰণ হ'ল প্ৰতিযোগিতাৰ বাবে নিদিষ্টকৈ বান্ধি দিয়া তাকৰীয়া সময়। ৰেডিঅ'-টিভিত পৰিৱেশন আৰু প্ৰদৰ্শণৰ বাবে বান্ধি দিয়া এইকণ নিৰ্দিষ্ট সময়তে ঢোল বাদন, পেঁপা বাদন, বিহুনাম পৰিৱেশন, বিহুনাচ পৰিৱেশন দেখুৱাবলৈ বা শুনোৱাবলৈ যাওঁতেই সময়ৰ সোঁতত ঢোলৰ ছেও-চাপৰ চুটি হৈ থাকিল বাবেই তাহানিখন নাচনী ভাগৰি যোৱা, অথবা ঢোলবাই ঢুলীয়া ভাগৰিপৰা সেই আনিন্দ্য সুন্দৰ দীঘলীয়াকৈ বজোৱা ঢোলৰ ছেও-চাপৰবোৰ পাহৰণিৰ গহ্বৰত এতিয়া হেৰাই গ'ল। সময়ৰ বিৱৰ্ত্তনত ঢোলৰ ছেও-চাপৰ চুটি হৈ থাকিলেও ঢোল আগৰ দৰেই বাজি আছে, ঢোল বাদনে আগৰদৰেই দেহ মন উতলা কৰি আছে। পৰিবৰ্ত্তন আহিবই। তাক বাধাদি ৰাখিব নোৱাৰি। আন কি পিঠা পনাৰ ক্ষেত্ৰতে পৰিবৰ্ত্তনৰ ঢৌ লাগিল। তাহানিখন আমাৰ আইতাহঁতে সজা তিল পিঠাখন বৰ এচটা আছিল। কিন্তু আজি চাম মহিলাৰ হাত লাগি তিলপিঠাখন বাট মাছটোৰ সমান সৰু হৈ থাকিল। তথাপিও তিলপিঠা হৈ আছে। তিলপিঠা বুলি চিনিব পাৰিছো। পৰিবৰ্ত্তন অৱশ্যম্ভাবী। এইখন জগতত কোনো বস্তুৱেই স্থিতাৱস্থাত বাহাল থাকিব নোৱাৰে। সংস্কৃতিও তেনেকুৱা। সময়ৰ সোঁতত তাৰো পৰিবৰ্ত্তন আছে। যিহৰ পৰি ৱৰ্ত্তন নাই,তাৰহে আকৰ্ষণ নাই।





পিছে এটা কথা, পৰিবৰ্ত্তনৰ নামত যাতে মূল বস্তুটোৰ যি ৰূপ বা আত্মা বা স্বকীয়তা সেইটো যেন চিনিব নোৱাৰাকৈ বিৰূপ হৈ হেৰাই নাযায় তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখিব লাগিব। আৰু এযাৰ কথা এই আপাহতে কৈ থওঁ, নাচ গান নাটক এইবোৰ সুকুমাৰ কলা বিচাৰ কৰাটো বৰ সহজ বা চিধা কাম নহয়। বৰ টান কাম।বিহু প্ৰতিযোগিতা বিচাৰ কৰাটোও তেনেকুৱাই টান কাম। আজিকালি বিহুতলীৰ প্ৰতিযোগিতাত বিচাৰকে শেষ সিদ্ধান্তৰ ৰায়দান কৰাৰ পিছত বহু দৰ্শকে অসন্তোষ প্ৰকাশ কৰি বু-বু বা-বা কৰে। বিচাৰকৰ পাৰচিয়েলিটি, বিচাৰকৰ বিহুৰ জ্ঞানৰ অভাৱ ইত্যাদি। সেয়েহে দৰ্শকে ৰাইজৰ সেই ভ্ৰান্তি দূৰ কৰিবলৈকে প্ৰতিজন বিচাৰকে সেই বিহুতলীতে তেওঁলোকৰ বিচাৰৰ যি দৃষ্টিভংগি ফা ফা কৰি ফহিয়াই দেখুৱাই বুজাই শক্তিশালী মন্তব্য দিয়া উচিত। বিহু প্ৰতিযোগিতা বিচাৰ কৰোতে বিচাৰকে এই কেইটা দিশত দৃষ্টি পেলাব লাগে — (১) হুঁচৰি বিহুৰ প্ৰতিযোগিতা হ'লে —

(ক) হুঁচৰিযোৱাৰ আৰম্ভণী (খ) দলটোৰ সাজপোচাক (গ) বিহুনাম/নাচ/বাদ্য (ঘ) দলীয় শৃংখলা (ঙ) দলীয় উদ্যম/উচাহ (চ) বিহুৰ মানদণ্ড (ছ) সামৰণী (২) মহিলাৰ টকা বিহু বা জেংবিহুৰ প্ৰতিযোগিতা হ'লে — (ক) আৰম্ভণী (খ) দলটোৰ সাজ পোছাক (গ) বিহু নাম/নাচ/ব্যৱহৃত বাদ্য (ঘ) দলীয় শৃংখলা (ঙ) দলীয় উদ্যম/উচাহ (চ) বিহুৰ মানদণ্ড (ছ) সামৰণী। (৩) একক ভাবে বিহুৱতী প্ৰতিযোগিতা হ'লে এই কেইটা দিশত চকু দিলেই যথেষ্ট হ'ব বুলি ভাবো। (ক) প্ৰথম লাগিব নাচনী জনীৰ নিৰ্দিষ্ট জোখৰ ওখই পাখই এটা আকৰ্ষণীয় শাৰীৰ। (খ) উজ্জল এযুৰি চকু (গ) নাচি থাকোতে বিভোৰ প্ৰফুল্লমনা হাঁহিমুখীয়া অভিব্যক্তি। আৰু চাব লাগে—

(১) অসমীয়া তিৰোতাই ডিঙি, কান আৰু হাতত এপদ অলংকাৰহে পিন্ধে। ভাওনাত ৰাণী বা ৰাজকুমাৰীয়ে পিন্ধি লোৱাৰ দৰে ডিঙি ঢাকি অসংখ্য কণ্ঠহাৰ নিপিন্ধে। এইটোত দৃষ্টি দিব লাগে।

(২) অসমীয়া তিৰোতাৰ লাজবোলা বস্তুটো খুব বেছি। সেয়েহে আগৰ মহিলাই পিঠি ওলাই থকা ব্লাউজ নিপিন্ধে। সেইটো কথা ভাবিব লাগে। ব্লাউজটোৰ হাতকটা বা হাতদীঘল হ'বই লাগিব বুলি একো কথা নাই।

(৩) ঘৰতে বৈ লোৱা ফুলাম বা উকা মুগা-মেখেলা আৰু মুগা-বিহা গাত থাকিলে ভাল। ফুলাম মুগা-চেট সেইবোৰ ধনীক শ্ৰেণীৰহে সম্পত্তি বা বিলাসী বস্তু সৰ্বসাধাৰণৰ বস্ত্ৰ নহয়।

(৪) খোপাটো সঁচা ফুলেৰে ফুলাম হোৱা আৱশ্যক। দুই হাতৰ তলুৱা জেতুকাৰে বোলোৱা আৱশ্যক।

(৫) বিহুৱতী গৰাকীয়ে পৰিৱেশন কৰা বিহু নাম ফাঁকিৰ শুদ্ধ শব্দোচ্চাৰণ, তাৰ সুৰ আৰু কণ্ঠত মাধুৰ্য আছেনে নাই, সেইটো লক্ষণীয় কথা।

(৬) বিহু নাচৰ নামত কথকনৃত্য, ভাৰত নাট্যম, সূত্ৰধাৰ বা আজিকালি পৰিৱেশন হোৱা আধুনিক নৃত্যৰ তেনেকুৱা কিবা ছাপ পেলাইছে নেকি।

(৭) নাচৰ ভংগিবোৰ পৰিমাৰ্জিত হৈছেনে নাই।

(৮) বিহুৱতী গৰাকীয়ে লগত যদি গগণা বা সুতুলি জাতীয় তেনেকুৱা বাদ্য আনিছে তাক পৰিৱেশন কৰোতে স্পষ্ট শব্দ কৰি স্বাভাবিক স্বৰত বজাব পাৰিছে নে নাই।

(৯) বিচাৰকৰ সিদ্ধান্তই যদিও শেষ সিদ্ধান্ত বুলি বন্ধা থাকে তথাপিও বিচাৰকে আজিকালি সৰ্বভাৰতীয় গীত আৰু নৃত্য প্ৰতিযোগিতাৰ নিচিনাকৈ দৰ্শকৰ ফালৰ পৰাও এটা নম্বৰ গ্ৰহনৰ ব্যৱস্থা কৰিব লাগে। ধৰি দিয়া হওঁক দৰ্শকৰ ঘৰৰ নম্বৰৰ পৰিমাণ মাত্ৰ দহ। একৰ পৰা দহৰ ভিতৰতে দৰ্শকে নম্বৰ দিব পাৰিব বুলি ঘোষণাটো দিব লাগে।

(১০) পৰিশেষত প্ৰতিযোগিতাৰ অন্তত বিচাৰকে মন্তব্য ৰখাটো অত্যন্ত অপৰিহাৰ্য বিষয় হ'ব লাগে। লগতে আৰু এটা দিশলৈ তীক্ষ্ণচকু ৰাখিব লাগে বিহুৱতী গৰাকীৰ নাচৰ ভংগীবোৰ স্বাভাবিক নে অভিনয় কেন্দ্ৰিক নৃত্যৰ ঠেও দিছে। আমাৰ বোধেৰে এনেদৰে বিচাৰ কৰিলে বিহুৰ বিচাৰত বিসংগতি নহ'ব যেন লাগে।❑



# 'মাঘ বিহু'- এটি সাংস্কৃতিক অনুভৱ

*ধৰণীধৰ কলিতা*

অসমত সমাজ জীৱনৰ যৌৱন জগায় তোলা উৎসৱ— বিহু বুলি সকলোৱে চ'ত বিহু-বহাগ বিহুৰ আলচ-আলোচনাত সাতবিহুৰ আঁচনি খনকে সৃষ্টিৰ প্ৰেৰণাৰে জনজীৱনৰ মনৰ কোঁহলৈকে বিশ্লেষণ কৰি, সাংস্কৃতিক মাপৰ নতুন সূত্ৰৰে বান্ধি বিহুৰ পেঁপাৰ ছেৱত নাচে-নচুৱায়। কাতি বিহু, মাঘ বিহুৰ আলচ-আলোচনা কৰা ক্ষেত্ৰখন বিহুৱান হৈ নুফুলে— 'গা-মচা' 'গামোচা' হৈ থাকে। আৰু এটা কথা লক্ষ্য কৰা যায়— বিহু উৎসৱৰ দিন পালনৰ কাৰণে ভাত কাপোৰৰ বিষয়ে বিশেষ গুৰুত্ব দিয়া দিশটো আজি কালি ষ্টেজৰ 'নাচনী' গাভৰুজনীৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱা দেখা গৈছে।

সংস্কৃতিয়ে বিকাশ লভে, প্ৰকাশিত হয়; ভাবৰ আঁত নেহেৰুৱাকৈ ক'ব পাৰি উদ্ভসিত হয়। সভ্যতাৰ স্তৰে স্তৰে এই বিকাশৰ ধাৰাটোৰ গতিশীলতাক সৃষ্টিৰ আঁচলেৰে সুৱাগী কৰি গঢ় দিয়া প্ৰয়াস আৰু তাৰ ফল প্ৰাপ্তিৰ আনন্দ উপভোগ আৰু তাৰ আশ্ৰয়েৰে গঢ় লোৱা মনৰ ব্যৱহাৰিক গতিশীলতাৰে সাংস্কৃতিক পথাৰখন সেউজীয়া হয়। কৃষ্টিৰ কৰ্ষণত সৃষ্টি হোৱা সেউজীয়া ৰং আৰু ৰূপৰ ভেঁটিয়েই সংস্কৃতিৰ ভেঁটি। শান্তি সম্প্ৰিতিৰ পথেৰে সংস্কৃতিক ভেটিত আকৌ নতুনত্বই প্ৰকাশ লভাৰ প্ৰতিষ্ঠাত মন জাগে। সাংস্কৃতিক জগতৰ এই চেতনা প্ৰবাহকে এষাৰ অমৃত বাক্যত ধৰি ৰখা হৈছে— 'সম্ভৱামি যুগে যুগে'। ভাস্কৰ জ্যোতিৰ দ্বাৰা উদ্ভাষিত জগত খনত সীমিত জীৱন যাত্ৰাতে সামূহিক আশ্ৰয়ৰ পদূলিৰে অহাযোৱা কৰি মঙ্গল উৰুলি ধ্বনিৰে ছান্দসিক গতিৰে অমৃতৰস আস্বাদনৰ অনুভূতিক প্ৰচেষ্টাতে সংস্কৃতিৰ পূৰ্ণতা প্ৰাপ্তিৰ ভেঁটি।

ব্যৱহাৰিক জীৱন আৰু সাংস্কৃতিক জীৱনৰ মাজৰ পৰিচয়টো প্ৰকাৰন্তৰে ক'ব পাৰি বাটচ'ৰাটোৰ সাংস্কৃতিক নাম 'উৰুকা'। উৰুকাৰ উকা চানেকিৰে দেহ মনৰ আনন্দ প্ৰকাশনাৰে সমাজ জীৱনৰ পৰা সংগৃহীত সমৰ পৰা উৰুকা দিনৰ উদাহৰণ এটাৰ আলচ আগবঢ়ালোঁ। মাঘ বিহু -ভোগালি বিহু। কঙালী অতিক্ৰমী ভোগালি উৎসৱলৈ তিনিমাহৰ ব্যৱধান। ৰঙালী বিহু অতিক্ৰমী সৃষ্টিৰ পথাৰখন

সেউজীয়া হৈ কঙালীৰ মনক দোলন দি যোৱা সেউজীয়া পথাৰখন সোণোৱালী ৰং হৈ গঞা জীৱনক উজলাই তোলে। দোটোম-চাৰিটোম কঠিয়াৰ টোপোলা সৃষ্টিৰ প্ৰতিশ্ৰুতি যাত্ৰাৰে ভোগালি জীৱনৰ আৰম্ভণ। পোহৰ ঠেঁতুৰৈক নেওচি মা সৰিয়হ, আলু, কচুৰ শস্যৰ পথাখনৰ গাতে আঁউজি ভোগৰ জীৱনৰ আৰম্ভণি। কাঠনি মেজি খৰি কটা সামূহিক আনুষ্ঠানিক কাৰ্যৰে উৰুকা দিনৰ শুভাৰম্ভ। ঘৰত জীয়ৰী বোৱাৰী সকলৰ উখল-মাখল মন বিহুৰ ব্যস্ততা, চিৰা-পিঠা, সান্দহ-লাৰু বনোৱাত গৃহস্থৰ ব্যস্ততা তিল, মাহ, গুঁৰ,গাখীৰ সংগ্ৰহত। ল'ৰাহঁতৰ ব্যস্ততা চিৰা, পিঠা ভাজিবলৈ লাঙনি খৰি লুৰাত। ইয়াৰ পাছত ধুতি মেজি, বাহিৰ মেজি সাজি বাট পথ চিকুণাই উৰুকা ৰাতি জিৰণিৰ সময়টোতে পিঠা-পনাৰে, লাৰু, মিঠৈৰ ভোগ মলা চৰুতো পূৰ্ণতাৰ পৰিচয়েৰে উৰুকাৰ ব্যস্ততা সামৰি আখল-জুহাল সামৰে ঘৰৰ লাগনি গছ আম, কঠাল, তামোল আদি গোপনে বান্ধে। লোকবিশ্বাস– নাবান্ধিলে ফচল নালাগে। ৰাতি ডেকাইঁতে মেজি ৰখে। পিঠা-পনা, ভোজ-ভাত খাই বিহু মাৰে। হিমচেঁচা উৰুকা ৰাতি মন-প্ৰাণ নচুৱায় 'বনঘোষা' গায়। পানীহিলৈ ফুটায়। পুৱা মালযুঁজ কৰাৰ নিয়ম।

বিহুৰদিনা ঘৰ-দুৱাৰ চাফ চিকুণ কৰা, ঘৰ মচা আদি সকলো নিত্য-নৈমিত্তিক কৰ্ম সামৰি গা-পা ধুই সাংস্কৃতিক মনৰ সৈতে নিজকে পৰিচয় কৰোৱাৰ দিহা কৰে নামৰ পৰিচয়ৰে 'মাঘ বিহু'; গুণৰ পৰিচয়েৰে ভোগালি বিহু। ব্যক্তি আৰু সমাজ আধ্যাত্মিক চেতনাৰে আগবাঢ়ি অত্যন্ত ৰূপ লভাৰ ব্যৱহাৰিক জীৱনৰ উৎসৱেই ভোগালি বিহু। পুৱা সকলোৱে 'বাহিৰ মেজি' পুৱায়। ৰাতি নৌ পুৱাওঁতেই নৈত গা-পা ধুই তিতা গাৰে 'ধুতি মেজি' জ্বলায়। পুৱা গা-পা ধুই পিঠা লাৰু দি সকলোৱে মেজি সেৱা কৰে। ঠাই বিশেষে কীৰ্ত্তণ ঘোষা পাঠ, নাম প্ৰসঙ্গ, দিহানাম, গোপিনী নাম আদি গোৱা হয়। দিহানামৰ এটা ঘোষা এনেধৰণৰ —

"বাসুদেৱ নেযাইবা এৰিয়া।
তুমি তৰু আমি লতা থাকিবা এতিয়া।।
বাসুদেৱ তোমাৰ চৰণে।
ভজিলোহোঁ কায় বাক্য মনে।।

অসমৰ কিছু কিছু ঠাইত মেজি ঘৰৰ পৰা ৰাইজে কীৰ্ত্তনৰ কংস বধৰ পদ





গাই গাই গাৱঁৰ মাজেদি যাওঁতে গৃহস্থই চাকি-বন্তি জ্বলাই পদূলিয়ে পদূলিয়ে তামোল-পাণৰ শৰাই আগবঢ়ায়। এইদৰে গাওঁখন ঘূৰি নাম প্ৰসঙ্গ কৰি ৰাইজ নামঘৰত সোমায় নামঘৰীয়াই ভকতক সেৱাৰে আদৰে। ডবা-কাঁহৰ মঙ্গল ধ্বনিৰে নামঘৰত দিহানাম লয়। হাত চাপৰিৰে, তালত ভৰিৰ চালনাৰে কীৰ্ত্তনৰ ধ্বনিৰে মনৰ দৃঢ়তা প্ৰকাশ কৰে। ইয়াৰ পিছতে 'এ' হৰি -হৰি নাম ললে নেহেৰায়—

"ভাই ককাই নাবাঞ্চে, অগ্নিয়ে নোপোৰে,
যমেও নিদিয়ে দৰ কৰি,
হৰি হৰি নাম ললে নেহেৰায়।"

এক বিশেষ তাল আৰু সুৰত দিহা নাম সামৰে। বিহুৰ আৰম্ভণিৰ আশীৰ্বাদ ঘোষনা কৰে। ভকত সকল ঘৰা-ঘৰি হয়। ঘৰলৈ গৈ গৃহস্থীৰূপে বিহুৰ পিঠাপনা, জা-জলপান খাই পনঃ নামঘৰলৈ আহে উৎসৱ উপলক্ষ্যত নামকীৰ্ত্তন পাঠ প্ৰসঙ্গ কৰে।

জুইক ব্যৱহাৰ উপযোগী কৰি জীৱন যাত্ৰাৰে শ্ৰেষ্ঠ জীৱনৰ পৰিচয় প্ৰদানৰ ক্ষণটোৰ পৰা লব্ধ জ্ঞানৰ সামূহিক ভাৱে খাদ্য সংগ্ৰহ আৰু গ্ৰহনৰ আনন্দৰ চিত্ৰ ইয়াত সংৰক্ষিতহৈছে। আলু, কচু, মাছ, মাংসৰ ব্যৱহাৰৰ পৰা ঘিঁউ, মৌ পিঠা পনালৈকে বিহুত ব্যৱহৃত খাদ্যৰ তালিকাখনতো চিকাৰী জীৱন যাত্ৰাৰ পৰা উন্নত মানৰ খাদ্য আঁচনিখনেৰে প্ৰকাশ পোৱাসমাজ জীৱনৰ প্ৰতিটো অংশৰপৰা সংগৃহীত এক নতুন আঁচনি। বাসুদেৱ সংস্কৃতিৰ আত্মীয়তা দিহানামত সংৰক্ষিত। আনহাতে মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম সংস্কৃতিৰ পূৰ্ণতা প্ৰাপ্তিৰ অমৃত বৈকুণ্ঠ ক্ষেত্ৰ 'নামঘৰৰ' আশ্ৰয়েৰে সমাজক ধন্য কৰা আঁচনিখনৰ পূৰ্ণতা প্ৰাপ্তিৰ পৰিচয় ভোগালি বিহু। ইয়াত নিমন্ত্ৰণৰ নিয়ম নাই, সকলোৱে মানে -পাতে। ইঘৰে সিঘৰলৈ যায়। খোৱা-বোৱাতকৈ আত্মীয়তাৰ পুৰঠমনৰ পৰিচয়েৰে বিহুৰ দিন বাগৰে। ভোগালি ৰূপ লাভৰ ব্যৱহাৰিক জীৱনেই ভোগালি বিহু। সাংস্কৃতিক মান ৰক্ষা কৰাটো আমাৰ কৰ্তব্য।❑

টোকা ঃ- (লেখকৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই 'ভোগালি' শব্দৰ বানান 'হেমকোষ' অনুৰূপে ৰখা হৈছে।— সম্পাদক।)

# মাজ-জালভাৰী গাৱঁৰ মহাপুৰুষীয়া নামঘৰৰ ভাওনা আৰু মুখা-শিল্প

*বলিন কলি…*

শংকৰী সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰত গুৰুজনাই সকলো লোকক একত্ৰি… কৰি আধ্যাত্মিক জ্ঞান দানৰ লগতে আদালত হিচাবেও গণ্য কৰিছিল। তেনে এ… উজ্জল নিদৰ্শন হ'ল ঢকুৱাখনাৰ মাজ-জালভাৰী মহাপুৰুষীয়া নামঘৰ। নামঘৰ… ১৭২১ চনৰ কাতি মাহৰ শুক্লা একাদশী তিথিত কিনামটিয়া নামে ঠাইত প্ৰতি… হৈছিল বুলি সাঁচিপতীয়া পুথিত উল্লেখ আছে। পৰৱৰ্তী কালত ১৮৮০ চনত ইয়া… বৰ্তমান স্থানলৈ স্থানান্তৰ কৰা হয়। এই নামঘৰ কীৰ্ত্তনত বৰ্ণোৱাৰ দৰে বৈকু… আৰ্হিৰ। নামঘৰৰ আসন, মনিকুট, খুঁটা ইত্যাদি মহাপুৰুষে কীৰ্ত্তনত বৰ্ণোৱাৰ দৰে… নামঘৰৰ আসনত থকা সিংহ, গজ আৰু কাছ, সন্মুখত থকা সিংহ আদি অতি তাৎপৰ্যপূ… ভাবে অংকিত। আসনৰ ওপৰত থকা দৌল-কলচী 'নামতত্ব' প্ৰকাশক। নামঘৰ… দুয়োকাষে চৈধ্যজন খুঁটা আছে। আসন ভাগ চাৰিসিৰ যুক্ত খুঁটাৰ মাজত আৰু মহাপ্ৰভু… বাহন গৰুড় পক্ষী নামঘৰৰ অন্তিম চাৰিসিৰ যুক্ত খুঁটাৰ মাজত অৱস্থিত। খেৰ… নামঘৰৰ সময়ত দুয়োচাল গৰুড়ৰ পাখি যেন আছিল যদিও বৰ্তমান টিং লগোৱাত… ঠাঁচৰ কিছু তাৰতম্য ঘটিছে।

নামঘৰটিৰ লগত জড়িত সাধু সন্ত সকলে দুজনা গুৰুৰ কৰ্মৰাজি পৰিচালন… কৰি অসমৰ এখন উল্লেখযোগ্য ধৰ্মস্থানত পৰিণত কৰি থৈ গৈছে। সেইসকল সাধুসন্ত… ভিতৰত স্বৰ্গীয় ৰঙাই আলধৰাৰ নাম প্ৰথমেই ল'ব লাগিব। তেখেতেই শংকৰী সংস্কৃতি… ভৰা সুঁতিৰ পৰা এটি সুঁতি বাসুদেৱ থান, নৰুৱা সত্ৰৰ যোগেদি জালভাৰীলৈ বোৱাই… আনিলে। তেখেতে গুৰুজনাৰ আৰ্হিৰে চৈধ্য প্ৰসঙ্গ নাম কীৰ্ত্তন কৰাৰ উপৰিও… নামঘৰটিত ভাওনা প্ৰদৰ্শন কৰোৱাইছিল। তেখেত এজন গায়ক আৰু বায়নৰ ওপৰিও… সিদ্ধ হস্ত মুখা শিল্পী আছিল। মণিকূটৰ কাঠৰ সিংহাসনৰ ওপৰিও বিভিন্ন কাঠৰ মূৰ্ত্তি… , মুখা আৰু গৰুড় মূৰ্ত্তি নিজ হাতে তৈয়াৰ কৰিছিল। গেৰুৱা মাটি, হেঙুল-হাইতাল… আদিৰে নিজেই ৰং তৈয়াৰ কৰি মূৰ্ত্তি সমূহত ৰং কৰিছিল। তেখেতৰ দুজন সু-সন্তান… স্বৰ্গীয় সভাৰাম নাম লগোৱা আৰু স্বৰ্গীয় নমোৰাম নাম লগোৱাইও পিতৃৰ সৰ্ব গুণ… আয়ত্ব কৰিব পাৰিছিল। তেওঁলোক প্ৰত্যেকেই ভাওনাৰ গায়ন-বায়ন, নাম-পাঠ আদিত… পাৰ্গত আছিল। পৰৱৰ্তী কালত ৰামনাথ বায়ন, সম্ভুৰাম গায়ন, স্বৰ্গীয় নিত্যানন্দ… ভাগৱতী আদিয়েও নামঘৰটিৰ লগত জড়িত সংস্কৃতিক মনে প্ৰাণে জীয়াই ৰাখিছিল। স্বৰ্গীয় গোপাল বায়ন আছিল এজন সুকণ্ঠী গায়ক আৰু বাদক। তেওঁ ভাওনাৰ জোৰা…





গোৱাৰ সময়ত একেজন মানুহেই সাতোটা খোললৈ 'এ কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম' বুলি ৰাগ দি গীত গাই বৈকুণ্ঠ নমাই আনিব পাৰিছিল। স্বৰ্গীয় ৰমাকান্ত নাম লগোৱাই পঢ়াশালিত থিয় নোহোৱাকৈয়ে এজন প্ৰখ্যাত নাম লগোৱা আৰু সুকণ্ঠী গায়ক হ'ব পাৰিছিল। তেওঁ এজন সুনিপুণ মুখা-শিল্পীও আছিল। তেখেতৰ দিনতে জালভাৰীৰ মহাপুৰুষীয়া সংস্কৃতি সমগ্ৰ লখিমপুৰ জিলালৈ বিস্তাৰিত হৈছিল।

মাজ-জালভৰী নামঘৰৰ মহপুৰুষীয়া সংস্কৃতিৰ লগত জড়িত আন ব্যক্তি সকল হ'ল *কালিৰাম নামলগোৱা, *ভুবন নামলগোৱ, *পদৰাম বায়ন, *ইন্দ্ৰেশ্বৰ বায়ন, *সম্ভুৰাম গায়ন, *ভোগেশ্বৰ গায়ন, *ভাবু গায়ন, *নিৰণ গায়ন, *ক্ষীৰেশ্বৰ গায়ন ইত্যাদি। উল্লেখযোগ্য যে পদৰাম বায়ন আৰু নিৰণ গায়নে অধিক নৈপুণ্যতাৰে নাট-ভাওনা, গীত-মাত আদিত অংশ গ্ৰহণ কৰিছিল। *লীলাধৰ শৰ্মা আছিল এজন সুদক্ষ গায়ক, নৰ্তক আৰু ৰাইজৰ পাকৈত ৰান্ধনি। এইখিনিতে *ধৰ্মেশ্বৰ নামলগোৱা, পুনাৰাম নামলগোৱা, প্ৰভাত গায়ন, ঠানুৰাম গায়ন, ডিম্বেশ্বৰ দত্ত ভাগৱতী আদি নামঘৰটিৰ লগত জড়িত সংস্কৃতিৱান ব্যক্তিৰ নাম নললে লেখা আধৰুৱা হৈ ৰ'ব।

দুজনা গুৰুৰ মহান আদৰ্শৰ চানেকি হিচাপে জালভাৰী নামঘৰত নাট-ভাওনাৰ অনুশীলন নীতিগতভাবে আজিও চলি আছে। দ্বিবাৰ্ষিক পালনামৰ তিনিও দিন একাদিক্ৰমে ৰাতিলৈ ভাওনা হয়। ১৯৪২ চনৰ পৰা ধাৰাবাহিক ভাবে এই পালনাম আৰু ভাওনা চলি আহিছে। বিভিন্ন জনে নিজ নিজ সংকল্প পূৰণৰ বাবে ভাওনা আগবঢ়াই সু-ফল লাভ কৰে বুলি জনবিশ্বাস আছে। নামঘৰটিত অনুষ্ঠিত আন দুটা উল্লেখযোগ্য ভাওনা অনুষ্ঠান হ'ল— খঁৰাবৰুৱা ভাওনা, আৰু বোকা ভাওনা। খঁৰাবৰুৱা ভাওনাত গোপাল আতাৰ 'জন্মযাত্ৰা' নাটখন প্ৰদৰ্শন কৰা হয়। শ্ৰীকৃষ্ণ জন্ম হোৱাত ভীতিগ্ৰস্ত হৈ কংসই সাধু-সন্তক অনিষ্ট কৰিবলৈ দানৱ সকলক নিয়োজিত কৰে। নন্দ ৰজাই সেই কথা গম পাই খঁৰাবৰুৱাৰ দ্বাৰাই দানৱ বিলাকক নানা কৌশলেৰে বশ কৰিবলৈ সক্ষম হয়। নাট খনত কৃষ্ণ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। খঁৰাবৰুৱা ভাওনাৰ ভাৱৰীয়া সকলৰ সাজ-সজ্জা বিচিত্ৰ ধৰণৰ। ধানৰ খেৰ, কলপাত, বেতপাত আদিৰে কৌশলপূৰ্ণভাবে তৈয়াৰ কৰা। সেইদৰে বোকা ভাওনা অন্যান্য ঠাইত পাতে যদিও, ইয়াৰ বোকা ভাওনাৰ লগত সাদৃশ্য নাই। ইয়াৰ ওপৰিও শ্ৰীকৃষ্ণৰ জন্মাষ্টমীত জন্ম যাত্ৰা, গুৰু তিথিৰ দিনা 'পাৰিজাত হৰণ' আৰু মহাপুৰুষ মাধৱ দেৱৰ তিথিত 'ভোজন বিহাৰ' নাট প্ৰদৰ্শন কৰা হয়। বৰ্তমান 'ভোজন বিহাৰ' নাট দিন ভাওনা হিচাপে দিনত প্ৰদৰ্শন কৰা হয়। নাটক এবিধ দৃশ্য-শ্ৰব্য কাব্য। গতিকে লেখা পঢ়া নকৰা লোকেও নাটক চাই আমোদ পায় আৰু তাৰদ্বাৰা আধ্যাত্মিক জ্ঞান আহৰণ কৰিব পাৰে। অনাখৰী লোকক জ্ঞান দানৰ বেলিকা গুৰু জনাই ছোঁমুখা

তৈয়াৰ কৰি ভয় আৰু ভক্তি সঞ্চাৰ কৰিছিল। পূৰ্বে উল্লেখ কৰা জালভাৰী অঞ্চলৰ মুখা শিল্পী সকলে ছোঁমুখা তৈয়াৰ কৰি ভাওনা কৰাই দৰ্শকক আনন্দ দিছিল। উল্লেখযোগ্য যে বৰ্তমান মাজ-জালভাৰী নামঘৰত থকা দুভাগ কৃষ্ণ মূৰ্ত্তি ঁৰঙাই আলধৰাই নিমাৰ্ণ কৰিছিল বুলি শুনা যায়। তদুপৰি কাঠৰ গৰুৰ মূৰ্ত্তি, ব্ৰহ্মা মুখা আৰু ৰুদ্ৰকে আদি কৰি বিভিন্ন মুখা বৰ্ত্তমান নামঘৰত সংৰক্ষিত হৈ আছে। পুৰণা কিছুমান মূৰ্ত্তি ঁৰমাকান্ত নামলগোৱাই বিলাতী মাটিৰে মেৰামটি কৰে। আন এজন শিল্পী স্বৰ্গীয় বগা পাঁচনিয়ে সাধাৰণ খামটি দা, চাঁচ, বটালি আদিৰেই অসাধাৰণ মুখা তৈয়াৰ কৰিছিল। নামঘৰৰ সিংহাখনৰ ওপৰৰ দৌল-কলচি নিৰ্মাণ কৰা ব্যক্তিজন আছিল ভূবন নামলগোৱা। আসনৰ সোংৰে বাৰে থকা নাৰায়ণৰ মূত্তি ভাগ ঁনবীন দেৱগোস্বামীয়ে নিমাৰ্ণ কৰিছিল। বগা পাঁচনিয়ে আসনৰ সন্মুখৰ সিংহ সজাৰ ওপৰিও ৰাৱণ, কুম্ভকৰ্ণ আদিৰ মুখা, বাহু ইত্যাদি নিমাৰ্ণ কৰিছিল। আটাইকেইজন শিল্পীয়েই নিজে তৈয়াৰ কৰা হেঙুল-হাইতাল, গেৰুৱা মাটিৰ মিশ্ৰণেৰে মূৰ্ত্তি সমূহত ৰং কৰিছিল।

মহাপুৰুষীয়া নামঘৰৰ এটা প্ৰধান আকৰ্ষণ হ'ল গায়ন-বায়নৰ জোৰা। গায়ন-বায়নৰ এই শৈলী গুৰু আৰ্হিৰ। ঁৰামনাথ বায়নৰ দিনৰ পৰা বৰ্তমানলৈকে এই জোৰা গায়ন-বায়নে গুৰুজনাৰ সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। অভিনয়ৰ ক্ষেত্ৰত ঁধাতু দোকানীৰ নাম নললে নোৱাৰি। তেখেত এজন বহুৰূপী শিল্পী আছিল। বিশেষকৈ খঁৰাবৰুৱা ভাওনাত তেখেতৰ অভিনয় দেখি হাঁহিত দৰ্শকৰ পেটু-নাড়ী চিগিছিল।

পৰিসমাপ্তিত কব পাৰি যে মাজ-জালভাৰীৰ এই নামঘক কেন্দ্ৰ কৰিয়েই গঢ়লৈ উঠিছে শিল্প-সংস্কৃতি চৰ্চাৰ এক পৰম্পৰাগত বাতাৱৰণ। অখ্যাত লোক শিল্পী সকলৰ দ্বাৰা নিৰ্মিত চালে চকুৰোৱা মুখা আৰু মূৰ্ত্তি শিল্পৰ চানেকি এই নামঘৰে সংৰক্ষণ কৰি ৰাখিছে। এই নামঘৰতেই সমাজত হোৱা উশৃংখলতাৰ বিচাৰ হয়। ৰজাৰ দিনত আঞ্চলিক ভিত্তিত এই নামঘৰত বিচাৰ হৈছিল বুলি সাঁচি পাতৰ পুথিত লিখা আছে। মুঠৰ ওপৰত কবলৈ গ'লে,এই নামঘৰ আৰু ইয়াৰ লগত জড়িত শিল্প সংস্কৃতিৰ ওপৰত বিস্তৃত গৱেষণা হ'লে অঞ্চলটোৰ বহু পুৰণি তথ্য উদ্‌ঘাটন হোৱাৰ সম্ভাৱনা আছে।❑


*<u>সহায়ক গ্ৰন্থ</u> ঃ-* *'সাঁচিপতীয়া পুথি'* ঃ- *মনোৰাম কলিতাৰ ঘৰত সংৰক্ষিত পুথি।,*
*'এৰি অহা গাওঁখন'* ঃ- *ড° কেশৱানন্দ দেৱ গোস্বামী।*
*'অংকমালা'* ঃ- *ঐ*
*'অংকীয়া ভাওনা'* ঃ- *ঐ*




# সোণোৱাল-কছাৰী সংস্কৃতি

*বিভাৰাণী হাজৰিকা সোণোৱাল*

সোণোৱাল কছাৰী সকলৰ ঐতিহাসিক তথ্য আৰু কিংম্বদন্তী আছে। প্ৰচলিত জনশ্ৰুতি অনুসৰি মহাদানী বলিৰ বৰ পুত্ৰ বাণ ৰজাৰ নাতিয়েক হ'ল— গাৰ, ডিমাছা, ভালুক বীৰ আৰু হগ্ৰা এই চাৰিজন। শেষৰ জন, হগ্ৰাই এহেজাৰমান লোক লৈ উত্তৰ দিশে শদিয়ালৈ উজায় আহে। সোৱণশিৰি নদীৰ পাৰৰ সাৰুৱা অঞ্চলকে ধৰি, দিহিং, দিবং, শদিয়া ৰাজ্য খণ্ডত বিয়পি পৰি শদিয়া ৰাজ্যত "হালালি" ৰাজ্য পাতে। বাণৰ নাতি হগ্ৰাৰ পৰাই সোণোৱাল হগ্ৰা বংশৰ উৎপত্তি হৈছে।

দ্বিতীয়তে অতীজৰ ৰত্নগৰ্ভা অসমৰ সোৱণশিৰিৰ বুকুত যি সকল কছাৰীলোকে নদীৰ বালি ধুই সোণ-ৰূপৰ চেকুঁৰা বুটলি ৰাজ্যখনক সমৃদ্ধিশালী কৰিছিল তেওঁলোকেই সোণোৱাল কছাৰী নামে খ্যাত হৈ পৰে। অন্য এক কাহিনীৰ মতে, সোতৰশ শতিকাৰ শেষ ভাগত আহোম স্বৰ্গদেউ গদাধৰ সিংহ ৰজা হোৱাৰ পিছৰ পৰাই পূৰ্বৰ কছাৰী সকলে সোণোৱাল হোৱাৰ এক সাংস্কৃতিক ইতিহাস আছে। গদাপাণি পলাই ফুৰোঁতে আউনীআটি সত্ৰত ভকত এজনে তেওঁক অপমান কৰাৰ কথা তেওঁ পাহৰিব পৰা নাছিল। ৰজাই আউনীআটি গোঁসাইৰ ওপৰত প্ৰতিশোধ ল'বলৈ বিচাৰি গোঁসাইক ধৰি আনিবলৈ মানুহ পঠালে। ভকতৰ মুখে এই কথা গম পাই গোঁসাই শদিয়ালৈ পলাই গৈছিল। তাত তেওঁ হাবিত পলাই থাকোতে কছাৰী সকলে গোঁসাইৰ মাহাত্ম্যৰ প্ৰমাণ পাই গোঁসাইক সন্মান কৰি তেওঁৰ ওচৰত শৰণ লৈছিল। যি সকল কছাৰীয়ে সোণেৰে গোঁসাইৰ মাহাত্ম্যৰ প্ৰমাণ লৈছিল তেওঁলোক সোণোৱাল কছাৰী নামে পৰিচিত হৈ পৰে। গোঁসাইৰ ওচৰত আঠুকড়া ঠাইখন "আঠুকড়া মাজুলী" বা "আঠুকড়া চাপৰি" বুলি জনাজাত আছিল যদিও ব্ৰহ্মপুত্ৰই ইয়াক গ্ৰাস কৰিলে। সোনোৱাল কছাৰীয়ে শদিয়াৰ পৰা লক্ষীমপুৰলৈকে হালালী আৰু হামালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁলোকে সেই সময়তে নিজকে কছাৰী বুলি পৰিচয় দিছিল। হায়দাংগীতত সেয়ে উল্লেখ আছে—"আদি যুগৰ কছাৰী হায়দাংদে" বুলি। আকৌ হুঁচৰি গীতত ৰাজ্য দুখনৰ সৰ্ম্পকে উল্লেখ আছে—

গীত ঃ হেমালি ধেমালি
ৰহিমলাক লগতে পাই ....

গোতি ঃ হেমালী হেমালী কৰিছো ধেমালি
ধেমালি বতৰৰে যায়কি না,

এটা জাতিৰ চাল-চলন, খোৱা-বোৱা, পিন্ধন-উৰণ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ উপাদান বোৰেই হ'ল সেই জাতিৰ কলা-কৃষ্টি। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সোণোৱাল সকলৰ সংস্কৃতিয়ে প্ৰভূত অৰিহণা যোগাই আহিছে। সোণোৱাল সকল এটা কলা সংস্কৃতিৰে পৰিপূৰ্ণ এটা জাতি।

সোণোৱাল কছাৰী সংস্কৃতি বুলি কলে হায়দাং হুঁচৰি, হগ্ৰা, বহুৱা, লখিমী সবাহৰ গীত, ফুলকোঁৱৰ, মণি কোঁৱৰৰ গীত, আইনাম, বিয়ানাম আদিকেই আমি আঙুলিয়াব লাগিব। ইয়াৰ বিষয়ে সংক্ষেপে মাথোন আলোচনাহে কৰিব খুজিছো।

হুঁচৰী ঃ ড° লীলা গগৈৰ মতে— হুঁ-চিএঙৰি চিএঙৰি, ছা-আশীৰ্বাদ, কুশল, ৰি-উৰুলীকৃত, অৰ্থাৎ আনন্দত চিএঙৰি চিএঙৰি কুশল মঙ্গল কামনা কৰা, সোণোৱাল সকলেও মঙ্গলময় হুঁচৰী গীতৰ বাবে মন্ত্ৰ গীতৰ ব্যৱহাৰ কৰিছে—

(১) বাৰেমন্ত্ৰ (২) পোহাৰী গীত (৩) থিয়গীত (৪) বৰগীত।

<u>(১) বাৰে মন্ত্ৰত আছে</u> ঃ- " শুকমনি কৌটাল, ধাৰী-নিধাৰী, কালি-মাটি সুভ্ৰণ, মৃত্যুকে জয়-জয়, পূবে ঃ ভঁৰাল, পশ্চিমে ঃ গঁৰাল, উত্তৰে ঃ ভাতৰ চৰু, দক্ষিণে ঃ গোহালিৰ গৰু, পোৱে-জীয়ে বুকুজোৰাই খাই থাকিবলৈ শক্তি বিধান কৰক। তিনিশ — তিনিকুৰি তিনি দিনৰ মূৰত বলি ৰজাৰ বিহু। আমি ভাত-কাপোৰ নাই, পানী নাই বুলি ফুৰা নাই, যুগৰহে নিয়তি কৰিছো।"

<u>(২) হুঁচৰি পোহাৰী গীত</u> ঃ- 'হুৰেহুৰে বাই জেলেপ কাপোৰ উৰে।"
(১) হুৰেহুৰে গীতক কোনে সৰজায়, মহাদেৱ পাৰ্বতীক সিও সৰজায়।
(২) মাছ ধৰি খাই লুইতৰ শিহু মঙ্গলবাৰে উৰুকা বুধবাৰে বিহু।
জন-জাতি সকলৰ প্ৰথম বিহু বুধবাৰে আৰম্ভ কৰাটো এটা বিশেষত্ব আছে।

<u>(৩) থিয়গীত</u> ঃ

"হাতত কাঁড়ে ফাই ল হেৰ' দদাই,
মাৰ ঐ বালিচৰাই।
গোতি ঃ কাঁড়োৱাল ককায়ে কাঁড় খেল খেলিলে
মাৰ ঐ বালি চৰাই
থেকৰা গছলৈ চাই
মাৰঐ বালি চৰাই।
কাঁড়ো নাহিলে ককাইও নাহিলে
মাৰ ঐ বালি চৰাই
থেকেৰা দুটিকে পায় শৰীলৰে
মাৰ ঐ বালি চৰাই।"

হুঁচৰিৰ এই থিয় গীত এক প্ৰকাৰ কাহিনী গীত। বহু ঐতিহাসিক কাহিনীৰ





বৰ্ণনা এই গীতত আছে। বৰ্তমান আধুনিক অসমীয়া হুঁচৰি, ঘূৰি ঘূৰি গোৱা, ঘোষাপদ গোৱা তথা লহৰি খেলো এই সোণোৱাল হুঁচৰিৰ সংস্কৰণ বুলি কব পৰা যায়।

<u>হায়দাং গীত ঃ</u>

সোণোৱাল সকলৰ অতি প্ৰাচীনতম গীত হ'ল— এই হায়দাংগীত। এই গীতৰ যোগেদিয়েই "আদি যুগৰ কছাৰী হংদাংদে" বুলি নিজকে কছাৰী বুলি পৰিচয় দাঙি ধৰিছে। হংদাং গীতৰ অধ্যায়ৰ মুঠ ১১ টা।

১ম অধ্যায় ঃ- হাঅ, হাঅ, হাঅ, হাঅ, হায়য়হ নমো নাৰায়ণ হাইয়হ আকাশ হেনো সৃজইছ আদি যুগৰ কছাৰী হায়দাংদে। হায়দাংগীত হ'ল ধৰ্মীয় গীত বা স্তুতিমূলক গীত,প্ৰথম অধ্যায়ত সৃষ্টি ৰহস্য উদঘাটন কৰাৰ কথা প্ৰকাশ কৰিছে।

৪ৰ্থ অধ্যায়ত ঃ-

"এ মদন হেনো মানিকীয়াল
এ হগ্ৰাল হেনো মুক্তাল জে।
এ বৰহাজোৱাল হেনো সৰু হাজোৱাল
এ এচমাল হেনো ফৰমাল জে
এ কুমৰাল হেনো ঢেকীয়াল
এ দঙ্গৰাল হেনো ডিঙিয়া জে।।
এ লাঠিয়াল হেনো চেতিয়াল .....।"

এই গীতৰ যোগেদি সোণোৱল সকলৰ (১) মদন (২) মানিকীয়াল (৩) হগ্ৰাল (৪) মুক্তাল (৫) বৰ হাজোৱাল (৬) সৰু হাজোৱাল (৭) এচমাল (৮) ফৰমাল (৯) কুম্ৰাল (১০) ঢেকীয়াল (১১) দঙ্গৰাল (১২) ডিঙিয়াল (১৩) লাঠিয়াল (১৪) চেতিয়াল এই চৈধ্য বংশৰ কথা প্ৰকাশ কৰিছে।

<u>বহুৱা নৃত্য</u> ঃ- সোণোৱাল কছাৰী সকলৰ বহুৱা নৃত্যই এক জাতীয় পৰিচয় বহন কৰি আহিছে। বহাগ বিহুৰ সাত দিনৰ পিছত সোণোৱাল সাতবিহু পাতে। এই সাত বিহুৰ দিনাই "বহুৱা" ওলায়। এটাৰ পৰা তিনিটা বহুৱা ওলায়। প্ৰথমে হাবিৰ পৰা মৃদং বজাই আদৰি ঢোলৰ ছেৱে-ছেৱে বহুৱা নচুৱায়।

বহুৱা গাটো সম্পূৰ্ণ খালি কৰি ছিৰিলি ১০১ খন কলপাতেৰে ঢাকি সজোৱা হয়। সাধাৰণতে গাৱঁৰ অপায়-অমঙ্গল বিপদ-বিঘিনী দূৰ কৰিবলৈ এই নৃত্য প্ৰদৰ্শন কৰা হয়। "বহুৱাই" গা-ধুই নতুন সাজ পিন্ধি ঘূৰি অহাৰ পথত পিছলৈ ঘূৰি চোৱাৰ নিয়ম নাই। ঘূৰি আহি নামঘৰত বা ৰাজহুৱা স্থানত সকলোৱে মিলি "ভোজভাত" খায়। তেওঁলোকৰ বহুৱা নৃত্যৰ এই গীত ফাঁকিৰ যোগেদি এনে নিয়মৰ কথা প্ৰকাশ পাইছে—

"আগলৈ চাবা
পাচলৈ নাচাবা
ঐ বহুৱা গুৰুদেউ
আগলৈ দিবা খোজ।"

<u>হুগ্ৰানৃত্য ঃ</u>- বাইথ' মন্দিৰত হায়দাংগীত গাই পূজা সমাপ্ত কৰাৰ পাছত হুঁচৰি গীত গাই সেই দিনাই আনুষ্ঠানিক ভাবে বিহু নমোৱা হয়। হুগ্ৰা মানে গাহৰি। গাহৰি বিচাৰি অৰণ্যত চিকাৰ বিচাৰি কৰা নৃত্য। হুগ্ৰানৃত্যৰ গীত এনেধৰণৰ—

"চিৰিচিৰি নদৰাই ঐ চিৰি নদৰাই
ডাল ভাঙি খাই ঐ হলৌ বান্দৰাই।
একো পহু নাকান্দিলে কান্দিলে শৰ ঐ
চিকাৰীৰ হাতত পৰি কৰে ধৰ ফৰ।
চিৰি চিৰি ......।"

সোণোৱাল সকল কৃষিজীৱি লোক। তেওঁলোকে গোৱা বিহুগীত এনেধৰণৰ—

"আহুধানৰ মৰণা
পেলাই দে বহনা অই,
জোকাৰী তই পেলাই দে খেৰ।
আইয়ে জানিব বোপায়ে জানিব,
মৰমনো চেনেহৰে বেথা।
এড়িনোকৈ চাদৰখন
কোনে বই এ দিব,
কোনেনো বান্ধি দিব দহী।
নৰিয়াত পৰিলে কোনে
পানী দিব,
কোনেনো গৈ লগাব মাত।"

সোণোৱাল সকলৰ এই বৰ্ণময় কৃষ্টি-সংস্কৃতি কেৱল সোণোৱাল সকলৰে নহয় ই বৃহত্তৰ অসমীয়া সংস্কৃতিৰে এটি বহুমূলীয়া সম্পদ। এই সম্পদৰ কৰ্ষণ আৰু অধ্যয়নে অসমীয়া সংস্কৃতিৰ সাৰুৱা পথাৰ খনি সু-সমৃদ্ধ কৰি তুলিব।❑

*<u>সহায়ক গ্ৰন্থ</u> ঃ হুগ্ৰা (স্মৃতি গ্ৰন্থ)*



# বিহুগীতৰ ব্যঞ্জনা

*ইন্দিৰা গগৈ*

সঙ্গীতৰ মোহিনী শক্তিয়ে এটি সদ্যজাত শিশুৰ মনতো আনন্দৰ জোৱাৰ তুলি পৰম তৃপ্ত কৰে। ক্ৰুদ্ধান্বিত বিষ বমন কৰা সৰ্পও কোনোবা যাযাবৰী হাতৰ পৰশত বাজি উঠা বাদ্যৰ ধ্বনিত ক্ৰোধ সম্বৰণ কৰে। সঙ্গীতৰ মোহিনী শক্তিয়ে শাঁত কৰে বৰ্বৰ হিয়াক, বিগলিত হয় শিলাময় পৰ্ব্বত। প্ৰাণ পায় মৰহা বিৰিযে।

সঙ্গীতৰ এই মোহিনী শক্তি নিহিত অসমীয়াৰ হিয়াৰ আমঠু বিহুগীত বিলাক উচ্চশ্ৰেণীৰ গীতৰ শাৰীত পেলাব নুখুজিলেও লোক সাহিত্যত জাতীয় জীৱনৰ প্ৰাণ স্বৰূপ বিহুগীত বনগীত আদিত নিহিত প্ৰতীক ধৰ্মী কল্পচিত্ৰৰ ধাৰণা অতি উজ্জ্বল আৰু ঐশ্বৰ্যকৰ। বিহুগীবোৰে ই নিজে সৌন্দৰ্য বৃদ্ধিতো সহায়ক।

নৈৰ বুকুত ন-পানী, গছত কুঁহিপাতে প্ৰকৃতিক যেনেকৈ প্ৰাণ চঞ্চল কৰে ঠিক তেনেকৈ বহাগতে ডেকা গাভৰুৰ মনলৈ যৌৱন আনি উভয়কে কল্পনা প্ৰৱন কৰি তোলে। ডেকাই দেখে গাভৰু দেহৰ অপৰূপ ৰূপ লাৱন্য। নখচন্দ্ৰৰ পৰা কেশচন্দ্ৰলৈ গাভৰু দেহৰ ৰূপ সৌন্দৰ্যৰ অপূৰ্ব সমাহাৰ। গাভৰুৰ দেহ প্ৰকাশ কৰা কল্পচিত্ৰৰ ধাৰণা এনে ধৰণৰ—

*"তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা,
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।"*

চৰাইৰ মাত; ফুলৰ সুগন্ধ, ৰূপালী জোনাক এই ৰূপৰ সমাহাৰে ভৰপূৰ দেখে ডেকাই গাভৰুৰ দেহ। সুন্দৰতাই ভৰি পৰে ডেকাৰ মনপ্ৰাণ। তেনে দৰে গাভৰুৰ অন্তৰ ভৰা সুন্দৰতাই অনুভৱ কৰে ডেকাৰ দেহৰ সুশ্ৰী আৰু সৌষ্ঠৱ। ডেকা -গাভৰুৰ মনৰ এই সুন্দৰতা খিনি প্ৰাণ পায় বিহুগীতত। গ্ৰামীন সৰলতাৰে পূৰ্ণ গাঁৱৰ ডেকা -গাভৰুৰ মনৰ বিশ্বাস আৰু সুন্দৰতা খিনি সংস্কৃতিৰ সম্পদৰূপে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈ আহিছে এই বিহুগীতে—

(১)

"ঢাপৰে বেঙেনা চাপৰ সমনীয়া
ঢাপৰে বেঙেনা চাপৰ
আমাৰ সমনীয়া লহঙে পহঙে
লোকৰ সমনীয়া চাপৰ।

"ৰং মৰহি যায়, মন্দিৰ জহি খহি যায়, সাম্ৰাজ্যৰ পতন হয়; চিৰ যুগমীয়া হৈ
ৰয় কেৱল শব্দ।" বিহুগীতৰ শব্দ বিলাক চিৰনতুন।

"আলিতে শালিকি দাঁতিতে বগলী
জানো কি চৰাই ৰয়,
শুনিয়া শুনিয়া আমোলা মহৰি
হুজুৰে কি কথা কয়।"

(২)

"গেলা শামুকৰে পানী ঐ নাচনী
গেলা শামুকৰে পানী,
এইজনী নাচনী আমাকো নেলাগে
নিয়ক বৰে বাঘে টানি।"

বিহুগীত কেইফাঁকিয়ে গাৱঁলীয়া জীৱনৰ শব্দৰ ব্যৱহাৰৰ এটি সুন্দৰ প্ৰতিফলন।

সৰল গাৱঁলীয়া পাহ্বাল ডেকাই মনে প্ৰানে কোনোবা গাভৰুক নিজৰ কৰি লোৱাৰ প্ৰবল হেঁপাহ জাগ্ৰত হ'লেও সামাজিক বাধা বিঘিনিৰ পৰা মুক্ত হব পৰা নাই বা গাভৰুৰ মন পাবলৈ সুযোগ পোৱা নাই। তথাপিও যেন ডেকাই পূৰ্ণতা লাভৰ সুযোগ বিচাৰে এই বিহুগীতৰ দ্বাৰাই।

"মোৰ দুখে দেখি কান্দে বনৰ পখী
হৰিণা নচৰে বনত,
ঘপহ ঘপহ কৈ তোলৈ মনত পৰে
তোৰ জানো নপৰে মনত।
মোৰ দুখে দেখি কান্দে বনৰ পখী





কোনে পাতি শুনিব কাণ,
মোৰ দুখৰ কথা ক'বলৈ ধৰিলে
শুকাই বৰষুণত ধান।"

অথবা যদি সেই আশা ভঙ্গ হয়, চেনেহীৰ মনৰ উমান পোৱাত অসুবিধা হয়। বিৰহ বেদনাৰে জৰ্জৰিত হৈ বুকুৰ বেদনা প্ৰকাশ কৰে এনেদৰে—

"চতাই পৰেবতত মুগা পুহিছিলো
কোৱাই চিৰি খালো লেটা,
তোমাক ঐ লাহৰী বুজিব নোৱাৰো
হাড়ৰ মাজে মাজে কথা।"

ফুল, পানী, গছ-লতা, নদী আদিৰ লগত নাৰীক তুলনা কৰা হয়। ছোৱালীক পানীৰ লগতো তুলনা কৰে, নাৰীৰ সৰলতা সহিষ্ণুতাৰ কাৰণে নদীৰ লগতো ৰিজনি দিয়া দেখা যায়। বিহুগীতত পানীৰ লগত গাভৰুক দিয়া তেনে ৰিজনি এফাঁকিত এনেদৰে প্ৰকাশ পাইছে—

"পানীৰ চিক্‌মিক্ পানীৰে পৰুৱা
ফুলৰ জিক্‌মিকি পাহি,
চেনাই জিক্‌মিক্ তেজৰে বলতে
মুখতে নুগুচে হাঁহি।"

গ্ৰাম্য যুৱক-যুৱতী বিলাক সৰল মনৰ। সেয়ে প্ৰণয় প্ৰকাশক বিহুগীত বিলাকত জটিলতা নাই যদিও ইয়াত যৌৱনোচিত সুৰৰ ঝংকাৰ আৰু আবেগৰ আকুলতা আছে। বিহুগীত বিলাক সহজ-সৰল হ'লেও ইয়াৰ মাজত অনেক ক্ষমতা লুকাই আছে। যেনে—

"হাবিত জুই লাগিছে ৰাইজে দেখিছে
দহিছে উলুৰে বন,
হিয়াত জুই লাগিছে কোনেনো দেখিব
চেনাইৰ কুমলীয়া মন।"

"ৰিঙেকৈ পহুৰে শিং ঐ ৰঙিলী
ৰিঙে কৈ পহুৰে শিং,
মোৰ ধনৰ খোপালৈ কপৌফুল বিচাৰি

*পালোঁগৈ পৰ্ব্বতৰ টিং।"*

অনাখৰী গ্ৰাম্য ডেকাৰ মূল আকৰ্ষণ গাভৰুৰ অন্তৰৰ শ্বাশ্বত প্ৰেম ভালপোৱাহে, বাহ্যিক সৌন্দৰ্য নহয়। "বিহুগীতৰ অৰ্থ সেয়ে কল্পনাত উটি ভাঁহি ফুৰা ৰোমান্টিক ভাব প্ৰৱন ডেকা-গাভৰুৰ সস্তীয়া আবেদন মাত্ৰ নহয়।" বিহু গীতত ডেকা-গাভৰুৰ চিন্তন আৰু মননত গভীৰ জীৱন বোধ লুকাই থকাটো নিঃসন্দেহে প্ৰকাশ হোৱা দেখা যায়। বিহুগীতত ব্যৱহৃত প্ৰায়বোৰ শব্দৰ উপমাত ইয়াৰ সত্যতা প্ৰমাণিত।

বসন্ত কালত প্ৰকৃতি যৌৱন প্ৰাপ্ত হৈ ৰঙীন হৈ পৰে। পলাশ শিমলু মদাৰ ফুলৰ ৰঙা ৰঙে ৰঙীন কৰে প্ৰকৃতিৰ লগতে ডেকা গাভৰুৰ যৌৱনদীপ্ত মন। হৃদয়ত পলাশ ফুলে। শিমলু ফুলৰ ৰঙা ৰঙে অন্তৰ আত্মাত স্থিতি লয়। ডেকাই গায়।

*"অ' ৰঙা চোলা   পিঠিত গোডাম'১ মৰা*
*কোনে চিলাই দিলে যাউতি যুগীয়া"*

যৌৱন উন্মাদ ডেকা-গাভৰুৰ প্ৰণয়ৰ আৱেগ তথা গোপন মিলনৰ ইঙ্গিত থাকিলেও বিহুগীতে সামাজিক নীতি-নিয়ম উলংঘা কৰি চলা নাই। বিহুগীত যৌন আবেদনৰ মুকলি প্ৰকাশ বুলি কোনো কোনোৱে ক'ব বিচাৰিলেও বাস্তৱত ইয়াৰ সহমতৰ যুক্তিযুক্ততা থকাতো অতি বাঞ্চনীয়। অৱশ্যে বিহুগীতে ইয়াৰ ব্যতিক্ৰম নকৰাকৈও থকা নাই ঃ

*"দেহাত জুই জ্বলিছে   সৰিয়হ ফুটিছে*
*টোপনি নধৰে ৰাতি;*
*আজি ৰাতি আহিবা   দুৱাৰ দাং খুলি থম*
*বহলাই পাৰি থম পাটি।"*

জীৱন আৰু জগতক একাকাৰ কৰি তুলিছে বিহুগীতৰ কল্পচেতনাই। বিহুগীতৰ শব্দ প্ৰকাশ আৰু ৰূপ কথাই সমৃদ্ধ কৰি তুলিছে অসমীয়া লোক সাহিত্য। সেয়ে বিহুগীত অসমবাসীৰ সাৰ্বজনীন আৰু শাশ্বত নিদৰ্শন হওঁক।□

সহায় লৈ, (বিহুগীত সমূহ সংগৃহিত)।

টোকা ঃ- গোডাম'১ বুটাম - শব্দৰ আঞ্চলিক আৰু মৌখিক ৰূপ।



# 'লুটপাত'ৰ ভূঁইকপে কঁপাই যোৱা ঢকুৱাখনাৰ হিলৈদাৰী গাওঁ

*বিদ্যাৱতী গগৈ*

ফাটবিহু ঢকুৱাখনাৰ নানা জাতি- জনগোষ্ঠীৰ মিলন সেঁতু, ৰং-ৰহইচ, প্ৰেম-প্ৰীতিৰ মৌচাক, হিয়াৰ আমঠু আৰু ঢকুৱাখনাৰ একচেতিয়া সম্পদ। তাহানিখন এই উৎসৱত ৰজা ঘৰীয়া, প্ৰজা ঘৰীয়া সকলোৱেই ঢকুৱাখনাৰ চিৰ-প্ৰৱাহিনী চাৰিকড়ীয়াৰ পানী-ফাটত মহা পয়োভৰে উদ্‌যাপন কৰিছিল। এই উৎসৱ আহোম ৰজাৰ ৰাজত্ব কালৰে পৰা বৃটিছ আমোললৈকে চলিছিল। ১৯১৮ চনৰ পৰা ইয়াৰ ধাৰাবাহিকতাত যতি পৰে। 'ফাট বিহু'ৰ ৰৌদ্ৰোজ্জ্বল ইতিহাসত ক'লা ছাঁ পেলোৱা সেই ঘটনাৰ নামেই- 'লুটপাত'।

আমি সৰু হৈ থাকোতে আমাৰ বাইচাওহঁতে লগ সমনীয়াৰ লগত কথা পতা শুনিছিলো- "সেই লুটপাতৰ বছৰি আমাৰ বৰ বাপুৱে দুকঠীয়া সলাইছিল। তোমালোকৰ কুকৈটিনো কিমানটো হৈছিল?"

- "আমাৰ কুকৈটি তেতিয়া তিনিমহীয়া।"

চন তাৰিখৰ বৰকৈ ভু-ভা নোপোৱা এই চহা মানুহখিনিয়ে কিবা এটা বিশেষ ঘটনাৰ আলম লৈহে সময় নিদ্ধাৰণ কৰিছিল। যেনে- "বৰভূইকঁপৰ বছৰি (১৮৯৯) অমুকাৰ বিয়া।" ইত্যাদি। আমাৰ সৰু সময়ত আইতাহঁতৰ কথাৰ সুৰ আৰু ধৰণ-কৰণত লুটপাতৰ ভয়াবহতা এনেভাবে ফুটি উঠিছিল যে আমি আইতাহঁতৰ কোলাতেই টেপেচা মাৰিছিলো। তথাপিও মাক মনে মনে তাৰ আঁতি-গুৰী বিচাৰি আমনি নকৰাকৈ থকা নাছিলো। মাৰ পৰা উত্তৰ পাইছিলো এনেদৰে- " সেই সময়ত মানুহবিলাকে কেঁএৱা গোলা, বিহাৰী মানুহৰ দোকান - পোহাৰ বিলাক লুটপাত কৰি টকা-পইছা, বয়-বস্তু সকলো লৈ গৈছিল। পুলিছে গাঁৱৰ ডেকা ল'ৰা বিচাৰি জোৰ-জুলুম কৰাত দিন-দুপৰতে মানুহে ঘৰ-দুৱাৰ বন্ধ কৰি সোমাই থাকিব লগা হৈছিল।

ঢকুৱাখনাৰ সমাজ-জীৱনত বৰ ভূঁইকপৰ সৃষ্টি কৰা 'লুটপাত'ৰ সূত্ৰপাত হৈছিল সোৱনশিৰিৰ বেবেজীয়া অঞ্চলত। মোহন গাম নামৰ এজন মিচিং প্ৰতাপী মানুহৰ নেতৃত্বত। ১৯১৪ চনৰ প্ৰথম মহাসমৰত ভাৰতবাসীয়ে বৃটিছক ধন-বল, জন-বল সকলো দিশেৰে সহায় কৰিছিল। বিনিময়ত ভাৰতবাসীয়ে চৰকাৰৰ পৰা

উদাৰ শাসন-সংস্কাৰ আশা কৰিছিল। কিন্তু ১৯১৮ চনলৈকে একে নিষ্ঠুৰতাৰে শোষন-শাসন চলাই যোৱাত ভাৰত বাসীয়ে মনৰ হতাশাৰে বৃটিছ শাসনৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছিল। ভাৰত বৰ্ষৰ বিভিন্ন ঠাইত বৃটিছৰ প্ৰতি বিদ্ৰোহৰ মনোভাৱ গঢ় লৈ উঠিছিল। ভাৰত বৰ্ষত ইংৰাজৰ বিৰোদ্ধে নিখিল ভাৰত কংগ্ৰেছ মহা সভাই ১৮৮৫ চনৰ পৰাই আন্দোলন চলাই আহিছে। মহা মানৱ মহাত্মা গান্ধীয়ে ১৯১৭ চনত অসহযোগ আন্দোলন গঢ়ি তোলে। ১৯১৮ চনত মহাসমৰ সামৰণি পৰাৰ পিছতো ইংৰাজে আগৰ প্ৰতিশ্ৰুতি পালন নকৰাত প্ৰজা বিলাক বিদ্ৰোহী হৈ উঠে। সেই বিদ্ৰোহৰ অগ্নিকণাই ঢকুৱাখনাৰ সোৱনশিৰি অঞ্চলতো খাণ্ডৱ-দাহৰ সূচনা কৰে। ব্ৰহ্মপুত্ৰ-সোৱনশিৰিৰ বানে বছৰি জুৰুলা কৰা মানুহখিনি খাদ্য-বস্ত্ৰৰ অভাৱত কোঙা হৈ পৰিছিল। মোহন গামৰ নেত্ৰিত্ব মানি লৈ কেএ্রা-মাৰোৱাৰী, বিহাৰীৰ দোকান বিলাক লুটপাত কৰি শাসক শ্ৰেণীৰ প্ৰতি পুঞ্জীভূত ক্ষোভ উদ্‌গাৰ কৰে। ঘূণাসুঁতি সেই সময়ত সোৱনশিৰি-বেবেজীয়া গোটেই অঞ্চলটোৰ প্ৰাণকেন্দ্ৰ আছিল। দুখন মাৰোৱাৰীৰ দোকান (বিলাস খেমানী আৰু জেনিয়া কেএ্রা) আৰু এখন বিহাৰী দোকানে সমগ্ৰ অঞ্চটোৰ চাহিদা পূৰণ কৰিছিল। লুটপাতৰ সৰ্ব্বনাশী আক্ৰমণত আটাইকেইখন দোকান সম্পূৰ্ণ ৰূপে বিধ্বস্ত হয়।

সেই সময়ত অসূচল যাতায়তী ব্যৱস্থা, দুৰ্গম বাট-পথৰ হেতু বেবেজীয়া অঞ্চল কলীয়াপানী সদৃশ আছিল। উত্তৰ লখিমপুৰ আৰু ঢকুৱাখনা থানাৰ পৰা সমান দূৰত্বত অৱস্থিত হোৱা হেতুকে প্ৰশাসন ব্যৱস্থাৰ প্ৰভাৱৰ পৰাও প্ৰায় মুক্ত আছিল বুলিব পাৰি। অৱশ্যে ঘূণাসুঁতি অঞ্চলত এটা ডাক-বঙলা আছিল যদিও চৰকাৰী কামত কেতিয়াবা কাচিং হে কোনোবা বিষয়া তালৈ গৈছিল। কাজেই বিদ্ৰোহী সকল বিনা বাধাৰে আগবাঢ়ি আহি জালভাৰী-বন্তৌ হৈ দীঘলা হিলৈদাৰীত প্ৰৱেশ কৰে। ইফালে জীয়ামৰীয়া গাওঁ সেই সময়ত ঢকুৱাখনাৰ বেপাৰৰ এখন মুখ্য ঠাই আছিল। তাতেই চাৰিখনকৈ মাৰোৱাৰী মানুহৰ দোকান আছিল। সেইকেইখন ক্ৰমে- ১) জীউলাল কেএ্রা- এওঁৰ ভেঁটিত বৰ্ত্তমান শ্ৰীযুত বম্বেশ্বৰ ঠাকুৰ আছে। ২) চম্পালাল কেএ্রা - এওঁৰ ভেঁটিত বৰ্ত্তমান শ্ৰীযুত নন্দ শৰ্ম্মাৰ ঘৰ। ৩) চন্দৰীয়া কেএ্রা - এওঁৰ ভেঁটিত বৰ্ত্তমান ভোগী মেধিৰ ঘৰ। ৪) ৰামকুমাৰ জৈন- এওঁ শ্ৰীযুত ছবিলাল জৈনৰ ককাদেউতাক। বাকী তিনিওজনে লুটপাতৰ পিছত ঘৰ-মাটি-দোকান বিক্ৰী কৰি দেশলৈ গ'লগৈ। উল্লেখ্য যে আগৰ দিনত মাৰোৱাৰী সকলক মানুহে কেএ্রা বুলি কৈছিল। জীয়ামৰীয়া গাঁৱত থকা এই চাৰিওখন দোকানৰ মালিক সকলে কিবা প্ৰকাৰে তেওঁলোকৰ দোকানত লুটপাত হোৱাৰ সম্ভাৱনা দেখা পাই কেইজনমান





বলবান মানুহ ৰখীয়া হিচাবে গোটাই ৰাখিছিল। কিছুমান ডেকামানুহ জীওলাল কেএ্রাৰ দোকানত সোমাই নিমখৰ বুৰা এটা টানমাৰি আনি চোতালত হেঁতা-ওপৰা কৰি থাকোতেই সিফালৰ পৰা বলবান ৰখীয়া কেইজনে ম'হৰ টুকুন ঘূৰাবলৈ ধৰাত সকলো বিলাক ছিটিকি পলাল।

ঢকুৱাখনা থানাৰ সমীপত থকাৰ বাবেই সেই সময়ৰ এখন প্ৰখ্যাত ব্যৱসায়-প্ৰতিষ্ঠান অৰ্জুন কেএ্রাৰ দোকান এই লুটপাতৰ পৰা ৰক্ষা পৰে । উল্লেখ যোগ্য যে এই লুটপাত একে কেইজন মানুহৰ দ্বাৰাই সম্পন্ন হোৱা নাছিল। বিভিন্ন ঠাইৰ স্থানীয় মানুহেও এই কাৰ্য্যত লিপ্ত হোৱালৈ চাই এই লুটপাত ঢকুৱাখনাত ইংৰাজ চৰকাৰৰ বিৰুদ্ধে প্ৰকাশ্য বিদ্ৰোহৰ প্ৰথম প্ৰকাশ বুলি কোৱাহে সমীচিন হ'ব। যাতায়ত, ডাক-তাঁৰৰ কোনা সু-ব্যৱস্থা নথকা সত্ত্বেও সেই সময়ত এই বিদ্ৰোহৰ সংগঠন কেনেদৰে সম্ভৱ হৈ উঠিছিল ভাবিলে আচৰিত লাগে।

যি নহওক, জালভাৰী-বান্তৌ হৈ যিটো বিদ্ৰোহী মানুহৰ দল দীঘলা-হিলৈদাৰী অভিমূখে আহিছিল সেই দলৰ সৈতে দৈৱ-দুৰ্বিপাকত নলতলি পথাৰত ম'হ চৰাই থকা হিলৈদাৰী গাঁৱৰ দুজন আৰু শলগুৰীয়া (২ নং হিলৈদাৰী) গাৱঁৰ বেচা গগৈ আৰু মেধি গগৈ নামৰ দুজন গজ্‌গজীয়া ডেকা ল'ৰাৰ সাক্ষাৎ হয়। বিদ্ৰোহী সকলৰ প্ৰৰোচনাত পৰি কেওজনে তেওঁলোকৰ লগত যোগ দিলে। দলটো আহি দীঘলা গাঁৱৰ ঠাকুৰৰ দোকানত লুটপাত আৰম্ভ কৰে । কিন্তু ইতিমধ্যে বিদ্ৰোহী সকল আগবাঢ়ি অহাৰ খবৰ পাই ঢকুৱাখনা থানাৰ পুলিচ আগবাঢ়ি যোৱাত বিদ্ৰোহী সকল যেনি-তেনি পলাবলৈ ধৰে।

কথা বুলিলেই বতাহ। ঠাকুৰৰ দোকানৰ লুটপাতৰ ঘটনা বনজুইৰ দৰে চাৰিওফালে বিয়পি পৰিল। হিলৈদাৰী গাঁৱৰ ডেকা দুজনে বিদ্ৰোহত যোগ দিয়াৰ কথাও লুকাই নাথাকিল। পিচদিনা ঢকুৱাখনা থানাৰ দাৰোগাৰ আহ্বানত হিলৈদাৰী গাঁৱৰ নামঘৰত মেল বহিল। দাৰোগাই সকলোকে এজন এজনকৈ ঠাকুৰৰ দোকানত লুটপাত কৰিবলৈ কোন কোন গৈছিল এফালৰ পৰা সোধি যোৱাত সকলোৱে অজ্ঞতা প্ৰকাশ কৰে। কিন্তু তাত উপস্থিত থকা, মিছাকথাক মহাপাপ বুলি গণ্য কৰা সত্যনিষ্ঠ শিক্ষক কালিনাথ গগৈয়ে সঁচা কথাযাৰ স্বীকাৰ কৰে। গগৈৰ স্বীকাৰোক্তিৰ ভিত্তিতেই ডেকা দুজনক পুলিচে কোবাই-কিলাই ধৰি লৈ যায়।

হাজোতত থকা দিনকেইটাত কোনোদিন জেল-হাজোত নেদেখা চহা-হোজা বন্ধুদয়ৰ দুখে-বেজাৰে অৱস্থা অতি শোচনীয় হৈ পৰিল । গাৰ গেঞ্জী আৰু ধুতীখনেৰে হাজোতৰ মাটিত টোপনিৰ লগত অসহযোগ কৰি থাকোতেই

ৰাতিপুৱায়। পুৱা ৪ বজাত ঘণ্টা মৰাৰ লগে লগে যে লাইনত থিয় হবগৈ লাগে তাৰো আও-ভাও নাপায়। ৰাতিপুৱা ৪ বজাত যেতিয়া ঘণ্টাৰ কোব মাৰে চকৰীয়াই ভয়ে ভয়ে মুকলিক সোধে - " কি অ' মুকলি, কি ? " মুকলিয়ে- 'গণ্টি, গণ্টি'-বুলি কোৱাৰ লগে লগে দুয়ো ধহ্মহাই উঠি বহে মানে চিপাহীয়ে দুয়োকো সাৰৌপ্ সাৰৌপ্ কৈ কোব দি লাইনত হাজিৰ কৰায়। নম্বৰ গণনাৰ পাচত দাৰোগাই নাম ঠিকনা সোধে।

প্ৰঃ- "ঐ ১২ নং, তোৰ নাম কি ? "

উঃ- "চকৰীয়া"।

প্ৰঃ- "চকৰীয়া হয়, কিন্তু লিখ কি ?"

উঃ- " একো নিলিখোঁ। লিখা-পঢ়া শিকা নাই।"

প্ৰঃ- " কি মানুহ ? কোন জাতৰ?"

উঃ- " আহোম।"

প্ৰঃ- " কি কি আনিছিলি ক?"

উঃ- "থাপত নিমখ এসেৰ পাইছিলো। পুলিচৰ খেদাত বাটতে পৰি নেফানেফ হ'ল।"

প্ৰঃ- " ঐ ১৩ নং , ক তোৰ নাম কি ? "

উঃ- " মুকলি আহোম।"

প্ৰঃ- " কিয় লুটপাত কৰিছিলি?"

উঃ- " মানুহবোৰ যোৱা দেখি গৈছিলো।"

প্ৰঃ- " কি কি বস্তু আনিলি?"

উঃ- " বেজি এপুৰীয়া পাইছিলো। খেদা-খেদিত ক'ৰবাত পৰি আহিল।"

সেই তেতিয়াৰে পৰা এই দুজন মানুহৰ নামৰ পাছত 'আহোম' উপাধি লগ লগাত তেওঁলোক 'চকৰীয়া আহোম' আৰু 'মুকলি আহোম' নামেৰে পৰিচিত হয়। 'চকৰীয়া আহোম'- বৰ্ত্তমান ঢকুৱাখনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত পূৰ্ণানন্দ গগৈৰ ককাদেউতাক। 'মুকলি আহোম'- এওঁৰ দহজন পুত্ৰ । দুজন বৰ্ত্তমান জীবিত। শ্ৰী দণ্ডেশ্বৰ গগৈ বৰ্ত্তমান উত্তৰ লখিমপুৰত আছে। আনজন শ্ৰী বিপিন গগৈ জোনাইত আছে। এই সৰলচিতীয়া ডেকা দুজন বেচি দিন হাজোতত থাকিব লগা নহ'ল। তেওঁলোকৰ অপৰাধ লঘু হোৱাৰ বাবে সোনকালেই মুক্তি পালে।

গাঁৱৰ দুজনকৈ ডেকা ল'ৰাক পুলিচে ধৰি বান্ধি লৈ যোৱা ঘটনাই গোটেই গাওঁখনতে শোকৰ ছাঁ পৰে। ডেকা ল'ৰা বিচাৰি পুলিচে নিৰ্যাতন চলোৱাৰ ভয়ত





মানুহবোৰ পেপুৱা লাগিল।

এই ঘটনাৰ আলম লৈ সংঘটিত হ'ল আন এটি শোকাবহ ঘটনা। কালিনাথ গগৈ- যি জন সত্যনিষ্ঠ শিক্ষকৰ স্বীকাৰোক্তিৰ ভিত্তিত চকৰীয়া আৰু মুকলিক পুলিচে ধৰি লৈ গৈছিল সেই সত্যবাদী মানুহজনৰ মনত ঘটনাটোৱে গভীৰ ভাৱে ক্ৰিয়া কৰিবলৈ ধৰিলে। তেওঁৰ এষাৰ মিছাকথাই যদি গাওঁখনৰ দুজনকৈ উঠি অহা ডেকা ল'ৰাক পুলিচ-নিৰ্যাতনৰ পৰা ৰক্ষা কৰিব পাৰে, তেনেহলে তেনে এষাৰ মিছা কথানো তেওঁৰ মুখৰ পৰা কিয় ব্যক্ত নহ'ল ? - এই ভাৱটিয়ে মানুহজনৰ মনত তীব্ৰ অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিলে। অপৰাধবোধত খাৱন-শোৱন পাহৰাৰ দৰে হ'ল। অৱশেষত চাকৰি আৰু ঘৰবাৰী ত্যাগ কৰি আজোহা নামৰ ঠাইলৈ গুচি যায়। তাতো তেওঁৰ মনে সান্তনা লভিব নোৱাৰিলে। কিছুদিনৰ পিছত এইজনা সৰলমনা মানুহে সকলো মানসিক সংঘাটৰ উপশম বিচাৰি আত্মহত্যাৰ পথ বাচি ললে। তেওঁৰ মৃত্যুৰ পিছত ধুতীৰ খোচনিত এটুকুৰা কাগজ ওলাল। তাত লিখা আছিল- " নিজ গাঁৱৰ জ্ঞাতি বাইজৰ বিৰুদ্ধে গৈ দুজনকৈ ভাতৃবন্ধুক জেলৰ ভাত খুওৱা পাপৰ প্ৰায়চিত্ত কৰিলো। " এই ঘটনাই হিলৈদাৰী গাঁওবাসীৰ লগতে ওচৰৰ কেইবাখনো গাঁৱক বাৰুকৈয়ে জোঁকাৰি গ'ল। কাৰণ সেইটো আছিল সেই সময়ত জীৱিত থকা সকলে জনা বা শুনাৰ ভিতৰত হিলৈদাৰী আৰু আশে-পাশে থকা ঠাইবোৰৰ ভিতৰত প্ৰথম আত্মহননৰ ঘটনা। এই দুৰ্ঘটনাত গোটেই অঞ্চলটোতে শোকৰ ধল নামিছিল।

ক ৰ্ট- কাছাৰীৰ সীমাৰ চাৰিঢাপৰ বাহিৰত অসূয়া-অশান্তি নোহোৱাকৈ চিৰদিন শান্তিপূৰ্ণ ভাৱে জীৱন অতিবাহিত কৰা হিলৈদাৰীৰ গ্ৰাম্য বাসীক এই দুই ঘটনাই প্ৰৱল ভাৱে জোঁকাৰি থৈ যায়। গাওঁখনৰ সোনাময় ঐতিহ্যত ই এক কৰুণ অধ্যায়। লুটপাতৰ সেই ভয়াবহৰ দিনবোৰৰ স্মৃতি আজিও যেন গাওঁখনৰ আকাশ, বতাহ, মাটিয়ে এটা দুঃস্বপ্নৰ দৰে বুকুত সামৰি ৰাখিছে। অতীত ৰোমন্থনত আজিও গাঁওবাসীয়ে গভীৰ দুখেৰে স্মৰণ কৰে সেই কৰুণ ইতিহাস।□

তথ্য সংগ্ৰহ- 'ফাটবিহুৰ পম খেদি এখন চিঠিঃ ৰাইজলৈ' - শ্ৰী জগদীশ গগৈ।

| | | |
|---|---|---|
| শ্ৰী কুন্তী গগৈ | ঃ | হিলৈদাৰী গাওঁ। |
| শ্ৰী চন্দ্ৰনাথ বৰুৱা | ঃ | হিলৈদাৰী গাওঁ। |
| শ্ৰী সোণধৰ খনিকৰ | ঃ | সোৱণশিৰি। |
| শ্ৰী ছবিলাল জৈন | ঃ | জিয়ামৰীয়া গাওঁ। |
| শ্ৰী ক্ষীৰোদ গগৈ | ঃ | হিলৈদাৰী গাওঁ। |

# ফাটবিহুৰ ৰূপ বিশ্লেষণ

জগত ফুকন

ঢকুৱাখনাৰ ফাটবিহু সংস্কৃতিৰ ইতিহাসৰ এক মাইলৰ খুঁটা স্বৰূপ। বৰ্তমান ফাটবিহুৰ উদ্‌যাপন বিহুৰ ঐতিহ্যক জীয়াই ৰখাৰ এক মহান প্ৰয়াস। আজিৰ ম'হঘূলি চাপৰিৰ ফাটবিহুৰ তলী, তাহানিৰ মুকলি পথাৰৰ বিহু, গছ তলৰ বিহু, জেং বিহু আদিৰ সংৰক্ষণ, পৰিবেশন আৰু সঞ্জীৱিত কৰণৰ এক মহান ক্ষেত্ৰ। ই কৃষ্টি-সংস্কৃতিৰ দলিল। বৃটিছৰ আগমণৰ সময় চোৱাত অসমৰ সামাজিক ৰাজনৈতিক জীৱনৰ অনেক পৰিবৰ্ত্তন হ'ল। অসমীয়া মানুহে ইংৰাজী শিক্ষাৰে শিক্ষা লভিলে। এইদৰে বিদেশী শিক্ষাৰে শিক্ষিত এচাম লোকে বিহুক 'ইতৰ লোকৰ আচৰণ' বুলি এলাগী কৰিবলৈ চেষ্টা কৰিলে। যি কি নহওক বৃটিছৰ আগমনে আৰু স্কুলীয়া শিক্ষাৰ প্ৰভাৱে থলুৱা ডেকা-গাভৰুক চ'তৰ ৰাতিবিহুৰ পৰা লাহে লাহে আঁতৰাই পেলালে। অৱশ্যে উজনি অসমৰ বিশেষকৈ শিৱসাগৰ জিলাৰ কিছু ভিতৰুৱা গাঁৱত— যেনে গেলুৱা অঞ্চলত, টেঁপৰতল গোঁহাই গাঁৱত, বাসৰবেঙেনা অঞ্চলত পঞ্চাশৰ দশকলৈকে গাভৰুৰ ৰাতিবিহু চলিছিল বুলি জানিব পৰা গৈছে। ঠাই বিশেষে এনে বিহু এতিয়াও আছে।

এই চ'তৰ ৰাতিবিহুক ঢকুৱাখনাৰ ফাটবিহুৰ প্ৰাকৃতিক পৰিবেশৰ মঞ্চত জীয়াই ৰাখিবলৈ যি চেষ্টা চলাই থকা হৈছে, ই অতি আশাপ্ৰদ বুলিয়েই বিবেচনা কৰিব পাৰি। 'Aspects of Assamese Culture' গ্ৰন্থত সৈঁউজ কোঁৱৰ পৰাগধৰ চলিহাই উল্লেখ কৰিছে যে, অসমত প্ৰথম ৰাজহুৱা ভাৱে বিহু উদ্‌যাপন কৰা হয় ১৯৪১ চনত শিৱসাগৰত। ইয়াৰ প্ৰায় দহ বছৰৰ পিছতহে গুৱাহাটীৰ লতাশিল খেলপথাৰত ৰাজহুৱা বিহু সন্মিলন অনুষ্ঠিত হয়— হ'লেও এইবোৰ বিহুতলীত ফাটবিহুৰ লেখিয়াকৈ প্ৰাকৃতিক পৰিবেশৰ মাজত তাহানিৰ চ'তৰ বিহুৰ আৰ্হিৰ বিহু পৰিবেশিত হৈছিল বুলি জনা নাজায়। এই ক্ষেত্ৰত ফাটবিহুৰ বৈশিষ্ট্য সুকীয়া। ফাটবিহু শ-বছৰীয়া পুৰণি। ই হাবুঙৰ থলুৱা বিভিন্ন জাতি-জনজাতিৰ মিলন থলী, আনন্দ উলাহৰ উৰ্বৰা ভূমি। ম'হঘূলি চাপৰি, চাৰিকড়ীয়া নৈৰ ফাট





উজনী অসমৰ বৰলুইতৰ উত্তৰ পাৰৰ আহোম, মিচিং, চুতীয়া, কোঁচ,দেউৰী, কছাৰী, কলিতা, কৈৱৰ্ত, সুত আদি বিভিন্ন সম্প্ৰদাৰ লোকৰ মিলন ভূমি। কৃষ্টি-সংস্কৃতিৰ সাৱলীল প্ৰকাশ আৰু পৰিবেশনৰ প্ৰেক্ষাগৃহ। জনগোষ্ঠীয় সম্বন্বয়ৰ কঠিয়াতলী। বিহুগীতত জনগোষ্ঠীয় সমন্বয়ৰ চাপ সুস্পষ্ট —

*"মিকিৰৰ চাঙতে বাজে ৰৰকাঁহী*
*ভৈয়ামতে বাজে ঢোল।*
*চাৰিকড়ীয়াৰ ফাটতে পাতে ৰৰবিহু*
*চিঙি যাওঁ ডিঙিৰে দোল।।"*

এই ঐতিহ্যপূৰ্ণ উৎসৱটিক ঢকুৱাখনাৰ সংস্কৃতি প্ৰেমী ৰাইজ আৰু বিষয়-ববীয়া সকলৰ সুচিন্তিত আঁচনিৰে অধিক মহিয়ান কৰি তুলিব পৰাৰ থল আছে। সংস্কৃতিৰ বৈচিত্ৰপূৰ্ণ মিলনভূমি ফাটবিহুত অংশগ্ৰহণ কৰা প্ৰতিজন বিহুৱা-বিহুৱতী তথা উদ্যোক্তা আৰু বিষয় ববীয়াই নিজ নিজ জাতীয় পোছাক পৰিধান কৰি অহাটো বাধ্যতামূলক হ'লে ৰূপতে অধিক ৰহণ চৰিব। ফাটবিহুৰ সংবিধান প্ৰণয়ন আৰু গ্ৰহণ এক প্ৰশংসনীয় পদক্ষেপ। লগতে ফাটবিহুৰ প্ৰতিযোগিতা সমূহৰ এখন নিয়মাৱলী সকলোৰে গ্ৰহণযোগ্য হোৱাকৈ প্ৰণয়ন কৰিব পাৰিলে ফাটবিহুৰ প্ৰকৃত ৰূপ ৰক্ষা কৰিব পৰা যাব বুলি ভাবিব পাৰি। যিহেতু ফাটবিহুত প্ৰতিযোগিতাৰ যোগেদিয়েই শ্ৰেষ্ঠ বিহুদল, বিহুৱা-বিহুৱতী নিৰ্বাচন কৰা হয়, গতিকে প্ৰতিযোগিতাৰ বিষয় সমূহৰ ওপৰত সম্পূৰ্ণ দখল থকা অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বিচাৰ কাৰ্য সম্পাদন কৰিলে ফলাফল নিখুঁত আৰু নিৰপেক্ষ হ'ব। উদ্যোক্তা সকলে এই দিশত গুৰুত্ব দিয়া বাঞ্ছনীয়।

সংস্কৃতি পৰিবৰ্ত্তনশীল। অসমৰ প্ৰখ্যাত বুদ্ধিজীৱি ড° হীৰেন গোঁহাইৰ ভাষাত— "পৰিবৰ্ত্তনে এখন সমাজ বা এটা জাতিৰ সভ্যতাক ধ্বংস কৰি পেলায়। পৰিবৰ্ত্তনৰ ক্ষেত্ৰত মানুহৰ এটা নিজস্ব ভূমিকা থাকিলে ভাল। ভাল-বেয়া বিচাৰ কৰি বাচ-বিচাৰৰ মাজেৰে পৰিবৰ্ত্তনৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিব পৰা পৰিস্থিতিহে মঙ্গলজনক।" গতিকে পৰিবৰ্ত্তনশীল সংস্কৃতিৰ ঢৌত যাতে আমাৰ প্ৰাচীন

সোণসেৰীয়া সংস্কৃতিৰ আন্তঃগাঁঠনি উটি-ভাঁহি নাযায় তাৰ প্ৰতি ফাটবিহুৰ জৰিয়
জোৰদাৰ সাংস্কৃতিক আন্দোলন সকলোৰে কাম্য।

ফাটবিহু উদ্‌যাপনৰ সম্পূৰ্ণ সাৰ্থকতাৰ আশাৰে আমাৰ কেইটিমান ব্যক্তিগ
মতামত পাঠক সমাজৰ বিচাৰৰ বাবে আগবঢ়ালো

(ক) ফাটবিহুত যাতে বিভিন্ন জনগোষ্ঠীৰ বিহুশৈলীৰ প্ৰকৃত ৰূপটোহে প্ৰকাশ পা
তাৰ প্ৰতি বিহুৱা-বিহুৱতী সকলে গুৰুত্ব দিয়া উচিত। বিশেষকৈ সাজপোছাক পৰিধা
কৰাত অধিক মনোযোগ দিয়া দৰকাৰ।

(খ) প্ৰসাধনৰ ক্ষেত্ৰত বিহুৱতী সকলে বজাৰৰ ৰাসায়নিক দ্ৰব্যৰ পৰিবৰ্তে, বাৰী
বৰহমথুৰি, জেতুকা, কপৌ বা কেতেকী ফুলৰ ব্যৱহাৰ কৰিব লাগে।

(গ) পুৰণি ছেও-চাপৰতহে ঢোলৰ প্ৰকৃত গুম্‌গুমনি প্ৰতিফলিত হয়। গতিকে ন
প্ৰজন্মৰ ঢুলীয়া সকলে প্ৰশিক্ষণৰ যোগেদি তেনে ছেও-চাপৰ আয়ত্ব কৰি লোৱাটো
নিতান্তই প্ৰয়োজন।

(ঘ) আধ্যাত্মিক ৰসৰ ঘোষা-পদৰ সংযোজনে হুচৰিক এক গাম্ভীৰ্যপূৰ্ণ ৰূপ প্ৰদান
কৰে। গতিকে হুঁচৰি গাঁওতে ঘূৰণীয়াকৈ বৃত্তাকাৰে শাৰী পাতি খোজত খোজ মিলাই
ঢোলৰ চাপৰত তাল ৰাখি ঘোষাপদ গাই হুঁচৰিৰ গাম্ভীৰ্যতা প্ৰকাশ কৰিব লাগে।

সদৌ শেষত ঢকুৱাখনাৰ ফাটবিহু অসমীয়াৰ জাতীয় কৃষ্টিৰ আতকধুনীয়া
সমলেৰে, জনজীৱনৰ প্ৰতিফলনেৰে, কেঁচা মাটিৰ গোন্ধেৰে জীপাল হৈ উঠক,
এইয়ে আমাৰ কামনা।❑

২০০৭ বৰ্ষৰ (অষ্টাদশ সংখ্যা) "বিহুৱান" খনিত
অনিচ্ছাকৃত ভাবে কিছু ভুল-ত্ৰুটি হৈ গ'ল। সেয়ে সদৌটি পাঠকৰ
ওচৰত আমি ক্ষমা বিচাৰিছো।

- 'ফাটবিহু সমিতি'



# মিচিং সকলৰ 'হুঁচৰি-পদ' আৰু 'ৰইলা-গীত'

*সৰ্বেশ্বৰী পেগু*

কোনো এটা জাতিৰ অতীত জীৱনৰ ইতিহাস জানিবলৈ হ'লে সেই জাতিৰ পূৰ্ব প্ৰচলিত মুখে মুখে চলি অহা গীত-মাত, ফকৰা-যোজনা, সাঁথৰ, মালিতা, প্ৰবাদ-প্ৰবচন, ডাকৰ বচন, বনগীত, বিহুগীত, বিয়ানাম, আইনাম,ধাইনাম, নিচুকনি গীত, সাধুকথা আদিৰ সহায় ল'ব লগা হয়। তেওঁলোকৰ মুখে মুখে বাগৰি অহা গাত-মাতবোৰে তেওঁলোকৰ অতীত আৰু বৰ্তমানৰ ইতিহাস জনাত বহু ধৰণে সহায় কৰে অসমৰ প্ৰত্যেক জাতি-জনজাতিৰ অতীত জীৱনৰ ইতিহাস লোকগীত বা লোক সাহিত্যত প্ৰতিফলিত হয়। অসমৰ অন্যতম জনগোষ্ঠী মিচিং সকলেও নৈ পৰীয়া পৰিবেশৰ মাজত জীৱন অতিবাহিত কৰাৰ অভিজ্ঞতাৰে নিজৰ স্বকীয় সংস্কৃতি জীয়াই ৰাখিবলৈ সক্ষম হৈছে। লোক সাহিত্যৰ যোগেদি তেওঁলোকে প্ৰেমৰ অনুভূতি, কৰুণ ৰস প্ৰধন প্ৰেমিক-প্ৰেমিকাৰ বিৰহ-বেদনা আদি প্ৰকাশ কৰিছিল। মিচিং সকলৰ মৌখিক সাহিত্যত তেওঁলোকৰ ধৰ্ম নীতি, আচাৰ-ব্যৱহাৰ, আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, লোক-বিশ্বাস, মানসিক চিন্তাধাৰ, সমাজ চিত্ৰ আদিৰ আভাস পোৱা যায়। মিচিং সমাজত বহুযুগৰ পৰা মুখ বাগৰি চলি অহা গীত-মাতবোৰে তেওঁলোকৰ পূৰ্ব জ্ঞানৰ সাক্ষ্য দিয়ে।

অতিজৰে পৰা মিচিং সকলেও বহাগ বা ৰঙালী বিহুটিক উলহ-মালহেৰে পালন কৰি আহিছে। তেওঁলোকৰ বহাগ বিহুৰ নামকৰণ সুকীয়া যদিও পৰম্পৰাবোৰৰ অন্যান্য জনগোষ্ঠীয়ে পতা বহাগ বিহুৰ সৈতে মিল দেখা যায়। হুঁচৰিপদ, বিহুগীত, ধেমেলীয়া গীত আদি লোকগীতেৰে মিচিং ডেকা-গাভৰুৱে নৃত্যৰ তালে তালে গোৱা গীতবোৰত অন্তৰৰ কথা প্ৰকাশ পায়। মিচিং ডেকা-গাভৰু সকলে বিহু মাৰিবলৈ যাওঁতে হাতে বোৱা 'এগেঃ গাছৰ' পিন্ধে আৰু ঢোল-তাল,পেঁপা-গগনা আদি লৈ প্ৰতিঘৰৰ চোতালে চোতালে বিহু মাৰে। প্ৰথমতে গাৱঁৰ মুৰব্বী জনৰ ঘৰত বিহু মৰা আৰম্ভ কৰে। হুঁচৰিত বুঢ়া-মেথা সকলেও অংশ গ্ৰহণ কৰে। হুঁচৰিত আৰম্ভণিতে নামতিয়ে ঘৰৰ মূৰব্বী জনক সম্বোধন কৰি নাম লগাই দিয়ে। গাৱঁৰ গাওঁবুঢ়াৰ ঘৰত হুঁচৰি গালে এইদৰে গায়—

"ৰাচতি ঐ গাং গাঁঙৰ
গাঁং বুৰাৰ গৰতে গাং।"

সৰহকৈ ম'হ পোহাৰ ঘৰত এই ফাঁকি পদ গায়।

"ৰাচতি ঐ গাং গাং
ম'হ গিৰিয়া গৰতে গাং।"

তেওঁলোকৰ হুঁচৰি পদত প্ৰভু জগন্নাথ আৰু বীৰ হনুমানৰ নামো উল্লেখ থাকা দেখা যায়।

"চলি যাওঁ পৰবো জগনাত
গুনুচা যাত্ৰা কৰি এ .....।"

"কলমৌ গুটি কাওঁতে বুৰা অনুমানে
নগৰকন কৰিলে
ছুঁই ঐ গোবিন্দয় ৰাম।"

এনেবোৰ হুঁচৰি পদ গাই গাই বিহুদল বিলাকে বিশেষ ভঙ্গীমাত চক্ৰাকাৰে ঘুৰে। হুঁচৰি পদ গোৱা শেষ হ'লে গাভৰু বিলাকে বেলেগকৈ 'ৰইলা নিঃতম' গাই গাই টকা বজায়।

"ৰইলা ঐ তেতেলি তলতে
ৰইলা তাতে বয় আছিলো
ৰইলা পাঅৰি আয়িলো কুচি ঐ
চৰাই দৰিয়া চৰাই মৰিয়া
পেকো ৰইলা হেই
শ্যাম কলীয়া শ্যামটি কলীয়া
পেকো ৰইলা হেই।
ৰইলা অগৰাতি দিনাকন
ৰইলা পাক্কম্বি কান্দিছে
ৰইলা কাচনবাই ওঁৱৰি গাইঅই
শ্যাম কলীয়া শ্যামতী কলীয়া
পেকো ৰইলা হেই।"

এই ৰইলা নিঃতম বিলাকৰ বাহিৰেও তেওঁলোকে ছুটি ছুটিকৈ সুঁৰ দি ধেমেলীয়া গীতো গায়— য'ত সীমাহীন আৱেগ অনুভূতি প্ৰকাশ পায়।

"য়ই গৰুকৈ কিনিবা ৰঙাকৈ দমৰা
পতাৰত জিলিকি তাকে
ছোৱালী আনিবা মাগুৰ বৰণীয়া





গৰতে জিলিকি তাকে।"

এনেকুৱা গীতবোৰৰ যোগেদি ডেকা-গাভৰুৱে তেওঁলোকৰ শাৰীৰিক আকৰ্ষণ প্ৰকাশ কৰে।

কিছুমান গীতত ডেকা-গাভৰুৰ মাজত নিভাঁজ প্ৰেমৰ প্ৰকাশ ঘটিছে—

"য়ঁই কেনেকৈ পাঅ'ৰিম তোকে অই লাঅৰি
কেনেকৈ পাঅ'ৰিম তোক
বৰনৈ ওকাৰ দুবৰীও গজিব
তেতিয়াই পাঅৰিম তোক।"

কেতবোৰ মিচিং বিহুগীতত পুৰণি অসমীয়া 'কাহিনী গীত'ৰ পৰশ পৰা দেখা যায়—

"ইনাই কাচনে বিনাই কান্দিলে
নদীৰ পাৰলৈ চাই
ইৱআগৰ জিলাতে বৰকতা নগৰে
আছিলে অঙ্কৰদেউ ৰজা
মোৰেই জানো কোঁৱৰক বিচাৰি নাপামনে
আমাক জোৰ পাতোতা নাই।
এৰিলো এবুৰি এৰিলো চুবুৰি
এৰিলো নদীৰে কূল।" ..........

মিচিং সকলৰ পূৰ্বৰে পৰা চলি অহা বিহু উৎসৱটি উত্তৰ পুৰুষে বৰ্তাই ৰাখিব পাৰিবনে নাই, তাক লৈ প্ৰশ্নৰ উদয় হয়। কিয়নো সম্প্ৰতি পূৰ্বৰে পৰা চলি অহা গীতমাত বোৰৰ প্ৰতি নৱ প্ৰজন্মৰ অনীহা দেখা গৈছে। বৰ্তমানৰ পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত আধুনিকতাৰ চাপ মিচিং সমাজতো কম বেছি পৰিমাণে কৰিবলৈ আৰম্ভ হোৱাত সমন্বয়, সংহতি, ঐক্য আদি অৰ্ন্তধান হোৱৰ পথত। এইয়া সময়ৰ আহবান বুলি মানি ল'ব পাৰিলেও কিছুমান পশ্চিমীয়া লহৰে আমাৰ প্ৰাচীন সংস্কৃতিৰ শাহটোকে আঘাত কৰা যেন অনুভৱ হয়। গতিকে সময় আহি পৰিছে আমাৰ প্ৰাচীন সংস্কৃতিৰ সংৰক্ষণ কৰাৰ। আমাৰ পুৰণি আপুৰুগীয়া সংস্কৃতিৰ যাতে কেতিয়াও হৰণ-ভগন নহয় তাৰ প্ৰতি সদা সচেতন হৈ থকাটো সকলোৰে কৰ্তব্য।❑

# চাৰিকড়ীয়া, ম'হঘূলি চাপৰি, ফাটবিহু আৰু মোৰ অনুভৱ

পদ্মা বড়া দাস

সৰুতে কোনোবাই একোলা ডাঙিলৈ এপাক ঘূৰাই পুনৰ ওপৰলৈ ডাঙি ধৰি মোমাইৰ ঘৰ দেখাওঁতে দিগন্তৰ শেষ সীমনাত চকু থৈ ভাবিছিলো মামাৰ ঘৰ বহু দূৰত। ৬০ ৰ দশকত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ আমাৰ বাবে মনৰ দূৰত্বৰে এতিয়াৰ দিল্লী মোম্বাইৰ সমান। স্বাধীনোত্তৰ কালতে শিৱসাগৰৰ শলগুৰি মৌজাৰ নিৱাসী দেউতা বিবাহ সূত্ৰে ঢকুৱাখনাৰ জোঁৱাই হৈছিল। সামাজিক কামত ঢকুৱাখনালৈ আহোঁতে ঢকুৱাখনাৰ কেইটামান সম্ভ্ৰান্ত পৰিয়ালৰ ৰূপহী, কৰ্মপটু, শিক্ষিতা যুৱতীৰ সৈতে বিবাহ বান্ধোনেৰে মিতিৰৰ যোগসূত্ৰ স্থাপন কৰিছিলহি দেউতাহঁতে।

ছোৱালীবোৰ একোপাহ ফুলৰ দৰে। আলফুলে ৰাখিব খোজে দেউতাই। পঢ়াশুনা, গান-বাজনাত আমাক হেঁপাহ জন্মায়। চৰিত্ৰৱতী, কৰ্মী, অতিথি পৰায়ণ, শিক্ষিতা হ'ব লাগে মাৰ বাবে। মাৰ কৰ্মই মাৰ আদৰ্শ — আমাৰবাবে , গাওঁবাসীৰ বাবে।

ঢকুৱাখনালৈ আহিবলৈ অসুবিধা, সেইসময়তো। পকা ঔটেঙাৰ গোন্ধে আমোল মোলোৱা ৰাস্তাৰে ঘোঁৰা গাড়ীত উঠি এবাৰ মামাৰ ঘৰলৈ অহা ধূসৰিত স্মৃতি মোৰ শৈশৱ। ৰামপুৰ চাপৰিত হাতত খন্তি লৈ এবাৰ আহুধান নিৰাই চোৱা দিনটো মোৰ কৈশোৰ। আহুধানৰ মাজে মাজে জেং দি লগোৱা জালি তিয়ঁহ চোবাইছিলো। মিঠা শেলুক বিচাৰি চাপৰিটো চলাথ কৰিছিলো। চাৰিকড়ীয়াৰ গা ধোৱা ঘাট দুসুঁতিমুখত স্ফটিকযেন ফট্‌ফটীয়া পানীত নামি নিজৰ মাজতে মাক বিচাৰি চাইছিলো। আৰু যৌৱনত? হয়, এবাৰ আহিছিলো। কলেজীয়া ছোৱালীজনী হৈ সেইবাৰ আহিছিলো দেউতাৰ লগত। দেউতাৰো আমাক লগত লৈ ফুৰাৰ চখ আছিল। নিজকে নেহৰুৰ দৰে ভাবিলৈ মোকো ভাবি লৈছিল নেহৰু তনয়া ইন্দিৰা গান্ধীৰ দৰে।

১৯৭৫ চন। সেই সময়ত চাৰিকড়ীয়াৰ উত্তৰ পাৰৰ ঢকুৱাখনা ঘূণাসুঁতি পথটোৰ কাষে কাষে ৰাধাচুড়া ফুলবোৰ ৰমক-জমক হৈ ফুলিছিল। চাৰিকড়ীয়াৰ মনোমোহা দৃশ্যই মোৰ হৃদয় জুৰাইছিল। মুগা ৰিহা মেখেলা পিন্ধি বালিগাৱঁৰ গাভৰুৰ লগত চাৰিকড়ীয়াৰ। পাৰৰ ম'হঘূলি চাপৰিত বনভোজ খাইছিলো। গাভৰুহঁতে জেং বিহু মাৰিছিল। বিহু নাচিবলৈ যে মোৰ বৰ লাজ লাগে। মই নাচিব নোৱাৰিছিলো।





দুদিনীয়া আলহী হৈ তিনিদিন থাকি দেউতাৰ লগত ঘৰলৈ ঘূৰিছিলো। [illegible] টুলুঙা নাৱঁত উঠি পানী ভোঙা পাৰ হওঁতেই পিছলি পৰিব ধৰিছিলো। কোনে বাৰু হাত পাতি ধৰিছিল? টুলুঙা নাৱত উঠি নোপোৱা ছোৱালী দেহী। দেউতাৰ মাতত লাজতে মই তলমূৰ কৰিছিলো। তুমি মোক দুচকুৰে চাইছিলা। তেতিয়াও চকিচকুৰ মিলন হোৱা নাছিল।

মই নিজ কক্ষপথত ঘূৰিছিলো। সময়ৰ বেদুইন মন মোৰ আগ বাঢ়িছিল সময়ৰ লগত। আকাশখনৰ দৰে মনটো বহলকৈ মেলিছিলো। সুহৃদৰ কাষত নিজকে বিলাই দিছিলো। পাহ পাহ কৰি চাব খুজিছিলো প্ৰকৃতিত জীৱনৰ ৰূপ। বন অৰণ্যতো ঘূৰিলো; কামাখ্যা উমানন্দৰ প্ৰাচীৰত মাৰ্কেন্‌চিয়া (মছ) বুটলিলো; চেৰাপুঞ্জীত বুটলিলো নিপেন্‌থিচ্‌ খাচিয়ানা (কলচী উদ্ভিদ); দাৰ্জিলিঙত বুটলিলো চইকাছ্‌ (পুং আৰু স্ত্ৰী শঙ্কু); গোৱাত বুটলিলো সাগৰীয় চাৰ্‌গাছাম্‌ (বাদামী শেলাই)। তোমাৰ লগত যুটীবদ্ধ হৈ জাকৈচুকীয়া ঠাই খনলৈ গুচি আহিলো। পানীৰ দৰে পাত্ৰ চাই ললো গঢ়।

চাৰিকড়ীয়া তোমাৰ আজন্ম সখা,  
শৈশৱত তুমি তাতে নাওঁ বালা,  
জালমাৰি নাৱঁত মাছ ভৰালা,  
জলক্ৰিয়া কৰি আনন্দ লভিলা।  
চাপৰিটো তোমাৰ গৰখীয়া ঘৰ।  
দামুৰি পোৱালিটো বিচাৰি চলাথ কৰিলা।

'তুমি বাৰু ঠাইখনৰ মোহ কেনেকৈ এৰা?'- সুহৃদ সকলে মোক কেতিয়াবা [illegible] পালে কয়। 'তুমিযে ক'ত সোমালাগে; আহানা, আমি ওচৰতে থাকো।'

তেতিয়া মই কওঁ— 'আজিকালি মোৰ তাতে ভাল লাগে; ... কেৱল তোমাৰ বাবেই। মিচিং, নিপাক, দেউৰী, কছাৰী একাকাৰ হ'লো। বানত উটিলো, ভুবটো উঠিলো। তুমি দুৰ্গতৰ হ'লা বিপদৰ ভাই। প্ৰসৱিনী নাৰীৰ বাবে নৱৰূপী [illegible]। [illegible] তোমাৰ বাবে চম্পা ফুলৰ কলি; ছেমনীয়াহঁত হ'ল খেলৰ লগৰী।

ব্যস্ত মানুহ তুমি; ব্যস্ত হৈয়েই গুচি গ'লা নদীখনৰ [illegible]। চাৰিকড়ীয়াৰ পাৰৰ ম'হঘূলি চাপৰিৰ বিহুতলীৰ কাষতে শুই ৰ'লা চিৰকাললৈ। মাটিৰ দেহা তোমাৰ মাটিত মিলিল।

বহাগৰ শেষত ফাটবিহুৰ ঢোল-পেঁপাৰ মাজত নিৰৱে শুই থকা [illegible]

লগতে তোমাৰো ঘুমটি ভাগে। আজিও ফাটবিহু তলীৰ গছতলত বিহুৱা,বিহুৱতীৰ নাচোনৰ তাল। ঢোলৰ গুম্-গুমনিত কঁপিছে তোমাৰ চিৰ নিদ্ৰাৰ শেতেলি। স্পন্দিত হ'ল মাটিৰ ফাঁকত থকা কৈশিক পানী। তুমি সাৰহৈ মিলিলা পানীৰ লগত আৰু জীপাল কৰিলাহি বিহুতলীৰ প্ৰতিজোপা গছ। আজি —

মনৰ পদূলিত অগা দেৱা কৰে
মোৰ তেজাল সোঁৱৰণী।
সূৰ্যমূখী হৃদয়ো হয় বৃষ্টিহীন চাহাৰা,
বহাগৰ বতাহে মাথো কাণে কাণে কৈ যায়,
চকু মেলি চোঁৱা—
ম'হঘূলিৰ প্ৰতিজোপা গছ সেউজীয়া।
মই মূৰ তুলি চাই দেখা পালো,
চিচু গছৰ লিহিৰি পাতৰ
মেছ'ফিল চেলত স্পন্দিত
তোমাৰ চিনাকী হাঁহি।
তুমি পাত হৈ নাচিছা, বতাহত হালিছা
ছেমনীয়াৰ ঢোলৰ ছেৱত।

মই থৰ লাগি তোমাকে চালো, কিন্তু তোমাৰ দূৰত্বক স্পৰ্শ কৰিব নোৱাৰিলো। চেমনীয়ালৈ ওলগ জনাই শৰাই অৰিহনা আগবঢ়ালো তোমাৰ নামত আৰু শ্ৰেষ্ঠ দ'লটিলৈ আগবঢ়ালো এটি বটা (ট্ৰফী)। তুমিও যেন থৰ লাগি মৌলৈকে চাই কলা— অহাবছৰ আকৌ আহিবা, ফাটবিহু তলীত চেমনীয়াক আদৰিবলৈ। মেছ'ফিল চেলৰ মাজত সোমাই পাত হৈ ময়ো নাচিম; চেমনীয়াৰ ঢোলৰ ছেৱত।❑



# ঢকুৱাখনা মহকুমাৰ গাঁৱৰ নাম-পৰিচিতি

ড° জিতৰাম কলিতা

প্ৰব্ৰজনকাৰী জীৱনত সঞ্চিত কৰা জৈৱিক অভিজ্ঞতাবোৰেৰে মানুহে স্থাপন কৰি গৈছিল গাওঁবোৰ-সভ্যতাৰ এক বিশিষ্ট পদক্ষেপ হিচাপে। সভ্যতাৰ পদক্ষেপ হিচাপে গ্ৰহণ কৰাৰ হেতুকে কোনো এখন অঞ্চলত থকা একোখন গাঁৱৰ লগত ইতিহাসৰ অনেক সমল জড়িত হৈ থাকিব পাৰে। এই ঐতিহ্য হিচাবে ঢকুৱাখনা মহকুমাত থকা গাওঁ বোৰ চলি-জাৰি চাবলৈ প্ৰয়াস কৰা হৈছে। এই ঐতিহ্যমণ্ডিত সমল হয়তো হ'ব পাৰে ধৰ্ম-সংক্ৰান্তীয় ৰাজনৈতিক অথবা আৰ্থ সামাজিক সম্পৰ্কীয়। নৃ-তাত্বিক বা ভাষাতাত্বিক দিশৰ পৰাও কোনো এখন ঠাইৰ নামৰ গুৰুত্ব লক্ষ্য কৰিব পাৰি। কাৰণ বিভিন্ন জনগোষ্ঠীৰ মানুহ পৰ্য্যায়ক্ৰমে ঢকুৱাখনা মহকুমালৈ আহিছিল যদিও সকলো জনগোষ্ঠীৰ মানুহে স্থায়ী ভাবে বাস কৰিবলৈ সক্ষম নহ'ল। উত্তৰ পৰ্বত মধ্য দক্ষিণত ব্ৰহ্মপুত্ৰ নদীখন এতিয়াতকৈ যথেষ্ট উত্তৰেদি বৈ গৈছিল। সেয়াই নহয় ১৭ শতিকাত একেবাৰে কেইবা বছৰো লুইত নদীখন চকিলয়ীয়া নৈৰে প্ৰবাহিত হৈছিল বুলি ইতিহাসে সাক্ষী দিয়ে। ইয়াৰোপৰি এই অঞ্চলত ভূমিকম্পৰ প্ৰৱণতা আছিল। এনেধৰণৰ ভৌগলিক অস্থিৰতাৰ ফলত এই বৃহৎ এলেকাত কৃষি অৰ্থনীতিৰ বিকাশ হোৱা নাছিল। কৃষি অৰ্থনীতিৰ বিকাশ নোহোৱাৰ বাবে সামন্তবাদে এই বৃহৎ এলেকাত কৃষি ভূখণ্ডত গা কৰি উঠিব নোৱাৰিলে। ইয়াৰ উপৰিও ঐতিহাসিক কাৰণবোৰ যেনে মায়ামৰা বিদ্ৰোহ মানৰ অত্যাচাৰ আৰু পাহাৰৰ আদিবাসী সকলৰ ডকা-হকাবোৰ আছেই। সামন্তবাদৰ সম্পূৰ্ণ বিকাশ নহ'লে স্থায়ী জনবসতি সম্ভৱপৰ নহয়।

ঐতিহাসিক বিশ্লেষণৰ পৰা এই কথা স্পষ্ট যে ঢকুৱাখনা অঞ্চলৰ প্ৰাচীন বুৰঞ্জী দ্বাদশ শতিকাৰ পৰাহে উদ্ধাৰ কৰিব পৰা হৈছে। ভুঞা আৰু চুতীয়া ৰজা সকলৰ শাসনৰ সময়ত হাবুং (বৰ্তমান ঢকুৱাখনা) আছিল জনবসতিৰে পৰিপূৰ্ণ। ধেনুখনা, লেচাম, ঘিলামৰ আৰু ঢকুৱাখনাৰ কোঁৱৰ গাঁৱত উদ্ধাৰ হোৱা তাম্ৰৰ ফলিৰ পৰা বহুতো কথাৰ সন্ধান পোৱা গৈছে। চুতীয়া ৰাজন্যবৰ্গই ব্ৰাহ্মণ পুৰোহিত সকলক ভূমিদান কৰা কাৰ্যলৈ লক্ষ্য কৰিলে ১৪ শতিকাতে এই ভূ-খণ্ডত কৰ্ষিত মাটি আছিল বুলি নিশ্চিত হ'ব পাৰি। তেতিয়াৰে পৰাই প্ৰকৃতিৰ উপাদান সমূহক মানৱৰ দৈনিক পৰিক্ৰমাত নিজৰ সাধ্য অনুসৰি প্ৰয়োগ কৰি আহোতে মানুহে দৈনন্দিন লাভ কৰা অভিজ্ঞতাবোৰকে পৰ্যায়ক্ৰমে নতুন পদক্ষেপৰ শক্তি হিচাপে ব্যৱহাৰ কৰি আহি

থাকোতে মানৱ সভ্যতাই বৰ্তমানৰ অৱস্থাত উপনিত হৈছে। এনে প্ৰক্ৰিয়াৰ ফলত বিকশিত হোৱা ঢকুৱাখনা মহকুমাৰ মানুহৰ সামাজিক জীৱন প্ৰথমতে গাওঁ নিৰ্মাণৰ বুনিয়াদৰ পৰাহে সম্প্ৰসাৰিত হৈছে। গ্ৰাম্য সভ্যতাৰ বিকাশ ঘটিবলৈ প্ৰথম জোৰ-বন্তি হাতত লৈ অটব্য অৰণ্য ভাঙি সৃজনশীল সংকল্প গ্ৰহণ কৰি আগবাঢ়ি অহা লোকসকলেই হৈছে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা নমস্য ব্যক্তি। পদ্ধতিগত অধ্যয়ন কৰি গৱেষণাৰে বিচাৰ কৰিলে ঢকুৱাখনা মহকুমাৰ গাওঁবোৰৰ অনেক নতুন তথ্য আৰু তাৎপৰ্য ওলাই পৰিব। এই প্ৰবন্ধত তাকে উল্লেখ কৰা হৈছে—

স্বৰ্গদেউ চুহংমুং বা দিহিঙীয়া ৰজাই খ্ৰীষ্টীয় ১৫২৩ চনত হাবুং নিজৰ ৰাজ্যত চামিল কৰাৰ আগলৈকে এই ভূ-খণ্ডত শাক্ত ধৰ্মই ৰজা আৰু প্ৰজাৰ ধৰ্ম আছিল। ঢকুৱাখনাত বাসুদেৱ থানৰ বাদে মহকুমাটোত কতো বৈষ্ণৱ মন্দিৰ নাই। শঙ্কৰদেৱৰ সময়লৈকে এই ভূ-খণ্ডত শৈৱ আৰু শাক্ত ধৰ্মই প্ৰধান ধৰ্ম আছিল। মাছখোৱা আৰু ঢকুৱাখনা মৌজাৰ সীমাত অৱস্থিত হাৰ্হি গোঁসানীৰ থান মহকুমাটোৰ প্ৰাচীন দেৱালয়। ঘিলামৰৰ ওচৰত দেৱী মূৰ্ত্তীৰে এখন মণিপুৰীয়া থান আছে। ইয়াৰ উপৰিও গৰখীয়া থান আৰু ঘুঘুহা দ'ল আছে। গতিকে বিষ্ণু, শিৱ আৰু ধৰ্মৰ পৰা অহা ওপৰত উল্লেখ কৰা চাৰিখন ঠাই ঢকুৱাখনা মহকুমাত আছে। ঘাৰমৰা সত্ৰখন শঙ্কৰীষণে চুতীয়া ৰজাৰ পৃষ্ঠপোষতাত ঘাইমৰা নৈৰ পাৰত বিষ্ণু মন্দিৰ আৰ্হিৰে স্থাপন কৰিছিল। নৈখনৰ নাম পাছলৈ ঘাইমৰাৰ ঠাইত ঘাৰমৰা হৈছিল। বিষ্ণুদেৱে পৰৱৰ্তী কালত ঘিলামৰৰ পৰা ৯ কিলোমিটাৰ পূৱে ধেনুখনাৰ ওচৰৰ এখন বিলৰ পাৰত পুনৰ থানখন পাতে। তেতিয়াৰ পৰা ঘাৰমৰা সত্ৰত শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ শোভাৰম্ভ হয়।

মহাপুৰুষ শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ পিচত নৱবৈষ্ণৱ মতৰ ভিত্তিত ঢকুৱাখনা মহকুমা এলেকাত ভালেকেইখন বৈষ্ণৱ সত্ৰ আহোম যুগত প্ৰতিষ্ঠিত হৈছিল। আৰু সেই সত্ৰবোৰৰ নাম অনুসৰি ঠাইৰ নাম জড়িত হৈ আছে। যেনে গোবিন্দপুৰ, পুৰণি গোবিন্দপুৰ, জামুগুৰি, গোপালপুৰ ইত্যাদি।

দেশৰ ৰাজনৈতিক ইতিহাসৰ কিছুমান ঠাইৰ নামৰ মাজত দেখা পোৱা যায়। যেনে— ঐতিহাসিক জান খন্দা বাবে ঢকুৱাখনা, চুতীয়া সেনাপতি ঘিলাই আহোম সৈন্যৰ হাতত মৰা বাবে ঘিলামৰা, মানে যোৰে যোৰে স্থানীয় লোকক কাটিছিল বাবে যোৰকটা, মান সৈন্যক জুই লগাই পোৰা, বাবে জুয়েপোৰা, মটক সেনাপতি কচুৱে মানসৈন্যৰ ফলীয়া হৈ অসমীয়াৰ বিৰুদ্ধে অস্ত্ৰ হাতত লৈ যুদ্ধকৰি বন্দী হোৱাৰ পিছত নিজৰ দোষ স্বীকাৰ কৰি অসমীয়া সৈন্যৰ নেতৃত্ব দিয়াৰ বাবে





তেওঁ বসবাস কৰা গাওঁখনক কচু গাওঁ আদি নামৰ অন্তৰালত অসমৰ ইতিহাসৰ বহুতো সমল নিহিত হৈ আছে।

ধৰ্মীয় বিষয়াৰ লগত জড়িত কেইবাখনো ঠাইৰ নাম ঢকুৱাখনাত আছে। যেনে— ভকতীয়া হোলা, হেৰাই পোৱা, পুঠিখাটি, মেধিসুঁতি, গু-ডবা, কৃষ্ণপুৰ, নাৰয়নপুৰ ইত্যাদি। বিল, নৈ, জান, জুৰিৰ পাৰত অৱস্থিত বাবে ঢকুৱাখনাৰ কেইখনমান গাঁৱৰ সৃষ্টি হৈছে। যেনে— তুলসীজান, বলাহী, খামন, সাপতীয়া, যোগীসুঁতি, সুঁতিমুখ, কেঁকুৰী, ভগামুখ, খেৰকটা, দাংধৰা, মূৰ্তীয়া গাওঁ ইত্যাদি।

জাতিগত সম্প্ৰদায় আৰু খেল বিভাজনৰ ফলত সৃষ্টিহোৱা ঢকুৱাখনাৰ গাওঁবোৰ হৈছে— লাগাছু গাওঁ, বামুন গাওঁ, কলিতা গাওঁ, চেতীয়া গাওঁ, কমাৰ গাওঁ, দুলীয়া গাওঁ, গোৱাল গাওঁ, কুমাৰ বিল গাওঁ, সোণাৰী চাপৰি জালভাৰী, পিথিয়াল, বৰপটীয়া সৰুপটীয়া ইত্যাদি। বিভিন্ন ঠাইৰ পৰা মানুহ আহি বসবাস কৰা বাবে বেবেজীয়া গাওঁ আৰু ঢোলৰ দৰে পেটুৱা মানুহৰ আকৃতিৰ ভূ-খণ্ডক ঢোলপেটা নামাকৰণ কৰা হৈছিল।

কেইখনমান গাঁৱৰ নামৰ লগত সমাজ তাত্বিক সমল নিহিত হৈ আছে। আহোম ৰজাৰ শাসনৰ দিনৰে পৰা ডাঙৰীয়া-বিষয়া সকলে বসবাস কৰি অহা গাওঁবোৰৰ নাম ডাঙৰীয়া সকলৰ বিষয় বাব অনুসৰি গাওঁবোৰৰ নামাকৰণ কৰা হৈছিল। যেনে— কোঁৱৰ গাওঁ, বৰুৱাটিকা, ৰাইদিঙীয়া, গোঁহাইগাওঁ, গোঁহাইবাৰী, গোঁহাইচুক, দুলীয়াবৰুৱা গাওঁ, গন্ধীয়া (গন্ধীয়া বৰুৱাৰ শাল থকা বাবে), কাঠৰবাৰী ইত্যাদি। সামাজিক প্ৰতিপত্তি থকা কোনো কোনো কোনো সম্ভ্ৰান্ত ব্যক্তি বা বংশৰ নামত এইবোৰ ঠাইৰ সৃষ্টি হৈছিল।

কিছুমান ঠাইত বিভিন্ন মাছ অপৰ্যাপ্ত ভাবে পোৱা গৈছিল। ঠাইবিশেষে যিবিধ মাছৰ প্ৰাচুৰ্য অধিক সেইবিধ মাছৰ নামেৰে ঠাই খনৰ নাম ৰখা হৈছিল। যেনে— গৰৈমাৰি, পুঠিমাৰি, খলিহামাৰি, চেনিমাৰী, শিঙিয়া ইত্যাদি দিয়া হৈছিল।

বাৰী জাৰণি আদিৰে পৰিপূৰ্ণ আছিল বাবে ঠাই সমূহ ভোমাজাৰণি ইত্যাদি গাওঁ ৰূপে নামাকৰণ কৰা হয়।

গছ-গছনি আদিৰ সমিপ্যৰ ভিত্তিটো কেইখনমান গাঁৱৰ নাম সৃষ্টি হৈছে। যেনে— ছৈগুৰি, আমগুৰি, কঠালগুৰি, নেমুটেঙানি, নাহৰণি, বিৰাজৰা চুক, বৰটেঙাণি, আমলখি, ডিমৰুগুৰি, ভলুকাগুৰি, ঔগুৰি, অমৰা গুৰি, ভিতৰ বগৰী, বাহিৰ বগৰী, বকুলগুৰি, গেলা আমগুৰি, মদাৰগুৰি, ভলুকাগুৰি, থেকেৰাগুৰি ইত্যাদি।

পানী, উদ্ভিদ, বালি আদি অধিক পৰিমাণে থাকিলেও ঠাইৰ নামৰ সৃষ্টি

হয়। যেনে— কচুৱনী, পানীগাওঁ, বালিগাওঁ ইত্যাদি.

মাল নামৰ মানুহৰ বাৰী আছিল বাবে মালবাৰী, ম'হমাৰি ৰাইজক ভোজ দিছিল বাবে মহেমাৰী, ভোৰতাল বজোৱা মানুহ আছিল বাবে ভোৰতালচুক, গাওঁ পাতিবলৈ ডাঙৰ আমগছ কটা বাবে আমকটীয়া গাওঁ হৈছে।

অৰ্থ আৰু অৰ্থভিন্ন ভাষাত কিছুমান ঠাইৰ নামৰ মৌলিক ৰূপ ভাষাতাত্ত্বিক বিশ্লেষণৰ দ্বাৰা থিৰাং কৰিব পাৰি। যেনে— ভোমোৰা+জাৰণি = ভোমাজাৰণি। অৰ্থভিন্ন বিশেষকৈ টাই ভাষাৰে সিদ্ধ হোৱা ঠাইৰ নাম ঢকুৱাখনাত অনেক আছে। যেনে— বান্তৌ গাওঁ। বান্ মানে গাওঁ, তুন্ মানে বাম। গতিকে বান্তৌ— বামগাঁও। বাংক্লেং গাওঁ – বান্ মানে গাওঁ, কে মানে বৰুৱা, লুং মানে বৰ। বাংক্লেং শব্দৰ অৰ্থ হৈছে বৰবৰুৱা গাওঁ। সেইদৰে চাউৰকীয়া গাওঁ, চাও মানে ম্যানবৰ, ৰূক্ মানে ছয়। চাউৰকীয়া শব্দৰ অৰ্থ হৈছে ছজন বিষয়া থকা গাওঁ। মিচিং ভাষাৰ পৰা হোৱা ঠাইৰ নাম যেনে— কাংকান চাপৰি, লেপং গাওঁ, বান্দানা, বেদলং গাওঁ ইত্যাদি। মাত নোহোৱা ( বোবা) জনপ্ৰিয় মানুহ এজনৰ বাসস্থান আছিল বাবে মাতমৰা গাওঁ, আপঙৰ টেকেলি ফুটিছিল বাবে টেকেলিফুটা গাওঁ, আয়েংগীয়া গোত্ৰৰ মানুহে বাসকৰা বাবে আয়েংগীয়া গাওঁ হৈছে।

বড়ো ভাষাৰ পৰা হোৱা গাওঁবোৰ হৈছে হাবুং, হাৰ্হি, বৰদৈবাম ইতাদি। মৌ (মধু) শব্দৰ পৰা সৃষ্টি হোৱা ঠাই কেইখন হৈছে— মধুপুৰ, মৌখোৱা আৰু মধুমতী। ম'হ জন্তুৰ পৰা হোৱা গাওঁ হৈছে — ম'হবল।

প্ৰতিৰক্ষাৰ বাবে নামৰূপৰ পৰা কাড়ী সৈন্য আনি জালভাৰী গাঁৱৰ পশ্চিমত থাপিছিল বাবে নামৰূপীয়া গাওঁ হৈছে। হাৰ্হি দেৱালয়ৰ বাবে পাইক থকা বাবে দেৱলীয়া গাওঁ, উক্ত দেৱালয় বাবে বিলৰ পৰা বৰালি মাছ মাৰি জীয়াই ৰখা মানুহ বাস কৰিছিল বাবে জীয়ামৰীয়া গাওঁ, দলবদ্ধভাবে একে সম্প্ৰদায়ৰ মানুহ বাস কৰি সকলো সামাজিক কাম একেলগ হৈ কৰিছিল বাবে হুজগাওঁ, মকৰা বেছিকৈ আছিল বাবে মকৰাচুক গাওঁ হৈছে। কোঁৱৰ বংশই পাতি দিয়া হাটখনৰ নাম কোঁৱৰ হটীয়া, মধুমতী দলনিৰ কাষত কুকুৰাই দিনতে যুঁজ মাৰি থকা দেখি চিকাৰীয়ে নাম ৰাখিলে কুকুৰা যুঁজা গাঁও। লাহীদৈ নামৰ এগৰাকী সৰবৰহী মহিলাৰ বাৰী আছিল বাবেই লাহীবাৰী। চাড়িকৰীয়া নৈত মুদৈয়ে কপাহৰ ব্যৱসায় কৰি কপাহ কড়িয়াই অনা নাওবোৰ সেই ঠাইত বান্ধি মুদৈয়ে জিৰণি লৈছিল বাবে গাওঁখনৰ নাম কপাহ ৰোৱা বা কপহুৱা হয়। এইদৰে ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত গাওঁবোৰৰ নাম বিশ্লেষণ কৰিব পাৰি।□



# ঢকুৱাখনাৰ ৰঙালী বিহু ঃ তেতিয়া আৰু এতিয়া

ভুবন দাস

*"আমে মলিয়ালে কঁঠাল মুচিয়ালে*
*তগৰে মেলালে কলি।*
*কুলি কেতেকীয়ে মতবা দিলেহি*
*বিহু আহি পালেহি বুলি।।"*

হাড়ভঙা শীতৰ শেষত উকা উকা গছ লতিকা নৱ-কিশলয়ে সুশোভিত কৰি যেতিয়া ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে, মৌ মাখিৰ মধুৰ গুঞ্জনে প্ৰকৃতি দেৱীৰ সদ্যস্নাতা ষোড়শী ৰূপে, এক অনন্য ৰূপত ধৰা দিয়ে, তেতিয়াই ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৰে মন উতলা কৰে— সিৰাই সিৰাই কিবা এটা শিহৰণ জাগে। ডেকা-গাভৰুৰ মন আনন্দত থৌকি-বাথৌ লগায়। খোজ কঢ়াতকৈ নাচিবলৈ, কথা কোৱাতকৈ সুৰীয়া সুৰেৰে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ মন উপচি পৰে। অতদিনে মনৰ মাজত চেপি ৰখা অপ্ৰকাশিত ভাৱাবেগে পূৰ্ণ প্ৰকাশৰ সুযোগ পায়। সেয়ে বিহু প্ৰেমিক-প্ৰেমিকাৰ আত্ম প্ৰকাশৰ এক স্বতঃস্ফূৰ্ত্ত প্ৰতিফলন। চ'তৰ লগে লগে বিহু বৰদৈচিলা হৈ প্ৰতিজন অসমীয়াৰ প্ৰাণে প্ৰাণে সিৰাই সিৰাই প্ৰৱেশ কৰে। আহুৰ পথাৰত বন চিকুনাই থকা গাভৰুহঁত, ম'হ গোৱালহঁত পথাৰৰ গৰখীয়া জাকৰ আনকি তাঁতশালৰ শিপিনীৰো মন ৰিম্ জিম্ কৰে। কোনোৱে গুণগুনাই কোনোৱে গীতৰ মাজেৰে প্ৰাণ খুলি মনৰ ভাৱ ব্যক্ত কৰে। হয়তো কোনোৱে বেদনাভৰা অন্তৰৰ কথাষাৰ গীতৰ মাজেৰে প্ৰকাশ কৰে।

*"বিহুৱতী চৰায়ে কৰে বিহু বিহু*
*আমাৰ বিহু কাপোৰ নাই।*
*সমনীয়াই সুধিলে কম কিয়ে বুলি*
*সৰুতে মৰিলে আই।"*

কোনোবা দুৰ্ভগীয়া ব্যৰ্থ প্ৰেমিকে বিৰহ বেদনাত চট্‌ফটাই জীৱনৰ মমতাকো নেওচি মৰ্ম্মবেদনা ব্যক্ত কৰে বিহু গীতেৰেই—

*"কি খায় পাহৰিম তোকে ঐ লাহৰী*
*কি খায় পাহৰিম তোক।*
*মিচিমি আহিব বৰ বিহু আনিব*
*তাকে খাই পাহৰিম তোক।।"*

গধূলি গৰখীয়াজাকে ধূলি উৰুৱাই ঘৰমুৱাকৈ গৰু খেদি আনোতে আহ
পথাৰত থকা মন প্ৰেয়সীয়ে শুনাকৈ গায়—

*"কপৌ কুৰুলিয়াই ৰাতিকে নুপুৱাই*
*ফেঁচাই কুৰুলিয়াই ডালত।*
*তুমি কুৰুলিওৱা ধাননি পথাৰত*
*শুনি যাওঁ বতাহৰ ঢালত।।"*

চ'ত সোমোৱাৰ লগে লগে শিপিনীহঁতৰ তাঁতৰ খিত্-খিতনিত আকা
বতাহ মুখৰিত হয়। মাকো মাৰিবলৈ পাহৰি গভীৰ ভাৱত নিমগ্ন হৈ কোনোবা প্ৰেমিকাই
গুণ্ গুনাই গায়—

*"তোমাৰ কথা ভাবোতে ৰাতি নাহে টোপনি*
*চকুলো দুধাৰি সৰে।*
*বহোঁ তাঁতৰ পাটত চকু আলিবাটত*
*মাকো খহি খহি পৰে।।"*

প্ৰেমিকেও প্ৰেমিকাৰ অস্ফূত মৰম-বেদনাৰ উমান পায় ভাৱত বিভোৰ হৈ
গায়—

*"নৈ কোমতীয়া মধুমতী শিঙিয়া*
*পশ্চিমে বাসুদেউ পথাৰ।*
*তুমি যাবা ঘাটলৈ মই থাকিম বাটত বৈ*
*পাতিম দুখ সুখৰে কথা।"*

ৰঙালী বিহু মানৱ আৰু প্ৰকৃতিৰ স্বতঃস্ফুৰ্ত্ত শিহৰণৰ আৱেগিক প্ৰতিফলন। প্ৰাচীন কালৰে পৰা কৃষ্টি-সংস্কৃতিৰ অন্যতম কেন্দ্ৰ স্থল ঢকুৱাখনাৰ বাবে বিহু এক প্ৰাচীনতম, ঐতিহ্যপূৰ্ণ, প্ৰেম-প্ৰীতি হৰ্ষোল্লাসৰ মনোৰম উৎসৱ। মানৱ জীৱনৰ আনন্দ প্ৰকাশৰ প্ৰথম মাধ্যম নৃত্য বা নাচ তাৰ পাচতে গান বা সুৰীয়া গীত। লোক-সাহিত্যই ইয়াৰ স্বাক্ষৰ। সেয়ে উল্লাসৰ মধুৰ মূৰ্চ্ছনা। বিহু বলীয়া ডেকা গাভৰুহঁতে আৰম্ভ কৰে মন প্ৰাণ মতলীয়া কৰা বিহু নৃত্য-গীত, হুঁচৰি আৰু গাভৰুৰ আছুতীয়া জেং বিহু। গাভৰুহঁতে গছৰ তলত,মুকলি পথাৰত নৈৰ পাৰত মন খুলি বিহু মাৰে-গায়-নাচে। তদুপৰি ডেকা-গাভৰুৰ সন্মিলিত মুকলি বিহু চলে সাত দিনৰ পৰা মাহ জুৰি। প্ৰকৃতিৰ ৰম্যভূমি-ইতিহাসে গৰকা চাৰিকড়ীয়া পাৰৰ বৰ চাপৰিৰ বাকৰিত





সমবেত হয়— মাতমৰা, বকুলগুৰি, ৰতনপুৰ, কছুগাওঁ, ঘাঁহি গাওঁ, হুজ গাওঁ, জীয়ামৰীয়া আদি অঞ্চলটোৰ বিহু মতলীয়া ডেকা-গাভৰু। সুনিপুণ ঢুলীয়া হেম, ভগীৰাম, চুটীৰাম, লীলাই, ভকতৰামহঁতৰ খৰ চাপৰ, দীঘল চাপৰ, খঁৰা চাপৰ আদি মন উতলা ঢোলৰ ছেৱে মাখন, কেতেকী, ঘুনুচা, ফুলেশ্বৰী, গুলচী, ৰহেশ্বৰী আদি নাচনীহঁতৰ অঙ্গী-ভঙ্গী লয়লাস, জাতমাত, নামৰ ধ্বনি, ঢোল-তাল-পেঁপা-গগনা-সুতুলি, টকা, ঢোপ চুঙা আৰু ডেকাহঁতৰ সুৰীয়া সুৰে বৰ চাপৰিৰ বাকৰিয়েই নহয় অসমৰ আকাশ বতাহ ৰজন্ জনাই তোলে। বিহুৰ উৎসাহৰ মাজতে পানীৰাম দুৱৰাৰ জাতিলাউ খোলাৰে সজা পেঁপা আৰু মহেশ্বৰ সুতৰ কাঠেৰে তৈয়াৰী চৰাইৰ নাচোনে বিহুৰ আনন্দ উল্লাসত যেন সোণত সোৱগা চৰায়। তেতিয়াৰ বিহু আছিল বিভিন্ন জাতি উপজাতিৰ ডেকা-গাভৰুৰ মহামিলনৰ এনাজৰী, নিভাঁজ মৰম-চেনেহৰ এসুঁতি ফল্গুধাৰা। স্বতঃস্ফূৰ্ত্ত প্ৰেম-প্ৰীতিৰ বাহক এই বিহু ডেকা-গাভৰু মিলনৰ এক আপুৰুগীয়া মঞ্চ। এই বিহুত নাছিল কোনো ধৰণৰ কলুষতা, স্বাৰ্থপৰতা বা কৃত্ৰিমতা। প্ৰেমৰ আকুল আহ্বান প্ৰত্যাখ্যান কৰিব নোৱাৰি অজাতি ডেকাই প্ৰেয়সীক উদ্দেশ্য কৰি গায়—

*"তোমালৈ চাওঁতে জপনা দেওঁতে*
*ফুটিলে অঘৈয়া হুলে।*
*তোমাৰ মন গলে মোৰো মন গলে*
*কি কৰিব অজাতি কুলে।।"*

ৰঙালী বিহুক এক প্ৰকাৰ যৌৱনৰ উৎসৱ বুলিব পাৰি। বিহুত ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি গাঢ় হয়, অন্তৰত মিলন বাসনাই উথপ্ থপ্ লগায়- মনে থৌকি বাথৌ কৰে। গাভৰুহঁতে খোপাত কপৌফুল গুজি, ওঁঠত বৰহমথুৰি, হাত-ভৰি জেতুকা বোলেৰে বুলাই, গাম খাৰু, মুগাৰ ৰিহা মেখেলা পৰিধান কৰি, মেখেলাৰ খোচনিত তামোল পান কটাৰীৰ হাঁচতি, টকা গগনা, সুতুলি লৈ দিপ্‌লিপ পখিলাজনী হৈ যেতিয়া বিহুত প্ৰৱেশ কৰে নিপুণ ঢুলীয়াহঁতৰ চাপৰত লাহি কঁকাল ভাঙি ভাঙি টাকুৰী ঘূৰাদি ঘূৰে, হালিজালি পখিলা উৰাদি উৰে, সেই সময়ত বিহুৰ মাদকতাত বাস্তৱ জগতৰ কথা পাহৰি পেলায়।

মিচিং, দেউৰী, আহোম, চুতীয়া, কোঁচ, কলিতা, কৈৱৰ্ত্ত আদি নানা জাতি-জনজাতি সমাবেশৰ সেই ঐতিহাসিক বিহু ফাট বিহু ৰূপে গণ্য হয়। বিহুত বিশেষকৈ

মিচিং আৰু কৈৱৰ্ত্ত ডেকা-গাভৰুহঁতে সদায় আগ ভাগ লয়। ফাট বিহু ঢকুৱাখনাৰে নহয়, সমগ্ৰ অসমৰ সংস্কৃতি জগতৰ এক ঐতিহ্যপূৰ্ণ বিহু সংস্কৃতি। ফাট বিহুক অসমৰ বিবাহৰ বাটকটীয়া বুলিবও পাৰি। তাহানি গছ তল, মুকলি পথাৰ, নৈ পাৰৰ বিহু, জেং বিহু সকলো একেকাৰ হৈ বৰ্ত্তমান ম'হঘূলি চাপৰিত ফাট বিহু ৰূপত প্ৰাচীন ঐতিহ্য আৰু গাম্ভীৰ্য বহন কৰি এতিয়াও পালিত হৈ আছে। আশা ভৱিষ্যতলৈকে ব্ৰতী থাকিব।

তেতিয়া গঞাঁই বছৰটোলৈ গৃহস্থৰ মঙ্গলাৰ্থে হুঁচৰী গায়— ঘৰে ঘৰে আৰ্শীবাদ দিয়ে হিয়াভৰি। গৃহস্থয়ো ৰাইজৰ পদধূলিত ধন্য মানি সামৰ্থ অনুসৰি শৰাই-সঁফুৰা, ধূপ-দীপ-নৈবেদ্যৰে ৰাইজক আদৰণি জনায়। অবিহণা যি দৰে দিয়ে তাতে সন্তোষ্ট হোৱাত গৃহস্থয়ো পৰম আনন্দ উপলব্ধি কৰে।

বছৰৰ পাচত বছৰ বাগৰে। এচামৰ পাচত নতুন এচাম প্ৰজন্মৰ আৰ্বিভাৱ হয়। সভ্যতা সংস্কৃতিয়ে নতুন ৰূপ লয়। আগৰ দিনৰ গছতল, মুকলি পথাৰ, নৈ পাৰৰ, গাভৰুহঁতৰ জেং বিহু মঞ্চমুখী হৈ পৰে। কেন্দ্ৰীয় বিহু, স্বাগতম বহাগ, বহাগী বিদায়, বিহু মেলা আদি বিভিন্ন মধ্যমতহে আজিৰ বিহু বিদ্যমান। গছতল, মুকলি পথাৰৰ আদি বিহুটো বাদেই কোনো কোনো গাঁৱত হুঁচৰি গোৱা প্ৰৱণতাও হ্ৰাস পোৱাৰ পথত। ঢোলৰ চাপৰ, নাচনীৰ অঙ্গী-ভঙ্গী, লয়-লাস, গীত-জাত-মাতো অভাৱনীয় ভাৱে পৰিবৰ্ত্তন হোৱা পৰিলক্ষিত হয়। কিছু কিছু গাঁৱৰ হুঁচৰিত সাজ-পাৰৰ ওপৰতো বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। গাঁৱৰ হুঁচৰিয়ে যেন মূল সুঁতিৰ পৰা গতি সলোৱাৰ উপক্ৰম হৈছে। আজি বিহু স্বতঃস্ফুৰ্ত্ত প্ৰকাশতকৈ বাস্তৱ ধৰ্মী হোৱাত প্ৰতিযোগিতাৰ মাপ কাঠিৰে নাচনী, ঢুলীয়া, বিহুৱা, বিহুৱতী আদিৰ মান নিৰ্ণয় কৰা হয়। ই এক শুভলক্ষণ যদিও ইয়াত যেন কিবা এটা নাই নাই, উকা উকা, শুদা শুদা অনুভৱ হয়।

বিহু প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠু, বাপতি সাহোন। ৰঙালী বিহুৰ প্ৰাচীন ঐতিহ্য আৰু ঐতিহাসিক মৰ্যাদা ব্ৰতাই ৰখাটো প্ৰতিজন অসমীয়াৰে প্ৰধান কৰ্ত্তব্য আৰু দায়িত্ব। সেয়ে বিহুত যাতে বিকৃত ৰূপ এটাই খোপনি পুতিব নোৱাৰে তাৰ বাবে আমি সকলোৰেই সজাগ হোৱা উচিত।❑



# অসমৰ জনপ্ৰিয় লোকবাদ্য ঃ 'পেঁপা'

ৰুণু দত্ত দাস

*"ম'হৰ শিঙৰ পেঁপাটি নৰজাৱি ৰুকাইটি*
*মনে মোৰ উৰুঙা কৰে,*
*পেঁপাৰ মাত শুনি ৰ'ব মই নোৱাৰো*
*হাতৰ বন সৰকি পৰে।"*

প্ৰত্যেক জাতিৰে একোটা নিজস্ব লোক-সংস্কৃতি থাকে। এই লোক-সংস্কৃতিৰ মাজত সোমাই থাকে লোক-সংগীত আৰু এই লোক-সংগীতসমূহৰ মাজত থাকে কিছুমান লোক-বাদ্য। অসমৰ এই লোক-বাদ্যসমূহৰ ভিতৰত পেঁপা হ'ল অন্যতম। পেঁপা হ'ল অসমৰ লোক জীৱনৰ লগত নিবিড় সম্পৰ্ক থকা অতি জনপ্ৰিয় লোক-বাদ্য। সেয়েহে পেঁপাক বাদ দি ব'হাগ বিহুৰ কথা ভাবিবই নোৱাৰি।

পেঁপা এবিধ সুষিৰ বাদ্য। অৰ্থাৎ ফুঁ দি বজোৱা বাদ্যৰ ভিতৰত পেঁপা অতি মধুৰ। মুখেৰে উশাহ টানি ইয়াৰ মাজেদি পাৰ হৈ অহা কম্পনে সুমধুৰ সুৰৰ সৃষ্টি কৰে। পেঁপা এবিধ প্ৰাচীন বাদ্য। ভাগৱতত অন্যান্য বাদ্যৰ লগত ম'হৰ শিঙৰ পেঁপাৰ কথাও পোৱা যায়। ৰামায়ণৰ "কিষ্কিন্ধ্যা কাণ্ড"ত ম'হৰ শিঙৰ পেঁপাৰ কথা উল্লেখ আছে। নটৰাজ মহাদেৱৰ লগতো ম'হৰ শিঙা দেখিবলৈ পোৱা যায়। ইয়াৰ পৰা বুজিব পাৰি যে নৃত্যৰূপী নটৰাজ মহাদেৱেও এই বাদ্য বজাই আনক আনন্দিত কৰিছিল। এই তথ্যৰ পৰা পেঁপা কিমান পুৰণি বাদ্য তাক ধাৰণা কৰিব পাৰি।

পেঁপা শব্দটো "চীন-তীব্বতীয়" শব্দ। তীৰ্ব্বত ৰ অঞ্চলত এতিয়াও ম'হৰ শিঙৰ দৰে পিতলেৰে বনোৱা দীঘল দীঘল পেঁপা ব্যৱহাৰ কৰে। সামাজিক আৰু ধাৰ্মিক উৎসৱত এনে পেঁপা বহুলভাৱে ব্যৱহাৰ কৰা হয়। এটা কথা নিশ্চিত যে এই পেঁপা জাতীয় বাদ্য সমূহৰ ভিতৰত সবাতোকৈ পুৰণি বাদ্যবিধ হ'ল জন্তুৰ শিঙৰ পৰা বনোৱা- 'পেঁপা'। চুমোৰিয়ান সকলে "চি-ইম" নামৰ এবিধ পেঁপা জাতীয় বাদ্য ব্যৱহাৰ কৰা দেখা যায়। চি মানে শিঙ, ইম মানে বতাহ , অৰ্থাৎ আমাৰ পেঁপাৰ অৰ্থৰ সৈতে একে। ভাৰতীয় আৰ্যসকলেও শিঙা জাতীয় বাদ্য বজাবলৈ "শৃংগ" শব্দ টোকেই ব্যৱহাৰ কৰিছিল। দক্ষিণ ভাৰতৰ দ্ৰাবিড় সকলেও এনে বাদ্যক "কম্ব" বুলি ব্যৱহাৰ কৰিছিল। এই দুয়োটা শব্দৰে (শৃংগ আৰু কম্ব) অৰ্থ হ'ল জন্তুৰ শিঙ।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কালৰেপৰা ব্যৱহৃত এই বাদ্যবিধ জন্তুৰ শিঙেৰে তৈয়াৰী। অসমত ব্যৱহৃত এই শিঙা ম'হৰ শিঙৰ পৰা তৈয়াৰী। সেয়েহে ইয়াক সহজতে ম'হৰ শিঙৰ পেঁপা বুলি কোৱা হয়। কিন্তু ম'হৰ শিঙৰ পৰা পেঁপাটি প্ৰস্তুত কৰি উলিওৱাটো সহজসাধ্য নহয়। মৃত ম'হৰ শিঙ প্ৰথমতে পেঁপাৰ জোখত কাটি অনা হয়। তাৰ পিছত গৰম পানীত সিজাই কুমলিবলৈ দিয়া হয় আৰু ভঁৰালৰ ধানৰ জাপত সাঁচ লগাই শুকাবলৈ দিয়া হয়। তাৰ পিছত সৌন্দৰ্য্যৰ বাবে নানা কাৰুকাৰ্য্যৰে গঠন কৰা হয়। এই খিনিতে উল্লেখ কৰিব পাৰি যে সকলো ম'হৰে বাওঁফালৰ শিংটোৰ তুলনাত সোঁফালৰ শিংটোৰ সুৰ অতি মধুৰ হয়। সেয়েহে অসমৰ স্বৰ্গদেউসকলে ৰাজ্যৰ শুভ মুহূৰ্ত্তত "ৰং শিঙা" আৰু অশুভ মুহূৰ্ত্তত "খং শিঙ" বজাই প্ৰজা সকলক আগজাননী দিছিল। গতিকে অসমৰ সমাজতো সোঁ-ফালৰ শিঙটোক "ৰং শিঙা" আৰু বাওঁফালৰ শিঙটোক "খং শিঙা" বুলি অভিহিত কৰা হয়। ইয়াৰ উপৰিও পেঁপা সাধাৰণতে চাৰিটা ভাগত ভাগ কৰা হয়। (ক) মূল শিং বা থূলা (খ) নলিচা (গ) ৰিফ্ বা থুৰি আৰু (ঘ) চুপহি।

ম'হৰ শিঙৰ পেঁপা বিহু উৎসৱৰ এৰাব নোৱাৰা এক অংগ। বিহু গীতত পেঁপাৰ এক নিজস্ব স্থান আৰু মৰ্যাদা আছে। অসমৰ জনগোষ্ঠীসকলৰ মাজত পেঁপাক বিভিন্ন নামেৰে জনা যায়। মিচিংসকলৰ মাজত "পেম্পা", ৰাভাসকলে "ছিংগ্ৰা", ডিমাছাসকলে "সুৰি" আৰু চাহ জনগোষ্ঠীসকলে "পেঁপাটি" বুলি কয়। পেঁপা মুখত লৈ যেতিয়াই বজাবলৈ আৰম্ভ কৰে সকলোৰে মন আনন্দৰে ভৰি পৰে। পেঁপাক কেন্দ্ৰ কৰি বহুতো বিহুগীত ৰচনা হৈছে—

*"তোমালৈ বুলি পেঁপাটি আনিছো*
*বজাম মই আঁহতৰ তলত,*
*পেঁপাৰ সুৰে সুৰে ঢপলিয়াই আহিবা*
*দুয়ো নাচিম আঁহতৰ তলত।"*

মনত খং-অভিমান থাকিলেও পেঁপাটি বজাই দিলে বিহুৱতী বিহুলৈ যাবলৈ বাধ্য হয়। এনেধৰণৰ বহুতো গীত গোৱা হয়—

*"এই বেলি আহুধান পানীয়ে মাৰিলে*
*অহা বেলি আহুধান পাম,*





*ম'হৰ শিঙৰ পেঁপাটি [illegible]*
*তোমাৰ শপত বিহুলৈ যাম।"*

মুখৰ ওপৰত বিহুগীতৰ বাবে পেঁপা এক উত্তম বাদ্য। পেঁপা আৰু বিহুগীতৰ এক এৰাব নোৱাৰা নিবিড় সম্পৰ্ক আছে। এই পেঁপাৰ সুৰ বিভিন্ন সময়ত বিভিন্ন হোৱা দেখা যায়। ম'হৰ পিঠিত উঠি যেতিয়া [illegible] পেঁপা বজায় তেতিয়া সেই সুৰে দূৰৰ [illegible] মন উত্তোলন কৰে। পেঁপাৰ সুৰৰ লগতে পেঁপা বজোৱাজনেও অতি আকৰ্ষণীয় [illegible] কৰি তোলে। নাচনীয়েও পেঁপা বাদকক কেন্দ্ৰ কৰি বিভিন্ন [illegible] আৰু আকৰ্ষণীয় কৰি তোলে। কোনো কোনোৱে [illegible] একেলগে বজায়। ইয়াক "দুৰীয়া পেঁপা" [illegible]। কোনো কোনোৱে [illegible] উঠি সাপ বগোৱাৰ [illegible] প্ৰেৰিত কৰে। ফাগুনৰ [illegible] পেঁপাটি [illegible] □

বজালেই [illegible]

*"পেঁপাটি পেঁপাটি [illegible] পেঁপাটি*
*[illegible]*
*[illegible]*
*[illegible]।"*

# বসন্ত উৎসৱৰ ঐতিহ্য ঃ এটি অৱলোকন

ত্ৰৈলোক্য গগৈ

বিহু অসমীয়া সমাজৰ জাতীয় উৎসৱ। অসমীয়া সমাজৰ বাৰেবৰণীয়া জাতি-জনগোষ্ঠীয়ে বিহুক হিয়াৰ আমঠু বুলি গণ্য কৰে। মিচিং, দেউৰী, সোণোৱাল কছাৰী, বড়ো, ৰাভা, টিৱা, লালুং, আহোম, চুতীয়া আদি সকলো জনগোষ্ঠীয়ে বিহুক এক সমন্বয়ৰ সাংস্কৃতিক উৎসৱ হিচাপে পালন কৰি আহিছে। অসমীয়াৰ বাপটি সাহোন বিহুটি জাতীয় জীৱনৰ এক মাত্ৰ সমন্বয়ৰ উৎসৱ য'ত প্ৰতিফলিত হয় অসমীয়া সমাজৰ জীৱনাদৰ্শ।

বহাগ বিহু হ'ল ৰঙালী উৎসৱ। ইয়াক ৰঙালী নামেৰে নামকৰণ কৰাৰ অৰ্থ হ'ল যে এই ঋতুত ৰং-ৰহইচ প্ৰকাশ হয়। এই উৎসৱটি ধৰিত্ৰীৰ উৰ্বৰতা বৃদ্ধিৰ উৎসৱ। ইয়াৰ লগত সংপৃক্ত হৈছে কৃষিজীৱী মানুহৰ কৃষি সম্বন্ধীয় লোকবিশ্বাস। বসন্ত ঋতুত গছ-লতা, বন-বিৰিষ, ফলে-ফুলে জাতিষ্কাৰ হয়। ধৰিত্ৰী যৌৱনা হয়, ধৰিত্ৰীৰ বুকুত প্ৰকৃতি সেউজীয়া হয়। এই ঋতুৱে ধৰিত্ৰীক উৰ্বৰা কৰি তুলে। শস্য শ্যামলা হ'বলৈ বা শস্য উৎপাদন অধিক বৃদ্ধি হ'বলৈ কৃষি ভিত্তিক দেশ ভাৰতবৰ্ষৰ চুকে-কোণে মানুহে দেৱতাক আহবান জনায় শস্য বৃদ্ধি কৰিবলৈ।

বিহুৰ পৰম্পৰা ইতিহাসে চুকি নোপোৱা দিনৰ পৰা প্ৰৱাহমান। বহুটো পণ্ডিত, গৱেষক আৰু নৃতাত্বিকে বিহু শব্দৰ উৎপত্তি সংস্কৃত 'বিষুৱন' শব্দৰ পৰা আহিছে বুলি মত প্ৰকাশ কৰে। পুৰণি শাস্ত্ৰ অৰ্থববেদত উল্লেখ আছে যে পূজা-পাতল কৰা এটা দিনৰ নাম বিষুৱন। এই পূজা-পাতলৰ যোগেদি সূৰ্য্যৰ গতি নিয়ন্ত্ৰণ কৰি শস্যৰ গুটি গজাত সহায় কৰে। বিশেষতঃ কৃষি কাৰ্য্যৰ সু-ব্যৱস্থা কৰিবৰ কাৰণেই এই পূজাৰ আয়োজন কৰা হয়। বিষ্ণু পুৰাণত উল্লেখ আছে যে শৰৎ আৰু বসন্ত ঋতুৰ মধ্যত সূৰ্য্য তুলা অথবা মেষ ৰাশিলৈ গ'লে বিষুব হয়। বিষুব সংক্ৰান্তিৰ সময়ত পালন কৰা এনে মংগলদায়ক অনুষ্ঠান কেৱল অসমতেই নহয়, ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে এই অনুষ্ঠানৰ সোঁৱৰণ হোৱা পৰিলক্ষিত হয়।

১৮২৯ চনত হলিৰাম ঢেকিয়াল ফুকনে বিহুৰ গীত আৰু নৃত্যক অশোভনীয় বুলি মত পোষণ কৰিছিল যদিও অন্যান্য বহুটো লিখক-গৱেষক বিশেষকৈ বলিনাৰায়ণ





বৰাই বিহুগীত, [illegible]

[illegible] উপন্যাসত

অৱাহত ৰাখিছে। [illegible]

[illegible]

এজেনে গোৱা গীত ৰোৱক বিহুগীত বুলি উল্লেখ কৰিছে। [illegible] আৰু বনঘোৰা উভয়কে সামৰে।

বিহু নামসমূহ চীন দেশৰ পৰা আহিছে বুলি ড° প্ৰফুল্ল দত্ত গোস্বামীদেৱে মত পোষণ কৰিছে। চীন দেশত নৱবৰ্ষৰ দিনা [illegible] নাচ-গান কৰিছিল। আজো সেই একেই উদ্দেশ্য — কৃষিৰ উন্নতি আৰু অধিক সন্তানৰ জন্ম দিয়া। সেই দৰে ৰং অসমৰ জন সাধাৰণে বিহুত নৃত্য-গীত পৰিবেশন কৰি আনন্দ উল্লাসৰ মাজেৰে জীৱনী শক্তি কঢ়িয়াই আনিছিল। অসমীয়া মানুহে উৎসাহ, আখল, পথাৰ আৰু দেহ মন পৰিপূৰ্ণ কৰাৰ মানসেৰে জাতীয় উৎসৱ বিহুত আত্মহাৰা হৈ পৰিছিল আৰু গীত-নৃত্যৰ মাজেৰে নিজকে উৎসৰ্গিত কৰিছিল।

অসমৰ কৌতিকলীয়া ঐতিহ্য, সাংস্কৃতিক জীৱনৰ প্ৰতিফলন, জাতীয় জীৱনৰ প্ৰাণস্পন্দন, সংহতিৰ এনাজৰী ৰঙালী বিহুটিক সংৰক্ষণ কৰাটো আমাৰ সকলোৰে পৰম পবিত্ৰ কৰ্তব্য। ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(ক) অসমৰ সংস্কৃতি ঃ [illegible]।

(খ) ৰঙালী বিহুৰ নৃত্য-গীত ঃ [illegible]।

(গ) বিহুৰ ঐতিহ্য আৰু বিহু নামৰ [illegible]।

# মাঘী পূৰ্ণিমাৰ উত্তৰ পৰীয়া বাৰেচহৰীয়া সবাহ

পুষ্পা গগৈ

পৰম্পৰাগতভাৱে প্ৰচলিত লৌকিক অনুষ্ঠানসমূহে সংস্কৃতিক জীপাল কৰি ৰাখে। উৎসৱ- পাৰ্বনসমূহে ভৌগোলিক পৰিসীমা ভেদি বিভিন্ন জাতি-গোষ্ঠীৰ বৈষম্য পৰিহাৰ কৰি লোক সংস্কৃতিৰ অপূৰ্ব মিলনৰ সেঁতুবন্ধন তৈয়াৰ কৰে। সংস্কৃতি সমন্বয়ৰ এনে এনাজৰীয়ে জনসমাজৰ মাজত প্ৰেম-প্ৰীতি, আধ্যাত্মিক জ্ঞান আৰু দেশাত্মবোধৰ উত্তৰণ ঘটাই জন জাগৰণ সৃষ্টিত অৰিহণা যোগায়। অন্য এক কথাত, বিভিন্ন সময়ত অনুষ্ঠিত হোৱা উৎসৱ সমূহে ঠাই বিশেষৰ আদৰ্শজনক পৰিচয় দাঙি ধৰাতো সহায় কৰে।

বৰলুইত আৰু সোৱণশিৰীৰ মাজৰ উত্তৰপৰীয়া অঞ্চলত বৃটিছৰ দিনতে তেনে এক উল্লেখযোগ্য উৎসৱ প্ৰচলিত আছিল। ঢকুৱাখনা কেন্দ্ৰিক উত্তৰ পাৰৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা উল্লেখনীয় এই অনুষ্ঠানটি আছিল 'বাৰে চহৰীয়া সবাহ'। বাৰ্ষিক উৎসৱ হিচাপে পালন কৰা এই উৎসৱ নানা ৰং-ৰহইচেৰে পালন কৰা হৈছিল। মৌজা ভিত্তিত এই বাৰ্ষিক উৎসৱটিৰ ঠাই সলনি কৰি আয়োজন কৰিছিল। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা এই উৎসৱটি ঢকুৱাখনা, ঘিলামৰা, মাছখোৱা, বৰদলনি আদি ঠাইত সলনা- সলনিকৈ অনুষ্ঠিত হৈছিল। মাঘী পূৰ্ণিমাক কেন্দ্ৰ কৰি বাৰে চহৰীয়া সবাহৰ দিন স্থিৰ কৰা হৈছিল। এই উৎসৱটি উত্তৰপৰীয়া সমাজৰ মাজত অনুষ্ঠিত হৈছিল যদিও ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ ফালৰ পৰাও বিদ্বৎ লোক সকলে অংশ গ্ৰহণ কৰাৰ কথা জানিব পৰা যায়।

বৃটিছৰ দিনৰ ঢকুৱাখনা বুলি কলে ৰাস্তা-ঘাটৰ অবৰ্ণনীয় এক দৃশ্য চকুৰ আগত ভাঁহি উঠে। মানুহৰ দৈনন্দিন জীৱনৰ লাগতিয়াল সাধাৰণ বস্তু এটাও লক্ষীমপুৰ বা দূৰ-দূৰণিৰ পৰা আনিবলগীয়াত পৰিছিল। গাড়ী-মটৰৰ অভাৱত মানুহে যাতায়তৰ ক্ষেত্ৰত অশেষ কষ্ট স্বীকাৰ কৰিছিল। তেনে এক অকল্পনীয় সময়তো ঢকুৱাখনাক কেন্দ্ৰ কৰি 'বাৰে চহৰীয়া সবাহ'ৰ আয়োজন কৰাটো সচাঁকৈয়ে আমাৰ বাবে গৌৰৱৰ কথা। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা এই উৎসৱত নাম-কীৰ্তন, ভাওনা সবাহ, প্ৰীতি ভোজ আদিৰ আয়োজন চলিছিল। দুই এগৰাকী প্ৰত্যক্ষ দৰ্শীক লগ ধৰোতে আবেগ বিহবলভাৱেৰে অভিজ্ঞতাৰ বৰ্ণনা কৰাৰ দেখা গ'ল। নাম কীৰ্ত্তনৰ অমিয়া সুৰত

## অবিভক্ত গোৱালপাৰা জিলাৰ অভয়াপূৰীত বিহু উদ্‌যাপনৰ প্ৰস্তুতি আৰু বৰ্তমান

*প্ৰবীৰ কুমাৰ চক্ৰবৰ্তী*

চাৰিশবছৰৰো উৰ্দ্ধৰ বিজনী ৰাজ ইষ্টেটৰ শাসনৰ ওৰ পৰে ১৯৫৬ চনত। অবিভক্ত গোৱালপাৰা জিলাৰ ৰাজধানী চহৰ অভয়াপূৰীত অসমীয়া ভাষা সাহিত্যৰ চৰ্চা ক্লাব, সংঘ আদিত সীমিত গণ্ডীত চলি থকাত বিহু উদযাপনৰ প্ৰস্তুতি সম্পৰ্কত কোনো চিন্তাচৰ্চা হোৱা নাছিল।

ৰজাদিনীয়া অভয়াপুৰীত নৱবৰ্ষৰ আদৰণি জনোৱাৰ উদ্দেশ্য বিপনী সমূহত শুভ হালখাতা; ঘৰে ঘৰে নাম-কীৰ্ত্তন, জলসা আৰু ৰাজহাউলী তথা মুকলি স্থানত নাট্যভিনয়ৰ বৃহৎ আযোজন কৰা হৈছিল।

ঢোল, খোল, মৃদংগ, তাল, বাঁহী, পেঁপাৰে মুখৰিত কৰি নৱবৰ্ষক আদৰাৰ উৎসৱে সৰ্বসাধাৰণৰ মন প্ৰাণ পুলকিত কৰি তুলিছিল।

মনকৰিবলগীয়া যে ইতিপূৰ্বে বিজনীৰ বিভিন্ন অঞ্চলত বসবাস কৰা জাতি-উপজাতি সমূহে অসমীয়াৰ শ্ৰেষ্ঠ সংস্কৃতি বিহু সম্পৰ্কে কোনো ভু-ভা পোৱা নাছিল। কোচ-ৰাজবংশী, কৈৱৰ্ত্ত, ব্ৰাহ্মন, কায়স্থ, কলিতা, যোগী, হীৰা, নমঃশূদ, ক্ষত্ৰিয়, স্থানীয় ইছলামপন্থীলোকৰ এই বিষয়ে কোনো ধাৰনাই নাছিল।

সেয়ে, অভয়াপুৰী তথা পাৰ্শ্ববতী অঞ্চলত বসবাস কৰা লোকসকলে দোমাহীৰ দিনা গৰুক নতুন পঘা পিন্ধোৱা, নৈৰ পাৰত, জানজুৰিৰ পাৰত গৰুক গাধোওৱা পৰ্ব সমাপন কৰাই 'দোমাহী'ৰ তাৎপৰ্য আছিল। আৰু নতুন কাপোৰেৰে জেষ্ঠ কনিষ্ঠক সন্মান আৰু চেনেহৰ পথ প্ৰশস্ত হৈ পৰিছিল।

আনহাতে ৰাজদিনীয়া শাসনকালত সহানুভূতিশীল দৃষ্টিভংগীৰে ৰাজশাসন লাভ কৰা সাধাৰন প্ৰজাই পূজাপাতল আৰু মঠমন্দিৰ অথবা পাহাৰ পূজাত ব্যস্ত হৈ পৰিছিল নৱবৰ্ষৰ দিনা। মেলামূখী এই পাহাৰ পূজাত মূলত শিৱমূৰ্ত্তিকে ধ্যান কৰা হৈছিল।

১৯৫৬ চনত ৰাজত্বকালৰ অন্ত পৰাত চৰকাৰী ভাৱে জাৰিকৰা নিৰ্দ্দেশৰ ভিত্তিত জমিদাৰী শাসনৰো ওৰ পৰে। ৰাজ্যচৰকাৰে ১৯৫৮ চনত বিজনী ৰাজ ইষ্টেটৰ সীমা, আভ্যন্তৰিণ দিশ আদিৰ বুজ লয়।

উক্ত চনৰ পৰা অভয়াপূৰী চহৰত অৱস্থিত গড়কাপ্তানি বিভাগৰ (পথ আৰু গৃহ) বিষয়া প্ৰয়াত হেম বৰা দেৱৰ নেতৃত্বত আনুষ্ঠানিকভাৱে অভয়াপুৰী





গান্ধী ময়দানত বঙালী বিহু আদৰাৰ ব্যৱস্থা হাতত লোৱা হয় কেৱাগৰাকী স্থানীয় উদীয়মান যুৱকৰ সহায়ত।

এদিনীয়া কাৰ্যসূচীৰে শুভাৰম্ভ হোৱাৰ অন্তত কেইটামান বছৰৰ ব্যৱধানত অভয়াপুৰী আৰু ইয়াৰ আশে-পাশে গ্ৰামাঞ্চলতো ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল।

সাংস্কৃতিক দ'ল বিশেষকৈ অপেছাদাৰী নাট্যদলৰ উদ্ভাৱনৰ লগে লগে ৰঙালী বিহুৰ ব্যাপকতা বৃদ্ধি হৈ আহিলত অভাৱনীয় ৰূপেৰে মুকলি বিহু, মঞ্চবিহুৰ আগমন ঘটিল।

সত্তৰ দশকৰ অগাপিছাকৈ কিছু উত্তৰণ ঘটাত সামগ্ৰিক ভাৱে তাৰো স্পষ্ট চিন প্ৰকট হৈ উঠা দেখা গ'ল।

১৯৮৩ চনত অভয়াপুৰী ৰঙালী বিহু সন্মিলনীয় ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰাত বৃহৎ অসমীয়া জাতিৰ ৰূপৰেখা অংকিত হোৱা বুলি কব পাৰি। উক্ত বৰ্ষৰ পৰাই ক্ৰমান্বয়ে অভয়াপুৰীৰ বুকুত সাংস্কৃতিক মঞ্চ এখন ব্যাপক ৰূপত সৃষ্টি হৈ বিহুৰ স্বাৰ্থ প্ৰতিপন্ন কৰাত সহায়ক হৈ উঠিল।

পৰম্পৰাগতভাৱে অসমৰ সাংস্কৃতিক জগতৰ প্ৰাণকেন্দ্ৰ গুৱাহাটীৰ পৰা বাচকবনীয়া শিল্পীক আমন্ত্ৰণ কৰি আনি পূৰ্বৰ গতিধাৰাৰ কিছু সলনি কৰিব বিচৰা হ'ল।

তিনিদিনীয়াৰ পৰা পাঁদিনীয়া কাৰ্যসূচীলৈকে অনুষ্ঠিত কৰা বিহুৰ বিভিন্ন দিশ পৰিস্ফূট কৰাৰ যত্ন কৰা হৈছিল।

বিহুতলীত খেলা-ধূলা, ঘোঁৰা দৌৰ, মাৰাথান দৌৰ, সাঁতোৰ আদি অনুষ্ঠিত কৰাৰ উপৰিও কুইজ, চিত্ৰাংকন, ভেশচ্যন, বাতৰি পৰিবেশন, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিহু উদ্‌যাপনৰ গভীৰতা আৰু বাংময় ৰূপ পৰিগৃহীত হৈ পৰিল।

তদুপৰি, বিহু হুঁচৰি, বিহু নৃত্য পৰিৱেশন কৰি বিহু নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হয়।

নব্বৈ দশকৰ পৰা মঞ্চনিৰ্মাণ আটকধুনীয়া কৰি তোলাৰ ক্ষেত্ৰত কৰ্মকৰ্ত্তা আৰু উদ্যোগীসৱে যথেষ্ট চেষ্টা কৰি সাংস্কৃতিক দিশ পৰিস্ফূটনৰ যো-জা কৰি তোলে। মঞ্চসজ্জাৰ অভিনৱ দিশে স্পৰ্শ কৰি থাকিব শ্ৰুতাক, দৰ্শকক।

পৰ্য্যায়ক্ৰমে অবিভক্ত গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বিভিন্ন বিহুতলীত প্ৰদৰ্শিত অনুষ্ঠানবোৰ অতীতৰ সুস্পষ্ট ৰেঙণি প্ৰকট কৰাত গাম্ভীৰ্যপূৰ্ণ এক দিশৰ উন্মোচন ঘটা বুলি কব পাৰি।

এইদৰে বিভিন্ন দিশেৰে পৰিস্ফুট হৈ আহি ২০০৭ বৰ্ষত গৌৰৱময় সোণালী জয়ন্তী বৰ্ষপূৰ্তি উদ্‌যাপন কৰাত পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাৰ বাৰেবৰণীয়া সাংস্কৃতিক ক্ষেত্ৰখন জীপাল হৈ পৰিল।

বৰঅসম গঢ়াত এইখন জিলাৰো অৱদান কোনোক্ষেত্ৰতে কম নহয় বুলি ভাবিব পাৰি।

আনহাতে, অভয়াপুৰীৰ আশে পাশে বসবাস কৰা ৰাভা, হাজং, চাওতাল, গাৰো, কোচৰাজবংশী, জনগোষ্ঠীয়ে সাংস্কৃতিক দিশ ৰূপায়ন কৰি তেওঁলোকৰ নিজা ঐতিহ্য প্ৰদৰ্শন কৰি আহিছে।

উল্লেখ্য যে সময়সাপেক্ষে পৰ্য্যায়ক্ৰম দৃষ্টিভংগীত ৰঙালীবিহুৰ অৱদান অভয়াপুৰীতো স্পষ্ট হৈ পৰাত অস্থায়ীভিত্তিত হলেও সামাজিক সাংস্কৃতিক অৰ্থত কিছু প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে।

পূৰ্বৰ সকলো দিশৰ ওপৰত ভিত্তি কৰি দোহাৰিব পাৰি যে বিহু সাংস্কৃতিয়ে আজিৰ অভয়াপুৰীত প্ৰকৃত অৰ্থ ৰূপায়ন কৰিবলৈ অগ্ৰসৰ হৈছেহি।❑



# ফাটবিহুৰ বতৰত

হেমন্ত কুমাৰ গগৈ

শীতৰ শেঁতেলীৰ পৰা প্ৰকৃতিয়ে সাৰ পাই উঠাৰ পিছতেই ধৰালৈ ঋতুৰাজ বসন্তৰ আগমন ঘটে। বসন্তৰ আগমন ঘটাৰ লগে-লগেই বিৰিখৰ ডালত ন-কুঁহিপাত মেলে সেই কুঁহিপাতৰ থোঁৰে থোঁৰে বিৰিখৰ ডালে-ডালে বহি কুলি-কেতেকীয়ে বহাগ অহাৰ বতৰা দিয়ে। বহাগ অহাৰ বতৰা পোৱাৰ লগে লগেই আমাৰ অসমীয়াৰ দেহা-মন ৰইজাই কৰে, সাতখন-আঠখন কৰে। কিয়নো বহাগ মানেই বিহুৰ বতৰ। ৰঙালী বিহু অহা বতৰা পোৱাৰ লগে লগেই আমাৰ উজনি অসমৰ চাৰিকড়ীয়া পাৰৰ চকুৱাখনাবাসীসকলৰো দেহা-মন ৰই-জাই কৰে, সাতখন-আঠখন কৰে। কিয়নো ৰঙালী বিহু অহা মানেই যে চকুৱাখনাবাসীৰ চিৰচেনেহী বাপতি-সাহোন "ফাটবিহু" অহি পোৱাৰ বতৰ। বিহু অসমীয়াৰ জাতীয় উৎসৱ, হিয়াৰ আমঠু, প্ৰাণৰ স্পন্দন। বিহু যিহেতু মূলতঃ কৃষিজীৱি সহজ অসমীয়া লোকসকলৰ পৰশতেই বৰ-আঁহতৰ তলত, পথাৰৰ মাজত স্বতঃস্ফুৰ্তভাৱে অংকুৰিত হোৱা উৎসৱ। অৱশ্যে প্ৰথমাৱস্থাত বিহুক জাতীয় উৎসৱ হিচাবে পালন কৰা হোৱা নাছিল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহইহে বৰ-আঁহতৰ তলৰ পৰা, পথাৰৰ মাজৰ পৰা ৰংঘৰৰ বাকৰিলৈ আনি জাতীয় উৎসৱ হিচাবে ৰাজকীয় সন্মান দি স্বীকৃতি প্ৰদান কৰে।

বিহু যিদৰে অসমীয়াৰ জাতীয় সংস্কৃতি, হিয়াৰ আমঠু, প্ৰাণৰ স্পন্দন, ঠিক সেইদৰে 'ফাটবিহু' চকুৱাখনা বাসীৰ নিজস্ব সংস্কৃতি, হিয়াৰ আমঠু, প্ৰাণৰ স্পন্দন। ফাটবিহু বুলি ক'লেই চিৰিংকৈ চকুৱাখনা, ইয়াৰ মাজেৰে বৈ যোৱা প্ৰবাহমান চাৰিকড়ীয়া নৈ, পাৰৰ চিঁহু গছেৰে ভৰা দিনদীয়া মনোমোহা বালিময় ম'হখুলি চাপৰিৰ কথা মনলৈ আহে। মনলৈ আহে চাৰিকড়ীয়াৰ বাকৰিৰ ম'হখুলি চাপৰিৰ চিঁহু গছৰ তলে তলে চকুৱাখনাবাসী আহোম, চুটীয়া, কোঁচ, কলিতা, মিচিং, দেউৰী, সোনোৱাল-কছাৰী, সুত, কৈৱৰ্ত আদি বিভিন্ন জনগোষ্ঠীয়া ডেকা-গাভৰু, বোৱাৰী, চেমনীয়াৰ দেহা-মন উতলা কৰা বিহুনাম, হুঁচৰি, গুমৰাগ, বিহু আৰু ঢোল-তাল, পেঁপা-গগনা, বাঁহী-টকাৰ মাতে বজন-জনোৱা এখন ছবি। বিগত বছৰৰে আজি সাংস্কৃতিক দিশত চকুৱাখনাবাসীক সমগ্ৰ অসমতে এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে।

ইতিহাসে পৰবা এই বাৰেবৰণীয়া ফাটবিহু জন্মৰ কোনো নিৰ্দিষ্ট দিন তাৰিখ নাই যদিও; আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত সোণৰ পৰিকা মানত চকুৱাখনাবাসী।

কৃষিজীৱি লোকসকলৰ পৰশতেই ৰংপুৰৰ সাতবিহুৰ দৰে ফাটবিহুৰ বীজ অংকুৰিত হৈছিল বুলি ক'ব পাৰি। সেই তেতিয়াৰ পৰাই এতিয়ালৈকে সণ্টালনিকৈ পৰম্পৰাগতভাৱে প্ৰতি বসন্ততে সমগ্ৰ অসমলৈ চিৰচেনেহী বাপতি সাহোন ৰঙালী বিহু অহাৰ ঠিক পিছতেই ঢকুৱাখনাৰ চাৰিকড়ীয়াৰ বাকৰিৰ ম'হঘুলি চাপৰিলৈ ফাটবিহু আহে। যিজনে এই ফাটবিহুৰ আনন্দ উপভোগ কৰিছে, সোমৰস পাণ কৰিছে, তেওঁ কেতিয়াও ইয়াৰ আনন্দ আৰু ৰস পাহৰিব নোৱাৰে।

ফাটবিহু ৰঙালী বিহুৰে অন্য এটা আঞ্চলিক ৰূপ যদিও ঢকুৱাখনাবাসীৰ এটা নিজস্ব উৎসৱ, সম্প্ৰীতিৰ আৰু মহামিলনৰ উৎসৱ। অসমৰ বিভিন্ন প্ৰান্তে কোনো বিহুকেন্দ্ৰীক উৎসৱৰ লগত ইয়াক তুলনা কৰিব নোৱাৰি। মাছখোৱাৰ 'ৰাতিবিহু', শিৱসাগৰৰ 'মেলমৰা বিহু', চতিয়াৰ 'আঁহতগুৰি বিহু', ডুবিৰ 'দেৱদাসী নৃত', নলবাৰীৰ 'মূৰ্ত্তিৰাস' বৰপেটাৰ 'নাওঁখেল' আৰু জামুগুৰি হাটৰ 'বাৰেচহৰীয়া ভাওনা'ৰ দৰে ঢকুৱাখনাৰ ফাটবিহুৰো নিজস্ব বৈশিষ্ট্য আৰু ঐতিহ্য আছে। চাওঁতে চাওঁতে নিজৰ স্বকীয় বৈশিষ্ট্য আৰু ঐতিহ্যৰে মহিমামণ্ডিত এই ফাটবিহু আকৌ আহি পালেহি।

ফাটবিহু অহাৰ বতৰা পাই হিল-দল ভাঙি বিহুৱলীয়া ঢকুৱাখনা বাসী ৰাইজ ম'হঘুলি চাপৰিলৈ ঢপলিয়াই ঢপলিয়াই আহিছে। ম'হঘুলি চাপৰিত ঢকুৱাখনাবাসী ডেকা-গাভৰুৰ হাতৰ পৰশত ঢোল-তাল, পেঁপা-গগনা, বাঁহী-টকাৰ মাতে ৰজনজনাইছে, কণ্ঠত মৌ সৰিছে, ভৰিৰ গিৰিপনিত পৃথিৱী কঁপিছে, চাৰিকড়ীয়াৰ ন-পানী, ইয়াৰ পাৰৰ আহুধাননী আৰু চিচু গছৰ ন-কুঁহি পাতেও উলাহতে নাচিছে। ফাটবিহু অহাৰ বতৰা পাই বিহু বলীয়া ঢকুৱাখনীয়াৰ দৰে মোৰো দেহা-মন ৰাই-জাই কৰিছে, সাতখন-আঠখন কৰিছে। মুহূৰ্ত্ততে মনটো উৰা মাৰিছে চাৰিকড়ীয়াৰ ম'হঘূলি চাপৰিলৈ, ঢকুৱাখনাবাসীৰ সৈতে ফাটবিহুৰ আনন্দ উপভোগ কৰিবলৈ, সোমৰস পাণ কৰিবলৈ।

ফাটবিহু তলিত সমবেত সমূহ ৰাইজলৈ বিহুৱানৰ জড়িয়তে বিহু ৰবীয়া ওলগ আৰু শুভেচ্ছা জনালো।❑



# কুন্দিধৰ্মৰ তাৎপৰ্য

*ৰাণু প্ৰভা দেউৰী*

দেউৰীসকল ইন্দো-মঙ্গোলীয় থোপৰ তিৰ্বতবৰ্মীয় ভাষিক জনগোষ্ঠীৰ লোক। তিৰ্বতবাৰ্মী পৰিয়াল ভুক্ত আদি (আৱব) জনগোষ্ঠীয়ে দঃ গ্ৰি পঃলঃ নামেৰে চন্দ্ৰ সূৰ্যক 'মূল দেৱতা' হিচাপে পূজা সেৱা কৰি আহিছিল। তেওঁলোকৰ এই ধৰ্মীয় বিশ্বাসতে অৱলোকিতেশ্বৰ বোধিসত্ত্বৰ সৃষ্টি চন্দ্ৰ সূৰ্য দেৱ-দেৱতাৰ পটভূমি বিচাৰি পোৱা যায়। তিৰ্ব্বতী ৰজা 'স্ৰঙ ছেন গাম পো'ৱে অৱলোকিতেশ্বৰ বোধিসত্ত্বৰেই পাৰ্থিৱ অৱতাৰ বুলি স্বীকৃতি পাইছিল। সেয়ে তিৰ্ব্বতৰ ধৰ্ম-ৰজা দালাই লামা সকলকো এইজনা বোধিসত্ত্বৰেই অৱতাৰ বুলি গণ্য কৰা হয়। সেইকাৰণে তেওঁলোকক 'কুণ্ডুন' লামা বোলে। 'কুণ্ডুন' শব্দৰ অৰ্থ পবিত্ৰ উপস্থিতি বুলি জনাযায়। (কুণ্ডুন লামা-কুন্দিন লামা-কুন্দি মামা) পিছলৈ বৌদ্ধ ধৰ্মৰ বিলুপ্তি সাধনৰ প্ৰক্ৰিয়াত পৰি কুন্দি মামাই আগৰ কুণ্ডুণৰ 'পবিত্ৰ উপস্থিতি'ৰ পৰিৱৰ্ত্তে সৰ্ব্বত্ৰ উপস্থিতিৰ অৰ্থ প্ৰকাশ কৰে।

দেউৰী সকলে পালন কৰা ধৰ্মটোৰ নাম হৈছে কুন্দি ধৰ্ম। এই ধৰ্ম হিন্দু বা সনাতন ধৰ্মৰ অবিচ্ছেদ্য অংগ। দেউৰীসকলৰ আৰাধ্য দেৱতা কুন্দি মামা। 'কুন্দি' মানে পৰম পুৰুষ পৰমেশ্বৰ' আৰু মামা শব্দই প্ৰকৃতিক বুজায়। অৰ্থাৎ 'কুন্দিমামা' মানে পুৰুষ প্ৰকৃতি অৰ্থাৎ পৰমব্ৰহ্ম। কুন্দিমামাৰ বৈদিক প্ৰতিশব্দ হৈছে 'ওঁম' কাৰ অৰ্থাৎ অ-উ-ম অৰ্থাৎ সৃষ্টিকৰ্ত্তা বা পালন কৰ্ত্তা বা প্ৰাণনাশ কৰ্ত্তা। ইংৰাজীত ইয়াক God বুলি কোৱা হয়। এই God শব্দৰ তাৎপৰ্য বিচাৰিলে দেখা যায়, 'G' Gor Cosmic Generator, 'O' for Cosmic operator and 'D' for Cosmic destructor. আকৌ কুন্দি শব্দটো নিষ্পন্ন হৈছে ক-উ-ন-ই-দ বৰ্ণ কেইটাৰে। বৰ্ণ সৃষ্টিকাৰী সকলে 'ক' বৰ্ণটোক পুৰুষ প্ৰকৃতিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিছিল। পুৰুষৰ ক্ষেত্ৰত এডাল লম্বৰেখা (I) আৰু প্ৰকৃতিৰ ক্ষেত্ৰত এডাল সৰল ৰেখা (-) দুয়ো মিলি এটা মুক্ত চিন (+) হয় অৰ্থাৎ আদি 'ক' বৰ্ণ এই যুক্ত চিনেই আদি 'ক' বৰ্ণ । বৰ্তমান বহু বিৱৰ্ত্তনৰ পাছত আজিৰ ৰূপত 'ক' বৰ্ণ হৈছে। ক আখৰৰ অৰ্থ পুৰুষ প্ৰকৃতি, 'উ' বৰ্ণৰ অৰ্থ পালন কৰ্ত্তা 'ম,ন' বৰ্ণৰ অৰ্থ প্ৰাণনাশ কৰ্তা 'ই' বৰ্ণৰ

অৰ্থ শ্ৰেষ্ঠ, 'দ' বৰ্ণৰ অৰ্থ দেৱতা বা পৰমপিতা। এই গোটেই বৰ্ণ কেইটা লগ হৈ কউনইদ শব্দৰ সৃষ্টি হয়। ব্যাকৰণ আৰু শব্দ সৃষ্টিৰ নিয়মানুযায়ী ব্যঞ্জন বৰ্ণবোৰ একে থাকি স্বৰবৰ্ণবোৰ আৱশ্যক অনুসৰি চিনলৈ বিৱৰ্ত্তন হয়। সেই মতে 'উ' বৰ্ণ (ু) চিনলৈ আৰু 'ই' বৰ্ণ (ি) চিনলৈ বিৱৰ্ত্তন হৈ কউনইদ > কুনদি > কুন্দি নামৰ পূৰ্ণাঙ্গ শব্দৰ সৃষ্টি হ'ল। কুন্দি শব্দৰ প্ৰতিশব্দ হৈছে ওমকাৰ শব্দ। দেউৰীসকলৰ 'পুৰুষ প্ৰকৃতিক' আন এটা শব্দৰ পৰাও বিচাৰ কৰিব পাৰি। সেই শব্দটো হৈছে ক-উ-ম এই কুম অৰ্থাৎ 'কুম' শব্দৰ হিন্দুৰ প্ৰতিশব্দ হৈছে ওমকাৰ। দেউৰী সকলৰ এই 'কুম' শব্দৰ অৰ্থ ডিম্বাকৃতি বা বিন্দু। এই ডিম্বাকৃতিতেই নিহিত হৈ আছে পৰম পুৰুষ আৰু পৰমা প্ৰকৃতি। পুৰুষ-প্ৰকৃতিৰ সন্মিলিত নামেই 'ব্ৰহ্মা' এই পৰম পুৰুষকে 'যগুচ্চা' আৰু পৰমা প্ৰকৃতি কে 'য়গুচ্চাচিৰ' বুলি কোৱা হয়। এই 'যগুচ্চা' আৰু য়গুচ্চাচিৰৰ পৰাই সৃষ্টি হৈছে। গিৰা -গিৰাচি বা বুঢ়া-বুঢ়ী। গিৰা মানে বুঢ়া আৰু গিৰাচি মানে বুঢ়ী। এই গিৰাকেই দেউৰী সকলে 'শিৱ' আৰু গিৰাচিকেই 'পাৰ্ব্বতী' বুলি বিশ্বাস কৰে। এই গিৰা-গিৰাচিৰ পৰাই সমস্ত সৃষ্টি কাৰ্য আৰম্ভ হৈছে। কুন্দি পূজা মানে ঈশ্বৰৰ পূজা। দেউৰীসকলে পূজা কৰা পুৰুষ প্ৰকৃতিৰ লগত বেদৰ পুৰুষ প্ৰকৃতিৰ সংখ্যা দৰ্শনৰ বহু ক্ষেত্ৰত সাদৃশ্য থকা দেখা যায়।

দেউৰীসকলৰ ধৰ্মবিশ্বাস অনুযায়ী বিশ্বব্ৰহ্মাণ্ডত যি মহাশক্তিয়ে জীৱ জগত আৰু চৈতন্য জগতৰ ক্ৰিয়া-কাৰ্য নিৰন্তৰে সম্পাদন কৰিছে, সেই অচিন্ত অব্যক্ত মহাশক্তিয়েই হ'ল ব্ৰহ্মৰূপী পৰম পুৰুষ পৰমেশ্বৰ। এই অনাদি, অনন্ত, অসীম শক্তিয়েই কুন্দিমামা। পুৰুষ প্ৰকৃতিৰ শক্তিৰ সমষ্টি পূৰ্ণ সত্বাই সৃষ্টি শক্তিৰ মূল। এই শক্তিয়েই জগতৰ আধাৰ স্বৰূপ, বিশ্বৰ বীজ স্বৰূপ। এই মহাশক্তিৰ বলতেই চৰাচৰ ব্ৰহ্মাণ্ডত সৃষ্টি কাৰ্য চলিছে, প্ৰকাশ পাইছে, স্থিতি হৈছে, লয় পাইছে। ইয়েই সকলো কাৰ্যৰ মূল। এই শক্তিৰ প্ৰভাৱ কেৱল বহিঃ জগত, প্ৰাণী জগত বা আত্মাতেই বিয়পি থকা নাই। ই ক্ষুদ্ৰাতিক্ষুদ্ৰ, বৃহত্তকৈও বৃহৎ, সৰ্বব্যাপ্ত, সৰ্বশক্তিমান, নিৰাকাৰ, নিৰঞ্জন, অনাদি অনন্ত, গীতাৰ ব্ৰহ্ম আৰু আধুনিক বিজ্ঞান জগতৰ শক্তি বা শক্তিৰ উৎস (Source of energy)। এয়ে কুন্দি দৰ্শনৰ তাৎপৰ্য এই সৰ্বশক্তিমান কুন্দিমামাক দেউৰী সকলে পূৰ্বৰ পৰাই সাত্বিক নিয়মেৰে পূজা সেৱা কৰি আহিছে। এই পৰম ব্ৰহ্মৰূপী 'কুন্দিমামাই' হ'ল দেউৰী সকলৰ ধৰ্ম আৰু মূল দৰ্শন।

হিন্দু শাস্ত্ৰ মতে বিশ্ব-ব্ৰহ্মাণ্ড সৃষ্টিৰ আদিতে ভগৱানে পুৰুষাকাৰ আত্মাৰূপে





অকলে আছিল। অকলশৰে থাকি সুখ নোপোৱাত তেওঁ সংগ লাভৰ অভিলাষ কৰে। তেতিয়া তেওঁ নিজৰ পৰাই পতি-পত্নী (পুৰুষ প্ৰকৃতি) সৃষ্টি কৰে। সৃষ্টি চক্ৰৰ ক্ৰম অনুসৰি প্ৰথমে এককোষী, পিছত বহুকোষী জীৱৰ সৃষ্টি হৈ মানুহৰ সৃষ্টি হয়। লগতে অন্যান্য জীৱ-জন্তুৰ লগতে স্ত্ৰী-পুৰুষৰ বিভাজন কৰে। এইদৰে সৃষ্টি কৰি উপলব্ধি কৰিছিল যে তেওঁৱেই সৃষ্টি ৰূপে বিদ্যমান। মানুহ আৰু দেৱতা সকলো তেওঁৰেই সৃষ্টি বাবে তেওঁৱেই সকলো দেৱতাৰ মূল। হিন্দু ধৰ্মৰ এই দৰ্শনৰ লগত দেউৰী সকলৰ কুন্দি ধৰ্মৰ দৰ্শনৰ হুবহু মিল দেখা যায়। দেউৰী সকলৰ ক-উ-ম অৰ্থাৎ কুম বা ডিম্বাকৃতিয়েই হৈছে সনাতন ধৰ্মৰ বিৰাত বা ভগৱানে পুৰুষাকাৰ আত্মা ৰূপে ব্যাপ্ত থকা অৱস্থাটো। ইয়াৰ পৰা গিৰা-গিৰাচিৰ জন্ম। এই পুৰুষ প্ৰকৃতিৰ পৰাই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি।

ধৰ্ম হ'ল এটা জাতিৰ মেৰুদণ্ড। ধৰ্মই সত্য। সৃষ্টিকৰ্তাই দেৱতা সকলৰ মাজত চতুৰ্বৰ্ণৰ সৃষ্টি কৰাৰ দৰে মানুহৰ ভিতৰতো ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ নামে চতুৰ্বৰ্ণৰ সৃষ্টি কৰে। একেদৰেই দেউৰী সকলৰ ভিতৰতো কুন্দিয়ে প্ৰথমে চাৰিজন দেৱতাৰ সৃষ্টি কৰি তেওঁলোকৰ বাবে চাৰিখন দেওশাল নিৰ্মাণ কৰে। চাৰিখনদেওশালত পূজা-পাতল পৰিচালনাৰ কাৰণে 'চাৰিপদ' সৃষ্টি কৰে। এই চৰ্তুপদেই হ'ল বৰদেউৰী, সৰুদেউৰী, বৰভঁৰালী, সৰু ভঁৰালী। সেইদৰে দেউৰীৰ চাৰিখেলও সৃষ্টি কৰা হয়। এই চাৰিখেল হ'ল (১) দিবঙীএৱ-দেৱতা হ'ল গিৰা-গিৰাচি (২) টেঙাপনীয়া-দেৱতা হ'ল বলিয়া বাবা (৩) বৰগএৱ- দেৱতা হ'ল পিচাচি বা কেঁচাইখাতী বা তাম্ৰেশ্বৰী (৪) পাটৰগএৱ - দেৱতা হ'ল পাটৰ শাল।

দেউৰীসকলৰ মৃতকৰ শ-সংকাৰ পদ্ধতি হিন্দু পদ্ধতিৰ সৈতে একেই। চিতা সাজি মৃতকৰ শ-সংকাৰ পদ্ধতি পূৰ্বৰে পৰাই দেউৰী সকলে গ্ৰহণ কৰি আহিছে। এনেবোৰ কাৰণতে দেউৰী সকলৰ কুন্দি ধৰ্ম দৰ্শন সনাতন ধৰ্ম দৰ্শনৰ এক অবিচ্ছেদ্য অঙ্গ বুলি ক'ব পাৰি।❑

কৃতজ্ঞতা স্বীকাৰ ঃ- শ্ৰীযুত শশীধৰ দেউৰী- লখিমপুৰ,
শ্ৰীযুত যতীন্দ্ৰ কুমাৰ দেউৰী- কহিমা।

গল্প

# বৰটি ছিঙা ঢোলৰ ছেও

*নিবেদিতা লাগাচু*

*(১) "হাতী হেৰুৱালো লিহিৰি বনতে" ......*

স্মৃতিৰ জেৰীয়া গাঁঠিৰ আঁত বিচাৰি হলধৰ বাৰে বাৰে উজুতি খাইছে। কেতিয়াবা জোনাকৰ জালিকটা বেৰেদি ভুমুকিয়াই মনৰ মাজত এচেৰেঙা কোমল ৰ'দৰ পোহৰ জিল্‌মিলাই উঠে। আকৌ কেতিয়াবা মনটোৱে শাওনৰ আকাশখনৰ ৰূপ লয় – এই ৰ'দ; এই ডাৱৰ! ঘোপমৰা বিজুলি গাজনি! কেতিয়াবা জীৱনে অযাচিতে আনিদিয়া বিপুল সম্ভাৰৰ প্ৰাপ্তিয়ে মন ভৰাই তোলে আৰু কেতিয়াবা জালফালি হৰিণা যোৱাৰ কৰুণ্যই সেমেকা হৃদয়খনত বেদনাৰ ঢৌ তোলে। নিলগৰ ঢৌ নিলগতে মাৰ নিয়াই সহি সামৰি মনৰ চন্দুকত তলা চাবি মাৰি নিচুৰীয়াকৈ থৈ দিলেও স্মৃতিকথাৰ আঁত ডালে পুণৰ জেৰ ধৰে। এই জেৰীয়া গাঁঠিৰ পাকত হলধৰ জীৱনে লাহে লাহে ৰং সলায়।

গাঁওখনৰ নাম 'দ' গাঁও। দগাঁৱত তিনিটা চুবুৰী। গাঁওখনৰ সোঁমাজেদি কুঁৱাই পাৰ হৈ গৈছে গোঁহাই-কমল আলি। চৰকাৰী ৰাজবাট। এই ৰাজবাটটো চুই উজনিলৈ মাজৰ চুবুৰী। এই চুবুৰাটোৰ পূৱৰ ফালে থকাটো উজনি চুবুৰী আৰু ৰাজ আলিটোৰ দক্ষিনলৈ মিৰিহাম বোলা অৰণ্যখনৰ গাতে গা লগালৈকে গোটেই অঞ্চলটোক বোলা হয় ভাটীচুক। হলধৰৰ ঘৰ মাজৰ চুবুৰীত। চুবুৰীটোত ঘৰবোৰ ঘন। কোনোবা ঘৰৰ পানীপচা কোনোবাঘৰৰ পিৰালিত লগলগা। কোনোবাটো ঘৰৰ আওলা আহি কোনোবাঘৰৰ বৰঘৰৰ বেৰখন চুইছেহি, কোনোবা দুঘৰৰ চোতাল দুখনত মাত্ৰ দুই এজোপা তামোলৰ গছহে সীমাৰেখা হৈ থিয় দি আছে। অথালি-পথালিকৈ কোনোবাটো গোহালি কোনোবাটো ভৰাঁলঘৰ। তাতে আকৌ ঘৰৰ গাভৰু-বোৱাৰীহঁতৰ তাতৰ শাল। কোনোবাজনীৰ শালখন যদি বৰঘৰৰ মূধৰ ফালে, কোনোবাজনীৰ ভৰাঁলৰ আগত। কোনোবাজনীৰ যদি আগফালৰ পিৰালিৰ এমূৰে, আন কোনোবাজনীৰ আকৌ দুটা ঘৰৰ মাজৰ দুঘৰাতে। ইঘৰৰ পৰা সিঘৰলৈ বাৰীৰ মাজে মাজে ঠেক বাট। বাৰীয়ে বাৰীয়ে গৈ চুবুৰীটোৰ এমূৰে ওলাবগৈ পাৰি।





চুবুৰীটোত এটাই কুঁৱা। সেইটো কুঁৱাৰ পাৰ গোটেই চুবুৰীটোৰ বাবে উমৈহতীয়া।

হলধৰৰ বয়সে চাৰিকুৰি চুবলৈ হয়তু ছয়কি সাত বছৰৰ মানহে থাকিব পাৰে। এই সুদীৰ্ঘ জীৱনকালত হলধৰৰ স্মৃতিৰ জোলোঙাত ভৰি পৰিছে কত কথা, কত কাম, কত ধৰণৰ অভিজ্ঞতা, কত ধৰণৰ পোৱা নোপোৱাৰ হিচাব। জোলাঙাৰ ভিতৰত ইমানবোৰ বিবিধ বিচিত্ৰ কথা; জেৰীয়া পাক লাগিবই। ইমানবোৰ স্মৃতিৰ মাজৰ পৰা শলি-সিয়ান কুচীয়া পিচল স্মৃতিবোৰহে আনবোৰক তলপেলায় আগুৱাই আহে। হলধৰে সেইবোৰ কথা নেভাবো বুলিলেই পাৰিবনে ? মনত নেপেলাওঁ বুলিলেই মনত নপৰিবনে? -এইবোৰ জীয়া কথা। সেয়া, হলধৰৰ চকুৰ আগত সেই গৰু বিহুৰ দিনাখনৰ সেই দেওলগা সন্ধিয়াটো জীৱন্ত হৈ চকুৰ আগত ভাঁহি আছে –

গৰু বিহু। সন্ধিয়া নামঘৰত ডেকা বুঢ়া আটায়ে লগহৈ চাকি-বন্তি জ্বলাই আঁঠুলোৱাতো গাঁওখনৰ সজ। নামঘৰৰ মূধত শাৰী পাতি বহিছে বুঢ়া সকল। মাজত বয়সস্থ সকল - চকৰীয়া, বিয়ামন, মনধৰ, কেঁহুৰাম, মঙ্গলসিং, কাতীয়া, দেৱৰাম আদি। আৰু নামঘৰৰ পথানলৈ গিজ্ গিজাই আছে ডেকা দলটি। ইয়াতেই গাওঁখনৰ বুঢ়া সাঁতুলাই সকলোকে বছৰাটো কুশলে মঙ্গলে থাকিবলৈ, গৰুৱে-গায়ে, খেতিয়ে-পথাৰে, সকলোপিনে অপায়-অমঙ্গল খণ্ডাবলৈ, গাঁও-জ্ঞাতী সকলোৰে বিঘিনি দূৰ কৰি নিজ-নিজ মনোকামনা পূৰ্ণ কৰিবলৈ ভগৱন্তক মিনতি জনায়। সেইদিনাই নামঘৰতে গাঁৱৰ হুঁচৰি জোৰাৰ ঘাট মাৰিবলৈ ডেকাহঁতৰ গা-বোৰ সাতখন-আঠখন। সাঁতুলাৰ পৰা আজ্ঞা পাবলৈ মনবোৰ অধীৰ। আজ্ঞাপালেই ঢোলত চাপৰ দিব পাৰে। সমাজ বন্ধনীয়া গাঁও। বুঢ়াভকতৰ আজ্ঞা লাগিবই। আজ্ঞা মূৰে ভকতি, আজ্ঞা নহলে কাৰ শকতি। কিন্তু বুঢ়া সকলৰ সোনকালে আজ্ঞা দিয়াৰ মতলব দেখা নগ'ল। আজ্ঞা দিয়াৰ সলনি বুঢ়া হৰিধন ফুকনে মনিৰাম বোলা ডেকাটিক কিবা আদেশ দিলে। মনিৰামে হুঁচৰিৰ ঘাটমাৰিবলৈ উৰুলিকৃত হৈ থকা ডেকাহঁতক নামঘৰৰ মজিয়াত বহিবলৈ ক'লে। ডেকাহঁত বহিল। গাওঁবুঢ়া জুৰমন থিয় হ'ল –

"বোলো ডেকাহঁত, আজি বিহু উৰুকাতে ৰাইজ এটি সিদ্ধান্তলৈ আহিব লাগে। নামঘৰটিনো আৰু কিমান দিন আনৰ বাৰীত থাকিব লাগে। গ'লবেলিয়েই জয়হৰি হিলৈদাৰী ডাঙৰীয়াই গাঁৱৰ নামঘৰটিৰ বাবে ৰাজআলিৰ দাঁতিত মাটিডোখৰ দান কৰি গৈছে। এতিয়া ৰাইজে হাত উজান দি নামঘৰটি নতুন ঠাইত সাজি

উলিওৱাটিহে কথা। এইবাৰৰ বিহু হুঁচৰি জোৰাত গাওঁ খনৰ প্ৰতিঘৰে যি পাৰে অৰিহনা দিয়ক। ৰাইজখনে 'ওঁ' বুলিলে নামঘৰ নহৈ পাৰেনে ? ৰাইজে নখ জোঁকাৰিলে নৈ বৱই, নে কি বোলে ৰাইজ ?"

ৰাইজে আটায়ে একেমুখে কথাষাৰত সন্মতি জনালে। এইবছৰৰ ভিতৰতে নামঘৰ হবই লাগিব। হাতীকিনা নামৰ মদ্‌গজ মানুহটোৱে নামঘৰৰ মনিকূটলৈ আঁঠুলৈ বুঢ়া মেথাকে সন্মান জনায় বোলে –

"ৰাইজ, কথা এটি গোহাৰি জনাওঁ, আমাৰ তেলধোৱা বিলৰ পাৰৰ পথাৰত দুজোপা যুৰীয়া নাহৰ আছে। নামঘৰৰ বাবে এযোৰ ভাল খুঁটা হব। সেইযোৰ আজিয়েই নামঘৰলৈ আগবঢ়ালো। ৰাইজে এই যুৰীয়া নাহৰ দুজোপা মোৰ বুলিব লাগে।"

ৰাইজে সজ-সজ বুলি অ'হৰি - অ'ৰাম বুলি আৰ্শীবাদ দি যুৰীয়া নাহৰ গ্ৰহন কৰিলে। নতুন ঠাইত স্থায়ী নামঘৰৰ কথা শুনি গাওঁ খনৰ মানুহবোৰলৈ যেন উচাহৰ ধলহে বৈ আহিল। হাতীকিনাই যুৰীয়া নাহৰ আগবঢ়োৱাত চকৰীয়াৰ গাতো দেওধনি উঠিল। তেওঁ সেই দিনাই এজোপা ভলুকা আৰু এজোপা জাতি বাঁহ আগবঢ়ালে। দুইজোপা বাঁহত কমেও পাঁচ-ছকুৰি ডাল বাঁহৰ কম নোলাব। উচাহৰ বতাহ চাটিয়ে ৰাইজক বাৰুকৈয়ে কোবালে এজনে যদি বাৰীৰ গছ এডাল আগবঢ়াইছে আন এজনে খেৰণিতলি এখনকে আগবঢ়াইছে। গৰু বিহুৰ দিনাৰ সেই সন্ধিয়াতে নামঘৰ সাজিবলৈ দৰকাৰী কাঠ-বাঁহৰ সিংহ ভাগ পোৱা গ'ল। মাত্ৰ ডেকাইঁতে কামৰ দায়িত্ব মূৰপাতি ললেই হয়। সেই সন্ধিয়াতে হলধৰক নামঘৰৰ কামত ডেকা সেনাপতি পাতি দিয়া হ'ল।

সেইটোৱেই ডেকাসেনাপতি হলধৰ। মথাদাং পুৰুষ। খামিডাঠ মজবুট। ভৰিৰ কলাফুল ৰামকলৰ পুলিহেন। বাঘ ভালুক একোটোলৈকে দৰ-ভয় নাই। হাত-ভৰিৰ মঙহবোৰ আঁটিল, টিপি দি সহজে বহোৱাব নোৱাৰি। বুকুৰ মঙবোৰ উঠা। মানুহটোও হটঙা ওখ। দুই হাতেৰে গবামাৰি ধৰিব পৰা কাঠৰ কুণ্ডাটো অকলেই কঢ়িয়াই আনি ধমহ্‌কৈ পেলাই দিবহি পাৰে। সেইটো হলধৰৰ সেনাপতিত্বত এজাক ডেকা ল'ৰাই কাঠনি-বাঁহনি একাকাৰ কৰি যুদ্ধকালীন গতিৰে নামি পৰিছিল নতুন নামঘৰৰ কামত। বাহুত বল, মনত ৰং আৰু বুকুত অযুত হেঁপাহলৈ।





## (২) "বিন্ধিলে অধৈয়া হলে" ......

চৰিটা ঢোলৰ গুম্‌গুমনি তুলি গাওঁ খনৰ এমুৰৰ পৰা হুঁচৰিজোৰাই এঘৰৰ পৰা এঘৰলৈ হুঁচৰি মাৰি আহিছে। উজনি চুবুৰীটো হুঁচৰি গাওঁ তেই প্ৰথম দিনা ৰাতি পুৱাল। মানুহ বিহুৰ দিনা মাজৰ চুবুৰীটোৰ পৰা হুঁচৰি আৰম্ভ। শেহৰাতিলৈ সেইটো চুবুৰীয়ো অন্ত পৰিব। তাৰ পাছতেই হুঁচৰিজোৰা ভ াটিৰ ফালে আহিব। চাৰিটা ঢোলৰ গুম্‌গুমনিত গাওঁখন উতল-পাতল। মাজে-মাজে গৃহস্থক আৰ্শিবাদ দিয়াৰ দীঘলীয়া হৰিধ্বনি। ঢোলৰ ছেও নহয় যেনিবা মাজ বাৰিষাৰ মেঘৰ গৰ্জনহে। তেতিয়াও প্ৰথম কুকুৰাই ডাক দিয়া নাই এথোন। তেতিয়াও বাঁহ গছৰ আগত ওলমি ৰোৱা দ্বাদৰ্শীৰ জোনৰ মোহিনী জ্যোৎস্নাৰ কোমল মৃদু জোনাকে ভৰাই থৈছে নিশাৰ আকাশৰ মায়াময় চোতাল। দূৰত বৈ বৈ এজনী কেতেকীয়ে বিনাই আছে বিষাদ গাঁথা। চকুত টোপনি নাই নলিনীৰ। কেৱল চটি-ফুটি। বুকুত পিৰীতিৰ মৌসনা ভাৱৰ আমোলাল-মোল ৰহদৈয়া সুৱাগ।

দূৰৰ পৰা ভাঁহি অহা ঢোলৰ শব্দতে তাই অনুমান কৰিছে সেইটো ঢোল কাৰ ডিঙিত অছে। আবেলিতে কাঠৰ পেৰাটোৰ পৰা গামোচাখন উলিয়াই শিতানৰ গাৰুটোৰ তলত ভাজ কৰি ৰাখিছে। বাৰে-বাৰে ছেগ পালেই গামোচাখন বুকুত সাবতি লৈছে, আকৌ একে ভাজতে গাৰুৰ তলত ভাঁজ কৰি ৰাখিছে। মনত দুৰু-দুৰু কপঁনি - কিছু শংকা - কিছু আনন্দ -কিছু ভয়। কেৱল ভাৱ আৰু ভাৱ .......। জয়চন্দ্ৰটো বা হুচৰিজোৰাৰ লগত আহেনে নাহে ? ইমান সজাত নোহাৱা হবনে সি ? জানো পায় - ভগৱন্তইহে জানে ! জয়চন্দ্ৰটো আহিলে সি যিকোনো উপায়েৰে নলিনীক লগ ধৰিবই। সেই বিশ্বাস তাইৰ আছে। তাৰ হাততে গামোচাখন দিব পৰা যাব। নুবুজিবনে বাৰু হলধৰে তাইৰ মনৰ কথা ? নুবুজিবনে চাগৈ ?

কেনেকৈনো বুজিব ? আজিলৈ তাই মুখ ফুটাই কাকো কোৱা নাই। হলধৰেও মুখ ফুটাই এষাৰো কথা কোৱা নাই। কিন্তু মানুহৰ মনৰ কথা বুজি পাবলৈ মুখৰ ভাষা নালাগে। লাগে মাথো এটি চকুৰ চাৱনি, ওঁঠৰ এটি কম্পন, অকনমান উচ্ছ্বলতা। এইবোৰেই জয়কৰে মানুহৰ হৃদয়। মুখৰ ভাষাতকৈ চকুৰ ভাষা বহুত বেচি ভাষাময় - অন্তৰ্স্পৰ্শী। নলিনীয়ে সেই ভাষাময় চকুৰ ভাষা পঢ়িছে - বুজিছে। তথাপি মনত শংকা ওপজে। শংকাই প্ৰেমক ধ্বংস নকৰে - বেচি প্ৰগাঢ়হে কৰে। কেতিয়াবা তাই ভাবে - হলধৰ লৌহ পুৰুষ। যিহে মথাদাং হটঙা মানুহটো। এই শিলকঠিন দেহটোৰ

প্ৰস্তৰৰ বুকুফালি বৈ আহিবনে তাইলৈ এটি আবেগৰ নিজৰা? শিলৰ বুকুত ফুলিব জানো এপাহি কোমল গোলাপ? যিদৰে বৈ আহে পৰ্ব্বতৰ শিলনি ফালি এটি শীতল জুৰি, যিদৰে মৰুভূমিৰ বালিময় বুকুত গঢ়ি উঠে মৰুদ্যান।

নলিনীয়ে নাজানে তাইৰ অজ্ঞাতে হলধৰৰ কঠিন শিলাস্তৰে আৱৰি ৰখা মনটো বৰ্ষাৰ বৃষ্টিকণাই পলসুৱা মাটিৰ দৰে কোমল আৰু সেমেকা কৰি আনিছে। সেই মাটিত নলিনীৰ প্ৰেমৰ বীজ কিদৰে সেউজীয়া হৈ গজি উঠিছে। তাইতো নাজানে হলধৰৰ বুকুত কিদৰে গঢ়ি উঠিছে এটি মন্দিৰৰ পূজাৰ বেদী । তাইতো নাজানে হলধৰৰ প্ৰস্তৰৰ বুকুখন এটি নাৰিকলৰ দৰে - বাহিৰখন টান কঠিন খোলাৰে আবৃত। কিন্তু খোলাটোৰ ভিতৰখন যে কোমল সোৱাদভৰা। পিৰীতিৰ অঁঘেয়া হুলে বিন্ধি থকা সৰকা কৰা হলধৰ আৰু নলিনীৰ দুখন উমাল হিয়া। প্ৰথম প্ৰেমৰ অনুৰাগে নলিনীৰ হৃদয়ত যে অলেখ ভাৱৰ গুঞ্জণ তোলে। দূৰণিত বাজি থকা ঢোলৰ চিনাকি চাপৰবোৰে তাইৰ বুকুত ঠেকা খাই প্ৰতিধ্বনি তুলিছে। মায়া লগা শব্দৰে ভৰি পৰিছে তাইৰ ভিতৰখন—ধিনিকি ধিন্‌দাওঁ ....।

*** *** *** *** ***

এজাক ডেকাল'ৰা। কান্ধত একোখন কুঠাৰ, ৰচি, আৰু একোখনকৈ দা লৈ যাত্ৰা কৰিছে তেলধোৱা পথাৰলৈ। চোৰ সৰহ হলে কিল কম হয়। তেলধোৱা পথাৰত যুৰীয়া নাহৰ দুজোপা কাটিবলৈ গৈ ডেকাহঁতে অ' হৰি, অ' ৰাম বুলি গছত কুঠাৰৰ ঘাপ দিছেগৈ। পূৰঠ গছ, এলা-পেচা মানুহৰ কুঠাৰৰ ঘাপ বহিবই নোখোজে। ডেকাহঁতে কোনোৱে কুঠাৰ মাৰিছে। কুঠাৰ মাৰি মাৰি ভাগৰি পৰাজন ওচৰতে থকা জোপোহা হিজলজোপাৰ ছাঁত জিৰণি লৈছে। কোনোৱে 'দোলা দেখি বৰুৱা খোৱা' হোৱাৰ দৰে গাত বেমাৰৰ আওজনি লৈ আঁতৰি গৈছে। কোনোবাটোৱে তেলধোৱা বিলত প'লকে দুচাব বাইছে। কোনোটো ফুকলীয়াই টিপচীয়ে গৰুড়ৰ উৰাও মাৰিব খোজাৰ দৰে হাতত কুঠাৰ লৈ দুই এঘাপ দি চাইছে। নাহৰৰ পূৰঠ গছ বগৰাই পেলোৱাটো ইমান সহজ কথা নহয়। অৱশেষত যেনিবা হলধৰৰ কুঠাৰৰ ঘাপত গছ দুজোপা বাগৰি পৰিল। গছ বাগৰি পৰালৈ বহাগৰ দুপৰৰ ৰ'দত ঘামত গা ভেজি তেপ্ তেপীয়া দিলে। এইবাৰ ল'ৰাবোৰে হাতে-হাতে দা লৈ গছ দুজোপাৰ ডালবোৰ





টুকিয়াবলৈ লাগিল।

হলধৰ হিজলৰ ছাঁত বহিল। চকুৰ আগত দিগন্ত বিয়পা মুকলি পথাৰ। একাষে তেলধোৱা বিল, দূৰ দিগন্তত ডাঠ গভীৰ সেউজ অৰণ্যানি, চৰাইৰ কাকলি, গা জুৰ পৰা কোমল বতাহ, ৰিব্ ৰিব্ বতাহে নচোৱাই থকা বিৰিষৰ পাত আৰু হিজল গছৰ গহীন ছাঁ। মুকলি আকাশৰ মাজে-মাজে ভাঁহি থকা শুকুলা ডাৱৰ আৰু ডাৱৰৰ মাজে মাজে দেখা গৈছে কেইজনীমান উৰি থকা চৰাই। কান্ধত থকা গামোচা খনকে শিতান কৰি হলধৰ ওপৰমূৱাকৈ শুই পৰিল। ওপৰত উৰি থকা চৰাই আৰু ডাৱৰৰ খেলা চাই থাকোতেই হলধৰৰ মনটোৱে কোনোবা অচিন ঠাইলৈ, কিবা এক অবুজ ভাৱলৈ, কিবা এক বুজাব নোৱাৰা অনুভূতিৰ মাজলৈ উৰুৱাই লৈ যায়। এই অবুজ ভাৱৰ মাজে মাজে ভুমুকি মাৰেহি এখন কোমল মুখ, এযুৰি চঞ্চল চকুৰে। কিবা এটা ভাল লগা ভাৱত মনটোত শিহৰণ উঠে, বুকুৰ ভিতৰখনত কঁপনি উঠে।

*(৩) "আহে সভাসদ, নিৰন্তৰে হৰি বোল ".....*

নতুন নামঘৰ। নাবাওঁ বুলিলেও চাৰি চাপৰ বোৱা ডেকাহঁতক আৰু পায় কোনে? নতুন নামঘৰৰ মনিকূটত চাকি জ্বলোৱাৰ দিনা ভাওনা এখন কৰিবই। সেই আপাহতে মাজুলীৰ কমলাবৰীয়া বায়ন আনি গায়ন বায়নৰ আখৰা কৰিবলৈ আলচ হ'ল। কমলাবৰীয়া বায়ন থুলুক বৰশইকীয়া 'দ'গাৱৰ দেৱৰাম ফুকনৰ নিচাদেৱেকৰ পুতেক। গীতে-মাতে, নাচে-বাদ্যই সকলোতে পকৈত। তেওঁকেই নিমন্ত্ৰণ দিয়া হ'ল এমাহৰ বাবে। থকা খোৱাৰ ব্যৱস্থা দেৱৰাম হঁতৰ ঘৰতে হ'ব। পিছবেলা খোল-তাল, গায়ন-বায়নৰ আৰু সন্ধিয়ালৈ ভাওনাৰ আখৰা। সকলোৰে উলাহ। ডেউকা পিন্ধি আকাশত উৰি ফুৰাৰ দৰে মনত উৰণীয়া ভাব। গাত দেওধনি। ল'ৰা-বুঢ়া সকলোৰে দিনটো যেন নামঘৰতে কটাই দিব এনে ভাব। মহাভাৰতৰ বনপৰ্ব্বৰ পৰা "সিন্ধুযাত্ৰা" নাটখনি মেলিবৰ দিহা কৰা হল। কমল, জয়হৰি, মনেশ্বৰ, মনিৰাম আদিৰ গায়ন বায়নতহে বেচিকৈ ৰাপ বহিল।

"ধিন দিধেই নাধেই তানি খিতা
দিধেই নাধেই তানি খিত্

ধেই দিদ্ ধেই খিত নিতা ধিন্।।"

খোলৰ সুৰীয়া শব্দত গাঁওখন কিবা আৱতৰীয়া বিহুৰ বতৰ যেন উদুলি-মুদুলি। পুৱা বেলা হালখন বোৱাৰ পাছত গাঁৱৰ পুৰুষ মানেই যেন গায়ন-বায়ন, ভাওনাৰ আখৰা, গদা-ধনু সজা,যাঠী-কাঁড় সজা, এইবোৰত ৰং বুলোৱাৰ বাহিৰে আন কথা ভাবিবলৈ আহৰি নোহোৱা হ'ল। সন্ধিয়া আহিলেই কমলাবৰীয়া বায়নৰ সতে সুৰ মিলাই কমল, জয়হৰি, মনেশ্বৰ হঁতৰ ছন্দময় সুৰসমলয়। বহু দূৰৰ পৰাও শুনা যায় –

"আহে সভাসদ, যে পৰম পুৰুষ পুৰুষোত্তম নাৰায়ন শ্ৰীকৃষ্ণ
সাক্ষাতে সভামধ্যে প্ৰবেশ কৰল, তা দেখঃ শুনঃ ......"

ভওনাত নামঘৰ মানুহেৰে ভৰি পৰিছে। ভীম ৰূপে হলধৰ হাতত গদালৈ প্ৰবেশ কৰাৰ লগে-লগে আয়তীৰ উৰুলি। তাৰ পিছতেই সভাঘৰ নিজম পৰিল। ভীম যেন সাক্ষাত আকাশৰ পৰা পুণৰ নামি আহিছে। নলিনীয়ে হলধৰলৈ - ভীমৰূপী হলধৰলৈ পোনে পোনে চাব পৰা নাই। এক প্ৰকাৰৰ লাজে তাইক ঢাকি ধৰিছে। নলিনীৰ মনৰ মাজত এখন যুদ্ধ। গাত কঁপনি। কিবা এক অজান শোকে তাইক খুন্দিয়াবলৈ লাগিল। দুদিনৰ পাছতে মোমায়েকে শিৱসাগৰৰ পৰা তাইক চাবলৈ এজন মানুহ অনাৰ কথা। কোম্পানীৰ বাগানৰ চাকৰিয়াল। মাকৰ আগত তাই আপত্তি কৰিছে, কান্দিছে, খাতনি ধৰিছে। মোমায়েকক যেন তাইৰ মন নাই বুলি মাকে জনাই দিয়ে। মাকে এতিয়াও একো কোৱা নাই। হয়তো চাকৰিয়াল জোঁৱাই পোৱাৰ আশাত মাক অধীৰ। ইমান এটা সোণালী সুযোগ মাকে এৰি দিবনে ? নলিনীয়ে এতিয়াও হলধৰৰ মনৰ খবৰ পোৱা নাই। কি আছে তাৰ মনত ? তাইক চাবলৈ মানুহ আহিব —এই আপদীয়া কথাষাৰ মনত পৰাৰ পাছত তাইৰ চকুৰ আগেদি ভাওনাৰ কেইবাটাও দৃশ্য পাৰ হৈ গ'ল। কোন ওলাল কি ক'লে তাইৰ চকুত নপৰিল, কাণত নোসোমাল। দ্ৰৌপদীয়ে ভীমৰ অচেতন অৱস্থাত বিলাপ কৰিবলৈ লাগিল। নলিনীৰ ওচৰতে বহি থকা খুৰীয়েক-বৰআয়েকে ইচঃ আচ্ কৰি দ্ৰৌপদীৰ দুখত সমভাগী হৈ চকুপানী টোকাতহে নলিনীয়ে সেই ফালে মন দিলে।

"হৰি হৰি ভীমসেন মহাবীৰ অনুপম
কোনৰাজে গৈলা আমাসাক এৰি





দুখুনী অভাগী কুলক্ষণী ভৈলো আমি অনাথিনী
তুমি বিনে আমি জীবো কেন কৰি।"

নলিনীৰ দুচকু পানীৰে ভৰি আহিল। দ্ৰৌপদীৰ এই বিলাপ হলধৰৰ বাবে নলিনীৰ নিজৰ অন্তৰৰ বিলাপ যেন অনুভৱ হ'ল। নলিনীৰ হলধৰৰ লগত আসন্ন বিচ্ছেদৰ এয়া যেন আগজাননী। নলিনীৰ অন্তৰৰ সমস্ত বেদনাৰে কান্দিবলৈ মন গ'ল। দ্ৰৌপদীৰ বিলাপত নলিনীয়ে নিজেও অশ্ৰুসাগৰত বুৰ গ'ল। নিগৰি নিগৰি বৈ অহা চকুপানীক তাই বাধা নিদিলে।

*(৪) "ইপাৰে আহিলা বাৰু এৰি সিটো পাৰ*
*এৰাপাৰ সোঁৱৰি যদি কৰা হাঁহাকাৰ ....."*

সেই দিনবোৰৰ কথা হলধৰে পাহৰি যাবলৈ যত্ন কৰিছিল। সেয়া যেন এটা মিঠা সপোন আছিল। টোপনিৰ পৰা সাৰ পোৱাৰ পাছত সেই সপোনটো বাস্তৱত বিচৰাৰ অৰ্থ হব নোৱাৰে। যদিও বুকুৰ ভিতৰত পুৰণি ঘা ডোখৰ এতিয়াও সম্পূৰ্ণকৈ শুকাই যোৱা নাই। পুৰণি প্ৰেমত এক প্ৰকাৰৰ নিচা, এক প্ৰকাৰৰ নষ্টলজিয়া থাকে। যি নিচাই মানুহক এক প্ৰকাৰৰ বেদনাময় সুখানুভূতি দান কৰে। নলিনী এতিয়া জীয়াই আছেনে নাই তাকো হলধৰে নাজানে। খবৰো ৰখা নাই। বৰলুইতৰ সিপাৰলৈ নলিনী গুচি যোৱাৰ পাছত হলধৰে বুকুৰ ভিতৰতসকলো বিৰহ বেদনা সহি সামৰি থলে। নলিনীৰ বুকুৰ কিমান দ'লৈ তাৰ প্ৰতি চেনেহৰ শিপাডালে খামুচি ধৰিছিল সি জনা নাছিল, বুজা নাছিল।

ইতিমধ্যে তাৰ জীৱনে বহুত দীঘলীয়া বাট পাৰ হৈ আহিল। চাৰিকুৰিৰ দেওনাদেবলৈ হলধৰৰ বেচি দিন নাই। এতিয়া আগৰ ৰামো নাই অযোধ্যাও নাই। এসময়ৰ লৌহ পুৰুষজনৰ এতিয়া মাথো কংকালটোহে আছে। বয়সে দেহৰ শ্ৰীহৰণ কৰিলে। গাল মুখ সোপোৰা হ'ল। কথাতে কয় - 'আহ লুকাবা, পাহ লুকাবা, গালৰ সোপোৰা কেনেকৈ লুকাবা'। হলধৰৰ নাতি-নাতিনী বোৰো কলেজ পঢ়িব পৰা হ'ল।

অঘটন ঘটিল। সঁচাকৈয়ে হলধৰৰ বাবে এয়া অঘটনেই। এই বহাগৰ বিহুৰ

বতৰ। আগৰ বিহুৰ উচাহ নাথাকিলেও গাঁওখনত এতিয়াও বিহুটিক উচাহেৰেই পালন কৰা হয়। ঢোল-পেঁপা বাজিছে। ঘৰে-ঘৰে কেছেটৰ বিহুও বাজিছে। ছবি গাঁওতেও ল'ৰাইঁতেকেছেটত গোৱা বিহুকে গাই গ'ল। কোনোবা মানস বৰগোঁহাই বোলা ল'ৰা এটাই বিহুৰ বজাৰখন এক প্ৰকাৰে দখল কৰি অনা বুলি নাতি ল'ৰাইঁতে পাতি থকা হলধৰে শুনিছে। মানসে গাঁৱে ভূঞে ঘূৰি বিহুৰ পুৰণি সুৰবোৰ, বিহুনামৰ জাতবোৰ সংগ্ৰহ কৰি কেছেটত গায় আৰু গোৱায়। এই বোৰৰ পৰা বহুত ধন আৰু নাম পায় বুলিও নাতিহঁতে আলচ কৰে।

অঘটনটো তাতেই ঘটিল। ধুনীয়া নতুন চেপেটা ধৰণৰ গাড়ী এখন আহি হলধৰৰ চোতালত ৰ'লহি। গাঁৱৰে ল'ৰা সুৰজিতৰ লগত ধুনীয়া ল'ৰা এটি নামি আহিল। বাৰাণ্ডাৰ চকীখনত বহি থকা হলধৰে তৎধৰিবলৈ নৌপাওঁতেই ল'ৰাটিয়ে হলধৰৰ ভৰি চুই সেৱা কৰিলে। তেওঁ কলে - "ককা মই শিৱসাগৰৰ পৰা আহিছো। মোৰ আইতা নলিনীৰ মুখে আপোনাৰ কথা শুনি আপোনাক দেখা কৰিবলৈ আহিলো। মোৰ নাম মানস। মানস বৰগোঁহাই। আপোনাৰ বিহুনামৰ কথা, ঢোলৰ ছেওৰ কথা আইতাই প্ৰায়েই কয়, সেয়ে মোৰ বন্ধু সুৰজিতৰ লগত আপোনাক চাবলৈ আহিলো। দেখি ধন্য হলো।"

লাহে লাহে ডেকাইঁতে তেওঁলোকৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰিলে। হলধৰক পুৰণি দিনৰ বিহু গাবলৈ অনুৰোধ কৰিলে। কিন্তু হলধৰৰ মুখেৰে মাত নুফুটা হ'ল। যেন বুকুৰ ভিতৰত বহুদিন ধৰি কঙ্কহৈ থকা বতাহ চাটিয়ে ওলাবলৈ বাট বিচাৰি হলধৰৰ কণ্ঠৰুদ্ধ কৰি আনিলে। মুখৰ মাত আধা ফুটা হ'ল। এজাক ডেউকা ভঙা পক্ষীৰ পাখিৰ ধপ্‌ধপনি বুকুৰ মাজত লৈ হলধৰে গীত গাব পাৰে নে? সেই গাত জুই জ্বলা, বুকুত সৰিয়হ ফুটা দিন বোৰৰ কথা মনৰ মাজত লৈ হলধৰৰ বুকুৰ পৰা গীত ওলাবনে? বোকাৰ গৰৈ মাছ বোকাত ঘূৰাৰ দৰে মনৰ মাজত কোনো দিনে মন খুলি কব নোৱাৰা কথাবোৰ ঘূৰি ঘূৰি শিল হৈ হলধৰক বোবা কৰি আনিলে। হলধৰে মানসক কেনেকৈ বুজাব বৰটি ছিঙা ঢোলৰ মাত নুফুটে। তেওঁৰ ঢোলত এতিয়া মেঘৰ গৰ্জন নহয়। সেই ঢোল, সেই কণ্ঠ যে বহুদিনৰ আগতেই হেৰাই গ'ল- জীৱন নদীৰ সোঁতত।❑



## আলোক চিত্ৰ



ফাটি বিহু সমিতি


বাঁও ফালৰ পৰা ক্ৰমে- সৰ্বশ্ৰী- নব গগৈ, ললিত দাস, মুকুল গগৈ, উত্তম বৰুৱা, লালিত্য কুমাৰ দাস, কেশৱ গগৈ, ৰঞ্জিত সন্দিকৈ, জিতেন দাস, প্ৰতিভা কোঁৱৰ, জীৱন চমুৱা।



২০০৮ বৰ্ষৰ ফাট বিহু উদ্‌যাপন সমিতিৰ একাংশ



শ্ৰীকেশৱ গগৈ
সভাপতি, ফাট বিহু সমিতি



শ্ৰীলালিত্য কুমাৰ দাস
সম্পাদক, ফাট বিহু সমিতি



শ্ৰীউত্তম বৰুৱা
সভাপতি, ফাট বিহু উদ্‌যাপন সমিতি



শ্ৰীমুকুল গগৈ
সম্পাদক, ফাট বিহু উদ্‌যাপন সমিতি

## সম্প্ৰীতিৰ থলী- ফাট বিহু







কবিতা

## বিহুৰ বতৰত কি দিম

*সৌৰভ শইকীয়া*

চাৰিওফালে পতা আছে
মৰণৰ ফান্দ
উত্তৰে নাযাবি—সিহঁতে গাঁত খান্দি থৈছে
দক্ষিণে নাযাবি—সিহঁতে সাঁকো ভাঙি গৈছে
তোক নিমখৰ লোভ দেখুৱাব, নাখাবি
ৰূপৰ আৰ্চীবোৰ দেখুৱাব, নাচাবি
বিহুতনো তোক দিম কি...

চিঠিৰ সলনি তোলৈ বাঁহী আৰু পদুমৰ কলি
চিঠিৰ সলনি তোলৈ দিৰৈ আৰু দৈয়াঙৰ বেলি
উলটি উভতি চালি
নাহৰ দেখুৱালি চকুৰ পতাত
কিয়?
মোৰ কজলা ভোমোৰা পাগল
তোৰ মাছ মাৰিবলৈ গাগল
পাহাৰ দেখুৱালি
কাষলৈ নিলি গাৰু পাৰি



চিঠিৰ সলনি তোলৈ বাঁহী আৰু পদুমৰ কলি
কথাৰ সলনি তোলৈ চুমা আৰু সুৰৰ শাৰী।❑

# হিজল গছৰ ছাঁ

কুশল দত্ত

নৈত মুখ চাবলৈ যোৱাটোৱেই তাইৰ দোষ আছিল
নৈৰ দেৱতাই তাইক পানীলৈ লৈ গ'ল যি গ'লেই

পানীৰ পৰা তাইক তুলিবলৈ নৈত জাপ দিলে যিজন
তেওঁৰ নাওখন আজাৰ কাঠৰ কলাফুলতো তেওঁৰ আজাৰ কাঠৰ ৰং

ব'ঠা আৰু নাও এৰি পানীৰ তলৰ একা-বেঁকাইদি
দূৰৈত টিমিকি জ্বলে সৰলৰেখাৰ দৰে সহজ সত্যৰ পোহৰ ঘৰ

সাঁতুৰি সাঁতুৰি ভাগৰ লাগিলত পানীৰ পৰা মাটিলে' উঠি
নৈৰ দাঁতিত হিজল গছৰ ছাঁত দুয়োটাই দুয়োটাৰ চকুলে' চালে

পানীৰ তলত উশাহৰ ৰং আছিল সেউজীয়া মাটিত মাটি বৰণীয়া
হিজলৰ ছাঁতে যে লুকাই থাকে পৃথিৱীৰ সমস্ত নিলিখা ইতিহাস❑





# চেনাইলৈ

সবিতা কোঞ্চৰ

[ঐতিহ্যমণ্ডিত ফাটবিহুৰ নামত উৰ্চ্ছগা]



ফুলজালি সপোনতো সন্তৰ্পনে তই সিঁচিছিলি
লিহিৰি লিহিৰি আঙুলিত তোৰ। খিটিৰ্ খিটিৰ্ মাকোটোৰ
শব্দত, গৰকাৰ শব্দত সপোনটোৱে
ডেউকা গজাইছিল বিহুৱানখনক আলফুলে আঁকোৱালী

* * *

তই ৰাংঢালী আছিলি
লাহতি আছিলি। আছিলি চিংপখিলী-চিখ্লাজনী
তোৰ উচাতন দেহাটোৱে
দলদোপ-হেন্দোলদোপ খোজৰ ভৰটোৱে ৰংঘৰৰ
বাকৰিত তুলিছিল চোন গিৰিপনি

* * *

মোৰ বুকুৰ বহনা তই
খোপাত কপৌফুল গুজি, হাতত জেতুকা সানি, ওঁঠ বৰহমঠুৰীৰে বুলাই
তোৰ মাজতে এখন্তেক জিৰাইছিলোঁ অ' মই

* * *

গাওঁ সুৱাগী, ঘৰ জেউতি
তই দেখোন হেৰুৱাই পেলালি তোৰ গাওঁখনৰ, আপোন ঘৰখনৰ
ঠিকনা
যিদৰে ঠিকনা হেৰুৱাই পেলাই প্ৰেম আৰু সম্প্ৰীতি হৈ পৰিছে আজি অঘৰী
মইও বাৰু মৃতদেহটো মোৰ নিজে কঢ়িয়াই ফুৰিছোঁ নেকি

* * *

আজিও মই বৈ আছোঁ বুকুখন সযতনেৰে তুলিতালি
চহাই-মৈয়াই শইচৰ পথাৰখন চহ কৰি
সাঁচতীয়া সপোন এটা বুটলি বুটলি

* * *

কুলি-কেতেকী-বিহুৱতীজনীৰ পাছে-পাছে ঢাপলি মেলি
বাটে বাট কমোৱা জোনাকী বাটটোৱেদি
দেহৰাঙী, মনৰাঙী
তই আহিবি সেই বাটটোৱেই পুণৰ বাট বুলি বুলি
চিকুনাই থম মই জেং-জাবৰ গুচাই চিকুন পদূলী।❑

# মৰণা

হেমচন্দ্ৰ দত্ত



দেউতাৰ ভঁড়ালৰ দুৱাৰ খুলি
আইয়ে চোতাললৈ আদৰি আনিলে জাপৰ লখিমী
নলুৱা কটাৰিৰে ডিঙি ৰেপি ৰেপি
বৃত্তাকাৰে মেলি দিলো চোতালত
মেৰপাক দি দি তই হলি মৰণা

বলদ হলে গৰকি
তোৰ বুকুত ঘূৰিলে ওৰেটো সন্ধিয়া
সিহঁতৰ নেগুৰত ধৰি ধৰি কত যে সন্ধিয়া
টাকুৰি ঘূৰাদি ঘূৰিলো তোৰ বুকুত
পাক ঘূৰণি খাই শৈশৱৰ চোতালত
তোৰ প্ৰেমত পৰিলো মই খেতিয়কৰ ল'ৰা


সন্ধিয়াবে পৰা তই
নাকত ধৰি চাকত ঘূৰালি মোক
উশুলোৱে খুচৰি খুচৰি
পিতাই ঘূৰিলে তোৰ বুকুত
যেনেকৈ এদিন পিতাইয়ে
আইৰ ভঁড়ালৰ সাঁচতীয়া প্ৰেমৰ জাপ খুলি
কতদিন কতবাৰ মাৰিছিল ভালপোৱাৰ মৰণা





আইয়ে জাৰি জোকাৰি তোৰ বুকুৰ সোণগুটিবোৰ
থুপি থুপি ডুলি ভৰাই থলে
যেনেকৈ জাৰি জোকাৰি এটা শুভ দিনত পিতায়ে আইক
আদৰি আনিলে ঘৰ শুৱনী কৰি

এদিন
দেউতা আইয়ে চহকৰা কঠিয়া তলিত
আমি বীজ হ'লো, গজিলো
আইৰ বুকুৰ উমত লহপহকৈ বাঢ়িলো
এদিন গৰখীয়া হ'লো
মৰণা মাৰিব পৰা হ'লো
য' মোৰ হেঁপাহৰ লগৰী মৰণা
তোৰ প্ৰেমৰ পাকঘূৰণী খাই ফুৰিছো মই খেতিয়কৰ ল'ৰা
কাৰণ
তোৰদৰে মইয়ো দেউতা আইৰ মৰমৰ মৰণাত সৰা সঁচৰ কঠিয়া।❑



# বাসন্তী পৰশ

ৰাজীৱ তামুলী

(এক)

তোমাৰ হাঁহিৰ জুনুকা শুনি ফুলিল কপৌফুল
তোমাৰ নাচোনৰ মুদ্ৰা দেখি বতাহ বিয়াকুল
বসন্ত ৰোগ নে ঋতু
যি একাকাৰ কৰে ফুল আৰু হুল।

(দুই)

আজি দেওবাৰ বন্ধৰ দিন
কুলিৰ মাতৰ স'তে নাহৰ পাতৰ মিশ্ৰণ
মই কল্পৰ স'তে পথাৰ চাবলৈ ওলালো
দিগন্ত বিয়পা পথাৰ মোৰ বুকুতে দেখোন।

(তিনি)

তৃষ্ণা আছে বাবেই কোনো সাগৰ শুকান হোৱা নাই
মৰুভূমি আন একো নহয় মাথো প্ৰেমহীনতা
পিষ্ট হলেহে ৰঙা হয় জেতুকা
অতৃপ্তি আৰু অপূৰ্ণতাই আমাক
তিলেতিলে ৰাখিছে জীয়াই।

(চাৰি)

জানো বহুদিন ভালকৈ টোপনি অহা নাই
যেতিয়াৰ পৰা মোৰ এখন বিছনা হ'ল,
বহুদিন ক'তো থাকিব পৰা নাই
যেতিয়াৰ পৰা এটা ঘৰ হ'ল
যি দেখিছো— উজাগৰী ৰাতি টোপনিৰ কাৰণে ভাল
আৰু ঘৰ হ'ল অঘৰীৰ পোতাশাল।❑






# ব'হাগত সুগন্ধি হোৱা গাৱঁৰ কথাৰে...

জিতু কুমাৰ চমুৱা

ব'হাগত তোমাৰ গমনেৰে সুগন্ধি হয় গাওঁখনি



কপৌ ফুলৰ থোপাত ওলমি থাকে
গাঁৱৰ আকাশ বতাহ
ব'হাগত নদীবোৰ মুখৰ হয়
ব'হাগত গাওঁবোৰ সজীৱ হয়
ঢোলৰ চেৱত নাচি থাকে গাওঁ
পেঁপাৰ মাতত খুলি যায়
হৃদয়ৰ কপাট

ব'হাগত সুগন্ধি হয় গাঁৱৰ বতাহ
চেনেহৰ তাগিদাত শব্দৰ মৌ বৰ্ষণ হয়
তোমাৰ অবিহনত গাঁৱখনি অচল হয়
ব'হাগৰ সুগন্ধিত হৃদয়ৰ ৰংবোৰ
জেতুকা বৰণৰ হয়
চেনাইৰ মাতটো কুলিৰ মৌ মিঠা মাত হয়


ব'হাগৰ জোনাকত গাই ফুৰিব পাৰি অহৰহ
ফাটবিহুত বলিয়া হোৱা নাচনীৰ গান
খহি ফুৰিব পাৰি নিৰ্ভেজাল বিহু

তোমাৰ আগমনে
সুগন্ধি কৰক ব'হাগত গাঁৱখনি।❑

# শিবিৰ

জ্যোতিনীলিমা গগৈ


কাৰ তেজেৰে কৃষ্ণচূড়া ফুলে
বতাহত হালে জালে ছিৰিলি পাত
তুমি কৃষ্ণচূড়াৰ দৰে হাঁহিলে
ওৰে নিশা গীত গাম
খুলি দি হৃদয় কপাট



যাওঁ বুলিয়ে নাযাবা দূৰলৈ
আবেগ বিশাল প্ৰতিটি সন্ধ্যাৰ
তুমি বিষাদৰ বৰ্ণিল উৎসৱ

জীৱন যিমান সুন্দৰ
কুৎসিত তাতোকৈ বেছি
আমৃত্যু বয় হতাশাৰ নদী

ভালপোৱাৰ তেজেৰে শিবিৰ পাতি বহিলা
বসন্তৰ আবেলিত এয়া এজাক হিৰন্ময় পখিলা।❑





# উৎসৱৰ দিনবোৰ

অপূৰ্ব কুমাৰ বৰ্মন

আহি থকা উৎসৱৰ দিনবোৰক
আমি কি দৰে আদৰি আনিম
আদৰি আনিমনে পূৰ্বৰ দৰেই
উৎসৱৰ নামত উৎসৱ পাতি
ফূৰ্ত্তিৰ নামত ফূৰ্ত্তি কৰি?



কথাবোৰ চিন্তা-ভাৱনা কৰাটো খুবেই জৰুৰী
কাৰণ বছৰটোৰ তিনিশ চৌষষ্ঠী দিনেই আমি ব্যস্ত
সা-ৰে-গা-মা-পা লিটল চেম্পছ, জি. টি. ভি, এম. টি.ভি অথবা
মোবাইলত এছ এম এছ টিপি, সেয়ে
জাতীয় সংস্কৃতিৰ কথা যাওঁ পাহৰি

দেশৰ বাবে মানুহ নহয় মানুহৰ বাবেই দেশ
উৎসৱৰ বাবে উৎসৱ নহয় মানুহৰ বাবেই উৎসৱ
নতুন ধৰণেৰে আনো আদৰি।

ফচল নেপালে কোনো কৃষকৰ মনত নাথাকে ফূৰ্ত্তিৰভাৱ
বেতন বোনাচ নাপালে কোনো শ্ৰমিকে নিদিয়ে উৎসৱত যোগ
কৰ্ম সংস্থাপন নেপালে কলা হয় বেকাৰৰ মনৰ আকাশ
আহক বন্ধু সকল আমি এক হওঁ
কান্ধত কান্ধ মিলাও
আহি থকা উৎসৱবোৰক
নতুন ধৰণেৰে আদৰি আনো।❑

# সপোন

জিতু দত্ত

অনুভৱৰ আকাশৰ কপালত জ্বলে
এটা মেঘৰ কঁপনি.....



এটা গানত
মুখৰিত হ'লহেতেঁন
আকাশ-বতাহ

প্ৰেম আৰু প্ৰতিভাত
যেতিয়া
উজানতলী, দ পথাৰ, মিৰি পথাৰত
ধান হয় হালধীয়া
ৰ'দ হয় হালধীয়া

উজাগৰী, দ-পথাৰ আৰু মিৰি পথাৰত
ধান হ'ব হালধীয়া
ৰ'দ হ'ব হালধীয়া

কল্পনাৰ ৰং ধেমালিত
আকাশৰ তৰাবোৰ তিৰবিৰ হ'ব
সময়ক উপলব্ধি কৰি
আমি
সঁচা আদৰ্শৰে নিজক চিনাকী দিম
সুৰুজমুখী দেশৰ সৈতে।❑



# বহাগৰ মালিতা

ৰাজীৱ বৰুৱা

(উছৰ্গা ঃ- মাতমৰাৰ বন্যাৰ্ত ৰাইজৰ হাতত বহাগৰ অফুৰন্ত শুভকামনাৰে.....)

'মাছখোৱা বজাৰত ছাতিটো কিনিলোঁ
চিচিমুখত বদলি হ'ল;
তোমাক আনিম বুলি বৰেঘৰ সাজিলোঁ
গৰুবন্ধা গোহালি হ'ল।"

........... আৰু অৱশেষত সেই-
গৰুবন্ধা গোহালি, ভঁৰালঘৰ
তামোলনি বাৰীখনো মোৰ,
বলিয়া লুইতে সামৰি থ'লে বুকুত



লুইতখনে সকলো সামৰি থোৱাৰ বাবে
তোৰ বাবে মোৰ সকলো মৰম-স্নেহ
সাঁচি থৈছো সৰুমাই

কপালৰ দুখ নুগুছে অ' সৰুমাই
আঘোণৰ পথাৰখন বালিচাপৰি হ'ল
জৰাজীৰ্ণ মথাউৰিটোৰ পিঠিত
বাঢ়িল সৰু সৰু জুপুৰিবোৰ
য'ত দুখ আৰু অভাৱে
একেলগে ওমলে ...

সৰুমাই অ'
সৰ্বস্ব হেৰুৱাই কান্দোতে কান্দোতে
চকুৰ পানীবোৰ বৰফ হ'ল
হৃদয়খনো হ'ল শিল
ৰাতি ৰাতি কুলিৰ মাত শুনিছোঁ
এজাৰৰ ডালত কুঁহিপাত ফুটিছে
বহাগ আহিছে নহয়নে!
জীৱনটো জীৱন হৈ থকা নাই
কলিজাত নাই বসন্তৰ গান

সৰুমাই অ'
তথাপিও বিহু পালিম এই বহাগত
ফাট বিহুত তোৰ সৈতে নাচিম
মৰমৰ কপৌফুল গুঁজি দিম।
তোৰ নেঘেৰী খোপাত

লুইতে বাৰে বাৰে মথাউৰি ভাঙিলেও
মন ভাঙিব নোৱাৰে, সৰুমাই

"এইবেলি আহুধান পানীয়ে মাৰিলে
অহাবেলিকৈ পাম"
মুগা-বিহা পিন্ধি তই বৈ থাকিবি
একেলগে বিহুলে যাম।❑

# হেঁপাহ চিৰদিন

নাৰ্জিনা ইছলাম।

চিত্ হৈ পৰি থাকে
আন্ধাৰ...
উকমুকাই উঠে
নিজান ৰাতি



চৰিকড়ীয়াৰ পাৰত
ওলমি ৰয়
সপোন
ম'হঘূলি চাপৰিলৈ;
বাঢ়নী পানীৰ দৰে
বগাই আহে হেঁপাহ
আহে দিন
যায় দিন
ৰাতি যায়
প্ৰতিদিন।

ফাটবিহুত নাচিম এপাক...
উজাগৰী কামনা লৈ
আহিবা এদিন।❑



# বসন্তৰ গান

*সুৰভি কোঁৱৰ*

তোমাৰ মৌন ওঁঠৰ কম্পনত
জিলিকি উঠিছে অযুত ভালপোৱা

তোমাৰ কম্পিত ওঁঠজুৰি মোক দিয়া
যাৰ মাজেদি নিগৰাই আনিম মই
এটি প্ৰাচীনতম গীত

গৰুৰে গো ধূলি উৰুৱাৰ সময়তেই
তুমি গৰখীয়া হ'বা
বাঁহী বজাবা

বাঁহীৰ সেই সুৰত নাচি উঠিব চাৰিকড়ীয়া
আৰু নাচিম মই ...।❑



## সন্ধান-হৃদয়ৰ

বুবুল চমুৱা



পলাশৰ ৰং বুলোৱা
পচোৱাজাকক নুসুধিবা
উকা পথাৰৰ
সেউজীয়াৰ বেথা
চিৰাল ফাট দিব
চ'তৰ মাটি

মধুকৰকে সুধিবাচোন
গাদৈ পথাৰৰ হালধীয়া
সৰিয়হৰ মাদকতাৰ উমান

নৈ পৰীয়া
কনেং জনীকো নোসুধিবা
নদীৰ গভীৰতাৰ বতৰা
নিবিছাৰিবা নদীৰ বলুকাত
চিনাকি-অচিনাকি বালিৰ খোজ

জয়াল ৰাতি
এটি জোনাকীকে সোধা ঃ এন্ধাৰত
আপোন বাটৰ সন্ধান
হৃদয়ত জোনাক কিমান।□



## ফাটবিহু ঃ অনুভৱৰ মালিতা

*বিনোদ ফুকন*

হাবুঙৰ পথাৰত
ফাগুনৰ উলাহত
মনবিৰিণাই পাহি মেলি
বহালে ওৰণি
চ'তে বায় ঢোল
বহাগে বজায় পেঁপা
ফাগুনে ললেহি লাহৰী গগনা
নলতলী বলাহী চৰলাৰ
টকাৰ টক্‌টকনি
সুতুলীৰ সুৰ সুৰণি

ফাটলৈ অহাৰ চলেৰে
চাউৰকীয়াৰ দোপতিয়ে বান্তৌৰ মাকোলৈ
চকুমাৰে ঘনেপতি
খামনৰ যঁতৰ সোনাৰিৰ মহুৰা
ফাটৰ তলীৰ পৰা নাই
গন্ধীয়াৰ টোলোঠা কঠালগুৰিৰ গৰকা

হাঁহি মাৰে মিচিকি
ৰিহাৰ আঁচল যায় ফিচিকি
বকুলগুৰিৰ ঐয়াৰে গালে
চাজেবা এজুৰি
হাবুঙৰ পথাৰে পথাৰে
অনুভৱ বিচাৰি
পিথিয়ালে পাহৰিলে হেৰুৱালেনো কি
অতি হেঁপাহৰ
অনুভৱৰ উচৰত
মৰমৰ অনুভৱ বিচাৰি
দীঘলীয়াকৈ বনগীতৰ সুৰীয়া সুৰেৰে
ফাগুন চ'ত বহাগৰ লগতে
হাবুঙৰ ফাটলৈ যাম
উচ্ছেদ কৰিম হিয়াৰ সমগ্ৰ কঠোৰতা।□



# উচৰৰ দিনত

সুৰুজ কুমাৰ ভূঞা

এতিয়া সকলোতে কঙাল
দিনহাজিৰাৰ বাটত
দুসেৰ চাউল আৰু চাৰিঅনা নিমখৰ মোনাৰ তলত
ভোগালীৰ ভোগজৰা লুকাল

মাঘত মেজিৰ জুই নহ'লেও হয়
ৰ'দে পোৰা কৃষকৰ ছাল
এনেয়ে উমাল



কাৰ স'তে ক'ত পাতো ৰঙৰ উছৱ?
পাৰভঙা মথাউৰি, ৰূপালী বালি,
থাউনি হেৰাই যোৱা কলঢোপ কলঢোপ
কৃষকৰ প্ৰাণৰ পথাৰ

ছাঁই ৰঙী আঘোণ
হালধীয়া বিষাদত দুখৰ পলস

উচৰ মোৰ প্ৰাণৰ আপোন, উচৰ মোৰ বুকুৰ কুটুম
উচৰ মোৰ শইচ সোণোৱালী ভৱিষ্যতৰ সপোন ❑



# কবিতা

গনেশ চমুৱা

(এক)
ম'হঘূলি চাপৰিত
ফাট বিহুৰ বতাহ বলিছে
আৰু দূৰৈত
হাবি মাজৰ ক'ৰবাত
মাতি থকা কেতেকী এজনীয়ে
নুৰিয়াই নুৰিয়াই বান্ধি থোৱা
মোৰ কলিজাটোত খুটিয়াইছিলি ...



(দুই)
ফাট বিহুৰ বতাহৰ কোবত
চিচু গছজোপাৰ দৰে
হাউলি পৰিছে
সোঁৱৰণী
ৰাতি সপোনতো দেখো
যোৱাতো ফাট বিহুত
কথা দি লগ কৰিব নোৱাৰা
তোমাক
চাৰিকড়ীয়াৰ গড়াত
নোপোৱাৰ বেদনা অথবা,
পাই হেৰুৱাৰ বিননি
এতিয়াও বগাই ফুৰিছেনে ...
কেতেকীৰ মাত এটা হৈ ...।।❑

# তিনিটা বহাগৰ স্তৱক

*ঐজ্যোতি চুতীয়া*

**প্ৰথম স্তৱক**

▫

পুখুৰী পাৰলৈ গৈছো
কুলিৰ মাত শুনিছো
বিৰিষৰ ডাললৈ চাইছো
কপৌ ফুল দেখিছো
তোমাক দেখো বুলি
হাটলৈ ওলাইছো
ধিনিকি ধিন দাঁও
ঢোলৰ মাত শুনিছো
বিহু বিহু লাগিছে গাত।



**দ্বিতীয় স্তৱক**

▫

ঘৰত মন নবহা হৈছে
ঘনে ঘনে তোমালৈ মনত পৰিছে
ঢোল, পেঁপা, গগনা মাতত
কমোৱা তুলাৰ দৰে
উৰি ফুৰিছে মন
তোমাক দেখো বুলি
সাতখন-আঠখন লাগিছে গা

**তৃতীয় স্তৱক**

▫

যোৱাবাৰ বিহুত বজোৱা বাঁহীটি
আকৌ এবাৰ বজাবলৈ মন গৈছে
বুকুৰ মাজৰ মৰম খিনি বাঢ়ি আহিছে
পিছে বিহুত তোমাকহে নেদেখি
পিছল খাই পৰিছে আনলৈ চকু।❑



# বহাগৰ কবিতা


*জুপিতৰা নাথ*

চাৰিকড়ীয়াত গা-ধুই আহিছে কপৌফুলৰ হাঁহিবোৰে
টপ্ টপকৈ তিতা চুলিৰ পৰা সৰিছে হুমুনিয়াহ ...
মোৰ বহাগ বহাগ হেঁপাহে
সিদিনাই তোৰ বালিচাপৰিৰ আইনাত বিহুৱতী মুখ চালে,
সিদিনাই মোৰ দুচকুত
বিষণ্ণতা কাজল-হৰিণা হৈ চৰিলে...
তোৰ নিজান বনত কপৌফুলে হাঁহে
যাৰ সুবাস মোৰ অৰণ্যত বৰষুণ হৈ নামে ...
তোৰ বিষণ্ণতাবোৰ এজাৰৰ অৰণ্যত
বেজাৰ হৈ তথাপি নুফুলে ...
এই যে —
টৌৰে টৌৰে বাগৰি আহিল বহাগৰ মৌ
তেতিয়াৰ পৰাই নাহৰৰ পাতত থৌকি বাথৌ...
"বিহুৱে বিৰিণা পাতে সমনীয়া" বুলি কৈ
পলকতে মোৰ দুখবোৰ সামৰি
পাতিলি হেঁপাহৰ উপনিবেশ ...
সাঁচতীয়া স্নেহক লৈ গৈ
কলিজাত শূণ্যতাৰ ফাট মেলালি
তাকে জোৰা লগাবলৈ কেতিয়া আহিবি?
পথাৰৰ ইমূৰৰ পৰা তই ৰিং মাৰি ক'লি
'বিহু গ'লে কাক বিনাবি?'
এতিয়া ম'হঘূলিৰ আকাশত বহাগী নক্ষত্ৰ
মোৰ বুকত তই চেনেহৰ সেউজীয়া সম্ৰাট...।❑



## ফাটবিহুৰ সুহুৰি

ঘৃতাচী দত্ত



অচিনাকি সুহুৰি হৈ কাণত বাজি উঠোতে
জোকাৰণি তুলিছিলা অনুভৱৰ বৰপেৰাত
ক্ৰমাং বেছি তীব্ৰতৰ হৈ উঠা সেই সুহুৰিয়ে
খুলি দিছিল বৰপেৰাৰ জাপখন।
আৰু
বুকুৰেদি উজাই আহিছিল
ভালপোৱাৰ একাঁজলী উত্তাপ
সুহুৰিটো ক্ৰমাং অচিনাকিৰ পৰা চিনাকিলৈ সলাই
তল-ওপৰ কৰি পেলাইছিল
জাপি ৰখা অনুভৱৰ সম্পদবোৰ
ঠিক তেতিয়াৰ পৰাই চাৰিকড়ীয়াই হাত বাউল দি মাতিছিল মোক
গছৰ পাতবোৰে মিচিকিয়াই হাঁহিছিল
বতাহছাটিয়ে বালিবোৰক ফুচ্‌ফুচাই কৈছিল,
"এয়াটো পিৰীতিৰ বতৰ"
তোমাৰ চকুত চকু পৰোঁতে গালেৰে বাগৰি আহিছিল
এসোঁতা ৰাঙলী আভা
চকুত সপোন এটাই মলিয়াবলৈ আৰম্ভ কৰিছিল
উশাহত ফুলি উঠিছিল কপৌ ফুল
উলাহত বিনাইছিল কুলিটিয়ে
কলিজাটি তোমাৰ ওচৰত এৰি অহাৰ পাছত
চাৰিকড়ীয়াৰ বুকুত কোনোবা মাছমৰীয়াই বাঁহী বজাইছিল
এক অব্যক্ত বেদনাত দুগালেদি বৈ গৈছিল অশ্ৰুৰ বন্যা
কেতেকী জনীৰ হিয়াখনৰ সৈতে ৰিজাইছিলো নিজকে
জোনাকে নিচুকাইছিল, নিয়ঁৰেহে সৰিছিল দুখবোৰ
তোমাৰ বাবে বিয়াকুল হোৱা মই এক বিধ্বস্ত প্ৰেয়সী
যাৰ ঠিকনা মাথো তুমি





বহাগৰ এই বতৰতে আঁহা আমাৰ সপোনবিলাক দিঠকলৈ নমাওঁ
য'ত জোনাকে হাঁহিব আঁউসীৰ স'তে
ৰ'দে উমলিব বৰষাৰ সতে
চাৰিকড়ীয়াই নাচিব মলয়াৰ সতে
আৰু আমি দুয়ো মিলি যাম আকাশৰ বিশালতাত।❑

## অনুভৱ

অসমী কলিতা

ঠিকনা নিবিচাৰিলেও হ'ব মোৰ
চিৰসেউজীয়া পৰিবেশৰ
গছৰ তলত
আপোনমনে আনন্দত মত্ত নৃত্যৰতা ডেকা-গাভৰুক
য'তেই দেখিবা
সেয়াই মোৰ ঠিকনা, মোৰ পৰিচয়!
মোৰ সুগন্ধি বতাহত উল্লাসিত মোৰ অৱয়বে
মোৰ বুকুত খোজ পেলোৱা
সহস্ৰ বৰ্ণহীন মানৱ-সন্তাই আনন্দত কিৰিলিয়ায়!
উন্মনা বহাগে
ন-সাজেৰে ৰঙীয়াল হৈ চাৰিকড়ীয়াৰ পাৰত
মেল পাতে
ঢোল-পেঁপাৰ গুঞ্জণধ্বনিৰ অনুৰণনে
বিহ্বলীয়া মানৱ-সন্তাক
কৰি তোলে উন্মনা!!❑



# বহাগ

মযুৰকৃষ্ণ বৰা



জেতুকা বুলীয়া হাতৰ পৰশত
সাৰ পাই উঠে সপোন
মাজনিশা কেতেকীৰ মাতত
ভাঁহি আহে হৃদয়ৰ গান
বহাগ আহে ম'হঘূলিলৈ
যৌবনে গৰকা দেহত
অনুৰাগৰ ঢৌ।❑

# বহাগৰ স্বপ্ন

মিনতি বৰুৱা



শুকান মৰহা পাতবোৰ
বতাহে উৰুৱাই নিলে
দূৰলৈ ...
শূণ্যতাও ন কৈ গজি উঠিছে
সেউজীয়া....।
বহাগ মানেই আৰম্ভনি
নতুন দিনৰ, ন-আশাৰ
প্ৰাপ্তি আৰু সম্ভাৱনাৰ ... ।❑



# অপেক্ষা


গৌৰীমা গগৈ

তুমি আহিবা বুলি
বাৰে বাৰে ভুমুকিয়াওঁ মনৰ খিড়িকীৰে
তঁতিখনে মোৰ ব্যস্ততাৰে বাচে
আশাৰ ভমকাফুলীয়া সপোন
'বহোঁ তাঁতৰ পাটত চকু আলিবাটত'

তুমি আহিবা বুলি
সেউজী মনত ফুলে কপৌ, কেতেকী
ধূলিয়ৰি আৱৰণ দলিয়াই পিন্ধো
নতুন মাদকতা

তুমি আহিবা বুলিয়েই
ম'হঘূলি চাপৰিৰ উৰুঙা বতাহজাক মতলীয়া হয়
তালে তালে নাচে মোৰ আলফুল সপোন ...

হয়তো কঁহুৱা বিৰিণাইও গায়
প্ৰাপ্তিৰ গান, চাৰিকড়ীয়াৰ পাৰত



তুমি আহিলেই আশাবোৰ
জীপাল হয়,
সপোনবোৰৰ পাখি গজে ...
অপেক্ষাও যে মাদকতা ভৰা ... ।❑

# সাক্ষাৎকাৰ ভিত্তিক মনৰ কথা

লোহিত ডেকা ,

*আকাশবাণী ডিব্ৰুগড়*

ফাটবিহু উপভোগ মোৰ জীৱনৰ এক অভিনৱ অভিজ্ঞতা। অসমীয়াৰ জনজীৱনৰ মজ্জাত বিহু থকাৰ কথা ফাটবিহু নেদেখিলে অনুভৱ কৰিব নোৱাৰি। অসমীয়াৰ লগতে সামগ্ৰিকভাৱে মানৱ সমাজৰ, মানৱীয় সংস্কৃতিৰ সাম্প্ৰতিক পৰিবৰ্তিত প্ৰেক্ষাপটত জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিবোৰ শুদ্ধৰূপত পেকেজিং (Packeging) কৰি উপস্থাপন কৰাৰ ফাটবিহু এক সুন্দৰ উদাহৰণ। চাৰিকড়ীয়াৰ পাৰৰ সেই সুন্দৰ প্ৰাকৃতিক পৰিবেশ, থোপাথোপে বিহুৱা-বিহুৱতী, নাচিবলৈ খোপা-ৰিহা থিক কৰি থকা বিহুৱতীৰ বিহুনাম, তাকে দেখি চঞ্চল বিহুৱাৰ স্বতঃস্ফূৰ্তঃ যোৰা নাম, খিল্‌খিল্ হাঁহি, মঞ্চত প্ৰতিযোগিতা, গছৰ তলত প্ৰতিযোগিতা, গিৰিপ-গাৰাপ্ ভূমিকঁপাই নাচোনৰ ছেও— 'মাজডোখৰ' বেয়া হোৱা সত্তৰ-আশী বছৰীয়া নাচনীজনী ৰ'ব নোৱাৰি এবাৰ নাচি দিওঁতে ককাঁলটো বিষোৱাত মাটিতে ধুপুচকৈ বহি পৰা দৃশ্য, প্ৰতিযোগিতাত পুৰস্কাৰ নাপাই বিহু নামৰ জৰিয়তে দুখ প্ৰকাশ কৰি বিহুৱা ডেকাৰ দল এটাই জঁপিয়াই জঁপিয়াই বিহু মাৰি থকাৰ দৃশ্যবোৰৰ স্মৃতিয়ে প্ৰাণচঞ্চল কৰি মোক সদায় ফাটবিহুৱে ৰিঙিয়াই মাতে।❑

*সাক্ষাত গ্ৰহণ ঃ- জিতু কুমাৰ চমুৱা।*

কনমইনা গগৈ

পুৰণি বিহুৱা, ১ নং বাস্তৌ

মই সৰুৰে পৰা ঢোল বজাইছিলো। ঢোল চোৱা কামটি পিতায়ে ঘৰতে কৰিছিল। আমাৰ লগত বাস্তৌ গাঁৱত গদাপানী ফুকন (বৰ্ত্তমান জুয়েপোৱাত ঘৰ), কৈশৈ চমুৱা আদিয়ে ঢোল বজাইছিল। সৰুতে আই জীয়ৰী হৈ থকা অৱস্থাত ফাটবিহুলৈ কেনেদৰে গৈছিল আইৰ মুখতহে শুনিছিলো। এম, ভি, স্কুলৰ মুকলি পথাৰত, ঢকুৱাখনা মুগা ফাৰ্মত বিহু পাতোতে কেইবাবাৰো ঢোল বজাইছোঁ। আমাৰ





পিছৰ চামৰ ভিতৰত ডম্বৰু চমুৱা, কনেক চমুৱা, কেহুঁৰাম গগৈ আদিৰ লগতো বিহুত ঢোল বজাইছো।

সৰু হৈ থাকোতে আমাৰ পথাৰ জামুগুৰি, পুলিজৰী গুৰি, দীঘলা গাঁৱৰ বোৱাল গুৰিত চ'ত মাহৰ পোন্ধৰ দিনৰ পৰা গাভৰু সকলৰ ৰাতিবিহু আমি দেখিছিলোঁ। বহাগৰ দিন সোমোৱাৰ লগে লগে দিন বিহু আৰম্ভ হয়। সেই সময়ত গাওঁবোৰত জনসংখ্যা কম আছিল বাবে একেটা দলতে হুঁচৰি হৈছিল। এতিয়া মানুহৰ সংখ্যাও বেছি, গাঁৱত হুঁচৰিৰ দলো বহুত হ'ল। মোৰ জন্ম ১৯৩০ চন মানত হ'ব। - এতিয়া ফাটবিহু বুলি কলে গোটেইখন ৰমক-জমক হ'ল। অসমৰ সকলো ঠাইতে প্ৰচাৰ হৈছে। মানুহো এতিয়া বহুত বেছি হয়। ফাটবিহু কেইদিনৰ ভিতৰৰ এদিন বিহু চাবলৈ যাবই লাগিব।❑

মীনা চেতিয়া, পুৰণি বিহুৱতী;

চেতিয়া গাওঁ।

আমি সৰু হৈ থাকোতে ৰাতিবিহু কৰিছিলো। সেইবিহুত জীয়ৰীয়েহে নাচিব পাৰিছিল। বোৱাৰী মানুহক নচা দেখা নাছিলো। কাৰণ সেই সময়ত বোৱাৰী সকল ওৰণি তলৰ পৰা ওলাব নোৱাৰিছিল। ৰাতিবিহু খলিত ঘূৰণীয়া হৈ ৰাতি ন-দহ বজালৈকে চ'তৰ পোন্ধৰ দিন যোৱাৰ পৰা বিহু মাৰিছিল।

আগৰ ফাটবিহুৰ কথা পিতাইৰ মুখৰ পৰা শুনিছিলো। মোৰ আগৰ গাওঁ বাস্তৌৰ পৰা কিছুমান লোকে বিহুত ঢোল বজাবলৈহে গৈছিল। বিহু মাৰিবলৈ যোৱাৰ কথা শুনা নাছিলো। সেই সময়ত হাবিৰ মাজত ফাটবিহু হৈছিল। বিহু চাবলৈ গৈ এবাৰ আমাৰ গাঁৱৰ কিছুমান মানুহে বাট হেৰুৱাইছিল। হেৰোৱা মানুহ বিচাৰি গাঁৱত বহুত হুলস্থুল হোৱাৰ কথা পিতাইৰ মুখৰ পৰা শুনিছিলো।❑

পৰমা ফুকন, গুণ ফুকন

**সত্তৰ দশকৰ ফাটবিহুৰ শ্ৰেষ্ঠ বিহুৱা বঁটা প্ৰাপ্ত**

সত্তৰ দশকত এম, ভি, স্কুলৰ ফিল্ডত ফাটবিহু পাতোতে আমাৰ গাঁৱৰ বিহু দলৰ হৈ বিহু মাৰি কেইবাবাৰো পুৰস্কৃত হৈছো। তেতিয়াৰ প্ৰথম স্থান লাভ কৰিলে ৩৫ টকা পুৰস্কাৰ দিছিল। আমি ককাই-ভাই শ্ৰেষ্ঠ বিহুৱাও হৈছিলো। আমাৰ লগতে শ্ৰীমন্ত গগৈ হেমন্ত গগৈ, কেহুঁৰাম গগৈ, দিব্য ফুকন, মঞ্জু গগৈ, কৃষ্ণ গগৈ, আদিয়ে বিহু মাৰিছিল। সেই সময়ত মুকলি বিহু প্ৰতিযোগিতা গছৰ ডাল পুতি তাৰ তলত পাতিছিল। সেই সময়ৰ বিহুৰ কথা মনত পেলালে এটা ভাৱ আহে যে ঢকুৱাখনাৰ এচাম আভিজাত্যৰ ভেমত থকা লোকে ফাটবিহুক ভাল চকুৰে চোৱা নাছিল। এচামে আকৌ লুকাই লুকাই ফাটবিহুত অংশ গ্ৰহণ কৰিছিল। সেইসময়ৰ পৰা আমি কম বেছি পৰিমাণে প্ৰত্যেক বছৰ ফাটবিহুত নিজকে জড়িত কৰিছো। জড়িত কৰি অনন্ত সুখ লাভ কৰিছো। ফাটবিহু বিশ্বমুখী জয় যাত্ৰা অব্যাহত থাকক। এই ক্ষেত্ৰত উদীয়মান সকলো ঢকুৱাখনাবাসী আৰু ফাটবিহু প্ৰেমীয়ে অধিক ত্যাগী মনোভাবেৰে কষ্ট কৰিব লাগিব।❑

*সাক্ষাৎ গ্ৰহণ, বিনোদ ফুকন।*





# ঁসখিধৰ দত্তৰ সোঁৱৰণী পৃষ্ঠা

# ঁসখিধৰ দত্তৰ সোঁৱৰণত

জগদীশ গগৈ

*"ভাগি গ'ল বীণ খনি ছিগি গ'ল তাঁৰ,*
*ৰৈ গ'ল অৱশেষ অমিয়া জোঁকাৰ।"*

গাঁৱৰ এজন সাধাৰণ সৰল-সহজ, শান্ত-শিষ্ট, হালোৱা-হজুৱা লোক হলেও, বৰুৱাটিকা গাঁৱৰ সখিধৰ দত্ত আছিল অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী, কষ্ট-সহিষ্ণু, সৰবৰহী, মানৱ-দৰদী, গুণৱান ব্যক্তি হিচাবে ঢকুৱাখনাৰ বিভিন্ন গঁৱৰ মানুহৰ মাজত সুপৰিচিত। দেউতাকে হয়তো দকৈ ভবি-চিন্তি চাই পুতেকৰ নাম ৰাখিছিল 'সখিধৰ'— এটা অৰ্থপূৰ্ণ নাম। তেওঁ আছিল অঞ্চলৰ সকলো মানুহৰে সখি, ত্ৰাণকৰ্তা।? বিশ্বইতিহাসৰ এক লোমহৰ্ষক বৰ্ষ হিচাবে চিহ্নিত ১৯১৪ চনত যুদ্ধৰ দামামা বাজি উঠাৰ লগে লগে সূত্ৰপাত হৈছিল প্ৰথম বিশ্বযুদ্ধৰ। যি সময়ত যুদ্ধৰ ভয়ানক পৰিস্থিতি দেখি বিশ্বৰ চতুৰ্দিশে শান্তি-প্ৰিয় মানুহ ভয়তে পেঁপুৱা লাগি আছিল, তেনে এক আতংকিত দিনত সখিধৰে জন্ম গ্ৰহণ কৰিছিল। শৈশৱত প্ৰাথমিক স্কুলৰ যৎসামান্য শিক্ষা লাভ কৰিছিল। তেওঁৰ লগত ৰোগ-ব্যাধিৰ কথা পাতিলে, তেওঁৰ ৰসাল কথা শুনি খন্তেকৰ কাৰণে হ'লেও ৰুগীয়াজনে দুখ-যান্ত্ৰণা পাহৰি অলপমান শান্তি অনুভৱ কৰিছিল।

এটা সৰু সুখী পৰিয়ালৰে সখিধৰে জীৱন অতিবাহিত কৰিছিল। তেওঁ ঘাইকৈ খেতি-বাতিৰ ওপৰতে নিৰ্ভৰ কৰি পৰিয়ালটোৰ ভৰণ-পোষণ কৰিছিল। তেওঁৰ পত্নীৰ নাম লুথুৰী দত্ত, চাৰিজনী ছোৱালী আৰু একমাত্ৰ ল'ৰা গোবিন। বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদিৰ উন্নয়নমূলক কাম-কাজত গোবিন দত্ত ওতঃপ্ৰোতভাবে জড়িত হৈ আছে। সখিধৰ অশিক্ষিত হ'লেও শিক্ষানুৰাগী লোক আছিল বাবেই পুতেক গোবিনক ঢকুৱাখনা বালিকা মধ্য-ইংৰাজী বিদ্যালয়ত নাম ভৰ্ত্তি কৰাইছিল। স্কুলখনত ছাত্ৰীৰ সংখ্যা নিচেই কম আছিল। প্ৰধান শিক্ষয়িত্ৰীয়ে উপাইহীনহৈ সখিধৰক অনুৰোধ কৰিলে যে গোবিনে প্ৰাথমিক শিক্ষা সাংকৰাৰ পিছত তেওঁৰ স্কুলতে পঢ়িব লাগে। তেতিয়া গোবিনকে দেখি লগৰীয়াবোৰেও আহিবলৈ মন মেলিব। সখিধৰ ব্যতিক্ৰমী মানুহ, যেনে কথা তেনে কাম। প্ৰধান শিক্ষয়িত্ৰীৰ কথা দলিয়াই পেলাব নোৱাৰি ওচৰে-পাজৰে থকা বহুমানুহক তেওঁলোকৰ ল'ৰা-ছোৱালী উক্তস্কুলত পঢ়াবৰ বাবে অনুৰোধ জনোৱাত গোবিনৰ লগৰীয়া সাত-আঠজনমানে নাম লগালে। সেই স্কুলৰ পৰা এম, ই, পাছ কৰাৰ পিছত ঢকুৱাখনা হাইস্কুলত গোবিনহঁত পঢ়িবলৈ গ'ল।





সখিধৰ ঢকুৱাখনা অঞ্চলৰ এজন নামী চিকিৎসক। যিকালত চিকিৎসালয় বিলাকত চিকিৎসাৰ সুব্যৱস্থা নাছিল, উত্তৰ লখিমপুৰ কিম্বা ডিব্ৰুগড়লৈ যোৱাৰ সুগম পথ আৰু যাতায়তী ব্যৱস্থা নাছিল, সেইকালত সখিধৰৰ বনৌষধি চিকিৎসাই বহু ৰোগাক্ৰান্ত লোকক মৃত্যুৰ গৰাহৰ পৰা উদ্ধাৰ কৰিছিল। উল্লেখ্যযে, ঢকুৱাখনা হস্পিতেলৰ তদানীন্তন কম্পাউণ্ডাৰ ঁকালীনাথ বৰুৱাইও জন্দিচ, বলিয়া মেস্কৰ, টাইফয়েদ আদি বেমাৰত আক্ৰান্ত লোকক সখিধৰৰ ওচৰলৈ যাবলৈ কৈছিল। তেওঁক ঢকুৱাখনা অঞ্চলৰ 'ধনন্তৰী-বেজ' বুলি কব পাৰি। পিত্ত, পৰা, হাড়-জোৰা, ঘোঁৰা শলখা, মূৰেধৰা, নিমুনিয়া, নাকৰ পৰা তেজ ওলোৱা, ডিম্বশিৰা, বমিহোৱা, গাত খজুৱতি হোৱা, তিৰুতাৰ গা-চলা আদি বেমাৰ বিলাক তেওঁ বনৌষধৰ দ্বাৰা ভাল কৰিছিল। বৰ্ত্তমান সময়ত বনৌষধি গছ-বন-লতাৰ বহু প্ৰজাতি বিলুপ্ত হৈ গৈছে, তেওঁৰ বাৰীত এতিয়াও বহু দুষ্প্ৰাপ্য ঔষধি উদ্ভিদ আছে। সেই বিলাক তেওঁ নিজে বিচাৰি আনি ৰুই থৈছিল।

একালত সখিধৰ আছিল অঞ্চলটোৰ ভিতৰতে এজন পাকৈত বিহুৱা। চাৰিকড়ীয় নৈৰ পাৰৰ বালি-চাপৰি, আঁহত-বৰগছৰ তল কোনো কোনো বছৰত নিমাও নিজান হৈ আছিল। বহাগ বিহুৰ দিনকেইটাত কাণ ঠিলা মাৰি থাকিলেও শুনা পোৱা ঢোল-পেঁপা-গগণাৰ মাত, চাৰিওফালে ৰজন্‌জনাই যোৱা জাউৰিয়ে-জাউৰিয়ে গোৱা বিহু নাম আৰু আনন্দ-উল্লাসৰ ধ্বনি স্তব্ধপ্ৰায় আছিল যি সময়ত, সেইসময়ত কেইজনমান ব্যৱসায়ী লোকে গোট খাই ছেগা-চোৰোকাকৈ ঢকুৱাখনা হাটত বিহু মাৰিছিল। ঢকুৱাখনা থানাৰ গাতে লাগি থকা বজাৰত (বৰ্ত্তমান চাৰিআলি) আঁহত গছৰ তলত তেওঁলোকে, যথাক্ৰমে কেশীৰাম কোঁৱৰ (গাওঁবুঢ়া), কুঁহিৰাম দাস, সখিধৰ দত্ত, মুক্তি হাজৰিকা, পানীৰাম চুতীয়া, সৰ্ব্বেশ্বৰ শৰ্মা, পানীৰাম দুৱৰা, বাঁহগাঠি দাস, টেবা চেতীয়া, মহেশ্বৰ সুত, লংকা গোঁহাই, মালিবৰ দাস আদিয়ে মানুহ বিহুৰ পিচদিনা আবেলি বিহু কৰিছিল। প্ৰথমে বিহু আৰম্ভ কৰিছিল হাত চাপৰি বজাই; তাৰ মাজতে দুজন মানে গৈ বালিগাওঁৰ কাৰোবাৰ ঘৰৰ পৰা ঢোল-তাল আনে; লংকা গোঁহায়ে কান্ধত ঢোল লৈ চাপৰ মাৰে; সৰ্ব্বেশ্বৰে বজায় তাল; কুঁহিৰাম, সখিধৰ, মুক্তি, টেবা , মহেশ্বৰে বিহু নাম গায়; বাঁহগাঠি, মালিবৰে নাচে; দুই পানীৰামে মাজে মাজে বহুৱালি কৰি দেখুৱায়। সেয়াই আছিল ঢকুৱাখনা বজাৰৰ বিহু।

শেষত, সমাজ কৰ্মী গোবিন দত্তৰ পিতৃ, ঢকুৱাখনাৰ অন্যতম স্মৰণীয় ব্যক্তি, ব্যাধিগ্ৰস্ত মানুহৰ ত্ৰাণকৰ্তা সখিধৰ দত্তৰ (মৃত্যু- ৪ ফেব্ৰুৱাৰী ১৯৮৩) বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো।❑

# মোৰ শহুৰ দেউতাৰ সান্নিধ্যৰ মধুৰ স্মৃতিৰে

*হেমপ্ৰভা দত্ত*

এই বিনন্দীয়া পৃথিবীত নাৰী হ'ল ধৈৰ্য্য আৰু সহনশীলতাৰ প্ৰতীক। নাৰী জাতিক স্ৰজন কৰোতাই যেন দুখন ঘৰত বাস কৰিবলৈ মানসিক প্ৰেৰণা দিয়েই স্ৰজন কৰিছে। জীৱনৰ প্ৰথমছোৱাত পিতৃ গৃহত আৰু পাচৰছোৱা স্বামী গৃহত। নাৰীৰ আচল জীৱন হ'ল স্বামীগৃহত বাস কৰা সময় ছোৱাহে। সেই সময়ছোৱাত নাৰীয়ে সাংসাৰিক জীৱনৰ পাতনি মেলি জীবনৰ পূৰ্ণতা লাভ কৰে। এখনি অচিন ঘৰত ন ন অভিজ্ঞতাৰে নিজকে খাপখুৱাই একাত্মবোধ হ'ব পৰাটোহে নাৰীৰ জীৱনৰ আচল সফলতা। বৰ্তমানৰ পুৰুষ প্ৰধান সমাজখনত নানা ঘাট প্ৰতিঘাতৰ মাজেৰে নাৰীয়ে জীৱন অতিবাহিত কৰিব লগা হয়। শহুৰ-শাহুৰ আৰু স্বামীৰ মৰম- চেনেহত কাৰোবাৰ জীৱন সুখৰ হয় আৰু শহুৰ-শাহুৰ আৰু স্বামীৰ অত্যাচাৰত কাৰোবাৰ জীৱন দুৰ্বিসহ হৈ পৰে।

ন-বোৱাৰী হৈ স্বামী গোবিন দত্তৰ ঘৰলৈ আহি লগ পাঁও শহুৰ সখিধৰ দত্ত আৰু ননদ তিলোত্তমা দত্তক। এখন সৰু সুখী সংসাৰ। বিয়াৰ কেইবাবছৰৰো আগৰে পৰাই স্বামীৰ লগত চিনাকি আছিল যদিও আনৰ কথা শুনি শহুৰ দেউতাই প্ৰথমে বিয়াত সন্মতি দিয়া নাছিল পিছত একমাত্ৰ পুত্ৰৰ মুখলৈ চাই সন্মতি দিয়াৰ পাচতহে আমি বিবাহত বহোঁ। তথাপি ভয় আৰু শঙ্কাৰ মাজেৰে স্বামী গৃহত প্ৰবেশ কৰি প্ৰথমে অজান আশংকাত শিহঁৰি উঠিছিলো। শহুৰৰ ব্যৱহাৰে জানোচা মোৰ জীৱটো অশান্তিময় কৰি তোলে। জীৱনৰ প্ৰথম দিনা (১৯৭৯ চনৰ জুলাই মাহ) স্বামীৰ সৈতে শহুৰ দেউতাৰ ওচৰত আঁঠুলৈ সেৱা কৰোতেও শংকা মিহলি ভাবেৰেই চৰণ চুই থাকোতে দেউতাই দিয়া আৰ্শীবাদত আপ্লুতহৈ ভাবিছিলো মোক পুত্ৰ বোৱাৰী হিচাপে গ্ৰহণ নকৰো বুলি বাৰম্বাৰ কোৱা মানুহজন আৰু আজি শহুৰ হিচাপে পোৱা এইজন মানুহ যেন দুজন বেলেগ মানুহ। ধাৰ্মিক, জ্ঞানী, শাস্ত্ৰজ্ঞ, বাস্তৱবাদী, সত্যবাদী, আৰু পৰোপকাৰী শহুৰ দেউতাই পাচলৈ মোক বোৱাৰীৰ মৰ্যাদা দিয়াৰ উপৰিও নিজৰ জী হিচাপেহে গণ্য কৰিছিল। অকালতে পত্নীক হেৰুওৱা শহুৰ দেউতাই মোক কোনোদিনেই অভব্য আচৰণ কৰা নাছিল। মাতৃগৃহলৈ যাবলৈ ওলাই সেৱা কৰিবলৈ যাওঁতে আৰু বছেৰেকৰ বিহুত শহুৰ দেউতা আৰু স্বামীক সেৱা কৰিব খুজোতে দেউতাই সেৱা কৰিবলৈ নিদি মোক উপদেশ দিছিল আই তই মানুহক দেখুৱাই আৰু কোনোদিনেই কাকো সেৱা নকৰিবি আৰু মোকো সেৱা কৰিব নালাগে।





অন্তৰৰ সেৱাহে আচল সেৱা। দেউতা বহু ক্ষেত্ৰত স্পষ্টবাদী মানুহ আছিল। কোনোবাই কাৰোবাক অন্যায় কৰা বা হিংসা কৰাটো কেতিয়াও সহ্য নকৰিছিল। দেউতা আছিল ঢকুৱাখনা অঞ্চলৰ প্ৰখ্যাত কবিৰাজ (বেজ)। ঔষদ নিবলৈ অহা কোনো মানুহকে চাহ তামোল নোখোৱাকৈ ঘূৰাই নপঠাইছিল। দেউতাৰ সান্নিধ্যতেই অতিথি আপ্যায়নো যে মানৱ জীৱনৰ পৰম ধৰ্ম্ম এইকথা উপলব্ধি কৰিছিলো। মোৰ স্বামীয়ে যাতে কু-পথত ভৰি নিদিয়ে তাৰ বাবে জীৱনৰ অন্তিম দিনলৈ দেউতাই স্বামীক শাসন কৰিছিল।

শহুৰ দেউতাৰ কথা মনলৈ আহিলেই মোৰ স্বামীৰ বাই ভনী সকললৈও মনত পৰে। সকলোৰে জীৱন দেউতাৰ আদৰ্শতেই গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। স্বামীৰ ডাঙৰ বায়েক ৰত্ন প্ৰভা দত্ত, মাজুৰ বায়েক জয়ন্তী দত্ত, বুলুমাই দত্ত আৰু ননদ তিলোত্তমা দত্তৰ মোৰ প্ৰতি থকা মৰম চেনেহ, আদৰ-যত্ন আৰু হেঁপাহে মোৰ মনত পাহৰিব নোৱাৰা সাঁচ বহুৱাইছে। কোনো সমস্যাত জৰ্জৰিত হলেও কোনো দিনেই দুখত ভাগি নপৰা মোৰ স্বামীয়ে মাজে মাজে মোক কয় – "মনত পৰাৰ পৰা মোৰ মাক মাত্ৰ চাৰি বছৰ মানহে লগ পাইছিলো। উক্ত সময়খিনিত মা-দেউতাৰ মাজত খুত্-খাত্ লাগিলেও দেউতাই মাক মাৰিবলৈ কোনো দিনেই হাত দঙা দেখা নাছিল। সাংসাৰিক জীৱনত দ্বন্দ-খৰিয়াল থাকেই। স্বামীয়ে বেয়া পোৱা কথাবোৰ পত্নীয়ে এৰাই চলিবলৈ যত্ন কৰিব লাগে আৰু পত্নীয়ে বেয়া পোৱা কথাবোৰো স্বামীয়ে এৰাই চলিবলৈ যত্ন কৰিব লাগে। হাজাৰ খঙতো স্বামীয়ে পত্নীক মাৰপিট কৰাৰ কোনো অধিকাৰ নাই। পত্নীয়ে দোষ লগালে যদি স্বামীয়ে মাৰধৰ কৰে তেন্তে স্বামীয়ে দোষ লগালে পত্নীয়েও মাৰধৰ কৰাৰ অধিকাৰ থাকিব লাগিব। গতিকে চৰম মূহুৰ্ত্ততো তুমি মোৰ পৰা সেই ব্যৱহাৰ নাপাওঁ বুলি ধৰি লবা।" – কথাবোৰ ভাবি নিজেই গৌৰৱ অনুভৱ কৰো। চিন্তা কৰো এই শিক্ষাও বাৰু স্বামীয়ে অশিক্ষিত পিতৃৰ পৰাই পোৱা নেকি?

শহুৰ দেউতাক বোৱাৰী হিচাপে মই মাত্ৰ চাৰিবছৰমানহে পাইছিলো। সেই কম দিনত তেখেতৰ পৰা পোৱা উপদেশ আৰু জ্ঞানে মোৰ জীৱনত গভীৰভাবে সাঁচ বহুৱাই থৈ গ'ল। স্বনামধন্য শহুৰ দেউতাৰ পবিত্ৰ স্মৃতিত এই এষাৰ কথা লিখিবলৈ পাই নিজকে ধন্য মানিছো। আমাৰ আতিকৈ চেনেহৰ, হিয়াৰ আমঠু এইবছৰৰ ফাট বিহু উপলক্ষে স্বামীয়ে প্ৰকাশ কৰিবলৈ লোৱা বিহুৱানখনিৰ বাবে আমি পৰিয়ালৰ আটাইয়ে আনন্দিত আৰু গৌৰবান্বিত। ফাট বিহুটিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।❑

**প্ৰতিবেদন**

# ফাটবিহু সমিতিৰ সভাপতিৰ একাষাৰ

ঐক্য, সম্প্ৰীতি, সমন্বয়ৰ উৎসব হৈছে ফাটবিহু। ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ ফাটবিহুতলী খনি হৈছে বিভিন্ন ধৰ্ম্ম, সম্প্ৰদায়ৰ ভেদাভেদ পাহৰি একমন, একপ্ৰাণ লৈ মিলিত হোৱা অন্য এক তীৰ্থস্থান। ঢকুৱাখনাৰ ফাটবিহুৱে শ বছৰৰ আগতে যি নিজস্ব এক সুকীয়া বৈশিষ্ট্যবহন কৰিছিল তাক আজিৰ আনুষ্ঠানিক বিহুৱে বহন কৰিব নোৱাৰাটোৱেই স্বাভাৱিক। কিন্তু ফাটবিহুৰ সেই অতীতৰ বৈশিষ্ট্য নাথাকিলেও ইয়াৰ যে এটা নিজা সুকীয়া স্বকীয় বৈশিষ্ট্য আৱৰ্তমান তাক সৰ্বজনে স্বীকাৰ কৰি লৈছে। ফাটবিহু সমিতিয়ে উদ্‌যাপন সমিতি তথা ঢকুৱাখনাবাসীৰ সহযোগত সেই কালজয়ী বৈশিষ্ট্য অটুত ৰখাত যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। কিন্তু পৰিবৰ্তিত পৰিস্থিতিত ভৱিষ্যতে ফাটবিহুটি এই একে বৈশিষ্ট্যৰেই মহীয়ান হৈ থাকিব পাৰিবনে নোৱাৰে একেআষাৰে কব নোৱাৰিম। ঢকুৱাখনাৰ নৱপ্ৰজন্মলৈ আবেদন এইয়ে যে তেওঁলোকে ফাটবিহুৰ মহানতাক অনুভৱ কৰি ইয়াৰ স্বকীয় বৈশিষ্ট্য বিনষ্ট হ'বলৈ নিদি ইয়াক জগত সভাত প্ৰতিষ্ঠাপিত কৰিবলৈ পূৰ্ণ প্ৰচেষ্টা গ্ৰহণ কৰিব।

'ফাটবিহুৰ' নামটিক লৈ এতিয়াও অধ্যয়ন চলি আছে। 'ফাটবিহু' নামৰ উৎপত্তিক লৈ বিজ্ঞ সকল এতিয়াও একমতত উপনীত হ'ব পৰা নাই। যিসকল বিজ্ঞ ব্যক্তিয়ে ফাটবিহুৰ ওপৰত অধ্যয়ন, গৱেষণা কৰি আছে সেই সকললৈ আমাৰ আবেদন যে তেখেত সকলে যেন প্ৰকৃত সত্য উদঘাটন কৰি এই বিষয়টিৰ এটি সুস্থ সমাধান আনি দিয়ে।

যোৱাবছৰ (২০০৭ চন) ফাটবিহু উদ্‌যাপনৰ আগে আগে আমি ঢকুৱাখনাবাসীক আবেদন জনাইছিলো যে ফাটবিহু উপভোগ কৰিবলৈ আহোঁতে যেন জাতীয় সজপোছাক পৰিধান কৰে। আমি অতি গৌৰৱান্বিত যে এই আবেদনলৈ সহাঁৰি জনাই বিহুতলীত সমবেত প্ৰায় ৬০ শতাংশই জাতীয় সাজপাৰ পৰিধান কৰিছিল। আমি আশা কৰিছোঁ অনাগত দিনত ইয়াৰ পৰিমাণ ১০০ শতাংশ হ'বগৈ।





কেইবছৰ মানৰ আগতে অসমৰ বিভিন্ন প্ৰান্তত বিহুৱতী সকলে মুগাৰ ছেট্ পৰিধান কৰি বিহু প্ৰদৰ্শন কৰিছিল। কিন্তু বৰ্তমান মুগাৰ ছেটৰ ঠাইত মুগা ৰিহা-মেখেলা পৰিধান কৰিবলৈ আৰম্ভ কৰিছে। ইয়ো ফাটবিহুৰ সুদূৰ প্ৰসাৰি প্ৰভাৱ যাক লৈ আমি গৌৰৱ কৰিব পাৰোঁ।

ফাটবিহু তলীখনিক জাকত জিলিকা এখনি পৰ্যটন ক্ষেত্ৰলৈ ৰূপায়িত কৰাৰ চেষ্টা অব্যাহত ৰখা হৈছে। লগতে ইয়াক উন্নয়ন কৰাৰ ক্ষেত্ৰত প্ৰাকৃতিক পৰিবেশ যাতে বিনষ্ট নহয় তালৈ গভীৰভাৱে লক্ষ্য ৰখা হৈছে। বিহুতলীলৈ যোৱা মূল পথটি যোৱাবছৰ নিৰ্মাণ কৰি লখিমপুৰ জিলাৰ উপায়ুক্ত মাননীয় শ্ৰীযুত মনিষ ঠাকুৰ দেৱে ৰাইজৰ বাবে অনুষ্ঠানিক ভাৱে মুকলি কৰিছিল। কিন্তু যোৱা বছৰ বানপানীয়ে ইয়াৰ ক্ষতি সাধন কৰাত এইবছৰ পুণৰ অতি তৎপৰতাৰে উপায়ুক্ত মহোদয়ে পূণাঙ্গ ৰূপ দিছে। মাননীয় উপায়ুক্ত মহোদয়ৰ লগতে পথ নিৰ্মাণৰ কামত জড়িত সমূহ ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ফাটবিহুৰ পদূলিৰ সন্মুখত এখনি স্থায়ী তোৰণ নিৰ্মাণৰ বাবে ফাটবিহুৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত ব্যক্তি লখিমপুৰ জিলাৰ জিলা গ্ৰাম্য অভিকৰণৰ প্ৰকল্প সঞ্চালক মাননীয় শ্ৰীযুত চন্দ্ৰ নাথ পেগু দেৱে নিজাববীয়াকৈ লক্ষাধিক টকা আগবঢ়াইছে। বৰ্তমান উক্ত তোৰণ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। শ্ৰদ্ধেয় শ্ৰীযুত চন্দ্ৰ নাথ পেগু দেৱলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰাৰ লগতে তেখেতৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

ফাটবিহু উদ্‌যাপনৰ সময়ত নিজাববীয়া এটি অতিথিশালাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হয়। এই অভাৱ দূৰ কৰিবৰ বাবে লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী (বৰ্তমান প্ৰাক্তন) মহোদয়া শ্ৰীযুক্তা মনিকা পাতিৰ ডাঙৰীয়ানীক অনুৰোধ জনোৱা হৈছিল। আমাৰ অনুৰোধ ৰক্ষা কৰি তেখেতৰ কাৰ্যকালত উক্ত অতিথি শালা নিৰ্মাণৰ বাবে পোন্ধৰ লাখ টকাৰ অনুমোদন দিয়ে। ইতিমধ্যে অতিথিশালাৰ আনুষ্ঠানিক আধাৰশিলা স্থাপন কৰা হয়। আমি আশা কৰিছোঁ অতিথি শালাৰ নিৰ্মাণ কাৰ্য অতি সোনকালে আৰম্ভ হ'ব আৰু ফাটবিহুৰ এটি স্থায়ী অভাৱ দূৰ হ'ব। শ্ৰীযুক্তা মনিকা পাতিৰ ডাঙৰীয়ানীলৈ আমি আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ফাটবিহুৰ বছেৰেকীয়া প্ৰকাশ *'বিহুৱান'* প্ৰকাশৰ বাবে প্ৰয়োজনীয় সম্পূৰ্ণ খৰচ বিগত কেইবছৰৰ দৰে এইবছৰো বহন কৰিবলৈ আগবাঢ়ি আহিছে ফাটবিহুৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত ব্যক্তি, ফাটবিহু উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি শ্ৰদ্ধেয় শ্ৰীযুত গোবিন দত্ত দেৱ। শ্ৰদ্ধেয় শ্ৰীযুত গোবিন দত্ত দেৱৰ লগতে তেখেতৰ পৰিয়াল বৰ্গলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ঢকুৱাখনা বাসীৰ হিয়াৰ আমঠু, সংস্কৃতিৰ অন্যতম বাহক, মহামিলনৰ তীৰ্থ ফাটবিহুটিক সঠিক দিশত আগুৱাই নিবলৈ ঢকুৱাখনা বাসীয়ে ফাটবিহু সমিতিৰ সভাপতি হিচাপে আমাক মনোনীত কৰিছিল। এই দিশত অগ্ৰসৰ হওঁতে ফাটবিহু সমিতিৰ সম্পাদককে ধৰি সমূহ কৰ্মকৰ্তাৰ সহযোগ প্ৰতিক্ষণতে লাভ কৰি আহিছোঁ। ইয়াৰোপৰি সকলোৰে উৰ্দ্ধত ঢকুৱাখনাবাসী ৰাইজৰ অকুণ্ঠ সহাঁৰি আমি লাভ কৰিছোঁ। স্থানীয় প্ৰশাসন, জিলা প্ৰশাসনেও আমাক সহায় কৰি আহিছে। ইমানবোৰ সহায়-সহযোগ, দিহা-পৰামৰ্শৰ পাছতো কিন্তু সভাপতি হিচাপে সফল হ'ব পাৰিছো বুলি আমি নাভাবো। ফাটবিহুক মহীয়ান কৰাৰ ক্ষেত্ৰত ঢকুৱাখনাবাসীৰ লগতে ফাটবিহুক ভাল পোৱা সমূহ ব্যক্তিৰ গঠনমূলক দিহা-পৰামৰ্শ তথা সহযোগিতা পুণৰ কামনা কৰিলোঁ।

আহক আমি সকলোৱে মাউখে উটি ফাটবিহুক মহীয়ান কৰোঁ।

ফাটবিহু ফুলে-ফলে জাতিষ্কাৰ হোৱাৰ কামনাৰে-

(কেশৱ গগৈ)

সভাপতি, ফাটবিহু সমিতি



# ফাটবিহু সমিতিৰ সম্পাদকৰ মেজৰ পৰা

অসমৰ লোক সংস্কৃতি নানান বৈচিত্ৰময় লোক-উৎসৱেৰে ভৰা এক চহকী আৰু বিশাল সংস্কৃতি। অসমৰ লোক-উৎসৱ সমূহৰ ভিতৰত বৰ অসমৰ আটাইবোৰ জাতি-জনগোষ্ঠীৰে অতি আদৰৰ আৰু অতি চেনেহৰ ৰঙালী বিহুটি হ'ল - ৰং ৰহইচ আৰু আনন্দৰ ৰহঘৰা। ৰং ৰহইচেৰে উৰুলীকৃত হৈ, জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোটি মিলি নতুন বছৰটিক আদৰাৰ লগতে পৰস্পৰে পৰস্পৰৰ মাজত সম্প্ৰীতিৰ এনাজৰীৰে আকৌ এবাৰ বছৰটোলৈ নতুনকৈ বান্ধ খায়।

ঢকুৱাখনাবাসী ৰাইজেও ব'হাগৰ এই ৰঙালী বিহুৰ লগতে আন এক স্বকীয় লোক উৎসৱৰ সৈতে আজি শ শ বছৰ ধৰি জড়িত হৈ আহিছে। এই লোক উৎসৱ ঢকুৱাখনাবাসী জাতি জনগোষ্ঠীৰ সকলো ৰাইজৰ নিজস্ব, বাপতি সাহোন, হিয়াৰ আমঠু *ফাটবিহু*। ইতিহাসৰ পাতত হেৰাই যোৱা কালৰে পৰা চাৰিকড়ীয়াৰ ফাটত ঢোলৰ গুম্‌গুমনি, পেঁপাৰ টিঁহিটি মাত, জাত জাত বিহু নামৰ সুৰ আৰু বিহুৱা বিহুৱতীৰ নাচোনে আজিও আকাশ বতাহ তোলপাৰ লগায়। আজিও আগৰ দৰেই বিহুৱলীয়া ৰাইজ ফাটবিহুৰ তলীলৈ হিল দ'ল ভাঙি ঢপলিয়াই আহে - বছৰটোৰ বাবে হেঁপাহ পলোৱাই ৰঙালী বিহুটিক নয়ন ভৰি চাবলৈ, বিহু নাম, পেঁপাৰ মাত শুনি হৃদয় শাঁত পেলাবলৈ আৰু চিনাকি অচিনাকি মুখবোৰ চাই পৰাণ জুৰাবলৈ। ঢকুৱাখনাবাসী সকলো জনগোষ্ঠীৰ অতি চেনেহৰ অনুষ্ঠান ফাটবিহু সমিতিৰ সম্পাদকৰ গুৰুভাৰ অৰ্পণ কৰি আমাক চিৰকাললৈ ধন্য কৰিলে। এনে মহান দায়িত্ব পালন কৰিবলৈ আমাৰ যোগ্যতা আছে বুলি নাভাবো যদিও "পক্ষীসৱ উৰয় যেন পশা অনুসাৰে" বুলি শপত লৈ এই ৰাজহুৱা গুৰু দায়িত্ব পালন কৰিবলৈ মৰসাহ কৰিলো। আমাৰ কৰ্মৰ বিচাৰ-বিবেচনাৰ ভাৰ ৰাইজলৈ এৰিলো।

লোক উৎসৱৰূপে ফাটবিহুৰ নিজস্ব বৈশিষ্ট আৰু ঐতিহ্য আছে। লুইতৰ উত্তৰ পাৰৰ পৰা সোৱনশিৰিৰ পূব পাৰলৈকে জিনি থকা বিশাল ভূ-খণ্ডৰ সকলো জাতি-জনগোষ্ঠীৰ লোক জড়িত হৈ থকা ইয়েই একমাত্ৰ লোক উৎসৱ আৰু সাংস্কৃতিক অনুষ্ঠান। এই ভূখণ্ডৰ আন কোনো অনুষ্ঠানৰ লগত ইমান বৃহৎ সংখ্যক জনগোষ্ঠী জড়িত হৈ থকা নাই। গতিকে সৰ্ব লোকৰ আপোন এই বিৰাট অনুষ্ঠানটি স্বকীয় ঐতিহ্য বজাই ৰাখিবলৈ হ'লে সু-পৰিকল্পিত কৰ্ম আঁচনিৰে সঠিকভাৱে অগবঢ়াই নিব লাগিব। কিন্তু ই আমাৰ দৰে এজন কম অভিজ্ঞতা সম্পন্ন লোকৰ বাবে এই কাম বৰ সহজ সাধ্য নহয়। কাৰণ এই বিৰাট অনুষ্ঠানটিৰ লগত যিহেতু সকলো ৰাইজ জড়িত হৈ আছে গতিকে সকলোটিৰে দিহা-পৰামৰ্শ মতামতক আমি গুৰুত্ব সহকাৰে লৈ সেৱা ধৰিবই লাগিব। এই বিষয়ত আমি সদায় সজাগ, আমি কোনো

কাৰণতে এই ঐশ্চৰ্য্যময় সম্পদটিৰ কোনো ধৰণৰ হানি বিঘিনি নোহোৱাকৈ ৰক্ষা কৰাত দৃঢ়ভাৱে সংকল্পিত হৈ আছো আৰু ভৱিষ্যতেও থাকিম।

আমাৰ কাৰ্যকালত ইতিমধ্যে গ্ৰহণ কৰা কেইটামান কৰ্ম আঁচনিৰ বিষয়ে ইয়াৰ জৰিয়তে ৰাইজক জ্ঞাত কৰিব খুজিছো।

(ক) ফাটবিহুৰ তলীলৈ অহা এটা স্থায়ী পথ "ফাটবিহু পদূলি" লখিমপুৰ জিলাৰ মাননীয় উপায়ুক্ত শ্ৰীযুত মনিষ ঠাকুৰৰ প্ৰতক্ষ্য সহযোগত আমি যোৱা বছৰ নিৰ্মাণ কৰি উলিয়াবলৈ সক্ষম হৈছিলো। কিন্তু পৰিতাপৰ বিষয় যে, যোৱাবছৰ ফাটবিহু উদ্‌যাপন কৰাৰ কেইদিন মানৰ পিছতেই বানপানীৰ কবলত পৰি এই নৱ নিৰ্মিত পথচোৱা বিস্তৰ ক্ষতি হয়। লখিমপুৰ জিলাৰ উপায়ুক্ত শ্ৰদ্ধেয় শ্ৰী ঠাকুৰ ডাঙৰীয়াক এই পথচোৱা পুনৰ নিৰ্মাণৰ বাবে আমি আবেদন জনাইছিলো। আমাৰ আবেদনক যথোচিত সহঁৰি জনাই উপায়ুক্ত মহোদয়ে পথচোৱা পুনৰ নিৰ্মাণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। এই পথচোৱা পকী কৰণ কৰাৰ কথা আছিল যদিও বতৰৰ প্ৰতিকূল অৱস্থাৰ কাৰণে ২০০৮ চনৰ ফাটবিহু উদ্‌যাপনৰ আগে আগে সম্পূৰ্ণ কৰিব পৰা নগ'ল। বতৰৰ অৱস্থা অনুকূল হোৱাৰ লগে লগেই এই কাম সম্পূৰ্ণ হ'ব বুলি আমি আশা কৰিব পাৰো। এই পথচোৱা নিৰ্মাণৰ কাৰণে উপায়ুক্ত মহোদয়ে লোৱা উদ্যোগ আৰু আন্তৰিকতাৰ কথা আমি শ্ৰদ্ধাৰে সোঁৱৰি থাকিম। তেখেতলৈ সমূহ ফাটবিহু প্ৰেমী ৰাইজৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনালো।

(খ) ফাটবিহুৰ পদূলিত এখনি স্থায়ী তোৰণৰ প্ৰয়োজন আমি সকলোৱে অনুভৱ কৰিছিলো। যোৱাবাৰ ফাটবিহু উদ্‌যাপনৰ তৃতীয় দিনা মুকলি বিহু উদ্বোধন কৰি দিয়া ভাষণত লখিমপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক তথা ফাটবিহুৰ লগত সুদীৰ্ঘ কাল ওতঃপ্ৰোত ভাৱে জড়িত শ্ৰদ্ধেয় শ্ৰীযুত চন্দ্ৰ নাথ পেগু ডাঙৰীয়াই ফাটবিহু তলীলৈ অহা মূল পথত (ফাটবিহু পদূলি) এখনি স্থায়ী তোৰণ নিৰ্মাণ কৰি দিম বুলি ৰাজহুৱাভাৱে প্ৰতিশ্ৰুতি দিছিল। তেখেতে এই প্ৰতিশ্ৰুতি অতি আন্তৰিকতাৰে পালন কৰি লক্ষ্যাধিক টকাৰ ব্যয়ৰে এখনি তোৰণ নিৰ্মাণ কৰিবলৈ ফাটবিহু সমিতিক দায়িত্ব দিয়ে। বতৰৰ প্ৰতিকূল পৰিবেশৰ বাবে তোৰণ নিৰ্মাণৰ কাম সম্পূৰ্ণ শেষ কৰিব পৰা নহ'ল যদিও প্ৰায় ৯০ শতাংশ কাম আগবঢ়া ৰাইজে প্ৰত্যক্ষ কৰিছে। বাকী থকা কাম অচিৰেই শেষ কৰা হ'ব।

(গ) আমাৰ কাৰ্যকালত সম্পাদিত হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হৈছে প্ৰায় ত্ৰিশ বিঘা মাটি ফাটবিহুৰ নামত দখল আছে বুলি বিভাগীয় কৰ্তৃপক্ষই প্ৰস্তাৱ প্ৰস্তুত কৰিছে আৰু পৰৱৰ্তী মহকুমা ভূমি উপদেষ্টা বৈঠকত এই প্ৰস্তাৱ দাখিল কৰি উল্লেখিত মাটিখিনি আবন্টন দিয়াৰ ব্যৱস্থা কৰিব বুলি আমাক জানিবলৈ দিছে।





বহুতৰ দ্বাৰা বে-দখল হৈ থকা ফাটবিহু তলীৰ এই মাটিখিনি বে-দখল মুক্ত কৰি আমাক দখল চমজি দিয়াৰ কাৰণে ঢকুৱাখনা মহকুমাৰ মাননীয় মহকুমাধিপতি শ্ৰীযুত আকাশদ্বীপ, চক্ৰ বিষয়া শ্ৰীমতী লক্ষী কুটুম প্ৰমুখ্যে বিভাগীয় চৰকাৰী কৰ্মচাৰী সকলক আমি আমাৰ কৃত জ্ঞতা জ্ঞাপন নকৰিলে আমাক দোষে চুব। ইয়াৰ উপৰিও ঢকুৱাখনা বালিগাওঁৰ নিবাসী শ্ৰী অৰুণ গগৈকো এই ক্ষেত্ৰত সহযোগ কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো।

(ঘ) যোৱা বছৰ এই একে শিতানতেই আমি উল্লেখ কৰিছিলো যে, ফাটবিহু তলীত এটি অতিথিশালা স্থাপন কৰাৰ ব্যৱস্থা লোৱা হ'ব। এই অতিথিশালা নিৰ্মাণৰ প্ৰস্তাৱ লৈ আমি সহায়ৰ বাবে হাত পাতিছিলো লখিমপুৰ জিলাৰ সেই সময়ৰ জিলা পৰিষদৰ সভানেত্ৰী শ্ৰীমতী মনিকা পাতিৰ ডাঙৰীয়ানীক। ঢকুৱাখনাৰ বোৱাৰী শ্ৰীমতী পাতিৰ ডাঙৰীয়ানীয়ে আমাক নিৰাশ নকৰি ফাটবিহু তলীত এটা আটকধুনীয়া অতিথিশালা নিৰ্মাণ কৰিবৰ কাৰণে জিলা পৰিষদৰ পুঁজিৰ পৰা পোন্ধৰ লক্ষ টকা আবন্টন দিছিল। ইতিমধ্যে প্ৰাক্‌কলন প্ৰস্তুত কৰি কাম আৰম্ভ কৰিবলৈ লওঁতেই বতৰৰ প্ৰতিকূল পৰিস্থিতিত পৰি সাময়িক ভাৱে বন্ধ ৰাখিবলৈ বাধ্য হৈছো। আমি শীঘ্ৰে নিৰ্মাণৰ কাম হাতত লৈ ২০০৯ বৰ্ষৰ ফাটবিহু উদ্‌যাপনৰ আগে আগে দূৰ-দূৰণি পৰা অহা অতিথি সকলক এই ভৱনটি উপহাৰ দিব পাৰিম বুলি আশা কৰিছো। আমাৰ এই অতিথিশালাটি নিৰ্মাণ কৰিবলৈ প্ৰয়োজনীয় আৰ্থিক অনুদান আগবঢ়াই ফাটবিহুৰ এটি দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আগভাগ লোৱাৰ বাবে আমি শ্ৰীমতী মনিকা পাতিৰ ডাঙৰীয়ানীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

(ঙ) ফাটবিহু তলীৰ চাৰিসীমাত স্থায়ী জেওৰা দিয়াৰ বিষয়েও আমি চিন্তা অব্যাহত ৰাখিছিলো। এই বিষয়ে ঢকুৱাখনাৰ স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া আৰু ঢকুৱাখনা সমষ্টিৰ পৰা লখিমপুৰ জিলা পৰিষদত প্ৰতিনিধিত্ব কৰা নৱনিৰ্বাচিত সদস্য শ্ৰীযুত বগীৰাম কুটুম দেৱক বিষয়টো অৱগত কৰি এই সমস্যাটো সমাধান কৰিবলৈ অনুৰোধ জনাইছিলো। আমাৰ অনুৰোধক তেখেতসকলে প্ৰত্যাখান কৰা নাই। জিলা পৰিষদে গ্ৰহণ কৰা নতুন আঁচনিত এই শিতানত পোন্ধৰ লক্ষ টকা ধাৰ্য্য কৰিছে বুলি আমি শ্ৰীযুত নৰহ আৰু শ্ৰীযুত কুটুম ডাঙৰীয়া জড়িয়তে জানিব পাৰিছো। দুয়োগৰাকী জন নেতালৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ওপৰত উল্লেখ কৰা কৰ্মৰাজি সম্পাদন কৰোতে সহায় কৰা ফাটবিহু সমিতিৰ সমূহ সদস্যক আমি ধন্যবাদ জনাবই লাগিব। এই কাম বিলাক কৰাৰ ক্ষেত্ৰত তেখেত সকলৰ তাগিদাসহিত সহযোগিতা আমি অনাগত দিনত শ্ৰদ্ধা সহকাৰে মনত ৰাখিম।

ফাটবিহু সমিতিৰ সম্পাদক হিচাপে আমি অতি দৰকাৰী আৰু কিছু কাম সোনকালেই সম্পাদিত হোৱাটো মানস কৰি ইয়াৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা হাতত লৈছো। ইয়াৰে কেইটামানৰ বিষয়ে তলত উল্লেখ কৰিলো।

(ক) ফাটবিহু তলীক অসম তথা দেশৰ এখন অন্যতম পৰ্যটন থলীলৈ ৰূপান্তৰিত কৰিব পৰা যথেষ্ট সমল আছে বুলি আমি বিবেচনা কৰো। এই মহান আৰু গুৰুত্বপূৰ্ণ কামটো সম্পূৰ্ণ আৰু নিয়াৰিকৈ কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰত্যক্ষ সহযোগ অৱশ্যেই লাগিব। যোৱাবাৰ ফাটবিহু উদ্‌যাপনৰ মুকলি সভাত উপস্থিত থাকি অসম চৰকাৰৰ মাননীয় সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীযুত গৌতম বৰা ডাঙৰীয়াই এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিম বুলি ৰাজহুৱাভাৱে ৰাইজক আশ্বাস দিছিল। পৰৱৰ্তী পৰ্য্যায়ত স্থানীয় বিধায়ক তথা মন্ত্ৰী শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াক লগত লৈ আমি শ্ৰীযুত বৰাৰ লগত যোগযোগ অব্যাহত ৰাখিছিলো। ২০০৮-০৯ বৰ্ষৰ ৰাজ্য চৰকাৰৰ বাৰ্ষিক বাজেটৰ সাংস্কৃতিক বিভাগত ফাটবিহুৰ বাবে পুঁজি আৱন্টনৰ ব্যৱস্থা কৰা হ'ব বুলি আমাক অৱগত কৰাইছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে সাংস্কৃতিক মন্ত্ৰীৰ সদিচ্ছা থকাৰ স্বত্বেও অসম চৰকাৰৰ বিত্ত বিভাগৰ অনুমোদন লাভ নকৰা কাৰণে উক্ত বৰ্ষত এই টকা আৱন্টন দিব নোৱাৰিলে। পৰৱৰ্তী বৰ্ষত ৰাজ্য চৰকাৰৰ বাৰ্ষিক বাজেটত ফাটবিহুৰ নামত সুকীয়া পুঁজি আৱন্টন কৰাৰ পূৰ্ণ আশ্বাস দুয়ো গৰাকী মন্ত্ৰীয়ে আমাক প্ৰদান কৰিছে।

(খ) ফাটবিহু তলীৰ সন্মুখত থকা এৰা চাৰিকড়ীয়াখন পৰিষ্কাৰ কৰি এখন আধুনিক আৰু বিজ্ঞানসন্মত মৎস্য পামলৈ উন্নিত কৰিব পৰা সুবিধা যথেষ্ট আছে। এই বিষয়ে বিভাগীয় কৰ্তৃপক্ষৰ সৈতে প্ৰাৰম্ভিক আলোচনা আৰম্ভ কৰা হৈছে। এই প্ৰচেষ্টা আমি অব্যাহত ৰাখি লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰিম।

(গ) ফাটবিহু তলীৰ সমুখ ভাগত দুখনি উদ্যান (এখন শিশুৰ বাবে) প্ৰস্তুত কৰাৰ চিন্তাও আমি কৰিছো। লুপ্ত হৈ যাব খোজা গছ-গছনি, ফল-ফুল আদি এই উদ্যানত সযতনে সংৰক্ষণ কৰিলে ফাটবিহু তলীৰ সৌষ্ঠৱ বৃদ্ধি হ'ব বুলি আমি বিশ্বাস কৰো। ইয়াৰ উপৰিও এখনি অৰ্কিড উদ্যানো ফাটবিহু তলীত স্থাপন কৰাৰ চিন্তা-চৰ্চা অব্যাহত থাকিব।

(ঘ) অতি সোনকালে ফাটবিহুৰ নথি-পত্ৰ, তথ্য-পাতি আদি স্থায়ীভাৱে সংৰক্ষণ কৰিবৰ বাবে এটি আৰ্কইভচ (Archives) স্থাপনৰো প্ৰস্তুতি কৰা হৈছে।

(ঙ) দেশ-বিদেশৰ সংস্কৃতিপ্ৰেমী ৰাইজ ফাটবিহুৰ বিষয়ে জ্ঞাত হোৱাৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ফাটবিহুৰ এটি নিজা ৱেবচাইট (Web Site) স্থাপনৰ কাম অতি শীঘ্ৰে আৰম্ভ কৰিবলৈ আমি সংকল্পবদ্ধ হৈছো।





শ্ৰদ্ধাৰ ৰাইজ,

ওপৰত উল্লেখ কৰা আঁচনি, প্ৰকল্প সমুহৰ বাহিৰেও আৰু বহু কৰণীয় কাম ফাটবিহুৰ গুণ-গৰিমা, ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত নিশ্চয় কৰিব লগা আছে। এই ক্ষেত্ৰত আপোনালোকৰ আন্তৰিক দিহা-পৰামৰ্শ আৰু মতামত আমাৰ একান্তই কাম্য। আপোনালোকৰ সহায়-সহযোগিতা অবিহনে এইবিলাক বাস্তৱায়িত হোৱা অসম্ভৱ। সেয়েহে আপোনালোকৰ অকুণ্ঠ সহমৰ্মিতা আৰু মূল্যবান পৰামৰ্শৰ বাবে আমি প্ৰাৰ্থনা জনালো।

ফাটবিহু সমিতিৰ সম্পাদকৰ দায়িত্ব লোৱাৰ সময়ত সমিতিৰ হাতত নিজা বুলিবলৈ কোনো পুঁজি নাছিল। ঢকুৱাখনা বাসীৰ ৰাইজৰ বাবে গৌৰৱৰ বিষয় যে, ২০০৬ চনৰ ফাটবিহুৰ উদ্‌যাপন সমিতিৰ সম্পাদক বন্ধু শ্ৰী নৱ গগৈ ডাঙৰীয়াই ফাটবিহুৰ উদ্‌যাপনৰ পিছত নগদ ৫৩,৭৪৭.০০ টকা ফাটবিহু সমিতিৰ পুঁজিলৈ প্ৰদান কৰি থৈ গৈছে। ঠিক একেদৰে ২০০৭ চনৰ ফাটবিহু উদ্‌যাপন সমিতিৰ সম্পাদক অনুজ ভাতৃ শ্ৰী ভাস্কৰ দাসেও নগদ ১,২৯,৮৩০.০০ টকা ফাটবিহু সমিতিৰ পুঁজিলৈ দি গৈছে। বিভিন্ন সময়ত ফাটবিহু উন্নয়নৰ কামত কিছু টকা ব্যয় কৰাৰ পিছত বৰ্তমান আমাৰ হাতত প্ৰায় এক লক্ষ ত্ৰিশ হাজাৰ টকা জমা আছে। ফাটবিহু উদ্‌যাপন সমিতি সমূহে এনেদৰে ধন ৰাহি কৰি ফাটবিহু সমিতিক জমা দিয়াতো নিতান্তই আদৰ্শনীয় আৰু ই ফাটবিহুৰ উত্তৰণত নিশ্চয় এটা যোগাত্মক প্ৰভাৱ পেলাব। এই ছেগতে উক্ত দুটা বৰ্ষৰ উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক সমন্বিতে সকলো সদস্য-সদস্যালৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আজি প্ৰায় তিনি বছৰ মানৰ পৰা ফাটবিহু উদ্‌যাপনৰ বাবে ফাটবিহু প্ৰেমী ৰাইজ তথা যুৱক-যুৱতী সকলে হুঁচৰি গাই অৰ্থ সংগ্ৰহ কৰি উদ্‌যাপন সমিতি সমূহক বিশেষভাৱে সকাহ দিয়া কথাটো আমি লক্ষ্য কৰিছো। প্ৰায় এপষেক জুৰি নিশা ২-৩ বজালৈকে গৃহস্থৰ চোতালে চোতালে শৃংখলাবদ্ধভাৱে হুঁচৰি গাই এটা শকত অংকৰ ধন ফাটবিহু উদ্‌যাপন সমিতিৰ পুঁজিলৈ আগবঢ়াবলৈ সক্ষম হোৱাৰ নিদৰ্শনক আমি আদৰ্শ হিচাপে গ্ৰহণ কৰাটো উচিত হ'ব বুলি বিবেচনা কৰিছো। গৃহস্থ সকলেও যি আন্তৰিকতাৰে হুঁচৰি দলক সেৱা-শুশ্ৰূষা কৰাৰ লগতে অৰ্থ কড়ি দি আপ্যায়িত কৰিছে সেয়া দেখিও অভিভূত হৈছো। আমাৰ ঢকুৱাখনাবাসী ৰাইজৰ এই সংভাৱ চিৰকাললৈ বৰ্তি থাকে যেন।

ফাটবিহুৰ সম্পাদক হিচাপে দায়িত্ব লোৱাৰ পিছৰে পৰা আমাৰ ফাটবিহু সমিতিৰ সভাপতি শ্ৰী কেশৱ গগৈ ডাঙৰীয়াই সকলো সময়তে দিহা-পৰমাৰ্শ আৰু সহযোগিতা আগবঢ়াই সম্পাদকৰ দায়িত্ব পালন কৰা কাৰ্য্য কিছু হ'লেও সহজ কৰি তুলিছে। আমি শ্ৰী গগৈ দেৱক এই আপাহতে শ্ৰদ্ধা জনালো।

ঢকুৱাখনাৰ সুযোগ্য সন্তান শ্ৰীযুত গোবিন দত্ত দেৱৰ ফাটবিহুৰ প্ৰতি থকা স্নেহৰ বিষয়ে উল্লেখ নকৰিলে অকৃতজ্ঞতাৰ দায়ে চুব। এইবাৰ এই ***"বিহুৱান"*** খন প্ৰকাশ কৰাৰ দায়িত্ব লৈ ফাটবিহুক মহিয়ান কৰাৰ লগতে ফাটবিহুৰ প্ৰতি আগবঢ়োৱা সেৱাত তেখেত আৰু এখোজ আগবাঢ়ি গ'ল। তেখেত সকলো দিশতে আগুৱাই যাওঁক এইয়ে আমাৰ কামনা।

ফাটবিহুৰ উদ্‌যাপন সমিতিৰ এইবছৰৰ সভাপতি মোৰ অগ্ৰজ শ্ৰীযুত উত্তম কুমাৰ বৰুৱা আৰু মোৰ স্নেহৰ ভাতৃ শ্ৰী মুকুল গগৈয়ে ফাটবিহু উদ্‌যাপন ক্ষেত্ৰত আমাৰ পৰা সহায়-সহযোগ বহুত আশা কৰিছিল। আমাৰো ইচ্ছা আছিল, কিন্তু পৰিস্থিতিৰ দাসত পৰি আমি এইবাৰ প্ৰয়োজনীয় সেৱা বিচৰাৰ দৰে আগবঢ়াব নোৱাৰিলো বুলি অনুভৱ কৰিছো। মৰমৰ অধিকাৰেৰে দুয়োজনৰ ওচৰত ক্ষমা বিচাৰিলো।

এইবাৰ ফাটবিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা বিহুৱানৰ সম্পাদকৰ দায়িত্ব বহন কৰিবলৈ গৈ সম্পাদক শ্ৰীমতী মৌচুমী গগৈ হাতীবৰুৱাৰ লগতে সম্পাদনা সমিতি মাননীয় সদস্য-সদস্যা সকলে যি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিলে সেয়া প্ৰকৃতাৰ্থত প্ৰশংসনীয়। সম্পাদনা সমিতিলৈ ফাটবিহু সমিতিৰ সম্পাদকৰ হিয়া ভৰা মৰম আৰু ধন্যবাদ জনালো।

পৰিশেষত, যিসকল শুভাকাংক্ষীয়ে আমাক সম্পাদকৰ দায়িত্ব পালন কৰাত পূৰ্ণ সহযোগিতা আগবঢ়াইছে তেখেত সকলৰ সকলোৰে নাম ইয়াত উল্লেখ কৰাটো সম্ভৱ নহয় যদিও আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা ইয়াৰে সকলোলৈকে জনাইছো।

*ফাটবিহু ঢকুৱাখনীয়া ৰাইজৰ নিজস্ব লোক সম্পদ*
*ফাটবিহু ঢকুৱাখনীয়া ৰাইজৰ বাপতি সাহোন*
*ফাটবিহু ঢকুৱাখনীয়া ৰাইজৰ হিয়াৰ আমঠু*

আহক আমি সকলোৰে মিলি ফাটবিহুক জগত সভাৰ সাংস্কৃতিক মজিয়ালৈ দলে-বলে আগবঢ়াই লৈ যাওঁ।

জয়তু ফাটবিহু

বিনীত
শ্ৰদ্ধাৰে -

(লালিত্য কুমাৰ দাস)
সম্পাদক
ফাটবিহু সমিতি, ঢকুৱাখনা।



## ফাট বিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ ঃ

ঢকুৱাখনাবাসীৰ অতিচেনেহৰে ফাট বিহুতলীৰ পৰাই সদৌ বিহু প্ৰেমী ৰাইজলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে অসমীয়া নৱবৰ্ষটিয়ে সকলোৰে বাবে সুখ শান্তি কঢ়িয়াই আনক ইয়াকে কামনা কৰিলো।

অসমীয়াৰ জাতীয় উৎসৱ বাপতি সাহোন বহাগ বা ৰঙালী বিহুটিৰ এটা আঞ্চলিক ৰূপ ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাট বিহু। ফাট বিহু ঢকুৱাখনাবাসীৰ বাবে প্ৰাণৰ স্পন্দন। ফাটবিহু বুলিলেই ঢকুৱাখনীয়া মানুহৰ মন প্ৰাণ আনন্দত নাচি উঠে। প্ৰকাশ কৰিব নোৱাৰা এক অনাবিল আৱেগ উন্মাদনাই তেজত আনন্দৰ তৰংগ প্ৰবাহিত কৰে।

২০০৮ বৰ্ষৰ ফাট বিহু উদ্‌যাপন কৰিবলৈ এইবছৰ ৰাজহুৱা সভাই উদ্‌যাপন সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰাত ফাট বিহুৰ নিচিনা এটি মহান ও পবিত্ৰ অনুষ্ঠান সুচাৰু ৰূপে সমাপন কৰিবলৈ আমাৰ অৰ্হতা নাথাকিলেও ৰাইজৰ আজ্ঞা মূৰ পাতিলৈ বিহু প্ৰেমী ৰাইজৰ সহযোগিতা তথা গঠনমূলক পৰামৰ্শ নিতান্তই কামনা কৰি আমাৰ ওপৰত আৰোপিত গুৰু দায়িত্ব পালন কৰিবলৈ আগবাঢ়িলো।

শ্ৰদ্ধেয় ৰাইজ,

ব্ৰহ্মাপুত্ৰৰ প্ৰলয়ংকাৰি বানে ঢকুৱাখনাৰ কৃষিজীবি সমাজখনক প্ৰতিবছৰে মাধমাৰ সোধাই আহিছে। ফলত অৰ্থনৈতিক ভেঁটিটো ক্ৰমান্বয়ে জহি-খহি গৈ আছে। নোপোৱাৰ বেদনাই মানুহৰ হিয়াত দুখৰ ৰাগিণী তুলিছে। তৎসত্বেও ফাট বিহুক সেই দুখে ম্লান পেলাবলৈ এৰি দিয়া নাই। প্ৰতিবছৰে হিয়াখন উজাৰি অতি জাক জমকতাৰে ফাট বিহু পালন কৰি আহিছে। পালন কৰিবই, কিয়নো ফাট বিহু হৈছে

বিভিন্ন জনগোষ্ঠীৰ মহামিলনৰ পূণ্যস্থলী।

তাহানিখনৰে পৰা আজিলৈকে ফাট বিহুৱে বহু দুৰ্যোগ অতিক্ৰম কৰিছে। তথাপিও উচাহৰ বা-লাগি ফাট বিহু শিৰ দাঙি জীৱন্ত হৈ ঢকুৱাখনাৰ মাটিত আজিও উজ্বলি আছে। অতীজৰ চাৰিকড়ীয়া নৈৰ পাৰৰ গছতলৰ ফাট বিহু সময়ৰ বিৱৰ্ত্তনত আনুষ্ঠানিক ৰূপলৈ ৰূপান্তৰিত হ'ল। এম, ভি, স্কুলৰ খেলপথাৰ, ঢকুৱাখনা মুগাৰ্ফাম আদি ঠাইত কালভেদে স্থানান্তৰিত হৈ উদ্‌যাপন হৈ আহিলেও ১৯৯৬ চনৰ পৰা ম'হঘূলি চাপৰিত চাৰিকড়ীয়া নদীৰ পাৰৰ চিচু গছৰ তলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত নিগাজীকৈ থিতাপি ল'লেহি। বৰ্ত্তমান বিগত কালৰ অনেকখিনি আহুকালৰ বহুখিনি অৱসান ঘটিল। স্থায়ী ফাট বিহুতলীলৈ উত্তৰণ আহিল। নৈ, গছ আৰু মানুহৰ সমন্বয় ঘটিল। ঢকুৱাখনাবাসীৰ বুকুৰ উমলৈ থকা ফাট বিহুটিয়ে ৰিঙিয়ালে দূৰ দূৰণিৰ বিহু প্ৰেমী সকলক। প্ৰতিবছৰে অসমৰ বৰেণ্য ব্যক্তি সকলৰ আগমন ঘটি সেই সকলৰ উপস্থিতিয়ে বিহুৰ সৌষ্ঠৱ দুগুণ বৃদ্ধি কৰিলে। বিশিষ্ট ব্যক্তি সকলৰ ভাষ্যই ফাট বিহুৰ উদ্যোক্তা সকলক প্ৰেৰণাতে প্ৰেৰণা যোগালেহি। আহক, আমি সকলো জাতি-জনগোষ্ঠী মিলি নিজস্ব সাংস্কৃতিক পৰিচয় দাঙিধৰি বাৰেবৰণীয়া বৃহৎ অসমীয়া জাতি গঢ়াৰ লগতে ফাট বিহুক মহীয়ান কৰাৰ দিশত বাট বোলো।

শ্ৰদ্ধেয় ৰাইজ!

এইখিনিতে ফাটবিহু সমিতিৰ সকলো বিষয় ববীয়াক আৰু সদস্য-সদস্যাক উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এষাৰ কথা কৈ নগলে দোষে চুই যাব বুলি অনুভৱ কৰিছোঁ। ফাটবিহু সমিমিটিৰ প্ৰচেষ্টাত ইতিমধ্যে ফাটবিহু থলীৰ মাটি স্থায়ী ভাবে নিদ্ধাৰিত হোৱাটো সচাঁকৈয়ে সমূহ ফাটবিহু প্ৰেমী ৰাইজৰ বাবে সুখৰ খবৰ তদুপৰি চৰকাৰৰ বিভিন্ন শিতানৰ জৰিয়তে ফাটবিহু তলীলৈ অহা স্থায়ী পথ, অতিথিশালা আদি নিৰ্মাণৰ কাম ফাটবিহু সমিতিয়ে আন্তৰিকতাৰে কৰি থকা আমি প্ৰত্যক্ষ কৰিছোঁ। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ লগত সঘনাই যোগাযোগ ৰাখি ফাটবিহুক স্থায়ী পৰ্যটন থলীলৈ ৰূপান্তৰিত কৰিবৰ বাবে ফাটবিহু





সমিতিয়ে লোৱা উদ্যোগৰ বাবে আমি আনন্দ প্ৰকাশ কৰিছো।

ফাট বিহুৰ দৰে এটি ব্যয়বহুল অনুষ্ঠান উদ্‌যাপনৰ ক্ষেত্ৰত আমাক আৰ্থিক, কায়িক আৰু বৌদ্ধিকভাবে সহায় সহযোগিতা আগবঢ়োৱা সদাশয় ৰাইজ, অনুষ্ঠান প্ৰতিষ্ঠানৰ মাননীয় কৰ্ম কৰ্ত্তা তথা কৰ্মচাৰী সকল, বিহুতলীৰ প্ৰৱেশ পথটি স্থায়ী ও পকীকৰণ কৰি ৰাইজৰ যাতায়তৰ সুচল কৰি দিয়া লক্ষীমপুৰ জিলাৰ মাননীয় উপায়ুক্ত শ্ৰীযুত মনিষ ঠাকুৰ দেৱ, মূখ্য প্ৰৱেশ পথত এখনি স্থায়ী তোৰণ ব্যক্তিগত উদ্যোগত নিৰ্মাণ কৰি মহৎ উপকাৰ সাধন কৰি দিয়া মাননীয় শ্ৰীযুত চন্দ্ৰ পেগু ডাঙৰীয়া দেৱ, ২০০৮ বৰ্ষৰ ফাট বিহুৰ মুখপত্ৰ "বিহুৱান" প্ৰকাশৰ গধূৰ দায়িত্ব লোৱা মাননীয় শ্ৰীযুত গোবিন দত্ত দেৱ, আমাৰ গাত ছাঁৰ দৰে লাগি থাকি বিভিন্ন বুদ্ধি পৰামৰ্শ আগবঢ়াই উপকৃত কৰা উদ্‌যাপন সমিতিৰ আৰু ফাট বিহু সমিতিৰ বিষয় ববীয়া তথা সদস্য সদস্যা সকল, ঘৰে ঘৰে গৈ হুঁচৰি গাই অনেক কষ্ট কৰি বৰঙনি সংগ্ৰহ কৰা বিহুৱা বিহুৱতী সকল, আপোনালোক সদৌটিলৈ আপোনালোকৰ এই মহান ত্যাগ আৰু কষ্ট স্বীকাৰ শ্ৰদ্ধাৰে সোঁৱৰি কৃতজ্ঞতা প্ৰকাশ কৰিছো লগতে নিমন্ত্ৰিত মাননীয় অতিথি বৃন্দ, বিহুতলীত সমবেত মাননীয ৰাইজ, উদ্‌যাপন সমিতি আৰু সদস্য সদস্যা সকললৈ সেৱা আগবঢ়াই আমাৰ অজ্ঞাতে হোৱা ভুল ক্ৰুটিখিনিৰ ক্ষমা বিচাৰি আমাৰ একাষাৰ সামৰিলো।

সেৱাৰে

( উত্তম কুমাৰ বৰুৱা)

সভাপতি

ফাট বিহু উদ্‌যাপন সমিতি,

২০০৮ বৰ্ষ

ঢকুৱাখনা

# ফাটবিহু উদ্‌যাপন সমিতিৰ সম্পাদকৰ একাষাৰ

ফাটবিহুপ্ৰেমী শ্ৰদ্ধেয় ৰাইজে ২০০৮ বৰ্ষৰ ফাটবিহুৰ উদ্‌যাপন সমিতিৰ সম্পাদকৰ গধুৰ দায়িত্ব এই অভাজনৰ ওপৰত ন্যস্ত কৰিছে। ৰাইজৰ আদেশ শিৰ পাতি লৈ দায়িত্বভাগী নিষ্ঠা আৰু সততাৰে সম্পাদন কৰিবলৈ চেষ্টা কৰাৰ প্ৰতিশ্ৰুতিৰে সদৌটি ৰাইজলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতাৰ লগতে ফাটবিহুৰ ওলগ জনাইছো। ফাটবিহুৰ দৰে এটা মহান উৎসৱ সম্পাদন কৰাৰ যোগ্যতা আৰু অভিজ্ঞতা আমাৰ একেবাৰে নাই। এই ক্ষেত্ৰত ৰাইজৰ সহযোগিতা আৰু আশীৰ্বাদকে মূলধন হিচাপে লৈ আমি কৰ্মত হাত দিছো। অজানিতে আমাৰ ভুল আৰু দোষ বৈ যোৱাতো নিতান্তই স্বাভাৱিক। প্ৰথমতেই এনে অনিচ্ছাকৃত ভুল-দোষৰ কাৰণে নৰৰূপী নাৰায়ন সদৃশ আপোনাসৱৰ চৰণত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছো - ফাটবিহুৱে ধুই পেলাওক সমাজৰ সকলোবোৰ অসূয়া অপ্ৰীতি, অনাকাংক্ষিত ভয় ভীতি, বিপদ-বিঘিনি, দূৰ হওঁক বেমাৰ-আজাৰ, বানপানীৰ আলৈ-অহকাল বিলৈ-বিপত্তি। সকলোলৈকে কঢ়িয়াই আনক সুখ-সমৃদ্ধি, আনন্দ আৰু জীয়াই থকাৰ নতুন প্ৰেৰণা।

হে শ্ৰদ্ধাভাজন,

আপোনালোকে ভালকৈ জানে যে ঢকুৱাখনা বানপানীয়ে জ্বলা-কলা কৰা এখন বান বিধ্বস্ত ঠাই। বছৰি হোৱা বানপানীয়ে ঢকুৱাখনাৰ প্ৰতিটো দিশৰ উন্নয়ন আৰু বিকাশত দুৰ্বাৰ বাধাৰ সৃষ্টি কৰি আহিছে। ফলত নৈৰ গড়া চপৰা চপৰে খহাদি ঢকুৱাখনাৰ অৰ্থনীতিৰ ভেঁটিটোত বছৰৰ পিছত বছৰ থানবানহৈ ভাগি-ছিগি গৈ আছে। ঢকুৱাখনা অঞ্চলৰ শতকৰা ৯০ জন মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। শতকৰা ৮৫ জন কৃষকৰ সম্প্ৰতি এমুঠি ভাতৰ বাবেই সৰ্বত্ৰ হাহাঁকাৰৰ কৰুণ বিননি। কৃষিৰ বিকল্প হিচাবে আনকাম কৰি জীৱিকা নিৰ্বাহ কৰিবলৈকো বান-পীড়িত কৃষিজীৱি মানুহৰ অন্য ৰাস্তা নাই। এইবোৰ মানুহৰ দশা আজি পূৰ্ণিমাতে





আঁউসীৰ নিচিনা হ'ল। বানে ধুই টকলা কৰা ঠাই হ'লেও অসমৰ অন্যান্য ঠাইৰ দৰেই ঢকুৱাখনা অঞ্চললৈও অসমীয়া মানুহৰ আপোন উৎসৱ-পাৰ্বনবোৰ বছৰি আহে। চ'তৰ শেষত অসমীয়া মানুহৰ আটাইতকৈ চেনেহৰ বিহু ব'হাগ বা ৰঙালী বিহুটিও আহিছে। শক্তি চাই ভক্তি অনুসৰি সকলো মানুহে বিহুক অন্তৰেৰে আদৰিছে। তাৰ পিছে পিছেই লাগি আহিছে ঢকুৱাখনীয়া মানুহৰ অতি হেঁপাহৰ অতি আদৰৰ স্থানীয় লোক উৎসৱ- ফাটবিহু।

ফাটবিহু এটা বিশাল সাংস্কৃতিক অনুষ্ঠান। তেনে এটা গৰিমা মণ্ডিত সাৰ্বজনীন উৎসৱ সুচাৰুৰূপে সমাধা কৰিবলৈ এইবছৰ ২০০৮ বৰ্ষৰ বাবে এই অভাজনৰ ডিঙিত সম্পাদকৰ গুৰু দায়িত্বৰ ডোলডাল সাধাৰণ সভাই পিন্ধাই দিলে। ফাটবিহু সঠিক ভাৱে উদ্‌যাপন কৰিবলৈ শকত পুঁজিৰ প্ৰয়োজন। বানবিধ্বস্ত ঠাইত ইমান পুঁজি সংগ্ৰহ কৰাটো পৰ্বতত কাঁছ কণী বিচৰা লেখীয়া কথা। তাতে ভূতৰ ওপৰত দানহ পৰাদি প্ৰতিটো দ্ৰব্যৰ মূল্যবৃদ্ধি এই বছৰ আকাশ চুইছেগৈ। কিবা এটা বস্তুৰ দাম যদি যোৱাবছৰ ১০ টকা আছিল আজি সেইটো বস্তুৰ দাম প্ৰায় দুগুণ হৈছেগৈ। গতিকে টকা সংগ্ৰহৰ পৰিমাণো আগতকৈ বেছি হ'ব লাগিব। ইমান টকা কেনেকৈ, ক'ৰ পৰা সংগ্ৰহ কৰা হ'ব সেই চিন্তাই মোৰ মূৰত অনবৰত খাওঁতে শোওঁতে কিমান অশান্তি দিছিল - এইবোৰ কথা প্ৰতিবেদনত ঠাই দি পৃষ্ঠা বহল নকৰো। মাত্ৰ সাহস কৰিলোঁ এই কাৰণেই যে, ফাটবিহু ঢকুৱাখনাৰ মানুহৰ হিয়াৰ পুঙৰ উৎসৱ, এই ফাটবিহু পইচাৰ অভাৱত অনুষ্ঠিত নোহোৱাকৈ কেতিয়াও নাথাকে। সেইয়াই মোৰ মনৰ মুখ্য প্ৰেৰণা। সেই প্ৰেৰণাতেই ৰাইজৰ সহায় সহযোগ বিচাৰি ওলাই আহিলো। ফাটবিহুৰ পুঁজিৰ বাবে হুঁচৰি গালো, সুধীজনৰ ওচৰত আৰ্থিক সাহাৰ্যৰ বাবে হাত পাতিলো। ৰাইজে নখ জোকাৰিলে নৈ বয়। ৰাইজৰ উৎসৱ ৰাইজৰ দান-বৰঙনিৰ মাজেৰেই উদ্‌যাপন কৰিব লাগিব। সেই ভাৱ লৈয়েই ফাটবিহু চলাই নিবলৈ গাত বল পালো। এই আপাহতে যি সকল বিহুৱা-বিহুৱতীয়ে হুঁচৰি গাই অৰ্থ সংগ্ৰহত সহায় কৰি দিলে তেখেত সকললৈ আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন

কৰিছো। লগতে যি সকল দাতাই মুক্তহস্তে অৰ্থদান দিলে তেখেত সকলৰ ওচৰতো মই চিৰ কৃতজ্ঞ হৈ ৰলো। লগতে যি সকল শুভাকাংক্ষীয়ে মোৰ লগত ছাঁৰ দৰে লাগি থাকি অৰ্থ-কড়ি সংগ্ৰহৰ লগতে বিভিন্ন দিশত সহায় সহযোগ আগবঢ়ালে তেখেত সকললৈকো মই অন্তঃকৰণেৰে শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ফাটবিহুত যোগদান কৰিবলৈ অহা বিভিন্ন ঠাইৰ বিহুদল সমূহ, আমাৰ শ্ৰদ্ধাৰ আমন্ত্ৰিত বিশিষ্ট অতিথি সকল তথা বিহুবলীয়া দৰ্শক ৰাইজক যেনেভাৱে সেৱা শুশ্ৰূষা কৰিব লাগিছিল, তেনেভাৱে হয়তু কৰিব পৰা নাই, অজানিতে অনেক ভুল ক্ৰটি হৈ গৈছে তাৰ বাবে মই নতশিৰে সকলোৰে ওচৰত ক্ষমা মাগিছো। সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰি শেষত ফাটবিহুটিয়ে বিশ্বৰ দেশে দেশে সাংস্কৃতিক মঞ্চত স্থান পাওক ইয়াকেই মনেপ্ৰাণে কামনা কৰিলো।

"এটা বাটিত পনৰু
এটা বাটিত নহৰু
এটা বাটিত খুতৰা শাক
মুৰৰ চুলি ছিঙি
আশীৰ্বাদ কৰিছো
ৰাইজ যেন কুশলে থাক।"

জয়তু ফাটবিহু

(মুকুল গগৈ)
সম্পাদক
ফাটবিহু উদ্‌যাপন সমিতি, ঢকুৱাখনা।



## ফাটবিহু ২০০৭ বৰ্ষৰ
## হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ একাংশ

<u>সংগৃহীত পুঁজি ঃ-</u>

| | |
|---|---|
| ১। অসম চৰকাৰৰ জলসম্পদ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মাননীয় মন্ত্ৰী শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ দেৱৰ পৰা | ১,০০০০০.০০ টকা |
| ২। লখিমপুৰ জিলাৰ জিলা পৰিষদৰ মাননীয় সভানেত্ৰী শ্ৰীযুক্তা মণিকা পাতিৰে ৰচিদ বহীৰ যোগেৰে সংগ্ৰহ কৰা | ১,১৫,০০০.০০ টকা |
| ৩। বিত্ত উপ-সমিতিৰ দ্বাৰা ৰচিদ বহীৰ যোগে সংগ্ৰহ | ১,৪৪,৮৯১.০০ টকা |
| ৪। ৰচিদ বহীৰ পৰা হুঁচৰিৰ জৰিয়তে সংগৃহীত | ১,৩২,৮০০.০০ টকা |
| ৫। বিহুৱান দাতা শ্ৰদ্ধেয়া শ্ৰীযুক্তা বিদ্যাৱতী গগৈৰ পৰা | ২৯,৫০০.০০ টকা |
| ৬। ৰচিদ বহীৰ যোগেদি বিহুদল সমূহৰ ভৰ্ত্তিৰ মাচুল | ১,৩৯০.০০ টকা |
| সৰ্বমুঠ আয় ঃ | ৫,২৩,৫৮১.০০ টকা |

(পাঁচ লাখ, তেইশ হাজাৰ, পাঁচশ একাশী) টকা

<u>ব্যয় ঃ-</u>

| | |
|---|---|
| ১। অস্থায়ী কাৰ্যালিয় নিৰ্মাণ আৰু ২১-০৩-০৭ তাৰিখৰ পৰা ২-৫-০৭ তাৰিখলৈ কাৰ্যালিয়ৰ যাৱতীয় খৰচ | ১২,৮৮৭.০০ টকা |
| ২। হুঁচৰিৰ গাড়ী ভাড়া, খাদ্য আৰু দুটা ঢোলৰ মূল্য | ৩১,৯২১.০০ টকা |
| ৩। পতাকা আৰু শ্বহীদ বেদী | ১,০০০.০০ টকা |
| ৪। ফটো উঠোৱা | ৩০০.০০ টকা |
| ৫। বিহুতলী চাফাই, মাটি উঠোওৱা মঞ্চ আৰু কৃষ্টিভৱনৰ ৰং কৰা | ৮,৯২০.০০ টকা |
| ৬। প্ৰচাৰ | ১১,৫২১.০০ টকা |
| ৭। জাপি, বেড্‌জ | ৫০১০.০০ টকা |
| ৮। পুৰণা বঁটা চাফাই | ১০০.০০ টকা |
| ৯। সম্পাদকৰ জৰিয়তে ২১–৩-০৭ তাৰিখৰ পৰা ২০-০৪-০৭ তাৰিখলৈকে বিভিন্ন খৰচ - ওচৰৰ অতিথি সেৱা, যাতায়ত, পেট্ৰল, খোৱা-বোৱা আদিত | ২৫,১০০.০০ টকা |
| ১০। অতিথিৰ মাননী, যাতায়তী আৰু ব্যৱস্থাপনা | ৩১,৭০০.০০ টকা |

| | |
|---|---|
| ১১। ফাটবিহু পদূলিৰ জেওৰা ন-কৈ সজোৱা আৰু উন্মোচন | ৭৮৯০.০০ টকা |
| ১২। পুঁজি সংগ্ৰহৰ বাবে গুৱাহাটী, লখিমপুৰ আৰু ধেমাজীলৈ অহা-যোৱা | ১১,৬৩০.০০ টকা |
| ১৩। খাদ্য | ৪৯,৩৫৬.০০ টকা |
| ১৪। আদৰণি | ১৩,০১৩.০০ টকা |
| ১৫। পানী যোগান | ২,৯০০.০০ টকা |
| ১৬। স্বেচ্ছাসেৱক | ১,৯৯৯.০০ টকা |
| ১৭। শোভাযাত্ৰা | ৩৬,৯৭০ .০০ টকা |
| ১৮। মঞ্চ ও তোৰণ | ৩২,৪৫০.০০ টকা |
| ১৯। চুৰি হোৱা আৰু ভগ্ন ১৪ খন চকীৰ মূল্য | ২,৮০০.০০ টকা |
| ২০। বিচাৰকৰ মাননী আৰু যোগাযোগ | ৩,৭৮৬.০০ টকা |
| ২১। পোহৰ | ১১,০০০.০০ টকা |
| ২২। মাইক | ৮,০০০.০০ টকা |
| ২৩। প্ৰেছৰ খৰচ | ১০,২৯৯.০০ টকা |
| ২৪। নতুন বঁটা কিনা | ১২,৫০০.০০ টকা |
| ২৫। বঁটা সমূহৰ লগত দিয়া মাননী | ১০,০০০.০০ টকা |
| ২৬। বিহুৱান ছপা কৰা | ২৯,৫০০.০০ টকা |
| ২৭। বিহুৱানৰ সম্পাদকক দিয়া | ১,০০০.০০ টকা |
| ২৮। চাৰি নিশা চকিদাৰক দিয়া | ১,২০০.০০ টকা |
| ২৯। হিচাপ পৰীক্ষকৰ পাৰিতোষিক আৰু ব্যৱস্থাপনা | ১,০০০.০০ টকা |
| সৰ্বমুঠ | ৩,৭৫,৭৪২.০০ টকা |

(তিনি লাখ পয়সত্তৰ হাজাৰ সাতশ বিয়াল্লিশ) টকা

**কৈফিয়ৎ ঃ-**

| | |
|---|---|
| সৰ্বমুঠ আয় - | ৫,২৩,৫৮১.০০ টকা |
| সৰ্বমুঠ ব্যয় - | ৩,৭৫,৭৪২.০০ টকা |
| সম্পাদকৰ হাতে জমা - | ১,৪৭,৮৩৯.০০ টকা |

(এক লাখ, সাতচল্লিশ হাজাৰ, আঠশ উনচল্লিশ) টকা





**অনাদায় টকা ঃ-**

| | |
|---|---|
| ১। বহী নং ১ ঃ | ৩০,০০০.০০ টকা |
| ২। বহী নং ৩ ঃ | ৫০,০০০.০০ টকা |
| ৩। বহী নং ৬ ঃ | ৭০১.০০ টকা |
| মুঠ - | ৮০,৭০১.০০ টকা |

বিঃ দ্ৰঃ - হিচাপ দাখিল উপলক্ষে অনুষ্ঠিত হোৱা ৰাজহুৱা সভা আৰু প্ৰীতি ভোজৰ বাবদ খৰচ কৰা হয় - ১৮,০০০.০০ টকা

২০০৭ বৰ্ষৰ ফাটবিহু উদ্‌যাপন সমিতিৰ সম্পাদকে ফাটবিহু সমিতিক মুঠ - ১,২৯,৮৩০.০০ টকা জমা দিয়ে।

শ্ৰী পূৰ্ণ লাহন
শ্ৰী নন্দ চুতীয়া
হিচাপ পৰীক্ষক

তথ্যকোষ

# ২০০৭ বৰ্ষৰ ফাটবিহু প্ৰতিযোগিতা সমূহৰ ফলাফল

চেমনীয়া হুঁচৰি প্ৰতিযোগিতা ঃ

প্ৰথম ঃ হেনৰিক ইবছেন নাট্যমঞ্চ।
দ্বিতীয় ঃ চন্দ্ৰশেখৰ দাস ও উদয়ন সংঘ।
তৃতীয় ঃ অংকুৰ প্ৰতীম নাট্যগোষ্ঠী।

শ্ৰেষ্ঠ ঢুলীয়া ঃ

প্ৰথম ঃ প্ৰিয়ানুজ কোঁৱৰ (অংকুৰ প্ৰতীম নাট্যগোষ্ঠী)।
দ্বিতীয় ঃ নিতুল শইকীয়া (চেনীমাৰী বিহু দল)।
তৃতীয় ঃ দুলেন দাস (হেনৰিক ইব্ছেন নাট্যমঞ্চ)।

শ্ৰেষ্ঠা বিহুৱতী ঃ

প্ৰথম ঃ শান্তি প্ৰিয়া গগৈ (উদয়ন সংঘ)।
দ্বিতীয় ঃ নিমিষা চমুৱা (অংকুৰ প্ৰতীম নাট্যগোষ্ঠী)।
তৃতীয় ঃ ৰবী চুতীয়া (চেনীমাৰী বিহু দল)।

শ্ৰেষ্ঠ পেঁপা বাদক ঃ

প্ৰথম ঃ নৱদ্বীপ গগৈ (দীঘলা গাওঁ)।
দ্বিতীয় ঃ সত্য খনিকৰ (চেনীমাৰী বিহু দল)।

শ্ৰেষ্ঠ বিহুৱা ঃ

প্ৰথম ঃ মন্টু বুঢ়াগোঁহাই (দীঘলা গাওঁ)।
দ্বিতীয় ঃ অনুপম ৰাজখোৱা (হেনৰিক ইব্ছেন নাট্যমঞ্চ)।
তৃতীয় ঃ পাপু কোঁচ (অংকুৰ প্ৰতীম নাট্যগোষ্ঠী)।

টকা বিহু প্ৰতিযোগিতা ঃ

শ্ৰেষ্ঠ বিহু দল ঃ

প্ৰথম ঃ চেতিয়া গাওঁ টকা বিহু দল।
দ্বিতীয় ঃ মূৰ্ত্তিয়া গাওঁ টকা বিহু দল।
তৃতীয় ঃ দীঘলা গাওঁ টকা বিহু দল।





পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা ঃ

শ্ৰেষ্ঠ বিহু দল ঃ

প্ৰথম ঃ বৰহম থুৰি বিহুৱা দল, ধেমাজি।
দ্বিতীয় ঃ ঘাঁহি গাওঁ বিহু দল, ঘিলামৰা।
তৃতীয় ঃ ঘাৰমৰা বিহু দল।

শ্ৰেষ্ঠ বিহুৱা ঃ

প্ৰথম ঃ জ্যোতিপ্ৰসাদ দাস, বৰহমথুৰি।
দ্বিতীয় ঃ ৰাজেন বৰা, ঘাৰমৰা।
তৃতীয় ঃ ৰাজীৱ দাস, উদয়ন সংঘ।

শ্ৰেষ্ঠা বিহুৱতী ঃ

প্ৰথম ঃ পুষ্পিতা বৰা, উদয়ন সংঘ।
দ্বিতীয় ঃ ছায়াশ্ৰী চমুৱা, অংকুৰ প্ৰতীম নাট্য গোষ্ঠী।
তৃতীয় ঃ সুনয়না দত্ত, কাঠৰবাৰী গাওঁ।

শ্ৰেষ্ঠ ঢুলীয়া ঃ

প্ৰথম ঃ যতীন হাজৰিকা, বৰহম থুৰি।
দ্বিতীয় ঃ বিষ্ণু ভৰালী, ঘাঁহি গাওঁ, ঘিলামৰা।
তৃতীয় ঃ দীপক দাস, অংকুৰ প্ৰতীম।

শ্ৰেষ্ঠ পেঁপা বাদক ঃ

প্ৰথম ঃ লাটুমণি বৰুৱা, পুখিমাৰি বিহু দল।
দ্বিতীয় ঃ অনিল দাস, হেন্‌ৰিক ইবছেন নাট্যমঞ্চ।
তৃতীয় ঃ ৰাজেন খনিকৰ মৰনৈ বেবেজীয়া।

পূৰ্ণ বয়স্ক মিচিং হুঁচৰি প্ৰতিযোগিতা ঃ

শ্ৰেষ্ঠ বিহু দল ঃ

প্ৰথম ঃ মৌখোৱা মিচিং কৃষ্টি দল।
দ্বিতীয় ঃ লেপং মিচিং কৃষ্টি দল।
তৃতীয় ঃ টামাৰ গাওঁ ঐয়াও কৃষ্টি দল।

**গামোচা প্ৰতিযোগিতা ঃ**

**শ্ৰেষ্ঠ প্ৰতিযোগী ঃ**

প্ৰথম ঃ জুলী গগৈ, ১নং হিলৈদাৰী গাওঁ।

দ্বিতীয় ঃ জুলী বৰগোঁহাই, দীঘলা গাওঁ

তৃতীয় ঃ নিভা গগৈ, ৰূপা ফুকন, ১নং বান্তৌ গাওঁ।

**মুকলি বিহু প্ৰতিযোগিতা ঃ**

**চেমনীয়া ঃ**

প্ৰথম ঃ ঢকুৱাখনা জাতীয় বিদ্যালয় চেমনীয়া বিহু দল।

দ্বিতীয় ঃ অংকুৰ প্ৰতীম নাট্যগোষ্ঠী চেমনীয়া বিহু দল।

তৃতীয় ঃ উদয়ন সংঘ চেমনীয়া বিহু দল।

**পূৰ্ণ বয়স্ক ঃ**

প্ৰথম ঃ উদয়ন সংঘ ও চন্দ্ৰশেখৰ দাস অধ্যয়ন চক্ৰ বিহু দল।

দ্বিতীয় ঃ হেন্‌ৰিক ইবছেন নাট্যমঞ্চ বিহু দল।

তৃতীয় ঃ কলাকটা গাওঁ বিহু দল।

**মিচিং বিহু ঃ**

প্ৰথম ঃ উজনী আলিমূৰ দাংধৰা মিচিং বিহু দল।

দ্বিতীয় ঃ ২নং আলিমূৰ দাংধৰা মিচিং বিহু দল।

তৃতীয় ঃ উজনী কৰদৈগুৰি পুনচাং আঃপ্লুন কৃষ্টি দল।

**টকা বিহু ঃ**

প্ৰথম ঃ মিলিজুলি টকা বিহু দল।

দ্বিতীয় ঃ চেতিয়া গাওঁ টকা বিহু দল।

তৃতীয় ঃ খজুৰা গাওঁ টকা বিহু দল।

শ্ৰীমতী পুষ্পিতা বৰা
(পূৰ্ণবয়স্ক) শ্ৰেষ্ঠা বিহুৱতী' ২০০৭



শ্ৰীমতী শান্তি প্ৰিয়া গগৈ
(চেমনীয়া) শ্ৰেষ্ঠা বিহুৱতী' ২০০৭





## ফাটবিহু উদযাপন সমিতি'০৮ বৰ্ষ

শ্ৰী উত্তম কুমাৰ বৰুৱা, সভাপতি

শ্ৰী মুকুল গগৈ, সম্পাদক

### মুখ্য উপদেষ্টা

শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ, মন্ত্ৰী, অসম চৰকাৰ।

ড° অৰুণ কুমাৰ শৰ্ম্মা, সাংসদ, লখিমপুৰ লোকসভা সমষ্টি।

### উপদেষ্টা মণ্ডলী

শ্ৰীযুত প্ৰবীন বৰুৱা, সভাপতি, লখিমপুৰ জিলা পৰিষদ।

শ্ৰীযুত পৰমানন্দ চায়েঙ্গীয়া, মুখ্য কাৰ্য্যবাহী সদস্য, মিছিং স্বায়ত্ব পৰিষদ।

শ্ৰীযুত মণিষ ঠাকুৰ, আই. এ. এচ., উপায়ুক্ত, লখিমপুৰ জিলা।

চৈয়দ আতাহোল কৰিম, আৰক্ষী অধীক্ষক, লখিমপুৰ জিলা।

শ্ৰীযুত চন্দ্ৰনাথ পেগু, প্ৰকল্প সঞ্চালক, জিলা গ্ৰামোন্নয়ন অভিকৰণ, লখিমপুৰ জিলা।

শ্ৰীযুত আকাশদ্বীপ, আই. এ. এচ., মহকুমাধিপতি, ঢকুৱাখনা মহকুমা।

শ্ৰীযুত প্ৰেট্ৰিক ৰংহাং, এ.পি.এচ, মহকুমা আৰক্ষী বিষয়া, ঢকুৱাখনা মহকুমা।

এইচ আলি, মহকুমা ন্যায়িক দণ্ডাধীশ, ঢকুৱাখনা।

শ্ৰীযুক্তা মণিকা পাতিৰ, প্ৰাক্তন সভানেত্ৰী, লখিমপুৰ জিলা পৰিষদ।

শ্ৰীযুত বগীৰাম কুটুম, সদস্য, লখিমপুৰ জিলা পৰিষদ।

শ্ৰীযুত দুলাল দত্ত, সদস্য, লখিমপুৰ জিলা পৰিষদ।

শ্ৰীযুক্তা যমুনা পেগু, সভানেত্ৰী, ঢকুৱাখনা আঞ্চলিক পঞ্চায়ত।

শ্ৰীযুত কনক চন্দ্ৰ বৰুৱা, উপ-সভাপতি, ঢকুৱাখনা আঞ্চলিক পঞ্চায়ত।

শ্ৰীযুত ধীৰেণ দত্ত, সভাপতি, ঢকুৱাখনা নগৰ সমিতি।

শ্ৰীযুত দিবাকৰ দলে, জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া, ঘিলামৰা।

শ্ৰীযুত যোগেশ বৰুৱা, অতিৰিক্ত উপায়ুক্ত, শিৱসাগৰ জিলা।

শ্ৰীযুক্তা লক্ষ্মী কুটুম, চক্ৰবিষয়া, ঢকুৱাখনা ৰাজহচক্ৰ।

শ্ৰীযুত জিতু কুমাৰ দাস, নিৰ্বাচনী বিষয়া, ঢকুৱাখনা।

শ্ৰীযুত জি. এচ. পানেশ্বৰ, অতিৰিক্ত সহকাৰী আয়ুক্ত, ঢকুৱাখনা।

শ্ৰীযুত বৈকুণ্ঠ কোঁছ, ভাৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া, ঢকুৱাখনা উন্নয়ন খণ্ড।

শ্ৰীযুত ৰজনী ফুকন, প্ৰভাৰী, ঢকুৱাখনা আৰক্ষী থানা।

শ্ৰীযুত ইছমাইল হুছেইন (গুৱাহাটী)

শ্ৰীযুত শিৱপ্ৰসাদ গগৈ

শ্ৰীযুত যতীন্দ্ৰ কুমাৰ বৰুৱা

শ্ৰীযুত খগেশ্বৰ হাজৰিকা

শ্ৰীযুত সৰ্বেশ্বৰ সূতবৰুৱা

শ্ৰীযুত ৰজনী বৰগোঁহাই
শ্ৰীযুত জগদীশ গগৈ
ড° জিতৰাম কলিতা
শ্ৰীযুত ছবিলাল জৈন
শ্ৰীযুত তুৰাৰাম দত্ত
শ্ৰীযুত ডিম্বেশ্বৰ হাজৰিকা
শ্ৰীযুত হোমেন দাস
শ্ৰীযুত জিতেন গোঁহাই
শ্ৰীযুত টংক বাজখোৱা
শ্ৰীযুত চেনীৰাম বৰুৱা
ড° গিৰিণ গগৈ
ডাঃ হলিৰাম লাগাছু
শ্ৰীযুত ভুপেন সোনোৱাল
শ্ৰীযুত ৰমানাথ পেগু
শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগু
শ্ৰীযুত প্ৰদীপ গাম
শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ

শ্ৰীযুক্তা বিদ্যাৱতী গগৈ
শ্ৰীযুত ৰেৱত গগৈ
শ্ৰীযুত বক্তিৰাম মৰাং
শ্ৰীযুত তোযেশ্বৰ চেতিয়া
শ্ৰীযুত গোলোক গগৈ
শ্ৰীযুত পৰমানন্দ দলে
শ্ৰীযুত চাৰু চন্দ্ৰ চুতীয়া
শ্ৰীযুত দুৰ্গা সূত
শ্ৰীযুত যোগেন দত্ত
শ্ৰীযুত চিকন চন্দ্ৰ চুতীয়া
শ্ৰীযুত কুশল গগৈ
শ্ৰীযুত মিহিৰ চন্দ্ৰ দাস
শ্ৰীযুত ৰাজেন টাকু
শ্ৰীযুত হীৰা চমুৱা
শ্ৰীযুত লিখন চন্দ্ৰ বুঢ়াগোঁহাই
শ্ৰীযুত নৰ ফুকন
শ্ৰীযুত যোগেন চেতিয়া

## ফাটবিহু উদ্‌যাপন সমিতি' ০৮

শ্ৰী মঞ্জু গগৈ, উপ-সভানেত্ৰী
শ্ৰী ভাস্কৰ দাস, উপ-সভাপতি
শ্ৰী প্ৰদীপ চমুৱা, উপ-সভাপতি
শ্ৰী কেশেন চেতিয়া, সহকাৰী সম্পাদক
শ্ৰী ৰঞ্জিত সন্দিকৈ, সহকাৰী সম্পাদক
শ্ৰী ধৰণী সূত, সহকাৰী সম্পাদক

শ্ৰী পূৰ্ণ চুতীয়া, কাৰ্য্যালয় সম্পাদক
শ্ৰী মুকুল চমুৱা, কাৰ্য্যালয় সম্পাদক
শ্ৰী হৰিচন্দ্ৰ বৰুৱা, কাৰ্য্যালয় সম্পাদক
শ্ৰী ৰাজেন বৰুৱা, প্ৰচাৰ সম্পাদক
শ্ৰী জীতেন কুমাৰ দাস, প্ৰচাৰ সম্পাদক
শ্ৰী প্ৰশান্ত হাজৰিকা, প্ৰচাৰ সম্পাদক
শ্ৰী গোবিন দত্ত, কোষাধ্যক্ষ

## বিত্ত উপ-সমিতি

সভাপতি /সম্পাদক, ফাটবিহু সমিতি।
সভাপতি/ সম্পাদক, ফাটবিহু উদ্‌যাপন সমিতি।
সভাপতি/ সম্পাদক, ঢকুৱাখনা ব্যৱসায় সন্থা।
শ্ৰী দেৱ ভড়াঁলী
শ্ৰী ভবেন গগৈ

কোষাগাৰ প্ৰাধিকাৰী (ঢকুৱাখনা)
শ্ৰী কৌস্তব কিশোৰ চুতীয়া
শ্ৰী উলেন কোঁৱৰ
শ্ৰী যোগেশ বৰুৱা





শ্ৰী ধৰণী হাজৰিকা
শ্ৰী ক্ষীৰোদ শইকীয়া
শ্ৰী কুমেশ্বৰ চমুৱা
শ্ৰী মহানন্দ শৰ্মা
শ্ৰী লক্ষেশ্বৰ সোনোৱাল
শ্ৰী কেশৱ চমুৱা
শ্ৰী কুশল হাজৰিকা
শ্ৰী ললিত দাস
শ্ৰী হিৰণ্য দত্ত (মাজুলী)
শ্ৰী ইন্দ্ৰ কুমাৰ চুংক্ৰোং
শ্ৰী বিনোদ গগৈ
শ্ৰী কেশেন চেতিয়া
শ্ৰী গোপাল সিং
শ্ৰী বিনোদ গুপ্তা
শ্ৰী প্ৰকাশ জৈন
শ্ৰী অনন্ত দাস
শ্ৰী ৰঞ্জিত সন্দিকৈ
শ্ৰী পূৰ্ণ চুতীয়া
শ্ৰী ডম্বৰু দেউৰী
শ্ৰী প্ৰাঞ্জল গোঁহাই
শ্ৰী কুশল গগৈ
শ্ৰী ধৰণী সূত

শ্ৰী অঞ্জন গগৈ
শ্ৰী সুনীল দুৱৰা
শ্ৰী ৰাজেন বৰুৱা
শ্ৰী জয়ন্ত মাধৱ বৰুৱা
শ্ৰী তৰুণ চেতিয়া
শ্ৰী কৃষ্ণ দত্ত
শ্ৰী জয়ন্ত চেতিয়া
শ্ৰী মুক্তা কোঁৱৰ
শ্ৰী পুলিন খনিকৰ
শ্ৰী প্ৰশান্ত হাজৰিকা
শ্ৰী নব কোঁৱৰ
শ্ৰী সত্য চমুৱা
শ্ৰী জয়চন্দ্ৰ সন্দিকৈ (গুৱাহাটী)
শ্ৰী লিখন চমুৱা (গুৱাহাটী)
ডাঃ প্ৰদীপ কুমাৰ বৰুৱা (গুৱাহাটী)
শ্ৰী লোকৰঞ্জন দাস (গুৱাহাটী)
শ্ৰী নব কুমাৰ দলে (গুৱাহাটী)
শ্ৰী ৰমেন বৰুৱা (গুৱাহাটী)
শ্ৰী তিলেন দাস (গুৱাহাটী)
শ্ৰী বিমান দাস (ডিব্ৰুগড়)
ডাঃ ভবেশ গগৈ (ডিব্ৰুগড়)
শ্ৰী দুলেন দত্ত (ডিব্ৰুগড়)

## বিত্ত হুঁচৰি বিভাগ

শ্ৰী জীৱন চমুৱা, উপদেষ্টা
শ্ৰী বিনিমাই গগৈ, উপদেষ্টা
শ্ৰী বিনোদ গগৈ, উপদেষ্টা
শ্ৰী ফুনুৰঞ্জন বৰুৱা, সভাপতি
শ্ৰী নবীন বৰুৱা, উপ-সভাপতি

শ্ৰী ভাস্কৰ দাস, সম্পাদক
শ্ৰী ৰাজা বৰুৱা, সহঃ সম্পাদক
শ্ৰী দ্বীপেন দাস, সহঃ সম্পাদক
শ্ৰী দীপক দাস, সহঃ সম্পাদক

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী শোভন বৰুৱা, গোলাপ দাস, প্ৰাঞ্জল গোঁহাই, কুশল গোঁহাই, উমেশ কোঁচ, ৰাজকুমাৰ বৰুৱা, পুতুল গোস্বামী, থানেশ্বৰ শইকীয়া, হীৰা দত্ত, ঘন দাস, নব গোঁহাই, মহেন্দ্ৰ গোঁহাই, কুশল গগৈ, জগত গগৈ, লম্বিত ফুকন, প্ৰশান্ত হিলৈদাৰী,

অনুপ কুমাৰ গগৈ, প্ৰণৱ গোঁহাই, পলাশ চেতিয়া, প্ৰফুল্ল কলিতা, অমৰজ্যোতি বৰুৱা, বংশী গোঁহাই, ক্ষীৰানন্দ গগৈ, ৰাজীৱ বৰুৱা, গনেশ চমুৱা, দীপাংকৰ দত্ত, বুবুল দত্ত, অৰুণজ্যোতি দত্ত, বিপুল বৰুৱা, প্ৰশান্ত হাজৰিকা, পুতুল শৰ্মা, প্ৰদীপ হাজৰিকা, হেমন্ত গগৈ, গৌতম গগৈ, অচ্যুত বৰুৱা, চন্দ্ৰজিং শইকীয়া, ৰাকেশ বড়া, চন্দন কোঁৱৰ, কৃষ্ণ গগৈ, হিৰণ্য কোঁৱৰ, ৰাণা বৰুৱা, আনন্দ দাস, জয়ন্ত দত্ত, দিগন্ত কোঁৱৰ, মহেন্দ্ৰ গগৈ, মিনু বড়া, ৰাণু হাজৰিকা, জুলি পাটৰ গগৈ, লেলিনা বৰ্মণ, পূৰবী গগৈ, নিৰ্মলী দাস, দিব্য গোঁহাই, ইভাৰাণী চমুৱা, বুদ্ধেশ্বৰী ফুকন, বেবী বৰুৱা, পদ্মা সূত, ৰশ্মিৰেখা কোঁৱৰ, পল্লৱী দাস, জুনু সূত, জোনালী বৰুৱা, লাটুমনি হাজৰিকা, পম্পী দত্ত, পলী হাজৰিকা, গায়ত্ৰী হাজৰিকা, জুৰি দাস, স্বাগতা দেৱী বৰুৱা।

## বিহুৱান সম্পাদনা সমিতি

শ্ৰী শিৱপ্ৰসাদ গগৈ, উপদেষ্টা। শ্ৰী মৌচুমী গগৈ হাতীবৰুৱা, সম্পাদক।

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী ভুধৰ দাস, গোবিন দত্ত, পদ্মা বৰা দাস, প্ৰণৱ বৰুৱা, জিতেন দাস, জিতু কুমাৰ চমুৱা, বিনোদ ফুকন, গায়ত্ৰী দলে।

## মঞ্চ আৰু তোৰণ উপ-সমিতি

শ্ৰী সোনধৰ খনিকৰ, উপদেষ্টা
শ্ৰী প্ৰেম শৰ্মা, উপদেষ্টা
শ্ৰী প্ৰশান্ত গগৈ, উপদেষ্টা

শ্ৰী ললিত দাস, সভাপতি
শ্ৰী প্ৰণৱ বৰুৱা, উপ সভাপতি
শ্ৰী লোকেন গগৈ, সম্পাদক
শ্ৰী সুভাষ বৰপাত্ৰগোঁহাই, সহঃ সম্পাদক

সদস্য ঃ- সৰ্বশ্ৰী প্ৰাঞ্জল গোঁহাই, কুমুদ বৰুৱা, গুনিন দত্ত, মহেন্দ্ৰ দাস, মনোজ গগৈ, টংক দত্ত, দুলাল পেগু, বীৰেন্দ্ৰ সুত, জীৱন্ত গগৈ, তোলন দত্ত, বনশ্যাম গগৈ, ৰঞ্জিত গগৈ, দাদুল বৰুৱা, ঋতুপৰ্ণ বৰুৱা, গিৰিন্দ্ৰ বৰফুকন, অনিলেখ গগৈ, দ্বীপেন গগৈ, বুবুল চমুৱা, গুণ দত্ত, ধীৰু ডেকা।

## আদৰণি উপ-সমিতি

শ্ৰী জগদীশ গগৈ, উপদেষ্টা
শ্ৰী হেমপ্ৰভা দত্ত, উপদেষ্টা

শ্ৰী নৰ গগৈ, সভাপতি
শ্ৰী দিব্য ফুকন গোঁহাই, উপ-সভানেত্ৰী
শ্ৰী স্বৰ্ণ চমুৱা, সম্পাদিকা

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী ধীৰেণ কছাৰী, চিত্ৰৰঞ্জন দাস, কুলনাথ বৰুৱা, অনুৰাধা গগৈ, ইন্দিৰা গগৈ, ছায়া গগৈ, ৰুণু দত্ত, পুষ্পাঞ্জলী কোঁৱৰ বৰুৱা, প্ৰতিভা কোঁৱৰ, প্ৰতিভা গগৈ, পূৰবী গগৈ।





## খাদ্য উপ-সমিতি

শ্ৰী বাবুল শইকীয়া, উপদেষ্টা
শ্ৰী ৰাজেন গগৈ, উপদেষ্টা
শ্ৰী কুশল হাজৰিকা, উপদেষ্টা

শ্ৰী শৈলেন দত্ত, সভাপতি
শ্ৰী শৈলেন বৰুৱা, উপ-সভাপতি
শ্ৰী গোবিন বৰুৱা, সম্পাদক
শ্ৰী অম্বেশ্বৰ কোঁৱৰ, সহঃ সম্পাদক

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী সিদ্ধেশ্বৰ হাজৰিকা, জীতেন তামুলী, ধীৰেণ শইকীয়া, ৰামেশ্বৰ কলিতা, গিৰীশ গগৈ, বীৰেণ গগৈ, আনন্দ দত্ত, ইন্দ্ৰেশ্বৰ গগৈ, সুভাষ কোঁৱৰ, পূৰ্ণ বৰা, ৰবীন গগৈ, সূৰ্য্য গগৈ, সুনিত পাটৰ, ভদ্ৰ বৰুৱা, জুনা বৰুৱা, নিৰ্মল দাস, কল্যাণ দত্ত, পীতাম্বৰ দত্ত, প্ৰতিভা কোঁৱৰ, বীণা বড়া, অচ্যুত চক্ৰধৰ, দীপা দত্ত শইকীয়া, তোলন দত্ত, বনিতা বৰুৱা গগৈ, ভৱানী সোনোৱাল, ইভাৰাণী হাজৰিকা, বুলুমনি দত্ত গগৈ, প্ৰতিভা ফুকন, ৰেখা গগৈ, জুনুকন হাজৰিকা, কুঞ্জ কোঁৱৰ, অঞ্জু কোঁৱৰ, স্বপ্না দুৱৰা, জয়কান্ত কোঁৱৰ, ফুলমা কোঁৱৰ, অমিয়া চমুৱা বৰুৱা, চুমি হাজৰিকা, সুমিত্ৰা দুৱৰা, মীনা দুৱৰা।

## শোভাযাত্ৰা উপ-সমিতি

শ্ৰী চেনীৰাম বৰুৱা, উপদেষ্টা
শ্ৰী সদানন্দ চমুৱা, উপদেষ্টা
শ্ৰী হেম বৰুৱা, উপদেষ্টা
শ্ৰী পুষ্পপ্ৰাণ ফুকন, উপদেষ্টা
ডাঃ অজিত শৰ্মা, উপদেষ্টা

শ্ৰী চেনীৰাম গগৈ, সভাপতি
শ্ৰী জীতেন কুমাৰ দাস, উপ-সভাপতি
শ্ৰী ৰঞ্জিত সন্দিকৈ, সম্পাদক
শ্ৰী দ্বীপেন গগৈ, সহঃ সম্পাদক

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী হেমন্ত পেগু, হেমচন্দ্ৰ বড়া, বাবুল দাস, হেমন্ত দলে, ধীৰাজ সিংহা,

থানুকৃষ্ণ দত্ত, পংকজ বৰা, শান্তনু গগৈ, টুনিৰাম বৰুৱা, অজিত চেতিয়া, মৃদুল বৰুৱা, দেবেন গগৈ, ধৰ্মেশ্বৰ গগৈ, লুকু দলে, কানাইলাল চাহু, চিৰন্তন লাগাছু, প্ৰদীপ পাৰিক, তাহিৰ হুছেইন, পুনিয়া জৈন, সাধনা গগৈ।

## প্ৰচাৰ আৰু যোগাযোগ উপ-সমিতি

শ্ৰী দুলেন চমুৱা, সভাপতি

শ্ৰী ৰাজেন বৰুৱা, সম্পাদক
শ্ৰী জীতেন দাস, সম্পাদক
শ্ৰী প্ৰশান্ত হাজৰিকা, সম্পাদক

সদস্য ঃ- সৰ্বশ্ৰী আলোক চমুৱা, হেমন্ত কুমাৰ বৰুৱা, অমৃত পৱন বড়া, ভবেন কোঁৱৰ, অৰূপ বৰুৱা, অৰূপম দাস, তপন চমুৱা, জিতু দত্ত, বিপুল গগৈ, ৰাজেন্দ্ৰ কুমাৰ বৰুৱা

(গুৱাহাটী), শৈলেন বৰুৱা (লখিমপুৰ), প্ৰশান্ত বৰুৱা (গুৱাহাটী) দেৱজিৎ ভূঞা (লখিমপুৰ), অতুল চমুৱা (ধেমাজি), ভাস্কৰ সভাপণ্ডিত (ধেমাজি), ৰাজকুমাৰ শৰ্মা, ৰাজেশ বুঢ়াগোঁহাই, দিব্য খনিকৰ, হৰিনাৰায়ন বুঢ়াগোঁহাই, চন্দ্ৰজিৎ শইকীয়া।

## জনস্বাস্থ্য উপ-সমিতি

শ্ৰী ঘন দত্ত (আমোলাপট্টি), উপদেষ্টা

শ্ৰী ঘন দত্ত (বৰুৱাটিকা), উপদেষ্টা

শ্ৰী কামাখ্যা শইকীয়া, সভাপতি

শ্ৰী হৰেণ দত্ত, উপ-সভাপতি

শ্ৰী দীপক চমুৱা, সম্পাদক

শ্ৰী ধ্ৰুৱ দাস, সহঃ সম্পাদক

সদস্য ঃ- সৰ্বশ্ৰী হৰেশ্বৰ চমুৱা, উমেশ গোঁহাই, কৃষ্ণ গগৈ, ভাস্কৰ গগৈ, জয়ন্ত চমুৱা, মুকুন্দ বৰা, ঘন বৰুৱা।

## চিকিৎসা উপ-সমিতি

ডাঃ হলিৰাম লাগাছু, উপদেষ্টা

ডাঃ তোলন পেগু, উপদেষ্টা

ডাঃ নাৰায়ন দেউৰী, উপদেষ্টা

শ্ৰী ৰবীন বৰুৱা, উপদেষ্টা

ডাঃ গনেশ গগৈ, সভাপতি

ডাঃ বিপুল চন্দ্ৰ দাস, উপ-সভাপতি

ডাঃ গিতালী দত্ত, সম্পাদিকা

সদস্য/সদস্যা ঃ- ডাঃ উৎপল শইকীয়া, ডাঃ মৃদুল বৰা, ডাঃ চিৰাজুল ইচলাম, ডাঃ নিবাৰণ দলে, দেৱ ৰাজখোৱা, প্ৰফুল্ল বৰগোঁহাই, অনিলা শ্যাম, প্ৰতিভা হাজৰিকা, অৰুণ ৰাহা, লাবণ্য সূত গগৈ, গীতাঞ্জলী দত্ত, অনিল চমুৱা, দিলিপ চৰকাৰ, ৰীণা গগৈ কলিতা আৰু দিলিপ দত্ত।

## সেচ্ছাসেৱক উপ-সমিতি

শ্ৰী কুমুদ চন্দ্ৰ শৰ্মা, উপদেষ্টা

শ্ৰী দণ্ডি কলিতা, উপদেষ্টা

শ্ৰী প্ৰদীপ ভূঞা, সভাপতি

শ্ৰী কিৰণ চমুৱা গগৈ, উপ-সভানেত্ৰী

শ্ৰী ভদ্ৰ গগৈ, সম্পাদক

শ্ৰী গুৰু গোবিন্দ দাস, সহঃ সম্পাদক

সদস্য/সদস্যা ঃ- সৰ্বশ্ৰী অৰুণ পাটৰ, বিপুল গোঁহাই, থানুকৃষ্ণ দত্ত, ৰাজেন্দ্ৰ প্ৰসাদ গগৈ, পংকজ বৰা, মোহিনী মোহন শইকীয়া, লক্ষীন্দৰ দলে, ভৱেন্দ্ৰজিৎ গগৈ, দিলিপ কোঁৱৰ, উদ্বোধন খনিকৰ, যতীন বৰা, গৌতম শইকীয়া, পুলিন বৰা, দীপক দত্ত, ৰাজদ্বীপ বৰুৱা, জীতুকৃষ্ণ বড়া, লক্ষীপ্ৰসাদ দত্ত, মুকুন্দ বুঢ়াগোঁহাই, কাকুল কোঁৱৰ, অৰুণ কোঁৱৰ, শান্তিৰাণী বুঢ়াগোঁহাই, কাকলি দত্ত।





## শব্দ আৰু পোহৰ উপ-সমিতি

শ্ৰী কেশেন চেতিয়া, সভাপতি

শ্ৰী বসন্ত শইকীয়া, উপ-সভাপতি

শ্ৰী ধৰণী সূত, সম্পাদক

শ্ৰী মৃদুল বৰুৱা, সহঃ সম্পাদক

সদস্য ঃ- সৰ্বশ্ৰী সত্য চমুৱা, ৰাজাধিৰাজ গগৈ, টুকুমনি চুতীয়া, মনোজ দত্ত, পৰাণ জ্যোতি বুঢ়াগোঁহাই, পাৰ্থ দাস, মুনুৰঞ্জন দাস, অনুপ বৰুৱা।

## হিচাপ পৰীক্ষক

শ্ৰী আনন্দ গগৈ

শ্ৰী বাবুল শইকীয়া

## ফাটবিহু সমিতি

শ্ৰী কেশৱ গগৈ - সভাপতি

শ্ৰী হিৰণ্য দত্ত - উপ-সভাপতি

শ্ৰী লালিত্য কুমাৰ দাস - সম্পাদক

শ্ৰী নৰ গগৈ - সহঃ সম্পাদক

শ্ৰী জীৱন চমুৱা - সদস্য

শ্ৰী ললিত দাস - সদস্য

শ্ৰী গোবিন দত্ত - সদস্য

শ্ৰী তৰুণ চন্দ্ৰ পাতিৰ - সদস্য

শ্ৰী উত্তম কুমাৰ বৰুৱা - সদস্য

শ্ৰী মুকুল গগৈ - সদস্য

শ্ৰী ৰঞ্জিত সন্দিকৈ - সদস্য

শ্ৰী জীতেন দাস - সদস্য

শ্ৰী প্ৰতিভা কোঁৱৰ - সদস্যা

শ্ৰী জেৰিণা গগৈ - সদস্যা

শ্ৰী প্ৰণৱ বৰুৱা - সদস্য

*********************

# ফাটবিহু ২০০৮ বৰ্ষৰ কাৰ্য্যসূচী

## ২৬ ব'হাগ (৯ মে' ০৮) শুক্ৰবাৰ ঃ

পুৱা ৯-০০ বজাত ঃ পতাকা উত্তোলন
উত্তোলক ঃ শ্ৰীযুত কেশৱ গগৈ, সভাপতি, ফাটবিহু সমিতি

পুৱা ৯-৩০ বজাত ঃ স্মৃতি তৰ্পণ
তৰ্পক ঃ শ্ৰীযুত উত্তম কুমাৰ বৰুৱা, সভাপতি, ফাটবিহু উদ্‌যাপন সমিতি' ০৮

পুৱা ১০-০০ বজাত ঃ বিহুদল সমূহলৈ আদৰণি

পুৱা ১০-৩০ বজাত ঃ মঞ্চ মুকলি
মুকলি কৰিব ঃ মঃ ইছমাইল হুছেইন, বিশিষ্ট সাহিত্যিক

পুৱা ১১-০০ বজাত ঃ টকা বিহু প্ৰতিযোগিতা
উদ্বোধিকা ঃ শ্ৰীযুক্তা পুষ্পা গগৈ, বিষয় শিক্ষয়িত্ৰী, ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়

দুপৰীয়া ১-০০ বজাত ঃ চেমনীয়া হুঁচৰি প্ৰতিযোগিতা
উদ্বোধক ঃ শ্ৰীমান মনোৰঞ্জন দত্ত, ছাত্ৰ, ঢকুৱাখনা উচ্চতৰ মাঃ আদৰ্শ বিদ্যালয়

## ২৭ ব'হাগ (১০ মে' ০৮) শনিবাৰ ঃ

পুৱা ৮-০০ বজাত ঃ কপৌফুল আৰু বৃক্ষৰোপণ
ৰোপক ঃ শ্ৰীযুত সৰ্বেশ্বৰ সূত বৰুৱা, ঢকুৱাখনা

পুৱা ৯-০০ বজাত ঃ গামোচা প্ৰতিযোগিতা
উদ্বোধিকা ঃ শ্ৰীযুক্তা যমুনা পেগু, সভানেত্ৰী, ঢকুৱাখনা আঞ্চলিক পঞ্চায়ত

পুৱা ৯-৩০ বজাত ঃ বিহুদল সমূহলৈ আদৰণি

পুৱা ১০-০০ বজাত ঃ পূৰ্ণবয়স্ক হুঁচৰি প্ৰতিযোগিতা (সকলো জনগোষ্ঠীৰ বাবে)
উদ্বোধক ঃ শ্ৰীযুত অৰুণ দত্ত, উত্তৰ লখিমপুৰ

দুপৰীয়া ১-০০ বজাত ঃ ফাটবিহুৰ বছেৰেকীয়া প্ৰকাশ "বিহুৱান" উন্মোচন
উন্মোচক ঃ ড° পল্লৱী বুজৰবৰুৱা, অধ্যাপিকা, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

বিয়লি ২-০০ বজাত ঃ পুনৰ পূৰ্ণবয়স্ক হুঁচৰি প্ৰতিযোগিতা

## ২৮ ব'হাগ (১১ মে' ০৮) দেওবাৰ ঃ

পুৱা ১০-০০ বজাত ঃ সাংস্কৃতিক শোভাযাত্ৰা
উদ্বোধকঃ শ্ৰীযুত অৰুণ হাজৰিকা, (নেত্ৰকাইটি), বোলছবি অভিনেতা





পুৱা ১২-০০ বজাত ঃ মুকলি বিহু প্ৰতিযোগিতা
উদ্বোধকঃ শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ, প্ৰৱক্তা, ঢকুৱাখনা মহাবিদ্যালয়

দুপৰীয়া ১-০০ বজাত ঃ মুকলি সভা
উদ্বোধকঃ ড° আনোৱাৰউদ্দিন চৌধুৰী, যুটীয়া সচিব, পৰ্যটন বিভাগ, অসম

সভাপতি ঃ শ্ৰীযুত উত্তম কুমাৰ বৰুৱা, সভাপতি, ফাটবিহু উদ্‌যাপন সমিতি' ০৮

মুখ্য অতিথি ঃ শ্ৰীযুত হোমেন বৰগোঁহাঞি

সন্মানিত অতিথি ঃ শ্ৰীযুত টাবুৰাম টাইড, বিশিষ্ট শিক্ষাবিদ

বিশিষ্ট অতিথি ঃ শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ, মন্ত্ৰী, অসম
ড° অৰুণ কুমাৰ শৰ্মা, সাংসদ, লখিমপুৰ লোকসভা সমষ্টি
শ্ৰীযুত মনিষ ঠাকুৰ, উপায়ুক্ত, লখিমপুৰ জিলা

নিৰ্দিষ্ট বক্তা ঃ শ্ৰীযুত ইন্দ্ৰ বনিয়া, আন্তৰাষ্ট্ৰীয় বঁটা বিজেতা বোলছবি অভিনেতা,
শ্ৰীযুত যোগেশ বৰুৱা, অতিৰিক্ত উপায়ুক্ত, শিৱসাগৰ জিলা

আমন্ত্ৰিত অতিথি ঃ শ্ৰীযুত ঘন বুঢ়াগোঁহাই, বিধায়ক, লখিমপুৰ বিধানসভা সমষ্টি
শ্ৰীযুত প্ৰবীন বৰুৱা, সভাপতি, লখিমপুৰ জিলা পৰিষদ
মঃ আতাউল কৰিম, আৰক্ষী অধীক্ষক, লখিমপুৰ জিলা
শ্ৰীযুত চন্দ্ৰ নাথ পেগু, প্ৰকল্প সঞ্চালক, জিলা গ্ৰামোন্নয়ন অভিকৰণ, লখিমপুৰ
শ্ৰীযুত ডিম্বেশ্বৰ হাজৰিকা, মুখ্য কাৰ্যবাহী বিষয়া, লখিমপুৰ জিলা পৰিষদ
শ্ৰীযুত আকাশদ্বীপ, মহকুমাধিপতি, ঢকুৱাখনা মহকুমা
এইচ. আলি, মহকুমা নাগৰিক দণ্ডাধীশ, ঢকুৱাখনা।
শ্ৰীমতী নিৰদা দলে পেগু, স্কুল সমূহৰ পৰিদৰ্শক, লখিমপুৰ
শ্ৰীযুত ঘন হাজৰিকা, বিশিষ্ট নাট্যকাৰ
শ্ৰীযুক্তা চেতনা দাস, বোলছবি অভিনেত্ৰী
শ্ৰীমতী মিনু বনিয়া, বোলছবি অভিনেত্ৰী
শ্ৰীযুত কটীৰাম কুটুম, সদস্য, লখিমপুৰ জিলা পৰিষদ
শ্ৰীযুত দুলাল দত্ত, সদস্য, লখিমপুৰ জিলা পৰিষদ
শ্ৰীযুত তিলক চেতিয়া, খিলাঞ্জী

*****************

## ফাটবিহুৰ চলন্ত বঁটাসমূহ

১। °পূৰ্ণকান্ত ভৰালী সোঁৱৰণী বঁটা
২। °কনক চন্দ্ৰ গগৈ সোঁৱৰণী বঁটা
৩। °গন্ধেশ্বৰ গগৈ সোঁৱৰণী বঁটা
৪। °জ্যোৎনা গগৈ সোঁৱৰণী বঁটা
৫। °ৰমন চন্দ্ৰ গগৈ সোঁৱৰণী বঁটা
৬। °তিতাৰাম গগৈ সোঁৱৰণী বঁটা
৭। °সতীশ চন্দ্ৰ গগৈ সোঁৱৰণী বঁটা
৮। ডাঃ নিত্যানন্দ দাস সোঁৱৰণী বঁটা
৯। °লাৱণ্য গগৈ সোঁৱৰণী বঁটা
১০। °ভৰত বৰুৱা সোঁৱৰণী বঁটা
১১। °লীলা কান্ত দাস সোঁৱৰণী বঁটা
১২। °কৰবী দত্ত সোঁৱৰণী বঁটা
১৩। °বিলাতী পেগু সোঁৱৰণী বঁটা
১৪। °জগন্নাথ গুপ্তা সোঁৱৰণী বঁটা



২০০৭ বৰ্ষৰ মুকলি বিহুৰ শ্ৰেষ্ঠ টকা-বিহু দলটিৰ একাংশ



# বিহুৱানৰ প্ৰাক্তন সম্পাদক সকল

| | | | |
|---|---|---|---|
| ❑ শ্ৰী ছবিলাল জৈন | ১ম সংখ্যা | — | ১৯৭৬ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী শিৱ প্ৰসাদ গগৈ | ২য় সংখ্যা | — | ১৯৭৭ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী তিলেন চমুৱা | ৩য় সংখ্যা | — | ১৯৭৯ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী জয়চন্দ্ৰ হাজৰিকা | ৪ৰ্থ সংখ্যা | — | ১৯৮০ খ্ৰীষ্টাব্দ |
| ❑ ডাঃ বিদ্যেশ্বৰ দলে | ৫ম সংখ্যা | — | ১৯৮১ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী ভৰত বৰুৱা | ৬ষ্ঠ সংখ্যা | — | ১৯৮২ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী কোযেশ্বৰ চমুৱা<br>❑ শ্ৰী প্ৰাঞ্জল চমুৱা | ৭ম সংখ্য | — | ১৯৮৫ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী বিষ্ণু বৰবৰা | ৮ম | — | ১৯৮৬ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী নন্দ চুতীয়া | ৯ম সংখ্যা | — | ১৯৮৮ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী অমিয় কুমাৰ সন্দিকৈ | ১০ম সংখ্যা | — | ১৯৯৯ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী বিদ্যা দত্ত | একাদশ সংখ্যা | — | ২০০০ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী অমিয় কুমাৰ সন্দিকৈ | দ্বাদশ সংখ্যা | — | ২০০১ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী জগদীশ গগৈ | ত্ৰয়োদশ সংখ্যা | — | ২০০২ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী জিতৰাম কলিতা | চতুৰ্দশ সংখ্যা | — | ২০০৩ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী শিৱ প্ৰসাদ গগৈ | পঞ্চদশ সংখ্যা | — | ২০০৪ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী শিৱ প্ৰসাদ গগৈ | ষষ্ঠদশ সংখ্যা | — | ২০০৫ খ্ৰীষ্টাব্দ |
| ❑ শ্ৰী পূৰ্ণানন্দ গগৈ | সপ্তদশ সংখ্যা | — | ২০০৬ খ্ৰীষ্টাব্দ |
| ❑ ড° জিতৰাম কলিতা | অষ্টাদশ সংখ্যা | — | ২০০৭ খ্ৰীষ্টাব্দ |

# লেখকৰ ঠিকনা

| | | |
|---|---|---|
| জগদীশ গগৈ | ঃ | অৱসৰ প্ৰাপ্ত শিক্ষক, বালি গাওঁ , ঢকুৱাখনা |
| ইছমাইল হোছেইন | ঃ | প্ৰৱক্তা, অভিযান্ত্ৰিক মহাবিদ্যালয়; গুৱাহাটী |
| শৈলেন বৰুৱা | ঃ | আবাসিক সম্পাদক, আমাৰ অসম; লখিমপুৰ |
| ড° নিৰ্মল কুমাৰ চৌধুৰী | ঃ | প্ৰাক্তন উপাচাৰ্য্য, গুৱাহাটী বিশ্ববিদ্যালয় |
| তীৰ্থ ফুকন | ঃ | কাহিলিপাৰা, গুৱাহাটী |
| ড° অন্নজ্যোতি গগৈ | ঃ | প্ৰৱক্তা, উদ্ভিদবিজ্ঞান বিভাগ; ধেমাজিমহাবিদ্যালয় |
| শিৱ প্ৰসাদ গগৈ | ঃ | প্ৰাক্তন অধ্যক্ষ, ঢকুৱাখনা মহাবিদ্যালয় |
| ড° বিশ্বজিত বৰুৱা | ঃ | ৰীডাৰ, বুৰঞ্জী বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয় |
| ডিম্বেশ্বৰ গগৈ | ঃ | প্ৰৱক্তা, অসমীয়া বিভাগ; ঢকুৱাখনা মহাবিদ্যালয় |
| বীৰেণ বৰগোঁহাই | ঃ | চাৰ্ভে;বেলতলা, গুৱাহাটী |
| সৰ্বেশ্বৰ বৰুৱা | ঃ | অৱসৰ প্ৰাপ্ত শিক্ষক, ঢকুৱাখনা উঃ মাঃ আঃ বিদ্যালয় |
| ইন্দিবৰ বুঢ়াগোহাঞি | ঃ | মুৰব্বী ,প্ৰাণী বিজ্ঞান বিভাগ; ঢকুৱাখনা মহাবিদ্যালয় |
| ড° চন্দ্ৰ নাথ বৰুৱা | ঃ | মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ; ঢকুৱাখনা মহবিদ্যালয় |
| মীনামনি দেৱী | ঃ | অধ্যক্ষা, ঢকুৱাখনা নৰ্মাল স্কুল |
| হোমেন দাস | ঃ | বালি গাওঁ , ঢকুৱাখনা |
| নন্দ চুতীয়া | ঃ | গ্ৰন্থাগাৰ সহায়ক, ঢকুৱাখনা মহাবিদ্যালয় |
| ধৰনীধৰ কলিতা | ঃ | অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক, ঢকুৱাখনা উঃ মাঃ আঃ বিদ্যালয় |
| বলিন কলিতা | ঃ | জালভাৰী, ঢকুৱাখনা |
| বিভাৰাণী হাজৰিকা সোণোৱাল | ঃ | বালিগাওঁ, ঢকুৱাখনা |
| ইন্দিৰা গগৈ | ঃ | চাউৰকীয়া, ঢকুৱাখনা |
| বিদ্যাৱতী গগৈ | ঃ | হিলৈদাৰী, ঢকুৱাখনা |
| জগত ফুকন | ঃ | খজুৱা , ঢকুৱাখনা |
| সৰ্বেশ্বৰী পেগু | ঃ | ভিতৰ বগৰী, ঢকুৱাখনা |
| পদ্মা বড়া দাস | ঃ | বিষয় শিক্ষয়িত্ৰী, ঢকুৱাখনা উঃ মাঃ আঃ বিদ্যালয় |
| ড° জিতৰাম কলিতা | ঃ | প্ৰাক্তন উপাধ্যক্ষ, ঢকুৱাখনা মহাবিদ্যালয় |
| ভূধৰ দাস | ঃ | অৱসৰ প্ৰাপ্ত শিক্ষক, ঢকুৱাখনা চঃ মঃ বিদ্যালয় |
| ৰুনু দত্ত দাস | ঃ | শিক্ষয়িত্ৰী ঢকুৱাখনা উঃ মাঃ আঃ বিদ্যালয় |
| ত্ৰৈলোক্য গগৈ | ঃ | প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ; ধেমাজি মহাবিদ্যালয় |
| পুষ্পা গগৈ | ঃ | বিষয় শিক্ষয়িত্ৰী, ধেমাজি উঃ মাঃ বিদ্যালয় |





| | | |
|---|---|---|
| প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী | ঃ | অভয়াপুৰী, গোৱালপাৰা। |
| হেমন্ত গগৈ | ঃ | উত্তৰ লখিমপুৰ |
| ৰানু প্ৰভা দেউৰী | ঃ | প্ৰৱক্তা, ব্ৰহ্মপুত্ৰ মহাবিদ্যালয় |
| নিবেদিতা লাগাচু | ঃ | শিক্ষয়িত্ৰী; কলেজিয়েট হাইস্কুল, লখিমপুৰ। |
| হেমপ্ৰভা দত্ত | ঃ | বৰুৱাটিকা গাওঁ, ঢকুৱাখনা। |
| সৌৰভ শইকীয়া | ঃ | টি-হাউচফেড কমপ্লেক্স, দিচপুৰ গুৱাহাটী। |
| কুশল দত্ত | ঃ | দৈনিক অসম, চানমাৰি, গুৱাহাটী |
| সবিতা কোঁৱৰ | ঃ | গহপুৰ, শোনিতপুৰ। |
| হেমচন্দ্ৰ দত্ত | ঃ | ডাকপাল, চিমেনচাপৰি। |
| ৰাজীৱ তামুলী | ঃ | আমকটীয়া, ঢকুৱাখনা। |
| জিতু কুমাৰ চমুৱা | ঃ | ১ নং বান্তৌ, ঢকুৱাখনা। |
| জ্যোতিনীলিমা গগৈ | ঃ | আমোলাপট্টি, ঢকুৱাখনা। |
| অপূৰ্ব কুমাৰ বৰ্মন | ঃ | কোকৰাঝাৰ। |
| জিতু দত্ত | ঃ | ভগামুখ, ঢকুৱাখনা। |
| ৰাজীৱ বৰুৱা | ঃ | সোৱণশিৰী, ঢকুৱাখনা। |
| নাৰ্জিনা ইছলাম। | ঃ | আমোলাপট্টি, ঢকুৱাখনা। |
| সুৰভি কোঁৱৰ | ঃ | কোঁৱৰ গাওঁ, ঢকুৱাখনা। |
| বুবুল চমুৱা | ঃ | ১ নং বান্তৌ, ঢকুৱাখনা। |
| বিনোদ ফুকন | ঃ | ১ নং বান্তৌ, ঢকুৱাখনা। |
| সুৰুজ কুমাৰ ভূঞা | ঃ | জালভাৰী, ঢকুৱাখনা। |
| গনেশ চমুৱা | ঃ | বালিগাওঁ, ঢকুৱাখনা। |
| ঐজ্যোতি চুতীয়া | ঃ | চিচিবৰগাওঁ, ধেমাজি। |
| জুপিতৰা নাথ | ঃ | আমোলাপট্টি, ঢকুৱাখনা। |
| অসমী কলিতা | ঃ | চাৰিআলি চাপৰি, ঢকুৱাখনা। |
| ঘৃতাচী দত্ত | ঃ | বৰুৱাটিকা, ঢকুৱাখনা। |
| ময়ুৰকৃষ্ণ বৰা | ঃ | বালিগাওঁ, ঢকুৱাখনা। |
| গৌৰীমা গগৈ | ঃ | নৱকাঠৰবাৰী, ঢকুৱাখনা। |
| মিনতি বৰুৱা | ঃ | আমোলাপট্টি, ঢকুৱাখনা। |

—ooooooo—

# ELCOM

TECHNOCOMMERCIAL GROUP
Kalpataru Market, Near U.B.I.,
Dhakuakhana, Lakhimpur, Assam


**Prop.**
Bhaskar Dutta
Ph- 9435424977
9435620023
9957339930

**Deals in** - All kinds of Networking Connection& Recharge Card ,(BSNL, Airtel, Aircel) All types of Printing, Video Recording & Editing , Computerise Rubber Stamp &

**NOKIA DEALAR**




## সম্পাদনা সমিতি



**বাঁওফালৰ পৰা (বহি) ক্ৰমে** : শ্ৰীগোবিন্দ দত্ত (সদস্য), শ্ৰীপ্ৰণৱ বৰুৱা (সদস্য), শ্ৰীপদ্মা বড়া দাস (সদস্যা), শ্ৰীমৌচুমী গগৈ হাতীবৰুৱা (সম্পাদক), শ্ৰীশিৱ প্ৰসাদ গগৈ (উপদেষ্টা), শ্ৰীভূধৰ দাস (সদস্য)।

**বাঁওফলাৰ পৰা (থিয়হৈ) ক্ৰমে** : শ্ৰীজিতেন দাস (সদস্য), শ্ৰীবিনোদ ফুকন (সদস্য), শ্ৰীজিতু কুমাৰ চমুৱা (সদস্য)।

**ফটোত অনুপস্থিত** : শ্ৰীগায়ত্ৰী দলে (সদস্যা)।

## '২০০৭ বৰ্ষ'ৰ ফাট বিহুৰ কেইটিমান স্মৰণীয় মুহূৰ্ত





